ASSAM
LEGISLATIVE ASSEMBLY
DEBATES

OFFICIAL REPORT

FOURTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE ELEVENTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

OCTOBER SESSION

No. : 5

The 8th October, 2002

Price : 91.50

ASSAM
LEGISLATIVE ASSEMBLY
DEBATES

OFFICIAL REPORT

FOURTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE ELEVENTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

OCTOBER SESSION

No. : 5

The 8th October, 2002

Price : 91.50

CONTENTS

OCTOBER SESSION

NO. : 5

Dated, the 8th October, 2002

		Page
1.	Questions and Answers	1
2.	Point of Order	94
3.	Zero Hour Matter	97
4.	Call Attention	110
5.	Matter under Rule 301	112
6.	Ruling from the Chair	119
7.	Discussion on Censure Motion	124
8.	Announcement from the Chair	163
9.	Adjournment	163
9.	Annexure —I to XI	164–302

DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Tuesday the 8th october, 2002

The House met at 9 AM. of the clock in the Assembly chamber at Dispur with Mr. Prithibi Majhi, Speaker in the chair.

STARRED

QUESTIONS AND ANSWERS

(To which oral replies were given)

* শ্রী দিলীপ কুমাৰ শইকীয়া ঃ—মাননীয় অধ্যক্ষ মহোদয়, এটা 'পইণ্ট অৱ' অর্ডাৰ আছে। আমাৰ ৰাজ্যপালে এই বিধান সভা চলি থকা অৱস্থাতে শ্বিলঙৰ এখন ছেমিনাৰত 'এটা ৰাজনৈতিক দলে মুছলমানসকলক সুৰক্ষা দি আছে' বুলি মন্তব্য কৰিছে বুলি বাতৰি কাকতত বাতৰি ওলাইছে। বিধান সভা চলি থকা সময়ত সাংবিধানিক মুৰব্বী এজনে এনে মন্তব্য কৰা বিষয়টো বিধান সভাত আলোচনা হ'ব লাগে।

* শ্রী ৰিপুন বৰা, (স্বতন্ত্র ৰাজ্যিক মন্ত্রী) ঃ— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে পেপাৰত ওলাইছে বুলি কৈছে কিন্তু We would acertain first whether he made this statement or not.

---

* Speech not corrected

* শ্রী দিলীপ কুমাৰ শইকীয়া ঃ— মাননীয় অধ্যক্ষ মহোদয়, এই বাতৰিটো অসমৰ প্ৰধান প্ৰধান আটাইকেইখন বাতৰি কাকতে পৰিবেশন কৰা হৈছে। তাত দুজন ৰাজ্যপাল উপস্থিত আছিল। এইটো কেতিয়াও মিছা বাতৰি হ'ব নোৱাৰে। তথাপি 'এছাৰ্‌টেইন' হওক তাৰ পিচত আমি আলোচনা কৰিম।

* শ্রী সর্বানন্দ সোণোৱাল ঃ— মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো আলোচনা হোৱা অতি প্ৰয়োজন। কাৰণ সাংবিধানিক মুৰব্বী এজনে বিধান সভা চলি থকা অৱস্থাত এনে মন্তব্য কৰা অতি অশোভনীয়।

* শ্রী ভৰত চন্দ্র নৰহ ঃ (সংসদী পৰিক্ৰমা মন্ত্রী) ঃ— মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ "আন্দাৰ ৰো'ল এণ্ড প্ৰচিডিউৰ" প্ৰেচিডেন্ট আৰু গৰ্ভণৰৰ ওপৰত ইয়াত আলোচনা হব নোৱাৰে।

Mr. Speaker :— Now, Starred Question No. 81. Hon'ble Member Shri Dilip Kumar Saikia.

বিষয় ঃ সংৰক্ষিত বনাঞ্চলৰ সংখ্যা।

শ্রী দিলীপ কুমাৰ শইকীয়াই সুধিছে ঃ

*** ৮১। মাননীয় বন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

(ক) অসমত কিমানখন সংৰক্ষিত বনাঞ্চল আছে আৰু এই বনাঞ্চলৰ মুঠ মাটি কালি কিমান?

(খ) এই বনাঞ্চলত অসমৰ খিলঞ্জীয়া লোকসকলৰ কিমানে কিমান অঞ্চল বেদখল কৰি আছে? বড়ো জনগোষ্ঠী সকলেও বেদখল কৰি আছে নেকি? (জিলা ভিত্তিত মাটি কালি আৰু বেদখলৰ সংখ্যা জনাব)

(গ) অসমত কিমানখন ৰাষ্ট্রীয় অভয়াৰণ্য আৰু ৰাইন্ড লাইফ চেংচুৰাৰী আছে? ইয়াৰ সৰ্বমুঠ মাটিকালি কিমান? ক'ত ক'ত কিমান মাটি কালি?

(ঘ) এই ৰাষ্ট্রীয় অভয়াৰণ্য আৰু ৰাইন্ড লাইফ/চেংচুৰাৰীবোৰত বেদখল কৰিছে

নেকি? কোন কোন অভয়াৰণ্য আৰু ৱাইল্ড লাইফ চেংচুৱাৰীত এনে বেদখলকাৰী আছে?

(ঙ) সেই অভয়াৰণ্য আৰু ৱাইল্ড লাইফ চেংচুৱাৰীত কোন কোন শ্রেণীৰ লোকে বেদখল কৰি আছে? সেই অভয়াৰণ্য বেদখলকাৰীৰ হাতৰ পৰা কিমান মাটি চৰকাৰে বেদখল মুক্ত কৰিছে?

(চ) কাজিৰঙা অভয়াৰণ্যৰ পৰা চৰকাৰে কিমান মাটি কালি বেদখলমুক্ত কৰিছে?

শ্রী প্রদ্যুৎ ৰৱদলৈ (বন বিভাগৰ ৰাজ্যিক (স্বতন্ত্র)) য়ে উত্তৰ দিছে ঃ

(ক) অসমত মুঠ ৩২১ খন সংৰক্ষিত বনাঞ্চল আছে আৰু ইয়াৰ মাটি কালিৰ পৰিমাণ ১৫,৫৯,৫৭৯' ২৫ হেক্টৰ।

(খ) অসমৰ খিলঞ্জীয়া লোকসকলৰ কোনে কিমান বনাঞ্চল বেদখল কৰি আছে তাৰ সঠিক তথ্য সম্পূর্ণ জৰীপ নোহোৱা বাবে নির্ণয় কৰিব পৰা হোৱা নাই। হয়, আন আন জনগোষ্ঠীৰ লগতে বড়ো জন-গোষ্ঠীৰ লোকেওঁ বনাঞ্চল বেদখল কৰি আছে। সঠিক জৰীপ অবিহনে জিলা ভিত্তিক বেদখলৰ মাটি কালি আৰু বেদখল কৰি থকা জনগোষ্ঠীৰ সংখ্যা জনাব পৰা নহব।

(গ) অসমত ৫ খন ৰাষ্ট্রীয় উদ্যান আৰু ১৫ খন অভয়াৰণ্য আছে। ইয়াৰ সর্বমুঠ মাটি কালি ২৮৬০,৯২ বর্গ কিঃ মিঃ। প্রতিখনৰ বিপৰীতে মাটি কালি তলত দিয়া হ'ল।

১)	কাজিৰঙা ৰাষ্ট্রীয় উদ্যান	— ৪৩০ বর্গ কিঃ মিঃ
	(ক) প্রথম সংযোজন	— ৪৩.৭৪ ,,
	(খ) দ্বিতীয় সংযোজন (প্রস্তাৱিত)	— ৬.৪৭ ,,
	(গ) তৃতীয় সংযোজন (প্রস্তাৱিত)	— ০.৬৯ ,,
	(ঘ) চতুর্থ সংযোজন (প্রস্তাৱিত)	— ০.৪৯ ,,

(ঙ) পঞ্চম সংযোজন (প্রস্তাৱিত) — ১.১৫ ,,

(চ) ষষ্ঠ সংযোজন (প্রস্তাৱিত) — ৩৭৬.০০ ,,

২) ডিব্রু—চৈখোৱা ৰাষ্ট্রীয় উদ্যান — ৩৪০.০০ ,,

৩) নামেৰী ৰাষ্ট্রীয় উদ্যান — ২০০.০০ ,,

৪) ওৰাং ৰাষ্ট্রীয় উদ্যান — ৭৮,৮০৮ ,,

৫) মানাহ ৰাষ্ট্রীয় উদ্যান — ৫০০.০০ ,,

৬) পানীদিহিং অভয়াৰণ্য — ৩৩.৯৩ ,,

৭) পদুমণি-ভেৰজান বৰজান অভয়াৰণ্য — ৭.২১৮ ,,

৮) গিৰন অভয়াৰণ্য — ২০.৯৮ ,,

৯) লাউখোৱা অভয়াৰণ্য — ৭০.১৩ ,,

১০) পৱিতৰা অভয়াৰণ্য — ৩৮.৮০ ,,

১১) চক্রশিলা অভয়াৰণ্য — ৪৫.৫৬৮ ,,

১২) বৰনদী অভয়াৰণ্য — ২৬.২২ ,,

১৩) সোণাই-ৰূপা অভয়াৰণ্য — ২২০.০০ ,,

১৪) ৰুচা চাপৰি অভয়াৰণ্য — ৪৪.০৬ ,,

১৫) গৰম পানী অভয়াৰণ্য — ৬.০৫ ,,

১৬) নামৰঙ অভয়াৰণ্য — ৩৭.০০ ,,

১৭) পূব কাৰ্বিআংলং অভয়াৰণ্য — ২২১.৮১ ,,

১৮) কাৰ্বি আংলং (প্রস্তাবিত) — ৯৬.০০ ,,

১৯) দ্বীপৰ বিল প্রস্তাৱিত — ৪.১৪ ,,

২০) বৰদৈ বাঘ বিলমুখ প্রস্তাৱিত — ১১.২৪৮ ,,

(ঘ) হয়, কৰিছে। তলত উল্লেখ কৰা ৰাষ্ট্রীয় উদ্যান আৰু অভয়াৰণ্যত বেদখল আছে।

(১) কাজিৰঙা ১ম, ৪র্থ আৰু ৬ষ্ঠ সংযোজন।

(২) মানাহ ৰাষ্ট্রীয় উদ্যান।

(৩) ওৰাং ৰাষ্ট্রীয় উদ্যান।

(৪) নামেৰী ৰাষ্ট্রীয় উদ্যান।

(৫) ডিব্রু-চৈখোৱা অভয়াৰণ্য।

(৬) লাউখোৱা অভয়াৰণ্য।

(৭) সোণাই ৰূপাই অভয়াৰণ্য

(৮) বুঢ়া চাপৰি অভয়াৰণ্য

(৯) ৰৰনদী অভয়াৰণ্য।

(১০) পৰিতৰা অভয়াৰণ্য।

(ঙ) অভয়াৰণ্য আৰু ৰাষ্ট্রীয় উদ্যানত বিভিন্ন জনগোষ্ঠীৰ লোকে বেদখল কৰি আছে। এই ৰাষ্ট্রীয় উদ্যান আৰু অভয়াৰণ্যসমূহৰ বেদখল মুক্ত কৰা মাটিৰ কালি তলত দিয়া হ'ল।

নাম	বেদখল মুক্ত কৰা মাটিৰ কালি বৰ্গ কিঃ মিঃ (আনুমানিক)
১) কাজিৰঙা ১ম আৰু ৬ষ্ঠ সংযোজন —	৩৭.৫০
২) মানাহ ৰাষ্ট্রীয় উদ্যান —	১৫.৫০
৩) ওৰাং ৰাষ্ট্রীয় উদ্যান —	৮.০০
৪) ডিব্রু-চৈ খোৱা ৰাষ্ট্রীয় উদ্যান —	নাই

৫) নামেৰী — ১৬.০০

৬) লাউখোৱা অভয়াৰণ্য — ০.৫০

৭) সোণাই ৰূপাই অভয়াৰণ্য — ১৩.৫০

৮) বুঢ়াচাপৰি অভয়াৰণ্য — নাই

৯) বৰনদী অভয়াৰণ্য — নাই

১০) পবিতৰা অভয়াৰণ্য — নাই

(চ) কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ মূল এলেকাত কোনো বেদখল নাই। কিন্তু কাজিৰঙাৰ ১ম আৰু ৬ষ্ঠ সংযোজনত বেদখল আছে আৰু এনে সংযোজিত এলেকাৰ পৰা প্ৰায় ৩৭.৫০ বৰ্গ কিঃ মিঃ বেদখলমুক্ত কৰা হৈছে। ১৬৯টা পৰিয়ালক উচ্ছেদ কৰা হৈছে।

* শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মহোদয় মোৰ প্ৰশ্নৰ উত্তৰত বহুত দীঘলীয়া উত্তৰ দিলে। তাৰ কিছু উত্তৰত মই সন্তুষ্ট আৰু কিছু উত্তৰত সন্তুষ্ট নহয়। অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে মোৰ এটা প্ৰশ্নৰ উত্তৰত দিছে যে কোনো সন্দেহযুক্ত নাগৰিকে কাজিৰঙা আৰু অন্যান্য অভয়াৰণ্যত বেদখল চলোৱা নাই। মন্ত্ৰীৰ এই উত্তৰত মোৰ সন্দেহ আছে। গতিকে অধ্যক্ষ মহোদয়, আপোনাৰ নেতৃত্বত বিধান সভাৰ এটা সৰ্বদলীয় প্ৰতিনিধি দলে গৈ এই অভয়াৰণ্যকেইখনৰ লগতে অসম-নগালেণ্ড অসম-অৰুণাচল সীমান্ত অঞ্চল ভ্ৰমণ কৰি চৰ-জমিন তদন্ত কৰি অহা ভাল। কাৰণ গোলাঘাট জিলাৰ মেৰাপানী অঞ্চলত অসম-নগালেণ্ড সীমান্তত গোলাঘাট জিলাৰ উপায়ুক্তই অসম চৰকাৰৰ বন বিভাগৰ অনুমোদন নোহোৱাকৈ বিজুলী সংযোগৰ ব্যৱস্থা কৰিছে বুলি অভিযোগ উঠিছে। যোৱা ২৬/৮/২০০২ তাৰিখে গোলাঘাট

* Speech not corrected

জিলাৰ উপায়ুক্তই, বন বিভাগৰ সংমন্ডল বিষয়াক নজনোৱাকৈ অসম নগালেন্ড সীমান্ত অঞ্চলত বনাঞ্চলত বেদখল কৰি থকা লোক সকলক বিজুলীসংযোগৰ ব্যৱস্থা কৰি দিয়াত অনুমোদন জনাইছে। বেদখলকাৰী সকলক বাস্তা-ঘাট বনাই দিয়াৰ অনুমোদন দিছে। মই মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো, এই বেদখলখিনি উচ্ছেদ কৰাৰ ব্যৱস্থা লব নেকি?

* শ্রী প্রদ্যুৎ বৰদলৈ, (স্বতন্ত্র বাজ্যিক মন্ত্রী) ঃ— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্রী দিলীপ শইকীয়া ডাঙৰীয়াৰ প্রশ্নৰ উত্তৰত মই কওঁ যে, তেখেতে অসম বিধান সভাৰ সর্বদলীয় দল তেখেতৰ নেতৃত্বত এই অঞ্চলবিলাকলৈ গৈ কি পাৰ মই বুজি পোৱা নাই। তাত গৈ তেখেতে বিদেশী নাগৰিক আছে বুলি কেনেকৈ নিশ্চিত কৰিব। দ্বিতীয়তে মাননীয় সদস্য শ্রী দিলীপ শইকীয়া আৰু মাননীয় সদস্য শ্রী হিতেন গোস্বামী ডাঙৰীয়াই ভাৰতৰ প্রধানমন্ত্রীলৈ এখন চিঠি লিখিছিল। তাত লিখিছিল Be it mentioned that lakhs of doubtful foreign citizens have constructed their permanant, or Semi permanent dwelling houses in these incroached are a of forest land। চিঠিখন কেইবা ঠাইতো লিখিছিল। আজিৰ পৰা ২২ বছৰ আগতে তেওঁলোকে এনে এটা আৱেগিক বিষয় লৈ আন্দোলন কৰি অসমৰ বাইজক আবেগিক কৰিবলৈ এটা হুলস্থূলীয়া পৰিবেশৰ সৃষ্টি কৰি বাজ্যখনৰ ক্ষমতালৈ অহাৰ পিচত ১০ বছৰ শাসনকার্য্য চলোৱাৰ পিচতো তথাকথিত কেইজন বিদেশী নাগৰিক বহিষ্কাৰ কৰিলে। গতিকে মাননীয় সদস্য জনক অনুৰোধ কৰিছো, যে লাখ লাখ বিদেশী নাগৰিকে বনাঞ্চলৰ মাটি বেদখল কৰি আছে বুলি কৈ আকৌ এটা আবেগিক বাতাবৰণ অসমৰ বাইজৰ মাজত সৃষ্টি নকৰে আৰু এনে ধৰণৰ প্রশ্ন উত্থাপন নকৰে।

---

* Speech not corrected

* শ্রী দিলীপ কুমাৰ শইকীয়া ঃ— মাননীয় অধ্যক্ষ মহোদয়, মই বিদেশী শব্দটো কোৱা নাছিলো। মই 'ডাউটফুল চিটিজেন' বুলিহে কৈছিলো। 'ডাউটফুল চিটিজেন বুলিলে অসমীয়া, বঙালী হিন্দু, মুছলমান সকলোকে বুজাব। কোনো এটা নির্দিষ্ট কাষ্টক নুবুজায়।

(এনেতে কেইবাজনো সদস্যই থিয় হৈ একেলগে চিঞৰিবলৈ ধৰাত এক হুলস্থুলীয়া পৰিবেশৰ সৃষ্টি হয়)

মাননীয় অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে, মোৰ মেৰাপানী অঞ্চলৰ ওপৰত কৰা প্রশ্নটোৰ উত্তৰ দিয়া নাই। তাতো কিছুমান 'ডাউটফুল নাগৰিকে' বনাঞ্চলৰ মাটি বেদখল কৰি আছে। অধ্যক্ষ মহোদয় মই কোনো কাষ্টৰ কথা কোৱা নাই। গতিকে সদনৰ এটা দলে গৈ এই অঞ্চলবিলাকত এটা চৰজমিন তদন্ত কৰিব লাগে। (এনেতে সদনত আকৌ গণ্ডগোলৰ সৃষ্টি হয়) অধ্যক্ষ মহোদয়, মই জানিব বিচাৰিছো কোনো সন্দেহযুক্ত নাগৰিকে বেদখল কৰি আছে নেকি, মন্ত্রী মহোদয়ে এইটো উত্তৰ দিবলৈ সংকোচ কৰিছে কিয়।

* শ্রী প্রদ্যুৎ বৰদলৈ (মন্ত্রী, বন বিভাগ) ঃ— মাননীয় অধ্যক্ষ মহোদয়, নাগালেণ্ড চৰকাৰে যদি অসমৰ ভূমিত বনাঞ্চলত অবৈধভাৱে বিজুলী বাতি ব্যৱহাৰ কৰিছে সেই বিষয়ে বনবিভাগ অৱগত নহয়। সেই বিষয়ে বনবিভাগে অনুসন্ধান কৰিব। মাননীয় সদস্যগৰাকীয়ে কোৱা কথাখিনি আমি চিন্তা কৰিছো। আজি ৰাতিপুৱা মই কবিতা থকা কিতাপ এখন পঢ়িবৰ বাবে উলিয়াই লৈছিলো। তাৰে কবিতা এটা মই পঢ়ি দিছো। তাৰ কাৰণে মাননীয় অধ্যক্ষ মহোদয়ে মোক অলপমান সময় দিলে

---

* Speech not corrected

ভাল হয়। এই কবিতাটো নৱকান্ত বৰুৱাদেৱে লিখা।

<u>এয়াতো সময় নহয়</u>

"এয়াতো সময় নহয়
পিছলৈ ওভতি চোৱাৰ
অতীতৰ ভুলৰ বাটৰ
সৰাফুল বুটলি লোৱাৰ

এতিয়াতো সময় নহয়
পথৰ দাঁতিত বাট চেলৰা
অনাগত দিনৰ আশাৱে
আকাশ কুসুম গঢ়িত
সুৱভি বিচাৰি ফুৰা নুফুলা ফুলৰ
এতিয়া সময় হ'ল, মাথোন সময় নহ'ল।"

শইকীয়া ডাঙৰীয়া, আপুনি মই একলগে কোৱাৰ (কবি দেৱকান্ত বৰুৱাই লিখা)

এই দেশ ৰাখিব লাগিব
এইখন আপোনাৰ দেশ
এইখন মৰমৰ দেশ
এইখন মানুহৰ দেশ"

* শ্রী দিলীপ কুমাৰ শইকীয়া ঃ— মাননীয় অধ্যক্ষ মহোদয়, কবিতাটি পাঠ কৰা কাৰণে মই মাননীয় মন্ত্রী মহোদয়ক ধন্যবাদ জনাইছো। মোৰ এটাই

* Speech not corrected

অনুৰোধ আমি সকলোৱে একেলগে গৈ কাজিৰঙাত থকা বিভিন্ন অঞ্চলবিলাক ভ্ৰমণ কৰিব লাগে।

* শ্ৰী প্ৰদ্যুৎ বৰদলৈ, (মন্ত্ৰী) ঃ— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শইকীয়া ডাঙৰীয়াই যিটো কথা উত্থাপন কৰিছে, সেই ক্ষেত্ৰত মই তেখেতসকলে কেৱল কাজিৰঙাই নহয় তাত থকা বিভিন্ন বনাঞ্চললৈ যাব পাৰে।

Speaker : Now, Starred Question No. 82. Hon'ble Member Shri Karendra Basumatary. Hon'ble Minister, Industries to reply.

Sub : C. I. C. at J. B. Hagzer High School.

Shri Karendra Basumatary asked :

* 82. Will the Minister of Industry be pleased to state :–

a) Whether it is a fact that a CIC at J.B. Hagzer High School, Rowta Charali of Mazbat LAC, Darrang was supposed to be inaugurated by the Local MLA as per instruction given by the Industries Ministry on 15th August, 2002?

b) If so when the CIC, will be inaugurated again?

Shri Bhubaneswar Kalita (Minister of Industries) Replied :–

a) Yes, Minister of Industries vide his letter D.O. No. MI/ 2002 dated 2nd August, 2002 informed all Ministers, MLAS regarding inauguration of CICs and requested them to contact the local D.Cs/S.D.Os and General Manager,

---

* Speech not corrected

DICCs who will make the necessary arrangements.

The CIC at J.B. Hagzer High School, Rowta Charali was to be inaugurated on 17-8-2002 by the Hon'ble MLA of Mazbat LAC Shri Karendra Basumatary.

However this could not be done as a stay order on appointment of CIC operators was issued by the Hon'ble Guwahati High Court on two writ petitions No. WP (C) 4666/2002 and WP (C) 4965/2002 filed by some of the candidates.

As the CICs have to be manned by the CIC operators it was felt that inauguration of the centres without appointed operator will not benefit the local populace.

b) The CIC will be inaugurated as soon as the stay order on appointment of CIC operator is vacated by the High Court.

* শ্রী ভুবনেশ্বৰ কলিতা (মন্ত্রী, উদ্যোগ বিভাগ) ঃ— মাননীয় অধ্যক্ষ মহোদয়, প্রশ্নৰ উত্তৰ সদনৰ মেজত ৰখা হৈছে।

* শ্রী কৰেন্দ্র বসুমতাৰী ঃ— মাননীয় অধ্যক্ষ মহোদয়, প্রত্যেক জিলাৰ সমষ্টিতে চি আই চি স্থাপন কৰা হৈছে। জে, বি, হাগজেৰ হাইস্কুল, ৰৌতা চাৰিআলিতো চি আই চি স্থাপন হৈ গৈছে। কিন্তু ১৫ আগষ্টৰ আগতে বিভাগে সংশ্লিষ্ট মন্ত্রী ডাঙৰীয়া আৰু বিধায়কসকললৈ চিঠি দিছিল যে চেণ্ট্রেলৰ মিনিষ্টাৰে ইনোগাৰেট কৰিব। এইটো মোৰ সমষ্টিতো স্থাপন কৰা হৈছে। কিন্তু হঠাতে স্থগিত হল। দৰং জিলাত ১৭ আগষ্ট তাৰিখে ইনোগাৰেট কৰা কথা আছিল কিন্তু হঠাতে

* Speech not corrected

বন্ধ কৰি দিলে। আজিলৈকে কার্যক্ষম হোৱা নাই। কিয় হোৱা নাই মই মাননীয় মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

* শ্রী ভুবনেশ্বৰ কলিতা (মন্ত্রী) ঃ— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যগৰাকীৰ প্রশ্ন উত্তৰত মই কৈছো যে চি আই চি চলাবলৈ হলে অপাৰেটৰ দৰকাৰ হয়। অপাৰেটৰ নিয়োগ সম্পর্কত গুৱাহাটী হাইকোর্টত এটা কেচ চলি আছে। এই কেচটো নিষ্পত্তি হোৱাৰ পিচত আমি চি আই চিটো উদ্বোধন কৰিম বুলি ভাবিছো তাৰ আগতে মাননীয় সদস্যগৰাকীক জনাম।

* শ্রী কবেন্দ্র বসুমতাৰী ঃ— মাননীয় অধ্যক্ষ মহোদয়, কমপিউটাৰ অপাৰেটৰ নিযুক্তি হোৱা নাই বুলি আমি গম পাইছো। তাত কেইজন কমপিউটাৰ অপাৰেটৰ নিয়োগ কৰা হব আৰু ইনোগাৰেচনৰ সময়ত স্থানীয় ডি, চি, এচ, ডি, অ' আৰু ডি আই চি চিৰ জেনেৰেল মেনেজাৰ থাকিব নেকি অনুগ্রহ কৰি জনাবনে? বিভাগীয় মন্ত্রী হিচাবে চৰকাৰৰ তৰফৰ পৰা হাইকোর্টৰ কেচটো কেতিয়া ভেকেট কৰি সোনকালে অপাৰেটৰ নিয়োগৰ ব্যৱস্থা কৰিব পাৰে তাৰ কাৰণে কিবা ব্যৱস্থা কৰিছে নেকি?

* শ্রী ভুবনেশ্বৰ কলিতা (মন্ত্রী) ঃ— মাননীয় অধ্যক্ষ মহোদয়, কম্পিউটাৰ অপাৰেটৰ একোটা প্রতিষ্ঠানত দুজনকেহে নিয়োগ কৰা হয়। তেওঁলোকৰ মাহিলি দর্মহা কেন্দ্রীয় চৰকাৰৰ পৰা আহে। কেন্দ্রীয় চৰকাৰৰ পৰা অহা দর্মহা ৫ (পাঁচ) বছৰলৈকে দিয়া হয়। চতুর্থ শ্রেণী কর্মচাৰীৰ কাৰণে কোনো ব্যৱস্থা নাই। কেন্দ্রীয় চৰকাৰে কেৱল ২ জন অপাৰেটকহে দিয়ে। তাত যি কাম থাকে অপাৰেটৰ দুজনে কৰি গলে যথেষ্ট হয়। হাইকোর্টে কেচটোত সমিধান দিয়াৰ পিচতহে কার্যক্ষম কৰা হব।

---

* Speech not corrected

* শ্রী কবেন্দ্র বসুমতাৰী ঃ— মাননীয় অধ্যক্ষ মহোদয়, অপাৰেটৰৰ দৰমহা কিমান হব মাননীয় মন্ত্রী মহোদয়ে জনাবনে?

* শ্রী ভুবনেশ্বৰ কলিতা (মন্ত্রী)ঃ— মাননীয় অধ্যক্ষ মহোদয়, অপাৰেটৰক কিমান দৰমহা দিয়া হব মাননীয় সদস্য গৰাকীক পিচত জনোৱা হব।

* শ্রী পানীৰাম ৰাভা ঃ— মাননীয় অধ্যক্ষ মহোদয়, যি সকল অপাৰেটৰ নিয়োগ কৰিব তেওঁলোকৰ কমপিউটাৰ পাছ কৰা চার্টিফিকেটত কিমান পাৰ্চেন্টেজ থাকিব লাগিব। আমি জানিবলৈ পাইছো কমপিউটাৰ প্রশিক্ষণ লোৱা লৰাবিলাকে অতি কমেও শতকৰা ৭০ ভাগ নম্বৰ পাব লাগে। আমাৰ বড়ো ছাত্রসকলে শতকৰা ৭০ ভাগ নম্বৰ পোৱা নাই। আৰু এটা কথা হৈছে বয়সৰ সীমা ধৰি দিয়া হৈছে ৩০ বছৰ। বয়স ৰখি নাথাকে। বয়স বাঢ়ি গৈছে নিযুক্তি পোৱা নাই। বয়সৰ কাৰণে এসময়ত নিযুক্তি নাপাবও পাৰে। গতিকে বয়সৰ সীমা ৩০ বছৰৰ পৰা ৪০ বছৰলৈকে বঢ়াই দিলে ভাল হয়। গাঁৱত এনেকুৱা দুখীয়া লৰা আছে মেট্রিক পাছ কৰিব নোৱাৰে টকাৰ অভাৱত। কিছুমানে মেট্রিক পাছ কৰিয়ে কমপিউটাৰ শিকি পাছ কৰি চাকৰিৰ আশাত বহি থাকে। ইফালে ৩০ বছৰ পাৰ হলে ইণ্টাৰভিউ দিব নোৱাৰে। আমাৰ নলমাকীত এনেকুৱা হৈছে। এই বিষয়ে মাননীয় মন্ত্রী মহোদয়ে কিবা ব্যৱস্থা লব নেকি? অনুগ্রহ কৰি জনালে ভাল হয়।

* শ্রী ভুবনেশ্বৰ কলিতা (মন্ত্রী) ঃ— মাননীয় অধ্যক্ষ মহোদয়, এইটো আমাৰ কেন্দ্রীয় চৰকাৰৰ আঁচনি। কেন্দ্রীয় চৰকাৰে অপাৰেটৰ সকলৰ শিক্ষাৰ অর্হতা আৰু পাৰচেনটেজ অৰ মার্কচৰ সীমা বান্ধি দিছে। সেইমতে আমি বাতৰি কাকতত জাননী দিছো। এখন চিলেকচন বোর্ড গঠন কৰা হৈছে। তাত বি, এ, বি কম, বি, এচ, চি সকলৰ কাৰণে শতকৰা ৫০ ভাগ নম্বৰ লাগে। ইয়াৰ পৰবর্তী অপাৰেটৰ

---

* Speech not corrected

সকলৰ কাৰণে চৰকাৰৰ ফালৰ পৰা শতকৰা ৪৫ ভাগ নম্বৰ পোৱা বি এ, বি কম আৰু বি এচ চি পাছ কৰা সকলক নিয়োগ কৰা ব্যৱস্থা কৰা হৈছে। পৰবৰ্ত্তী সময়ত বয়সৰ সীমা আছিল ২৫ বছৰ আৰু আমাৰ চৰকাৰে বয়সৰ সীমা ৩০ কৰিছে। মই মাননীয় সদস্যগৰাকীক জনাৰ বিচাৰিছো যে এচ, চি এচ, টি আৰু অ, বি, চি,ৰ উপৰিও ফিজিকেলি হেণ্ডিকাফ সকলৰ কাৰণে আমি ৰিলাকচেচন বিচাৰিছিলো। সেই অনুসৰি যিবিলাক নিয়োগ তাত হৈ গৈছে আৰু ২-৪ টা কেন্দ্রত নিয়োগ হোৱা নাই। য'ত কেন্দ্র নাই তাত চিলেকচন বোর্ড বহা নাই। বাকী কেইটাত হৈ গৈছে।

* **শ্রী পবিন্দ্র ডেকা** ঃ— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ক মই এটা কথা জনাবলৈ বিচাৰিছো যে এই চি আই চি চেণ্টাৰ বিলাক যেতিয়া মুকলি কৰে তেতিয়া স্থানীয় বিধায়কে জানিব লাগে। মোৰ সমষ্টিৰ বজালিত এটা চি আই চি চেন্টাৰ দিছে মই স্থানীয় বিধায়ক হোৱা সত্ত্বেও উদ্বোধনী অনুষ্ঠানলৈ মোক নিমন্ত্রণ নকৰিলে।

* **শ্রী ভুৱনেশ্বৰ কলিতা (মন্ত্রী)** ঃ— মাননীয় অধ্যক্ষ মহোদয়, এনে ধৰণৰ আগলৈ যাতে নহয় এই বিষয়টো মই চাম।

* **শ্রী পৰিমল শুক্লাবৈদ্য** ঃ— মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যখনৰ সকলো ঠাইলৈ বিদ্যুৎ যোগান ধৰিব পৰা নাই। কিছুমান ব্লকটো বিদ্যুৎ যোগান নাই। যত বিদ্যুৎ যোগানৰ ব্যৱস্থা নাই তাত চি আই চি সামগ্রী বিতৰণৰ ক্ষেত্রত মাননীয় মন্ত্রী মহোদয়ে কি ব্যৱস্থা গ্রহণ কৰিছে।

* **শ্রী ভুৱনেশ্বৰ কলিতা (মন্ত্রী)** ঃ— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে এটা গুৰুত্ব পূর্ণ প্রশ্ন উত্থাপন কৰিছে। আমি বিদ্যুত সংযোগ যত নাই তাত দিয়া নাই। যত দিয়া হৈছে তাত ২ কিলো ৰাটৰ জেনেৰেটৰৰ ব্যৱস্থা লোৱা হৈছে। এক ফেজ যত আছে তাত

---

* Speech not corrected

দিবপৰা নাযায় আমি সেই বিলাক ব্লকক কৈ তিনি ফেজলৈ নিবলৈ দিছো। তেতিয়া তাত এ চি চলাব পৰা যাব। বিদ্যুতৰ যোগান যেতিয়া থাকিব তেতিয়া ই-মেইল আৰু অন্যান্য ব্যৱস্থা কৰিব পৰা যাব আৰু কিছুমানৰ কাৰণে অর্থ উপার্জন কৰিব পৰা যাব।

(Starred Question No.s 83 and 84 could not be taken up as the Qustioners were absent. However the said questions demeed to have been laid on the table of the House with replies there to)

বিষয় ঃ সংমণ্ডলৰ বাবে সামগ্রী ক্রয়।

ডঃ তাৰা প্রসাদ দাসে সুধিছে ঃ

* 83. মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বর্ত্তমানৰ চৰকাৰখনে কার্যভাৰ গ্রহণ কৰাৰ পৰা এতিয়ালৈকে সৰভোগ সংমণ্ডল, পহুমাৰা সংমণ্ডল আৰু ধনশিৰি সংমণ্ডলৰ বাবে কিমান পৰিমাণৰ সামগ্রী ক্রয় কৰিছে?

(খ) উল্লেখিত প্রতিটো সংমণ্ডলৰ সামগ্রী ক্রয়, তালিকাৰ বিপৰীতে কিমান পৰিমাণৰ টকা ধার্য্য কৰা হৈছিল?

(গ) কিমান পৰিমাণৰ টকা মোকলাই আদায় দিয়া হ'ল?

(ঘ) সামগ্রীসমূহ ক্রয় কৰোতে কেনেকুৱা নীতি-নিয়মৰে ক্রয় কৰা হৈছিল?

শ্রী ইছমাইল হুছেইন (জলসিঞ্চন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) (১) বর্ত্তমানৰ চৰকাৰখনে কার্য্যভাৰ গ্রহণ কৰাৰ পৰা এতিয়ালৈকে

৪th cal

বৰপেটা সংমণ্ডলৰ (জলসিঞ্চন) সৰভোগৰ অধীনত ৪৩০০ বেগ চিমেণ্ট ক্রয় কৰা হৈছে।

(২) বৰ্ত্তমানৰ চৰকাৰখনে কার্য্যবাৰ গ্রহণ কৰাৰ পৰা এতিয়ালৈকে পহুমাৰা ৰূপহী সংমণ্ডলৰ (জলসিঞ্চন), সৰুপেটাৰ অধীনত ৯০০ মিঃ মিঃ ব্যাসৰ মুঠ ৪৮ টা (১২০ মিটাৰ), ১২০০ মিঃ মিঃ ব্যাসৰ ১৮ টা (৪৫ মিটাৰ) আৰু ১৫০ মিঃ মিঃ ব্যাসৰ ২১০ টা (৪২০ মিটাৰ) হিউম পাইপ ক্রয় কৰা হৈছে।

(৩) বৰ্ত্তমানৰ চৰকাৰখনে কার্য্যভাৰ গ্রহণ কৰাৰ পৰা এতিয়ালৈকে ধনশিৰি সংমণ্ডলৰ (জলসিঞ্চন) অধীনত কোনো সামগ্রী ক্রয় কৰা হোৱা নাই।

(খ) সাধাৰণতে সংণ্ডলৰ সামগ্রী ক্রয় তালিকা বিপৰীতে আছুতীয়াকৈ কোনো টকা ধার্য্য কৰা নহয়।

(গ) (১) বৰপেটা সংমণ্ডল (জলসিঞ্চন) সৰভোগৰ অধীনত ৪৩০০ বেগ চিমেণ্ট যোগানৰ বাবে কৰ সহ ৮,৩৮,৫০০.০০ টকা আদায় দিয়া হৈছে।

(২) পহুমাৰা ৰূপহী সংমণ্ডল (জলসিঞ্চন) সৰুপেটাৰ অধীনত এতিয়ালৈকে কোনো টকা আদায় দিয়া হোৱা নাই।

(৩) ধনশিৰি সংমণ্ডলৰ (জলসিঞ্চন) সৰভোগৰ অধীনত কোনো টকা আদায় দিয়া হোৱা নাই।

(ঘ) (১) বৰপেটা সংমণ্ডলৰ (জলসিঞ্চন) সৰভোগৰ অধীনত চিমেণ্টখিনি কিনোতে কোম্পানী মূল্যসূচীমতে ক্রয় কৰা হৈছিল।

(২) পহুমাৰা ৰূপহী সংমণ্ডল (জলসিঞ্চন) সৰুপেটাৰ অধীনত হিউম পাইপ ক্রয় কৰোতে অসম ক্ষুদ্র উদ্যোগ উন্নয়ন নিগমৰ অনুমোদিত মূল্যসূচীমতে পঞ্জীৰ্ভুক্ত প্রতিষ্ঠানৰ পৰা ক্রয় কৰা হৈছে।

(৩) যিহেতু ধনশিৰি সংমণ্ডলত কোনো সামগ্রী ক্রয় কৰা হোৱা নাই,

সেই কাৰণে ধনশিৰি সংমণ্ডলৰ (জলসিঞ্চন) ক্ষেত্ৰত প্ৰশ্নটো প্ৰযোজ্য নহয়।

Sub : Completion of Kuhiarkuchi Minor Irrigation Project.

Shri Nathu Boro asked :

*** 84. Will the Minister of Irrigation be pleased to state :**

(a) Whether the Government is aware about the Kuhiarkuchi Minor Irrigation Project?

(b) If so, what is the Progress of that Project despite of releasing a handsome amount?

(c) What is the estimated cost of completion of that Project and what exactly amount is drawn by the contractor and Irrigation Department, Mangaldoi Division?

(d) Whether the Project will be completed with in this five year?

Shri Ismail Hussain (Minister Irrigation) replied :

(a) Yes.

(b) The overall progress of work is 303. The amount released during 2002-2003 L.

(c) The estimated cost of the scheme is Rs. 2,38,29,370.00 and the amount drawn by the Mangaldoi Division Irrigation till now is Rs. 46,705,73,91 out of which contractors payment is Rs. 46,49,066.00.

(d) The project is likely to be completed by March 2004 provided

adequate fund as per annual work programme is made available in time.

Mr. Speaker :- Now, Starred Question No. 85. Hon'ble Member Shri Hemendra Nath Brahma

বিষয় ঃ জলসিঞ্চন আঁচনি বিকল।

শ্রী হেমেন্দ্রনাথ ব্রহ্মই সুধিছে ঃ

*৮৫। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ—

(ক) কোকৰাঝাৰ জিলাত কিমানখন জলসিঞ্চন আঁচনি বিকল হৈ পৰি আছে?

(খ) বিশেষকৈ গোসাইগাওঁ মহকুমাৰ অন্তর্গত কিমান জলসিঞ্চন আঁচনি কার্য্যক্ষম আৰু বিকল হৈ আছে? (সদনৰ মজিয়াত তালিকা দাখিল কৰিব)

(গ) কোকৰাঝাৰ পশ্চিম জনজাতি সমষ্টিৰ অন্তর্গত কিবা নতুন আঁচনি লোৱাৰ ব্যৱস্থা লৈছে নেকি?

(ঘ) বিকল হৈ পৰি থকা আঁচনি সমূহক পুনৰ কার্য্যক্ষম কৰি তোলাৰ কাৰণে কিবা ব্যৱস্থা চৰকাৰে হাতত লৈছে নেকি?

শ্রী ইছমাইল হুছেইন (জলসিঞ্চন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) কোকৰাঝাৰ জিলাত এতিয়ালৈকে সর্ব্বমুঠ ২০ (বিশ) খন জলসিঞ্চন আঁচনি বিকল হৈ পৰি আছে। (তালিকা 'ক' সংলগ্ন কৰা হ'ল) (See Annexure - I)

(খ) গোসাইগাওঁ মহকুমাৰ অন্তর্গত সর্ব্বমুঠ ২ (দুই)খন জলসিঞ্চন আঁচনি বর্ত্তমান কার্য্যক্ষম অৱস্থাত আছে আৰু ১০ (দহ) খন জলসিঞ্চন আঁচনি বিকল হৈ পৰি আছে। (তালিকা 'খ' সংলগ্ন কৰা হ'ল) (See Annexure-I-A)

(গ) বর্ত্তমান কোনো নতুন জলসিঞ্চন আঁচনি লোৱা হোৱা নাই।

(ঘ) বার্ষিক পুজিৰ আৱন্টন অনুযায়ী পর্যায়ক্রমে আঁচনিসমূহ কার্যক্ষম কৰাৰ ব্যৱস্থা হাত লোৱা হব।

* শ্রী ইছমাইল হুছেইন (মন্ত্রী) ঃ— মাননীয় অধ্যক্ষ মহোদয়, প্রশ্নোত্তৰ সদনৰ মজিয়াত দাখিল কৰা হৈছে।

* শ্রী হেমেন্দ্র নাথ ব্রহ্ম ঃ— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে জলসিঞ্চন বিভাগৰ গুৰুত্বপূর্ণ প্রশ্নকেইটাৰ উত্তৰ ইয়াত দিছে। এই জলসিঞ্চন আচনি আছে যদিও ভালেকেইখন আচনি বিকল হৈ পৰি থকাত তাৰ এতিয়া প্রযোজন নোহোৱা হৈছে। যি দেখা গৈছে সৰু-সুৰা ডিফেক্টৰ কাৰণে ই বিকলহৈ পৰি আছে। আমাৰ মন্ত্রী মহোদয়ে অলপ অলপ টকা দি 'ৰিপিয়েৰ' কৰাই দিলে ই কার্য্যক্ষম হৈ উঠিব। মন্ত্রী মহোদয়ে তাৰ এটা সুব্যৱস্থা লবনেকি? দ্বিতীয়তে মোৰ সমষ্টিত দুখন জলসিঞ্চন আঁচনি আছে। বইৰালী টাৱলাইজৰা আৰু নাৰায়ন পুৰৰ আঁচনি দুখন কার্য্যক্ষম হৈ থকা বুলি কৈছে। মাননীয় মন্ত্রী মহোদয়ক কবলৈ বিচাৰিছো যে নাৰায়ণপুৰৰ আঁচনিখন এতিয়া বন্ধ হৈ আছে। আজি বিভাগীয় বিষয়াই মন্ত্রীক বিপথে পৰিচালনা কৰাৰ লগতে আমাৰ সদনকো বিপথে পৰিচালনা কৰিছে। এই ক্ষেত্রত অনুসন্ধান কৰি এটা বিহিত ব্যৱস্থা লব নেকি?

* শ্রী ইছমাইল হুছেইন (মন্ত্রী) ঃ— মাননীয় অধ্যক্ষ মহোদয়, নাৰায়ণপুৰৰ আঁচনিখন চলি আছে বুলি জনাইছে যদি চলি থকা নাই তেতিয়াহলে অনুসন্ধান কৰি চাম। বর্ত্তমানে কেইটামান বিকল হৈ আছে যদিও কিছুমান বন্ধ হৈ গৈছে। এইখিনি কৰিবলৈ গলে মোটামুটি ৫ কোটিমান টকাৰ প্রয়োজন হব সেই অনুপাতে হিচাপ কৰিলে

---

* Speech not corrected

গোটেই অসমতে কেইবা শ কোটি টকাৰ প্ৰয়োজন হব। যদি আমাক ফাণ্ড দিয়ে তেতিয়া কৰিব পৰা যাব।

* শ্ৰী হেমেন্দ্ৰনাথ ব্ৰহ্ম ঃ— মাননীয় অধ্যক্ষ মহোদয়, যদি পুঁজি নাই তেতিয়াহলেতো কৰিবপৰা নাযাব। কিন্তু মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে নাৰায়নপুৰৰ বিষয়টো এটা অনুসন্ধান কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব।

* শ্ৰী ইছমাইল হুছেইন (মন্ত্ৰী) ঃ— মাননীয় অধ্যক্ষ মহোদয়, সেইটো ব্যৱস্থা লোৱা হব।

* ডঃ জয়নাথ শৰ্মা ঃ— মাননীয় অধ্যক্ষ মহোদয়, অসমত কিমান এতিয়া কাৰ্য্যক্ষম হৈ আছে।

* শ্ৰী ইছমাইল হুছেইন (মন্ত্ৰী) ঃ— মাননীয় অধ্যক্ষ মহোদয়, তাৰ বাবে এটা বেলেগ প্ৰশ্ন লাগিব।

(Starred Question No. 86 was not taken up as the Qustioner was absent. However the said question demeed to have been laid on the table of the House with replies there to)

বিষয় ঃ গোলাঘাট জিলাত জলসিঞ্চন বিভাগ স্থাপন।

শ্ৰী জিতেন গগৈয়ে সুধিছে ঃ

*৮৬। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গোলাঘাট জিলাত জলসিঞ্চন বিভাগটো কোন চনত স্থাপিত হৈছিল?

(খ) স্থাপিত হোৱাৰ পৰা কিমান সামগ্ৰী ক্ৰয় কৰিলে?

---

* Speech not corrected

(গ) বিভাগে যোগান ধৰা সামগ্ৰী আৰু যন্ত্ৰসমূহে কৃষকসকলক কেনে ধৰণে উপকাৰ কৰিছে?

(ঘ) এই বিভাগটোত কিমান জন কৰ্মচাৰী আৰু কি কি দায়িত্বত নিয়োগ কৰা হৈছিল?

(ঙ) কৰ্মচাৰী সকলৰ দৰমহাত প্ৰতি মাহে কিমান ধন দিব লগা হয় লগতে এই বিভাগটো স্থাপন হোৱাৰে পৰা বৰ্ত্তমানলৈকে পৰিচালনাৰ ক্ষেত্ৰত কিমান অৰ্থ ব্যয় হৈছে?

(চ) স্থাপন হোৱাৰে পৰা বৰ্ত্তমানলৈকে কিমান চৰকাৰী ৰাজহ সংগ্ৰহ কৰিলে সম্পূৰ্ণ তথ্য দাখিল কৰিবনে?

শ্ৰী ইছমাইল হুছেইন (জলসিঞ্চন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) গোলাঘাট জনসিঞ্চন সংমণ্ডল ১৯৭৯ চনৰ মে' মাহত স্থাপন কৰা হয়।

(খ) সামগ্ৰী ক্ৰয়ৰ তথ্য গাঠি দিয়া হ'ল (সংলগ্ন পত্ৰ — ১)

(গ) বিভাগে যোগান ধৰা সামগ্ৰী আৰু যন্ত্ৰসমূহে কৃষকসকলৰ কৃষিভুমিত পানী যোগান ধৰি খেতি কৰাত সহায় কৰে।

(ঘ) এই সংমণ্ডলৰ অধীনত মুঠ ২২৩ জন কৰ্মচাৰী নিয়োজিত হৈছিল। ইয়াৰে ২৮ জন গোলাঘাট সংমণ্ডলত, ৬ জন গোলাঘাট উপ-সংমণ্ডলত আৰু ৬ জন সৰু পথাৰ উপ-সংমণ্ডলত নিয়োগ কৰা হৈছিল। বাকী ১৮৩ জন কৰ্মচাৰী বিভাগৰ বিভিন্ন আঁচনিৰ নিৰ্ম্মাণ আৰু তদাৰকী দায়িত্বত নিয়োগ কৰা হৈছে।

(ঙ) কৰ্মচাৰী সকলৰ দৰমহাত প্ৰতিমাহে প্ৰায় ১৪,০০,০০০.০০ টকা ব্যয় হয়। বাৰ্ষিক খৰচৰ এখন তালিকা সংলগ্ন কৰি দিয়া হ'ল। (সংলগ্ন পত্ৰ-২) (See Annexure - II)

(চ) বাৰ্ষিক সংগ্ৰহ কৰা ৰাজহৰ পৰিমাণ সংলগ্ন পত্ৰ - ৩৩ দেখুৱা হ'ল। (See

Annexure - II)

Mr. Speaker :- Now, Starred Question No. 87. Hon'ble Member Shri Hitendra Nath Goswami, Hon'ble Minister, Education to reply.

বিষয় ঃ হায়াৰ চেকেণ্ডাৰী স্কুলৰ অধ্যক্ষ

শ্রী হিতেন্দ্রনাথ গোস্বামীয়ে সুধিছে ঃ

*৮৭। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ—

(ক) অসমৰ হায়াৰ চেকেণ্ডৰী বিদ্যালয়সমূহত কিমানটা অধ্যক্ষ আৰু উপাধ্যক্ষৰ পদ খালী হৈ আছে? (স্কুল সমূহৰ নাম উল্লেখ কৰিব)

(খ) এইপদ সমূহ কোনচনৰ পৰা খালী হৈ আছে?

(গ) স্থায়ীভাৱে অধ্যক্ষ আৰু উপাধ্যক্ষ পদসমূহ পূৰণ কৰিব নোৱৰাৰ কাৰণ কি?

(ঘ) এই পদসমূহ পূৰণ কৰোতে কি সমূহ বিধিৰ দ্বাৰা কৰা হয়? (বিধিৰ প্রতিলিপি সদনত দিব)

(ঙ) বর্ত্তমান চৰকাৰে পদসমূহ পূৰণ কৰাৰ বাবে সময় সীমা কি ধৰা হৈছে?

শ্রী পংকজ বৰা (শিক্ষা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ৬০২ খন উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ৫৮৬ টা অধ্যক্ষৰ পদ খালী হৈ আছে। উপাধ্যক্ষৰ ক্ষেত্রত সম্পূর্ণ তথ্য পোৱা হোৱা নাই। এতিয়ালৈকে পোৱা ৮ খন জিলাৰ বিদ্যালয়সমূহৰ নামৰ তালিকা সংলগ্ন কৰা হল। (See Annexure - III)

(খ) এই পদসমূহ ১৯৯৫ চনৰ পৰাই ক্রমে বেলেগ বেলেগ বিদ্যালয়ত অৱসৰ হোৱা বাবে বিভিন্ন সময়ত খালী হয়।

(গ) মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ৰ গোচৰ নং ৩৪৪/১২ সংক্রান্তত

৭/৭/৯৫ তাৰিখৰ হুকুমৰ পৰিপ্ৰেক্ষিত অসম মাধ্যমিক শিক্ষা (প্ৰাদেশীকৃত) সেৱাবিধিৰ সংশোধনৰ প্ৰয়োজন হৈছে। উক্ত সংশোধন চূড়ান্ত নোহোৱা কাৰণে অধ্যক্ষৰ স্থায়ী নিযুক্তিৰ ব্যৱস্থা কৰিব পৰা হোৱা নাই। উপাধ্যক্ষৰ স্থায়ী নিযুক্তিৰ ব্যৱস্থা কৰিব পৰা হোৱা নাই। উপাধ্যক্ষৰ স্থায়ী নিযুক্তি চলি আছে।

(ঘ) অসম মাধ্যমিক শিক্ষা (প্ৰদেশীকৃত) সেৱাবিধিৰ আধাৰত এই পদসমূহ পূৰণ কৰা হয়।

(প্ৰতিলিপি গাঠি দিয়া হল) (See Annexure - III-A)

(ঙ) কোনো নির্দিষ্ট সময়সীমা নির্ধাৰণ কৰা হোৱা নাই।

* **শ্ৰী হিতেন্দ্ৰনাথ গোস্বামী** ঃ— মাননীয় অধ্যক্ষ মহোদয়, হায়াৰ চেকেণ্ডাৰী স্কুলত অধ্যক্ষ আৰু উপাধ্যক্ষৰ যিবিলাক পদ খালী হৈ আছে বুলি উত্তৰত দিছে আৰু এই তথ্যবিলাক যি যোগান দিছে সেই বিলাক শুদ্ধ হোৱা নাই। অৱশ্যে এইটো তেখেতৰবিষয়া সকলৰ তথ্য। ইয়াত ধেমাজিত যি ১২ টা পদ খালী দেখুৱাইছে তাত আচলতে উপাধ্যক্ষ ৮ টাহে তেনেকৈ কোকৰাঝাৰতো ১১ টা দেখুৱাইছে। তাত ১০ টাহে হব লাগে, শোণিতপুৰতো তেনেকৈ এটা ভুল তথ্য দেখুৱাইছে। এইটো অৱশ্যে যোগ-বিয়োগ কৰোতে কৰা ভুল এইটো কিয় শুদ্ধ কৈ দিব পৰা নাই। আৰু এটা কথা মহামান্য হাই কৰ্টৰ হুকুম হোৱা ৭ বছৰ হৈ গল কার্য্যকৰী হোৱা নাই বিষয়াসকলে নিশ্চয় কৰা নাই। দোষাৰোপ কাক কৰিব। আমাৰ এটা আইন বিভাগ আছে যোগাযোগ কৰিব লাগে। আমি দেখা পাইছো প্ৰিনচিপাল নাই, ভাইচ প্ৰিনচিপাল নাই। ৬০২ খন বিদ্যালয়তে ৫৮৬ টা পদ খালী হৈ আছে। কিয় খালী হৈ আছে সেই কথাটো কব পৰা নাই। এনেকৈ আৰু কেতিয়ালৈকে চলি

* Speech not corrected

থাকিব। এই কথাটো মাননীয় মন্ত্রী মহোদয়ৰ পৰা জানিবলৈ বিচাৰিছো।

* শ্রী পংকজ বৰা (মন্ত্রী) ঃ— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গোস্বামী ডাঙৰীয়াই যিখিনি কৈছে যে তালিকা অনাত পলম হৈছে সেইবোৰ কথা সত্য নহয়। উচ্চতৰ মাধ্যমিক ৬০২ খন বিদ্যালয়ৰ ৫৮৬টা অধ্যক্ষ পদ আৰু ৮ খন জিলাৰ পৰা পোৱা তথ্য মতে ১১১ টা উপাধ্যক্ষ পদ খালি আছে। অধ্যক্ষ মহোদয়, সেৱা বিধিখন সংশোধন হোৱাত পলম হোৱাৰ কাৰণ— উচ্চ ন্যায়ালয়ৰ নির্দেশ মতে সেৱা বিধিখন সংশোধন কৰাৰ বাবে ব্যৱস্থা লোৱা হৈছিল। কিন্তু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ পদৰ বাবে নিম্নতম অর্হতা স্নাতকোত্তৰ ডিগ্রীধাৰী হৰ লাগে বুলি বিষয় শিক্ষক সংস্থাই কেচ কৰাত সেৱা বিধিখন প্রস্তুত কৰাত কিছু অসুবিধা হৈছিল। অসম হায়াৰ চেকেন্দাৰী এডুকেচন কাউন্সিলৰ বেগুলেচনত অধ্যক্ষৰ অর্হতা স্নাতোকোত্তৰ ডিগ্রীধাৰী হব লাগে বুলি লিপিবদ্ধ থকা হেতুকে ১৯৯৬ চনত স্নাতক ডিগ্রীধাৰীক অধ্যক্ষ পদত অধিষ্ঠিত কৰাত বাধা আছিল। এই কথাটো সংশোধনীৰ বাবে চৰকাৰৰ তৰফৰ পৰা আসাম হায়াৰ চেকেণ্ডাৰী কাউন্সিল লৈ লিখা হৈছিল। কিন্তু কাউন্সিলে এই সম্পর্কত এই দফাটো সংশোধনী কৰাত পলম কৰা হেতুকে আমাৰ সেৱা বিধিখনৰ সংশোধনীৰ কাম বাধাপ্রাপ্ত হৈছিল। যোৱা বছৰ আসাম হায়াৰ চেকেন্ডাৰী এডুকেচন কাউন্সিলে উক্ত সংশোধনীটো কৰাৰ পিছত বর্ত্তমান সেৱা বিধিখনৰ সংশোধনীৰ কাম চলি আছে আৰু অতি সোনকালে সম্পূর্ণ হব বুলি আশা কৰা হৈছে। এই ক্ষেত্রত সেৱা বিধিৰ খচৰা বিত্ত বিভাগৰ পৰা অনুমোদন পোৱা হৈছে আৰু কর্মচাৰী 'খ' বিভাগৰ অনুমোদন বিচৰা হৈছে। তেওঁলোকৰ অনুমোদনৰ পিছত পৰৱর্তী কার্য্যব্যৱস্থা

---

* Speech not corrected

লব পৰা যাব। উচ্চ ন্যায়ালয়ৰ নির্দেশ অনুসৰি ৩১/১২/২০০২ তাৰিখৰ ভিতৰত নিষ্পত্তি কৰিব লাগে।

* শ্রী হিতেন্দ্রনাথ গোস্বামী ঃ— মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্রী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে উপাধ্যক্ষবিলাকৰ পদসমূহ পূৰণ কৰাত অসুবিধা কি বা এতিয়ালৈকে কি কাৰণে কৰিব পৰা নাই?

* শ্রী পংকজ বৰা (মন্ত্রী) ঃ— মাননীয় অধ্যক্ষ মহোদয়, এই গোটেইখিনি কথা সেৱা বিধিৰ ওপৰত নির্ভৰ কৰিছে। সেৱা বিধিখন প্রস্তুত হোৱাৰ লগে লগে ব্যৱস্থা লোৱা হব।

* শ্রী হিতেন্দ্রনাথ গোস্বামী ঃ— মাননীয় অধ্যক্ষ মহোদয়, এই সেৱা বিধিখন প্রস্তুত কৰোতে বহু দিন সময় গল। আমাৰ মন্ত্রী সকলৰ এইবোৰ কাম কৰাৰ বাবে সময় নাথাকে, কিন্তু যিসকল অফিচাৰ আছে তেওঁলোকে এই কামটো কিয় সোনকালে কৰিব নোৱাৰে। অধ্যক্ষ মহোদয়, আজি এই বিদ্যালয়সমূহত অধ্যক্ষ নোহোৱাৰ কাৰণে এটা অৰাজকতাৰ অৱস্থাৰ সৃষ্টি হৈছে।

* শ্রী পংকজ বৰা (মন্ত্রী) ঃ— মাননীয় অধ্যক্ষ মহোদয়, গোস্বামী ডাঙৰীয়াই যিটো কৈছে সেইটো বৰ সুন্দৰ ভাবেই কৈছে। এই সেৱা বিধিখন প্রস্তুত কৰাত যে বহু দিন হৈছে সেইটো আমিও স্বীকাৰ কৰিছো। কিন্তু এইটো আজি বহুদিন আগৰ পৰাই চলি আহিছে। অধ্যক্ষ মহোদয়, এই বিষয়টো এতিয়া সমাপ্তিৰ পথত। আমি আশা কৰিছো যে অহা ডিচেম্বৰত এই সেৱা বিধিখন প্রস্তুত হৈ উঠিব আৰু এইখন হৈ উঠাৰ লগে লগে আমি অধ্যক্ষৰ নিযুক্তিৰ কাম আৰম্ভ কৰিব পাৰিম।

* শ্রী ভীমানন্দ তাতী ঃ— মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্রী মহোদয়ৰ পৰা এটা কথা জানিব বিচাৰিছো যে অধ্যক্ষ পদৰ বাবে যি

---

* Speech not corrected

বিজ্ঞাপন দি সাক্ষাৎকাৰ লোৱা হৈছিল তাৰ ফলাফল কেতিয়া ঘোষণা কৰা হব?

* **শ্রী দিলীপ কুমাৰ শইকীয়া** ঃ— মাননীয় অধ্যক্ষ মহোদয়, শিক্ষা বিভাগে যিখন দিছে, ধেমাজি জিলাৰ বাবে সেইখনত বহু ভুল আছে। বৰহাম তামুলী বুলি যিখন হায়াৰ চেকেণ্ডাৰী স্কুলৰ নাম দিছে তেনেকুৱা স্কুলৰ নাম ধেমাজিত নাই। দ্বিতীয়তে গোসাইমুখ বুলি যিখন দিছে সেইখনৰ নাম হব লাগিছিল গোগামুখ। তৃতীয়তে লাইমেকুচি বুলি যিখন দিছে সেইখনৰ নাম হব লাগিছিল লাইমেকুৰী। অধ্যক্ষ মহোদয়, ইয়াত মাত্র ৮খন জিলাৰ তথ্যহে দিয়া হৈছে। গতিকে মন্ত্রী মহোদয়ক মই অনুৰোধ কৰিব বিচাৰিছো যে অহাকালিৰ ভিতৰতে বাকীবোৰ জিলাৰ তথ্যপাতি এই সদনত দিয়াৰ বাবে। অধ্যক্ষ মহোদয়, এটা কথা যে শিক্ষা বিভাগে কেতিয়াও উত্তৰ ভালকৈ নিদিয়ে। সময়মতে দিব নোৱাৰে। অধ্যক্ষ মহোদয়, ধেমাজিত যিখন ছোৱালী হায়াৰ চেকেণ্ডাৰী স্কুল আছে সেই স্কুলখনৰ পৰা যোৱা প্রবেশিকা পৰীক্ষাত ছয়নিকা দত্ত নামৰ ছোৱালী এজনীয়ে সপ্তম স্থান অধিকাৰ কৰিছে। অধ্যক্ষ মহোদয়, চৰকাৰে ঘোষণা কৰিছিল যে যিবিলাক স্কুলে প্রবেশিকা পৰীক্ষাত ২০ টাৰ ভিতৰত স্থান লাভ কৰিছে সেইবোৰ স্কুলক ৫০ হেজাৰকৈ এককালীন সাহায্য দিয়া হব। অধ্যক্ষ মহোদয়, মই জনাব বিচাৰিছো যে এতিয়ালৈকে এইখন বিদ্যালয়ে সেই সাহায্য পোৱা নাই।

* **শ্রী হিমন্ত বিশ্বশর্মা (বাজ্যিক মন্ত্রী)** ঃ— মাননীয় অধ্যক্ষ মহোদয়, এই সম্পর্কে মই জনাব বিচাৰিছো যে এই টকা ইতিমধ্যে উপায়ুক্তসকলে ড্র কৰি মুখ্যমন্ত্রীৰ সচিবালয়লৈ পঠাই দিছে। কিন্তু মাননীয় মুখ্যমন্ত্রী বাজ্যৰ বাহিৰত থকাৰ ফলত এই টকা দিব পৰা হোৱা নাছিল। এতিয়া মুখ্য মন্ত্রী মহোদয় আহিছে যেতিয়া অতি সোনকালে এই টকা চেক যোগে বিদ্যালয়সমূহলৈ পঠাই দিয়া হব।

---

* Speech not corrected

* শ্রী পংকজ বৰা (মন্ত্রী) ঃ— মাননীয় অধ্যক্ষ মহোদয়, এই ভুলবোৰ যাতে নহয় তাৰ বাবে আমি সদায়েই চেষ্টা কৰি আছো। মাননীয় সদস্যসকলে যিখিনি কথা কৈছে সেইখিনিৰ বাবে মই ব্যৱস্থা গ্রহণ কৰিম।

* শ্রী গিৰীন্দ্র কুমাৰ বৰুৱা ঃ— মাননীয় অধ্যক্ষ মহোদয়, এইখিনিতে মই এটা কথা কব বিচাৰিছো যে যোৱা পৰহি বাতৰি কাকতত এটা খবৰ ওলাইছে যে যোৱা প্রবেশিকা পৰীক্ষাৰ যি ফলাফল ঘোষণা কৰা হ'ল তাত বহুতো ভুল ৰৈ গৈছে। এনেকুৱা হৈছে যে পৰীক্ষাত বেয়া ফল পোৱা বুলি দেখুৱা পাৰ্থিয়েও পিছত পজিচন পোৱা বুলি গম পাইছে। গতিকে মাননীয় মন্ত্রী মহোদয়ক মই অনুৰোধ কৰিব বিচাৰিছো যে ইয়াৰ এটা তদন্ত কৰিব লাগে।

মাননীয় অধ্যক্ষ ঃ— আপোনাৰ প্রশ্নটো এই প্রশ্নটোৰ লগত সম্পর্ক নাই। আপুনি ইয়াৰ বাবে এটা বেলেগ প্রশ্ন আনিব লাগিব।

* শ্রী পংকজ বৰা (শিক্ষা মন্ত্রী) ঃ— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যজনে ইয়াৰ বাবে এটা বেলেগে প্রশ্ন আনিলে মই উত্তৰ দিব পাৰিম। অধ্যক্ষ মহোদয়, শিক্ষা বিভাগৰ সংস্কাৰৰ ক্ষেত্রত মাননীয় সদস্য সকলে যি উদ্বিগ্নতা দেখুৱাইছে মইও তেওঁলোকৰ লগত একমত। অধ্যক্ষ মহোদয়, এই কথাবিলাক আজিৰ নহয়, এইবিলাক বহু দিনৰ পৰাই চলি আহিছে। অধ্যক্ষ মহোদয়, আমি বর্ত্তমান গোটেইখিনি তথ্যপাতি সংগ্রহ কৰাৰ বাবে চেষ্টা কৰি আছো আৰু এই তথ্যপাতিবোৰ সংগ্রহ কৰাৰ পিছতে সেই মতে ব্যৱস্থা গ্রহণ কৰা হব।

Mr. Speaker : Now, Starred Question No. 88. Hon'ble Minister Forest is to reply.

বিষয় ঃ বনাঞ্চল বেদখল।

শ্রী মতিন্দ্র বসুমতাৰীয়ে সুধিছে ঃ

---

* Speech not corrected

* ৮৮। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ—

(ক) ৩১ নং চিদলী সমষ্টিৰ বনভূমি এলেকাত কিমান সংখ্যক পৰিয়ালে বনাঞ্চল বেদখল কৰি আছে? (তথ্য সহ সদনৰ মেজত দাখিল দিব)

(খ) উক্ত সমষ্টিৰ অন্তৰ্গত চিদলী চিৰাং আঞ্চলিক বনখণ্ড Range Area ৰ পৰা মানাস ব্যঘ্ৰ উন্নয়ন আঁচনি Manas Tiger Project বনভূমি এলেকাৰ পৰা বনবিভাগে মুঠ ৩৫,০০০ (পইত্ৰিশ হাজাৰ) বিঘা বনাঞ্চল ভূমিক ৰাজহ বিভাগলৈ হস্তান্তৰ কৰাৰ প্ৰক্ৰিয়া চলি থকা সত্ত্বেও কি কাৰণত আৰু কেনেকৈ সেই এলাকাটো বন বিভাগত আকৌ অন্তৰ্ভুক্ত হবলৈ পালে?

(গ) অসমৰ বনভূমিৰ পৰা অবৈধভাৱে বেদখলকাৰীক উচ্ছেদকৰণ কাৰ্য বৰ্ত্তমান সাময়িক ভাৱেহে স্থগিত কৰা হৈছে নেকি?

(ঘ) যদিহে সাময়িকভাৱে স্থগিতকৰণ কৰা হৈছে তেন্তে কেতিয়া কোন তাৰিখৰ পৰা উচ্ছেদকৰণ কাৰ্য আৰম্ভ কৰিব?

(ঙ) উচ্ছেদ হোৱা পৰিয়ালসকলক পুনৰ সংস্থাপনৰ কাৰণে চৰকাৰৰ হাতত বিকল্প কোনো ব্যৱস্থা আছে নেকি?

শ্ৰী প্ৰদ্যুৎ বৰদলৈ (বনবিভাগৰ ৰাজিক (স্বতন্ত্ৰ) মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) সংগৃহীত তথ্যমতে মানাহ সংৰক্ষিত বনাঞ্চলত ৪৮৩৩ টা, বেংটল সংৰক্ষিত বনাঞ্চলত ২৩২২ টা আৰু খুংবিং বনাঞ্চলত ২১৫ টা পৰিয়ালে বেদখল কৰি আছে।

(খ) বনাঞ্চলৰ অসংৰক্ষিতকৰণৰ পুৰণি প্ৰস্তাৱসমূহ অসমৰ নতুন বননীতি প্ৰস্তুত সম্পূৰ্ণ হোৱাৰ পিছতে পুনৰীক্ষণ কৰি যাৱতীয় ব্যৱস্থা লোৱা হ'ব।

(গ) বেদখলকাৰী উচ্ছেদকৰণ কাৰ্য স্থগিত ৰখা হোৱা নাই। বাৰিষা বতৰত উচ্ছেদকাৰী দলে সন্মুখীন হব লগীয়া বিভিন্ন অসুবিধাৰ বাবে আৰু লগতে

বিভাগীয় কর্মচাৰীসকল এই সময়ত প্ৰধানতঃ বনানীকৰণৰ কামত ব্যস্ত হৈ থাকিবলগীয়া হোৱা হেতুকে সাধাৰণতে বাৰিষাৰ দিনবিলাকত উচ্ছেদ কাৰ্য চলোৱা নহয়।

(ঘ) মাজে সময়ে উচ্ছেদ কাৰ্য চলাই থকা হৈছে। কেৱল পুঁজিৰ অনাটনৰ বাবেই বিস্তৃত কাৰ্যসূচী ৰূপায়ণ কৰিব পৰা হোৱা নাই।

(ঙ) চৰকাৰে দাৰিদ্ৰ সীমাৰেখাৰ তলৰ আৰু ভূমিহীন শ্ৰেণীৰ উচ্ছেদিত লোকক সংৰক্ষিত বনাঞ্চলৰ বাহিৰত পুনৰ্সংস্থাপন দিয়াৰ বিষয়ে বিবেচনা কৰিছে।

* শ্ৰী মতিন্দ্ৰ বসুমতাৰী ঃ— মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নৰ ক্ষেত্ৰত মোৰ কবলগীয়া আছে যে ১৯৭৭ চনৰ পৰা ১৯৮০ চনলৈকে মানাহ অভয়ৰণ্যত বসবাস কৰা লোকসকল অসম চৰকাৰৰ বনবিভাগৰ খাচ মাটিত আছিল। ইয়াত যথেষ্ট মানুহ আছিল। অসম চৰকাৰৰ বনবিভাগে ইয়াৰ মুঠ পঁইত্ৰিশ হেজাৰ বিঘা বন ভূমিক ৰাজহ বিভাগলৈ হস্তান্তৰ কৰাৰ প্ৰক্ৰিয়া আৰম্ভ কৰি পুনৰ বনবিভাগলৈ এই ভূমি কেনেকৈ অন্তৰ্ভুক্ত হবলৈ গালে। মহকুমাধিপতি আৰু অৱসৰপ্ৰাপ্ত মুখ্য সচিব শ্ৰী প্ৰণব কুমাৰ বৰা দেবে কিছুমান তথ্য পাতি এই সম্পৰ্কে লৈছিল। গতিকে মাননীয় বনমন্ত্ৰী ডাঙৰীয়াই জনাবনে ইয়াত বসবাস কৰা লোকসকলক উচ্ছেদ কৰা হব নেকি?

* শ্ৰী প্ৰদ্যুৎ বৰদলৈ ঃ— মাননীয় অধ্যক্ষ মহোদয়, ১৯৭০ চনত মানাহ অভয়াৰণ্যত যি ৬ হেজাৰ ৮৩ তিৰাশী হেক্টৰ ভূমি আছিল সেই ভূমিত ভূমিহীন লোকক সংস্থাপন দিবৰ বাবে ৰিজাৰ্ভ ফৰেষ্টৰ এই এলেকাটো অসংৰক্ষিত ভূমি হিচাপে ঘোষণা কৰিব লাগে বুলি কোৱা হৈছিল। তেতিয়া চৰকাৰৰ বন বিভাগে এই ভূমিখিনি ৰাজহ বিভাগক অসংৰক্ষিত বুলি ঘোষণা কৰি চমজাই দিছিলে। সেই মতে ১ হেজাৰ ১ শ ১৫ টা পৰিয়ালক প্ৰস্তাৱিত এই এলেকাত সংস্থাপন দিয়া হৈছিল। কিন্তু মাননীয় অধক্ষ্য মহোদয়, ইতিমধ্যে অসমৰ

* Speech not corrected

সংৰক্ষিত বনভূমিক কিছুমান বেদখলকাৰীয়ে চাৰিও ফালৰ পৰা সীমা ঠেলি সংকুচিত কৰাৰ এক প্ৰতিযোগিতাত নামিছে। বিশেষকৈ পশ্চিম অসমৰ বনাঞ্চল কোকৰাঝাৰ জিলাত ৰাইজে বেদখল কৰাত লাগিছে। অসম চৰকাৰে ১৯৭৫ চনত ৭ মে'ত এটা পৰ্যালোচনা কৰি পৰ্যবেক্ষণ কৰা ঘোষণা মৰ্ম্মে ৬৮৮৩ হেক্টৰ মাটিৰ অসংৰক্ষিত কৰে। কিন্তু পিচত দৰকাৰ হোৱাত এই ভূমি বনবিভাগলৈ আনিব বিচাৰিছে। অসম চৰকাৰে বিশেষ ব্যৱস্থা লৈ বনভূমিৰ কাৰণে দৰকাৰ হোৱাত সংৰক্ষিত কৰাৰ ব্যৱস্থা লবলৈ বিচাৰিছে। চৰকাৰে নতুন বননীতি এটি ঘোষনা কৰাৰ চিন্তণ-চৰ্চ্চা কৰি আছে। অভয়াৰণ্যৰ এলেকা বঢ়োৱাৰ সিদ্ধান্ত অসম চৰকাৰে নিজেই অকলে লব নোৱাৰে। এয়া কেন্দ্ৰীয় চৰকাৰৰ বিবেচনাৰ বাবে পঠাব লাগিব। কেন্দ্ৰীয় চৰকাৰৰ অনুমতি লব লাগিব। মাননীয় অধ্যক্ষ মহোদয়, মাননীয় উচ্চতম ন্যায়লয়ে বেদখল উচ্ছেদৰ ক্ষেত্ৰত এটি অতি কঠোৰ নিৰ্দ্দেশনা দিছে। মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় সদস্যসকলক জনাব খুজিছো যে মাননীয় উচ্চতম ন্যায়লয়ে দিয়া এই নীতি-নিৰ্দেশনা অসমৰ কাৰণে অতি কঠোৰ। সেই নিৰ্দেশনা হল বেদখল ভূমিৰ বাবে ফাইন দিব লাগিব। অসমৰ বন বিভাগে বেদখলৰ বাবে অধিক মূল্য, দিব লাগিব। অসমৰ বন বিভাগে প্ৰতি হেক্টৰ বনভূমিৰ বাবে ১০০০ টকাকৈ উচ্চতম ন্যায়লয়ক ফাইন দিব লাগিব। গতিকে অসম চৰকাৰে ২৭-২৮ কোটি টকা ফাইন দিওঁতেই যাব। ই আমাৰ কাৰণে অতি কঠোৰ নিৰ্দেশনা। উচ্চতম ন্যায়লয়ৰ এই কঠোৰ নিৰ্দেশনায়ে অসম চৰকাৰৰ বন বিভাগক যথেষ্ট দোমোজাত পেলাইছে। শ্ৰী মতিন্দ্ৰ বসুমতাৰী — মাননীয় অধ্যক্ষ মহোদয় বনাঞ্চলৰ গেজেট নটিফিকেচন হোৱা নাই বাবে অসুবিধা হৈছে। মহকুমাধিপতিয়ে মানাহ অভয়াৰণ্যৰ মাটি ৰাজহ বিভাগক হস্তান্তৰ কৰিব পাৰেনে এই বিষয়ে ব্যৱস্থা লৈ ৭৩৩৭ টা দুখীয়া পৰিয়ালৰ উপযুক্ত ব্যৱস্থা লোৱা ভাল।

* শ্রী প্রদ্যুৎ বৰদলৈ (বনমন্ত্রী) ঃ— মাননীয় অধ্যক্ষ মহোদয়, সদস্যগৰাকীৰ প্রশ্নৰ উত্তৰত জনাও যে অসম চৰকাৰে কি কৰিব পাৰে চিন্তা-চর্চ্চা কৰিছে। আৰু বনভূমিৰ বিষয়ে কেন্দ্রীয় চৰকাৰৰ লগত যোগাযোগ কৰিব।

* শ্রী দিলিপ কুমাৰ শইকীয়া ঃ— মাননীয় অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে জনাবনে অসম-মেঘালয় অসম-অৰুণাচল অসম নাগালেণ্ডৰ সীমামূৰীয়া অঞ্চলত যিবিলাক বেদখল হৈছে সেইবিলাকৰ ফাইনৰ টকা কোনে ভৰিব অসম চৰকাৰে নে তেওঁলোকৰ সংশ্লিষ্ট চৰকাৰে?

* শ্রী প্রদ্যুৎ বৰদলৈ (বনমন্ত্রী) ঃ— মাননীয় অধ্যক্ষ মহোদয়, এই দুয়োটা বিষয় সম্পর্কে অসম অৰুণাচল অসম নাগালেণ্ড বেদখল সম্পর্কে উচ্চতম ন্যায়লত দুটা গোচৰ তৰা হৈছে। গোচৰ বিবেচনাধীন হৈ আছে।

বিষয় ঃ বনাঞ্চল বেদখল মুক্তকৰণ।

শ্রী সর্বানন্দ সোণোৱালে সুধিছে ঃ

***৮৯। মাননীয় বন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ—**

(ক) অসমৰ বনাঞ্চলসমূহ অবৈধ বিদেশীৰ দখলৰ পৰা মুক্ত কৰাৰ বাবে চৰকাৰে কি পদক্ষেপ লৈছে?

(খ) পঞ্চাশ দশকতে অসম চৰকাৰে বানবিধ্বস্ত খিলঞ্জীয়া জনগোষ্ঠীসমূহক বিভিন্ন বনাঞ্চলত পুনৰ সংস্থাপন দিয়া লোকক মাটিৰ পট্টা দিয়াৰ ক্ষেত্রত কি ব্যৱস্থা হৈছে?

(গ) অসমক প্রদূষণমুক্ত কৰাৰ ক্ষেত্রত সামাজিক বনাণিকৰণৰ কার্যসূচী চৰকাৰে কেনে ধৰণে কোন কোন জিলাত ৰূপায়ণ কৰিছে?

(ঘ) অসমৰ বিভিন্ন সৰুবৰ চহৰসমূহত বৃক্ষৰোপণৰ কার্যসূচী গ্রহণ কৰাৰ চৰকাৰে

---

* Speech not corrected

পৰিকল্পনা লৈছে নেকি, যদি লৈছে কেতিয়াৰ পৰা কার্য্যকৰী হব?

শ্রী প্রদ্যুৎ বৰদলৈ (বন বিভাগৰ ৰাজ্যিক (স্বতন্ত্র) মন্ত্রী)য়ে উত্তৰ দিছে ঃ—

(ক) বনাঞ্চলৰ পৰা যিকোনো অবৈধ বেদখলকাৰীক আঁতৰাই পঠাবৰ বাবে উচ্ছেদ কার্য্য চলাই থকা হৈছে।

(খ) অসম বন আইন অনুসৰি সংৰক্ষিত বনাঞ্চলৰ ভিতৰৰ মাটিত কোনো পট্টা দিয়াৰ নিয়ম নাই। যদি চৰকাৰে ১৯৮০ চনৰ ২৫ আক্টোবৰ তাৰিখৰ আগতে বনাঞ্চলত কোনো বানবিধ্বস্ত লোকক পুনৰ সংস্থাপন দিয়াৰ নথি পত্র আছে, তেনেহলে তেখেতলোকৰ সংস্থাপন হয়তো ইতিমধ্যে নিয়মীয়া কৰা হৈছে আৰু যদি হোৱা নাই তেনেহলে উক্ত নথি পত্র জমা দিলে সেয়া নিয়মীয়াকৰণৰ বাবে বিবেচনা কৰা হব।

(গ) বন বিভাগৰ অধীনত থকা ১৬ টা সামাজিক বনানীকৰণ সংমণ্ডলত ৰাজ্যৰ ভৈয়ামৰ সকলো জিলাতে বৃক্ষৰোপণ আঁচনিৰ দ্বাৰা খালি থকা ঠাইসমূহত বনানীকৰণৰ পদক্ষেপ লোৱা হয়। ইয়াৰ উপৰিও বিভিন্ন ঠাইত কিছুমান উদ্যান স্থাপন কৰা হৈছে। অৱশ্যে পুঁজিৰ নাটনিৰ বাবে আঁচনি ৰূপায়ণত বাধাৰ সৃষ্টি হৈছে।

(ঘ) অসমৰ সৰুবৰ চহৰবিলাকত গছপুলি ৰোৱা কাম কৰি অহা হৈছে। ভৱিষ্যতে অধিক গছপুলি ৰোপণ কৰাৰ পৰিকল্পনা আছে। এই কাম ধনৰ আৱন্টন পালে বৃহৎ পৰিসৰত কৰাৰ কথা চিন্তা কৰা হৈছে।

* শ্রী সর্বানন্দ সোণোৱাল ঃ— মাননীয় অধ্যক্ষ মহোদয়, মই এই প্রশ্নটোৰ সন্দর্ভত মাননীয় বন বিভাগৰ মন্ত্রী মহোদয়ক সুধিব খুজিছো যে বনাঞ্চল বেদখল আৰু উচ্ছেদ কার্য সম্পর্কত ৰাজহুৱা অভিযোগ উঠিছে যে বহুতো বনাঞ্চল আৰু সংৰক্ষিত বনাঞ্চল বিদেশী মানুহে বেদখল কৰি গ্রাস কৰিছে। আমি এটা কথা কওঁ যে বনাঞ্চল যিয়েই

* Speech not corrected

নহওক যদি কোনোবাই বেদখল কৰি আছে তেনেহলে তেওঁলোকক উচ্ছেদ কৰিবই লাগিব। বিদেশী লোকে বেদখল কৰি বনাঞ্চল গ্ৰাস কৰা বুলি যিটো অভিযোগ উঠিছে সেই ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ তৰফৰ পৰা শক্তিশালী ব্যৱস্থা কেনেকৈ লব জনাব নে?

* শ্ৰী প্ৰদ্যুৎ বৰদলৈ (মন্ত্ৰী) ঃ— মাননীয় অধ্যক্ষ মহোদয়, সংৰক্ষিত বনাঞ্চল বেদখল কৰা লোকক উচ্ছেদ কৰিবৰ কাৰণে সংশ্লিষ্ট আইন আছে আৰু বন সংৰক্ষণ আইন ১৯৮০ অধীনত প্ৰটেকটেড এৰিয়া আৰু সংৰক্ষিত বনাঞ্চল বেদখল কৰা লোকক উচ্ছেদ কৰি থকা হৈছে আৰু স্বাধীনতাৰ পিছৰ পৰাই এইটো কৰি থকা হৈছে আৰু ভবিষ্যতলৈও চলি থাকিব।

* শ্ৰী সৰ্বানন্দ সোণোৱাল ঃ— মাননীয় অধ্যক্ষ মহোদয়, অভিযুক্ত লোকৰ পৰা মাটি বেদখলমুক্ত কৰাটো আমি বিচাৰো। কিন্তু গোটেই বিষয়টো পৰিচালনা কৰোতে কেনে ধৰণে ৰক্ষা কৰা হব সেই বিষয়েও চৰকাৰে চাব লাগে বুলি ভাবো। অসমত বানবিধ্বস্ত আৰু গৰাখহনীয়াত ক্ষতিগ্ৰস্ত লোকক পুনৰ সংস্থাপন কৰাৰ কাৰণে থলুৱা স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে কি ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে মন্ত্ৰী মহোদয়ে জনাবনে?

* শ্ৰী প্ৰদ্যুৎ বৰদলৈ (মন্ত্ৰী) ঃ— মাননীয় অধ্যক্ষ মহোদয়, অসমত বসবাস কৰা সকলো ভাষাভাষীৰ জনগোষ্ঠী, জাতি ধৰ্ম্ম নিৰ্বিশেষে সকলো থলুৱা লোকৰ কোনোৱেই যদি সংৰক্ষিত বনাঞ্চল বেদখন কৰে তেনে বেদখলকাৰীক উচ্ছেদ কৰিবলৈ চৰকাৰ বদ্ধপৰিকৰ আৰু এই কাৰ্য্য চলাই থকা হব। মাননীয় সদস্য গৰাকীয়ে থলুৱা স্বাৰ্থৰ যিষাৰ কথা কৈছে সেই ক্ষেত্ৰত মই কওঁ যে ১৯৮০ আৰু ১৯৯১ চনৰ বন আইন অনুসৰি অসমৰ বনাঞ্চল সকলো বেদখলকাৰীকে আমি উচ্ছেদ কৰিব লাগিব। কিন্তু আমাৰ ৰাজ্যখন যিহেতু বান

---

* Speech not corrected

আক্রান্ত ৰাজ্য সেই কাৰণে আমি কেন্দ্রীয় চৰকাৰক অনুৰোধ কৰিছো যে ১৯৮০ চনৰ আগতে যদি চৰকাৰে কোনো লোকক সংৰক্ষিত বনাঞ্চলত বসতি কৰিবলৈ দিছিল তেওঁলোকক তাত স্থায়ীভাৱে বসতি কৰিবলৈ অনুমতি দিয়াৰ কাৰণে আমি উচ্চতম ন্যায়লয় আৰু কেন্দ্রীয় চৰকাৰলৈ প্রস্তাৱ পঠিয়াইছো।

মাননীয় অধ্যক্ষ ঃ— এই বিষয়টোৰ ওপৰত আলোচনা ইমানতে শেষ কৰা ভাল। এই বিভাগটোৰ ওপৰত ইয়াৰ আগতেও যথেষ্ট আলোচনা হৈছে। গতিকে এইটো বিষয় ইমানতে শেষ কৰক।

* **শ্রী সর্বানন্দ সোণোৱাল ঃ—** মাননীয় অধ্যক্ষ মহোদয়, মই দুটাহে পৰিপূৰক প্রশ্ন কৰিছো। মোক আৰু অলপ কবলৈ অনুমতি দিলে ভাল হয়।

* **শ্রী দিলীপ কুমাৰ শইকীয়া ঃ—** মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো অতি গুৰুত্বপূর্ণ বিষয়। গতিকে প্রয়োজন হলে এই বিষয়টো আলোচনা কৰিবৰ কাৰণে আধা ঘন্টা সময় দিব লাগে।

* **শ্রী সর্বানন্দ সোণোৱাল ঃ—** মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্রী মহোদয়ৰ পৰা এটা কথা শুনি ভাল পাইছো যে বানবিধস্ত লোকক পুনৰ সংস্থাপন দিয়াৰ কাৰণে চৰকাৰে আগভাগ লৈছে। মই আৰু এটা কথা কব খুজিছো যে আমাৰ ৰাজ্যখনৰ কিছুমান ক্ষুদ্র চাহ খেতিয়কে চাহ খেতি কৰি দুবেলা দুমুঠি খোৱাৰ কাৰণে উপার্জন কৰিছে আৰু তাৰ দুই এঠাইত তেওঁলোকে কিছু পৰিমাণে বন বিভাগৰ মাটিত দখল কৰিছে। এই ক্ষেত্রত তেওঁলোকে প্রাকৃতিক ভাৰসাম্যও ৰক্ষা কৰিছে। গতিকে তেওঁলোকক সংস্থাপন দিয়াৰ ক্ষেত্রত বন বিভাগে কি পদক্ষেপ লব সেই বিষয়ায়ে জনাব লাগে আৰু আমাৰ গোটেই সৰু-বৰ চহৰবোৰত গছ পুলি ৰোপণ কৰাৰ কাৰণে যিটো ব্যৱস্থা গ্রহণ কৰিছে সেইটো মেণ্ডেটৰী প্রতিজন হিচাপে কৰিব নে?

---

* Speech not corrected

* শ্রী প্রদ্যুৎ বৰদলৈ (মন্ত্রী) ঃ— মাননীয় অধ্যক্ষ মহোদয়, সংৰক্ষিত বনাঞ্চলৰ ভিতৰত চাহ খেতি কৰাটো আইনগত ভাবে দণ্ডনীয় আৰু সেইমতে কাৰ্যকৰী ব্যৱস্থা লোৱা হব। যদি সংৰক্ষিত বনাঞ্চলত বেআইনীভাবে কোনোবাই চাহ খেতি কৰিছে তেনেহলে তেওঁলোকক উচ্ছেদ কৰা হব।

মাননীয় অধ্যক্ষ ঃ— এই ক্ষেত্রত যথেষ্ট আলোচনা হৈছে। গতিকে আমি পিছৰ প্রশ্নটোলৈ যাম।

Now, Starred Question No.90. Hon'ble Member, Shri Deleswar Tanti.

Sub : Salaries of Non-Formal Education Employees.

Shri Dileswar Tanti, asked :

* 90. Will the Minister of Education be pleased to state :–

(a) Why the Government has failed to pay the Salaries of the Non-Formal Education Employees upto this date inspite of assurance of the Government given in last Budget Session of the Assembly?

(b) Will the Government refer to my Unstarred question and its reply on 5-3-2002 of last Session and give a thorough reply of brief note as to how and when the problems of these Employees will be solved?

(c) Whether the Government is aware that in the meantime a few employees of Non-Formal Education have died out of starvation and Back of medical care?

Shri Pankaj Bora (Minister of Education) replied :

---

* Speech not corrected

(a) The employees of the Non-Formal Education used to work/function under the Centrally Sponsored Scheme of Govt. of India with financial assistance of 60:40 ratio. After discontinuation of the scheme with effect from 1-4-2002, there was stoppage of fund from Govt. of India. Due to non-receipt of Central fund salaries to the employees could not be paid. Due to non retention of posts of Non-Formal Education Sector the fund earmarked had to be diverted for payment to Adult Sector.

However concrete action has been initiated for adjustment of Non-Formal Education Employees in Education Department against available existing vacancies as well as normalisation of posts which will help receiving salaries by the employees of Non-Formal Education.

(b) The Govt. meanwhile adjusted 79 Nos of employees of Non Formal Education and action is being taken for adjustment of another 52 Nos. of employees. Again proposal for normalisation of 83 Nos. of employees have been made. Thus, out of total 537 posts of Non-Formal Education, Action is being taken for adjustment of remaining 325 posts against existing vacancies in different Directorates of Education Department. Government is taking all possible steps to adjust the remaining employees within a short period.

(c) Government is not aware.

(সদনত গণ্ডগোলৰ সৃষ্টি হয়। কেইবাজনো সদস্যই একেলগে কবলৈ ধৰাত কাৰো মাত শুনা নাযায়।)

* শ্রী দিলেশ্বৰ তাঁতী ঃ— অধ্যক্ষ মহোদয়, শিক্ষামন্ত্রী ইতিমধ্যে ৫৩৭ টা অনানুস্থানিক শিক্ষা বিভাগৰ কর্মচাৰীৰ ভিতৰত ৩২৩ টা পদ অতি শীঘ্রে পুৰণ বা স্থায়ীকৰণ কৰাৰ ব্যৱস্থা লব বুলি আশ্বাস দিয়াত সন্তুষ্টি প্রকাশ কৰিছো। কিন্তু ইতিমধ্যে দৰমহা নোপোৱাৰ কাৰণে কোনো কর্মচাৰীৰ চিকিৎসাৰ অভাৱত মৃত্যু হোৱা নাই বুলি কোৱাত মই আচৰিত হৈছো। মোক জানিবলৈ দিয়া মতে ইতিমধ্যে সিৱসাগৰ জিলাৰ আমগুৰি অনানুস্থানিক শিক্ষা কেন্দ্রৰ শ্রী প্রদীপ গোস্বামী নামৰ ইউ, ডি, এ, এজনৰ ১২/৪/২০০২ তাৰিখে চিকিৎসা লব নোৱাৰা কাৰণে মৃত্যু হোৱা বুলি খবৰ দিছে। গতিকে অনানুস্থানিক শিক্ষা কর্মচাৰী সংস্থাৰ পৰা পোৱা দাবীৰ সন্দর্ভত তেওঁলোকক দৰমহা দিয়াৰ কথাটো গুৰুত্ব সহকাৰে বিবেচনা কৰিবলৈ শিক্ষামন্ত্রীক অনুৰোধ জনালোঁ।

Shri Pankaj Bora (Minister) : Total post of Non Formal Education - 537.

A Already adjusted – 79
B Being adjusted – 52
C. Normalisation – 83
D. Under process – 323.

(Starred Question No. 91 to 100 could not be taken up as the question hour was over. However, the replies of the said questions demeed to have been laid on the table of the House.)

বিষয় ঃ ONGC oil India, Gas Authority ৰ কল্যান মূলক পূজি।

শ্রী শৰৎ শইকীয়াই সুধিছে ঃ

***৯১। মাননীয় উদ্যোগ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ—**

* Speech not corrected

(ক) শিৱসাগৰ জিলাত অনুষ্ঠিত ONGC, Oil India Ltd., Gas Authority of India Ltd. এই তিনিটা কেন্দ্রীয় চৰকাৰৰ অনুস্থানে যোৱা ১০ বছৰত তেওঁলোকৰ কল্যাণ পূজিৰ পৰা স্থানীয় ৰাইজক তলত দিয়া ধৰণে উপকৃত কৰিলে?

(খ) এই অনুষ্ঠানে কেইটাত পোনপটিয়াকৈ উদ্যোগ বিভাগৰ লগত কিবা যোগাযোগ ৰাখিছেনে আৰু এই উদ্যোগ কেইটাই বছৰেকত কিমান উপার্জন কৰে আৰু তাৰ বিনিময়ত অসমৰ জনসাধাৰণৰ স্বার্থত কি কি কল্যান মূলক কাম কৰে?

(গ) নিবনুৱা সমস্যা দূৰীকৰণৰ কাৰণে এই উদ্যোগকেইটাই স্থানীয় কিমান নিবনুৱা যুৱক-যুৱতীক কর্ম সংস্থাপন দিলে?

শ্রীভুৱনেশ্বৰ কলিতা (উদ্যোগ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) সংশ্লিষ্ট প্রতিষ্ঠানসমূহৰ পৰা পোৱা তথ্য অনুসৰি অসমত স্থাপিত ONGC, OIL, Gas Authority of India Ltd. এই তিনিটা অনুষ্ঠানে যোৱা ১০ বছৰত তেওঁলোকৰ কল্যাণ পুঁজিৰ পৰা স্থানীয় ৰাইজক তলত দিয়া ধৰণে উপকৃত কৰে।

ONGC = অসমত যোৱা ১৯৯২-০২ চনৰ পৰা ২০০১-০২ চনলৈ আর্থ সামাজিক উন্নয়নৰ বাবে ৭০২.৫৫ লাখ টকা ব্যয় কৰা হৈছে। অনুসুচিত জাতি/জনজাতিৰ উন্নয়নৰ বাবে ১১১.০০ লাখ টকা ব্যয় কৰা হৈছে। ইয়াৰ উপৰি ১৭৪০.৫৫ লাখ টকা কর্ত্তব্যৰতি এলেকাত পথ, দলং, কালভার্ট মেৰামতি আৰু উন্নয়নৰ বাবদ খৰচ কৰা হৈছে। প্রায় ১০০ লাখ টকাৰ ব্যৱহাৰৰ অনুপোযোগী পাইপ চৰকাৰক দলং আদি বনাবৰ বাবে দান কৰা হৈছে। বিভিন্ন আঁচনি যোগে মুঠ ২৬৫৪.৩৯ লাখ টকা ব্যয় কৰা হৈছে। Oil Inldia Ltd. ব্যয়ৰ বিতং তথ্য পোৱা নাই। সামাজিক উন্নয়নৰ বাবদ ১৩৪৩.৬৫ লাখ, এলেকা উন্নয়নৰ বাবে ৩৮৮.৫৬ লাখ, টকা ধার্য্য কৰা হৈছিল। Gas Authority of India Ltd. স্থাপনৰ ৪ বছৰৰ ভিতৰত ১ কোটি টকা ব্যয় কৰা হৈছে।

(খ) ONGC = উদ্যোগ বিভাগৰ লগত পোনপটীয়া যোগাযোগ নাই।

পূর্বাঞ্চলত ২০০১-০২ চনত ১০৯০.০০ কোটি টকা সর্বমূঠ ৰাজহ আদায় হয়। লাভৰ অংশ স্থানীয় লোকৰ বাবে, স্বাস্থ্য, শিক্ষা, সামাজিক উন্নয়ন ক্রীড়া আদিত ব্যয় কৰা হৈছে।

Oil India Ltd. : উদ্যোগ বিভাগৰ লগত পোনপটীয়া যোগাযোগ নাই। কৰ আদায়ৰ পাছত এই বছৰ বার্ষিক লাভ ৫২৫.২২ কোটি টকা হয়। লাভৰ পৰা সামাজিক উন্নয়ন যেনে-শিক্ষা, পথ-দলং উন্নয়ন, ক্রীড়া, খোৱাপানী গ্রামীণ আৰু মহিলা উন্নয়নৰ বাবে ব্যয় কৰা হয়।

Gas Authority of India Ltd. উদ্যোগ বিভাগৰ লগত কোনা পোনপটীয়া যোগাযোগ নাই। স্থাপনৰ পাছত যোৱা চাৰি বছৰত কোনো বছৰত লাভ কৰা নাই। তলত দিয়া ধৰণে সামাজিক উন্নয়নত ব্যয় কৰা হৈছে।

পথাৰ মেৰামতি ৩৭.৫৪ লাখ, শিক্ষাৰ বাবদ ৯.৩২ লাখ, ক্রীড়া উন্নয়ন ২৯.০০ লাখ, সমূহীয়া উন্নয়ন যেনে ৰাজহুৱা ভৱন, পুথি ভঁৰাল, বাছষ্টেণ্ড, ৰাজহুৱা শৌচাগাৰ, কম্পিউটাৰ চেণ্টাৰ, শিশু উদ্যান ইত্যাদি— ৮.৬৩ লাখ, স্থানীয় সামাজিক অনুষ্ঠানসমূহক— ১০.৯৬ লাখ। সর্বমূঠ = ৯৫.৪৫ লাখ টকা।

(গ) ONGC : যোৱা ১০ বছৰত অসমৰ স্থানীয় ৭৭৫ জনক নিযুক্তি দিয়া হৈছে।

Oil India Ltd. : যোৱা ১০ বছৰত ২১৩৯ জন স্থানীয় নিবনুৱাক নিযুক্তি দিয়া হৈছে।

Gas Authority of India Ltd. : ১০৪ জন অমসৰ স্থানীয় লোকক নিযুক্তি দিয়া হৈছে।

বিষয় ঃ জিলা পুথি ভঁৰাল নির্মাণ।

শ্রী বসন্ত দাসে সুধিছে ঃ

*** ৯২। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ—**

---

* Speech not corrected

(ক) দৰং জিলাৰ সদৰ ঠাই মঙ্গলদৈ নগৰত District Library টো আজি ১৫ বছৰে অৰ্ধ নির্মিত অৱস্থাত থকাটো চৰকাৰ অৱগত নে?

(খ) যদি অৱগত উক্ত District Library টোৰ কেতিয়াকৈ নির্মাণ সম্পূর্ণ হ'ব?

(গ) ইয়াৰ বাবে প্রয়োজনীয় পুঁজি নিদিয়াৰ কাৰণ কি?

(ঘ) চৰকাৰে এই সম্পর্কত বিহিত ব্যৱস্থা কেতিয়া লব আৰু ইমান দিনে কিয় লোৱা হোৱা নাই?

শ্রী পংকজ ৰৱা (শিক্ষা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) হয় অৱগত।

(খ) আৱশ্যকীয় পুঁজিৰ ওপৰত নির্ভৰ কৰিব।

(গ) বিত্তীয় পৰিস্থিতিৰ বাবে।

(ঘ) আৱশ্যকীয় পুঁজিৰ আৱন্টন পালেই কামত পুনৰ হাত দিব পৰা যাব।

বিষয় ঃ কাজিৰঙা ৰাষ্ট্রীয় অভয়াৰণ্য।

শ্রী ৰণজিত দত্তই সুধিছে ঃ

***৯৩। মাননীয় বন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

(ক) যোৱা ৭/৬/০২ তাৰিখৰ পৰা ১৫/৬/০২ তাৰিখলৈকে কাজিৰঙা ৰাষ্ট্রীয় অভয়াৰণ্য বন্ বিভাগে বিহালী, বিশ্বনাথ সমষ্টিৰ অন্তর্গত চৰ চাপৰি অঞ্চলত যুগ যুগ ধৰি ম'হ আৰু গৰুৰ খুটি থকা প্রায় ২০০ ঘৰত উচ্ছেদৰ নামত ঘৰদুৱাৰ জ্বলাই, লুতপাট কৰাটো চৰকাৰ অৱগতনে?

(খ) ৬১ টা ঘৰৰ মহামান্য High Court ৰ Stay order থকাৰ পিছতো ৬ ঘৰ মানুহৰ খুটি জ্বলাই দিয়াটো সত্য নে?

(গ) যিহেতু সেই খুটিবিলাক প্রায় ১০০ বছৰ ধৰি বসবাস কৰি আছে, গতিকে সেই বিলাক স্থানান্তৰিত কৰা বিষয়টো চৰকাৰে ব্যৱস্থা কৰিছে নেকি?

শ্রী প্রদ্যুৎ ৰৱদলৈ (বন বিভাগৰ ৰাজ্যিক (স্বতন্ত্র) মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) কাজিৰঙা ৬ষ্ঠ সংযোজন (6th Addition) এলেকাত চৰচাপৰি অঞ্চলত দণ্ডাধীশ আৰু পুলিচৰ উপস্থিতিত উচ্ছেদ কার্য্য চলোৱা হৈছিল। উচ্ছেদৰ সময়ত কোনো ঘৰ-দুৱাৰ জ্বলোৱা বা লুতপাট কৰা হোৱা নাই।

(খ) সত্য নহয়।

(গ) এই বিষয়ৰ গোচৰসমূহ গুৱাহাটী উচ্চ ন্যায়ালয়ত বিচাৰাধীন হৈ আছে।

বিষয় ঃ অসম চুক্তি ৰূপায়ণ কৰাৰ পদক্ষেপ।

শ্রী জগদীশ ভূঞাঁহি সুধিছে ঃ

*৯৪। মাননীয় অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বর্ত্তমান ৰাজ্য চৰকাৰে দায়িত্ব গ্রহণ কৰাৰ পিছৰে পৰা বর্ত্তমানলৈকে অসম চুক্তি ৰূপায়ণ কৰাৰ বাবে কি কি পদক্ষেপ গ্রহণ কৰিলে?

(খ) অসম চুক্তিৰ ৰাজ্য চৰকাৰে কৰিব লগা কাম কি কি বাকী আছে?

(গ) উক্ত কামসমূহ সম্পূর্ণ কৰাৰ বাবে কি কি ব্যৱস্থা গ্রহণ কৰিছে?

(ঘ) সীমান্তত কাঁটা তাঁৰৰ বেৰ দিয়াৰ কাম কিমান আগ বাঢ়িছে? কিমান বাকী আছে? কেতিয়া সম্পূর্ণ হব?

(ঙ) বর্ত্তমান চৰকাৰে দায়িত্ব লোৱাৰ পিছত কিমান কিলোমিটাৰ কাম সম্পূর্ণ হ'ল?

শ্রী পংকজ দাস (অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) অসম চুক্তি ৰূপায়ণৰ সমীক্ষাৰ বাবে এখন ত্রিপক্ষিক আলোচনা দিল্লীত ৬-১১-২০০১ তাৰিখে সম্পন্ন হয় আৰু "আছু"ৰ লগত গুৱাহাটীত ৬-১১-২০০১ আৰু ১২-০৭-২০০২ তাৰিখে দুখন দ্বিপাক্ষিক আলোচনা হৈ যায়। ইয়াৰ উপৰিও "আছু" আৰু অসম চৰকাৰ যুটীয়া দল অসম বাংলাদেশ সীমান্তৰ সমস্যাৰাজি আৰু কামৰ অগ্রগতিৰ বুজ লবলৈ ভ্রমণ কৰে।

(খ) অসম চুক্তি ৰূপায়ণৰ বাকী থকা কেইটামান মুখ্য কাম হ'ল, (১) গেছ ক্রেকাৰ প্রকল্প স্থাপন, (২) অশোক কাগজ কলৰ পুনৰ জীৱিত কৰণ, (৩) সীমান্তত ৰাস্তা আৰু কাঁটাতাঁৰৰ বেৰৰ কাম, (phasce II) (৪) জ্যোতি চিত্রবন ফিল্ম ষ্টুডিঅ' আধুনিকীকৰণ আৰু উন্নতি কৰণ, (৫) Computer a station for poceser vation of N.R.C, (৬) Second line of Defence ৰ স্থাপন (৭) ব্রহ্মপুত্রৰ ওপৰত বগীবিল দলঙৰ নির্মাণ,

(৮) শিলচৰলৈকে ব্ৰড্‌গজ লাইন পৰিবৰ্ত্তিতকৰণ আৰু (৯) খিলঞ্জীয়া ৰাইজৰ সাংবিধানিক সুৰক্ষাৰ ব্যৱস্থা কৰা।

(গ) অসম চুক্তিৰ ৰূপায়ণৰ বাবে বিভিন্ন বিভাগে যাৱতীয় কার্য্য ব্যৱস্থা লৈ আছে।

(ঘ) অসম-বাংলাদেশ সীমান্তৰ মুঠ ৩৩৮.৮ কিলোমিটাৰ দৈর্ঘ্যৰ ভিতৰত ১৪৯.৩০ কিলোমিটাৰত কাঁটা তাঁৰৰ বেৰ নির্মাণৰ কার্য্য সম্পূর্ণ হৈছে। বাকী থকা বেৰৰ কাম ২০০৪ ৰ মাতিৰ ভিতৰত ভাৰত চৰকাৰৰ অনুমোদন সাপেক্ষে সম্পূর্ণ কৰাৰ থিৰাং কৰা হৈছে।

(ঙ) বর্ত্তমান চৰকাৰে দায়িত্ব লোৱাৰ পাছত ৩৮.৭২ কিঃমিঃ ৰাস্তা, ১০১.৬৮ মিঃ দলঙৰ কাম আৰু ১.১৮ কিঃমিঃ কাঁটাতাঁৰৰ বেৰৰ কাম সম্পূর্ণ কৰা হৈছে। ইয়াৰ উপৰিও দ্বিতীয় পর্য্যায়ৰ কামো আৰম্ভ কৰা হৈছে।

বিষয় ঃ গুৱাহাটী মহানগৰৰ এলেকাৰ সংৰক্ষিত বনাঞ্চল।

শ্রী গুণীন হাজৰিকাই সুধিছে ঃ

*** ৯৫। মাননীয় বন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ—**

(ক) গুৱাহাটী মহানগৰ এলেকাৰ ভিতৰত আশে-পাশে থকা সংৰক্ষিত বনাঞ্চল সমূহৰ (Reserved Forest) নাম, মাটি কালি আৰু কোন চনত সংৰক্ষিত বনাঞ্চল হিচাপে ঘোষণা কৰা হৈছিল?

(খ) এই বনাঞ্চলসমূহৰ পৰা ২০০২ চনৰ আগষ্ট মাহলৈ কিমান মানুহৰ ঘৰ উচ্ছেদ কৰা হ'ল?

(গ) ৰাজহ আৰু বন বিভাগে যুটীয়া জৰীপ কৰি এই বনাঞ্চলৰ সীমা নির্ধাৰণ কৰিছে নেকি? (ওপৰত উল্লিখিত বনাঞ্চলৰ মেপৰ এটা নকল সদনত দাখিল কৰিব)

শ্রী প্রদ্যুৎ বৰদলৈ (বন বিভাগৰ ৰাজ্যিক (স্বতন্ত্র) মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) গুৱাহাটী মহানগৰ এলেকাৰ ভিতৰত আশে-পাশে থকা সংৰক্ষিত বনাঞ্চল সমূহৰ (Reserved Forest) নাম, মাটি কালি আৰু কোন চনত সংৰক্ষিত

বনাঞ্চল হিচাপে ঘোষণা কৰা হৈছিল তাৰ এখন তালিকা অনুবদ্ধ একত দিয়া হ'ল।

(খ) মুঠ ৫৫৩১ টা বেদখল কৰি থকা অবৈধ ঘৰ উচ্ছেদ কৰা হৈছিল।

(গ) হয়, কৰিছে। এখন মেপ অনুবদ্ধ দুইত দিয়া হ'ল।

বিষয় ঃ মূল্যৱান গছ-গছনি চোৰাং চিকাৰীৰ দ্বাৰা ধ্বংস।

শ্রী ৰাজু চাহুয়ে সুধিছে ঃ

***৯৬। মাননীয় বন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

(ক) ডিব্রু-চৈখোৱা ৰাষ্ট্রীয় অভয়াৰণ্যত থকা মূল্যৱান গছ-গছনি সমূহ চোৰাং কাৰবাৰীয়ে কটাৰ বিষয়ে চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, তেন্তে এই ধ্বংসযজ্ঞৰ প্রতিৰোধৰ বাবে কি ব্যৱস্থা লৈছে?

(গ) নিঃশেষ হৈ যাব ধৰা এই বিশাল বনাঞ্চলৰ সুৰক্ষাৰ বাবে মাথো ২৮ জন বনৰক্ষী থকাটো সঁচানে আৰু যদি সঁচা কাজিৰঙা ৰাষ্ট্রীয় অভয়াৰণ্যৰ তুলনাত ইমান কম সংখ্যক বন কর্মীয়ে নিখুত সুৰক্ষা দিয়াটো সম্ভৱনে?

(ঘ) পর্য্যটকৰ আকর্ষণীয় কৰি তুলিবলৈ আৰু পুনৰ জীৱিত কৰাৰ বাবে কি কি ব্যৱস্থা লোৱা হৈছে?

(ঙ) যোৱা এক দশকত দেশী আৰু বিদেশী পর্যটকৰ পৰিসংখ্যা কি?

(চ) এই অভয়াৰণ্যৰ দাঁতি-কাষৰীয়া অঞ্চলসমূহত আর্থ-সামাজিক বিকাশৰ বাবে ভাৰত চৰকাৰ তথা অসম চৰকাৰে কিমান পুঁজি আৱণ্টন দিলে আৰু কি কি শিতানত ব্যয় কৰিলে?

(ছ) নতুন কি কি আঁচনি লোৱা হৈছে?

শ্রীপ্রদ্যুৎ ববদলৈ (বন বিভাগৰ ৰাজ্যিক (স্বতন্ত্র) মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, অৱগত।

(খ) এই প্রক্রিয়া ৰোধ কৰাৰ বাবে ৰাষ্ট্রীয় উদ্যানখনৰ ভিতৰত পহৰা অধিক কার্য্যক্ষম কৰা হৈছে।

(গ) ৰাষ্ট্রীয় উদ্যানখনত বর্ত্তমান মুঠ ৫১ জন বিষয়া কর্মচাৰীৰ ধাৰা তহলদাৰী

কার্য্য চলাই থকা হৈছে আৰু তাৰ ফলত সুৰক্ষা কার্য্য বর্ত্তমানলৈকে সম্ভৱ হৈছে।

(ঘ) পর্য্যটকসকলৰ ৰাষ্ট্রীয় উদ্যানৰ ভিতৰত দর্শনৰ সুবিধাৰ অর্থে যন্ত্র চালিত নাও আদিৰ সুবিধা কৰা হৈছে।

(ঙ) ১৯৯৯ চনৰ মার্চ মাহত ডিব্রু চ�েখোৱাক ৰাষ্ট্রীয় উদ্যান হিচাপে ঘোষণা কৰা হয় আৰু সেই বছৰৰ পৰা চলিত বছৰলৈকে ৰাষ্ট্রীয় উদ্যানখন দর্শন কৰা দেশী আৰু বিদেশী পর্য্যটকৰ সংখ্যা হ'ল - দেশী, ৪৪৭৪ জন আৰু বিদেশী — ৫৫ জন।

(চ) যোৱা ২০০১-২০০২ বিত্তীয় বর্ষত এই ৰাষ্ট্রীয় উদ্যানৰ দাঁতি কাষৰীয়া অঞ্চলসমূহত আর্থ সামাজিক বিকাশৰ বাবে ভাৰত চৰকাৰৰ মুঠ ৬,২৫,০০০.০০ টকা আৱণ্টন পোৱা গৈছিল। উক্ত ধন নিম্ন উল্লিখিত শিতানত ব্যয় কৰা হৈছে।

১) উন্নত প্রণালীৰ বৈজ্ঞানিক
চৌকা বিতৰণ — ১,০০,০০০.০০ টকা

২) উৰ্ব্বণীয়া মাকুযুঁজ তাঁতশাল
আৰু সূতা বিতৰণ — ৪,০০,০০০.০০ টকা

৩) বজাৰ গৃহ নির্ম্মাণ — ১,২৫,০০০.০০ টকা

(ছ) ডিব্রু-চৈখোৱা ৰাষ্ট্রীয় উদ্যানৰ বাবে ২০০২-২০০৩ বিত্তীয় বর্ষত নিম্ন উল্লিখিত আঁচনি কেন্দ্রীয় চৰকাৰলৈ প্রেৰণ কৰা হৈছে।

১) ৰাষ্ট্রীয় উদ্যান আৰু অভয়াৰণ্যৰ উন্নয়ন।

২) ডিব্রু-চৈখোৱা জৈৱ মণ্ডল আঁচনি।

Sub : Implementation of Assam Accord.

Shri Abdul Jabbar asked :

*** 97. Will the Minister of Assam Accord be pleased to state :**

(a) How many clauses of Assam Accord have been imple-

mented and how many clauses are yet to implemented?

(b) Please give the reason why the IMD (T) Act, under Assam Accord could not fulfif the aspiration of a section of people of the state?

Shri Pankaj Bora, (Minister Implementation of Assam Accord Deptt.) replied :

(a) Clause 13, 14, & 15 have been implemented, Clause 6 & 8 are pending for implementation. Clause 5,7,9,10,11&12 are to be implemented continuously. Besides, Clause 1,2,3 & 4 needs no action.

(b) Govt. fills that the IM(D)T Act fulfills the aspiration of all section of people.

বিষয় ঃ কেন্দ্রীয় বিশ্ববিদ্যালয়ৰ অধ্যক্ষ নিযুক্তি।

শ্রী গিৰীন্দ্র কুমাৰ বৰুৱাহ সুধিছে ঃ

*৯৮। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) কেন্দ্রীয় বিশ্ববিদ্যালয় আৰু শিলচৰ আঞ্চলিক কাৰিকৰী মহাবিদ্যালয়ৰ অধ্যক্ষ নিযুক্তিৰ ক্ষেত্রত ৰাজ্য চৰকাৰৰ অনুমোদনৰ প্রয়োজন হয়নে?

(খ) উক্ত অনুষ্ঠান দুটাক ৰাজ্য চৰকাৰে নিয়ন্ত্রণ কৰিব পৰা ক্ষমতা আছেনে?

(গ) যদিহে নিয়ন্ত্রণ কৰিব পৰা ক্ষমতা আছে অনুগ্রহ কৰি বিশদভাৱে জনাবনে?

শ্রী পংকজ ববা (শিক্ষা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) নহয়।

(খ) নাই।

(গ) প্রশ্ন নুঠে।

বিষয় ঃ বৰকান্দা হায়াৰ চেকেণ্ডাৰীৰ ভাৰপ্ৰাপ্ত দুৰ্নীতি।

শ্ৰী আলী আকবৰ মিঞাই সুধিছে ঃ

*৯৯। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিধান সভাৰ ৪/১০/২০০১ ৰ তৰাবিহীন প্ৰশ্ন নং ২৩৩ ৰ (ঘ) আৰু (ঙ) অংশৰ বিপৰীতে ব্যৱস্থা গ্ৰহণ কৰা হলনে? (কি ব্যৱস্থা লোৱা হ'ল বিতংভাৱে জনাব)

(খ) ২৬/৩/২০০২ ইংৰ তৰাচিহ্নিত প্ৰশ্ন নং ২১৯ ৰ (ঘ) অংশৰ বিপৰীতে দোষী শিক্ষকজনৰ বিৰুদ্ধে কেনে ব্যৱস্থা গ্ৰহণ কৰা হ'ল? (বিতংভাবে জনাব)

(গ) উপৰোক্ত প্ৰসংগৰ বৰকান্দা হায়াৰ চেকেণ্ডাৰীৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ আনোৱাৰ হুচেইনক হাইকোৰ্টে Original Post ত যোগদানৰ আদেশ দিয়াৰ বিপৰীতে I.S. Dhubri য়ে তেওঁক Principal I/C হিচাপে যোগদানৰ আদেশ দিলে কেনেকৈ? (হাইকোৰ্ট আদেশৰ কপি, সঞ্চালকৰ চিঠি, I.S. চিঠিৰ কপি সংলগ্ন কৰি উত্তৰ দিব)

শ্ৰী পংকজ বৰা (শিক্ষা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) অভিযোগৰ সত্যতা নিৰূপণ কৰিবলৈ ধুবুৰী জিলাৰ উপায়ুক্তই তদন্ত কৰাৰ উপৰিও শ্ৰীআনোৱাৰ হুচেইনক কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰা হয়। উক্ত সন্দৰ্ভত হুচেইনৰ লিখিত উত্তৰ পোৱাৰ পিছত ব্যক্তিগত জাননী অনুষ্ঠিত কৰা হয়।

(খ) শ্ৰী আনোৱাৰ হুচেইনৰ বিৰুদ্ধে ২৭০/৯৮ আৰু ১২০/২০০০ দুটা পুলিচ কেচ ৰুজু হৈছিল। পুলিচৰ প্ৰতিবেদন মতে উক্ত দুয়োটা কেচ সংক্ৰান্তত শ্ৰী হুচেইন গ্ৰেপ্তাৰ বা দোষী সাব্যস্ত হোৱা নাই।

(গ) হাই কোৰ্টৰ আদেশৰ ভিত্তিত মাধ্যমিক শিক্ষা সঞ্চালকে শ্ৰীহুচেইনক পূৰ্ব্বৰ পদত চিঠিৰ নং GB-EST/Alleg/2/29/134 dtd. 31.05.2001 যোগে স্থলাভিষিক্ত কৰে। সঞ্চালকৰ চিঠিৰ নকল আৰু হাইকোৰ্টৰ আদেশৰ নকল সংলগ্ন কৰা হ'ল।

Sub : RESERVATION OF SEAT.

Shri Bimolangshu Roy asked :

*** 100. Will the Minister of Char Area Development be pleased to state :**

(a) Has the Government received any representation from "All Assam Minority Students Forum" and "All India Jamatea Islamia" led by syed Sahabuddin claiming reservation of seats in the Assembly. Job reservation as backward class, share of employment as per population patterns in Government Offices, Police Department and High Court and Backward Class status for religious minority (Muslim) living in Assam and other demands?

(b) If so, what steps Government proposes to take in this regard?

(c) Has the Government sanctioned any fund for Assam State Minority Commission and Assam wakf Tribunel?

(d) If so, What is the quantum?

Shri Wazed Ali Choudhury (Minister of Minorities Welfare and Dev. Department), Replied :

(a) Yes.

(b) Government would examine in due course constitutional cum legal aspects of the entire matter vis-a-vis demands.

(c) Not yet sanctioned.

(d) Does not arise.

SHORT NOTICE QUESTIONS AND ANSWERS

Mr. Speaker : Short Notice Question No. 8 Hon'ble

Member Shri Pabindra Deka to put.

বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন।

শ্ৰী পবিন্দ্ৰ ডেকাই সুধিছে ঃ

* ৮। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ খান্দুলি এলেকাৰ অমীৰ বস্তি নামৰ ঠাইত মেঘালয় চৰকাৰে মেঘালয়ৰ এটা বেটেলিয়ান শিবিৰ স্থাপন কৰা কথাটো সঁচানে?

(খ) যদি সচা অসমৰ মাটিত মেঘালয় চৰকাৰে উক্ত বেটেলিয়ান শিবিৰ পতা কিমান দিন হ'ল?

(গ) চৰকাৰে, অসমৰ মাটিত মেঘালয় চৰকাৰে কিয় বেটেলিয়ান শিবিৰ স্থাপন কৰিলে সেই বিষয়ে মেঘালয় চৰকাৰৰ লগত কথা পাতিছেনে?

(ঘ) যদি পাতিছে, অসমৰ মাটিৰ পৰা উক্ত বেটেলিয়ান শিবিৰটো উঠাই নিয়াৰ বাবে মেঘালয় চৰকাৰৰ ওচৰত দাবী জনাইছেনে?

শ্ৰী বকিবুল হুচেইন (সীমান্ত অঞ্চল উন্নয়ন বিভাগৰ বাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) সঁচা।

(খ) প্ৰাপ্ত তথ্য মতে ১/৫/২০০২ তাৰিখৰ পৰা বেটেলিয়ান শিবিৰ পতা হৈছিল, কিন্তু ২৮/৫/২০০২ তাৰিখে সেই শিবিৰ উঠাই দিয়া হৈছিল।

(গ) পাতিছে।

(ঘ) জনাইছে।

Mr. Speaker : Short Notice Question No. 9 Hon'ble Member Shri Pabindra Deka to put.

বিষয় ঃ সাহিত্যিক পেঞ্চন।

শ্ৰী পবিন্দ্ৰ ডেকাই সুধিছে ঃ

*৯। মাননীয় সাংস্কৃতিক বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত বৰ্ত্তমানলৈ ৰাজ্য চৰকাৰে কিমানজন সাহিত্যিকক পেঞ্চন দি আছে?

(খ) উক্ত পেঞ্চনৰ বাবদ ৰাজ্য চৰকাৰৰ প্ৰতি বছৰে কিমান টকা খৰচ হয়?

(গ) উক্ত পেঞ্চনভোগী সাহিত্যিক সকলক নিয়মীয়াকৈ পেঞ্চন দি থকা হৈছেনে?

(ঘ) যদি হোৱা নাই তাৰ কাৰণ কি?

শ্রী পংকজ বৰা (শিক্ষা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) অসমত বৰ্ত্তমানলৈ অর্থাৎ ২০০২ চনলৈকে ৰাজ্য চৰকাৰে ২৫৮ জন সাহিত্যিকক সাহিত্যিক পেঞ্চন দিছে।

(খ) যিহেতু প্রতি বছৰে সাহিত্যিক পেঞ্চন ঘোষণা কৰাৰ সংখ্যা বেলেগ বেলেগ, সেয়ে এই সন্দর্ভত এক নির্দিষ্ট পৰিমাণৰ ব্যয় উল্লেখ কৰাটো সম্ভৱ নহয়। বৰ্ত্তমান, ২০০২-০৩ বৰ্ষলৈকে উক্ত পেঞ্চনৰ বাবদ ৰাজ্য চৰকাৰৰ মুঠ ৪৫,৩৮ লাখ টকা খৰচ হব।

(গ) ১৯৯৮,১৯৯৯ আৰু ২০০০ বৰ্ষত ঘোষিত সাহিত্যিক পেঞ্চনধাৰীসকলৰ বাহিৰে বাকী সকলোৰে নিয়মীয়াকৈ পেঞ্চন পাই আহছে। পুঁজিৰ অভাৱত উক্ত তিনিটা বৰ্ষ নিয়মীয়াকৈ দিব নোৱৰা সাহিত্যিক পেঞ্চনধাৰীসকলক এতিয়াৰ পৰা বকেয়া ধনসহ নিয়মীয়াকৈ পেঞ্চন দিয়াৰ ব্যৱস্থা কৰা হৈছে।

(ঘ) প্রশ্ন নুঠে।

(Short Notice Question No. 10 was not taken up as the Hon'ble Question not present in the House when called for)

Mr. Speaker : Now, Short Notice Question No. 11.

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন।

ডঃ জয়নাথ শর্মাই সুধিছে ঃ

*** ১১. মাননীয় বন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

(ক) সংৰক্ষিত বননিত কিমান গঁড়, বাঘ, হাতী আৰু সিংহ আছে? কিমান গড়/হাতী নিহত হ'ল?

(খ) যোৱা দুটা বছৰত (ইং ৩০/৯/২০০২ তাৰিখলৈ) চোৰাং চিকাৰীৰ হাতত কিমান গঁড়/হাতী নিহত হ'ল?

(গ) যোৱা বানপানীত কি কি প্রজাতিৰ বনৰীয়া পশু কিমান মৃত্যু হ'ল?

(ঘ) বন সংৰক্ষণ আৰু Wild Life procetion বাবে বৰ্ত্তমানৰ চৰকাৰে কিমান টকা ব্যয় কৰিছে?

শ্রীপ্রদ্যুৎ বৰদলৈ (বন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) অসমৰ বনভুমিত থকা গঁড়, বাঘ আৰু হাতীৰ সংখ্যা তলত দিয়া হ'ল ঃ

১/ গঁড় ১৬৭২ টা (১৯৯৯ চনৰ গণনা মতে)
২/ বাঘ ৩৫৪ টা (২০০১ চনৰ গণনা মতে)
৩/ হাতী ৫২৪৬ টা (২০০২ চনৰ গণনা মতে)
৪/ সিংহ অসমৰ বনভূমিত সিংহ নাই।

(খ) যোৱা ২ বছৰত ইং ৩০/৯/২০০২ চনলৈ চোৰাং চিকাৰীৰ হাতত নিধন হোৱা গঁড় আৰু হাতীৰ সংখ্যা তলত দিয়া হ'ল ঃ

চন	গঁড়	হাতী
২০০১	১০ টা	৩ টা
২০০২ চনৰ ৩০/৯/২০০২ লৈকে	২ টা	নাই

(গ) যোৱা বানপানীত মৃত্যু হোৱা জন্তুৰ সংখ্যা তলত দিয়া হ'ল ঃ

১/ গঁড় ৫ টা
২/ বান্দৰ ৬ টা
৩/ খটীয়া পহু ৩২ টা
৪/ গাহৰি ৬ টা
৫/ ম'হ ৩ টা
৬/ শৰ পহু ৩ টা
৭/ জহামাল ১ টা
৮/ অজগৰ ১ টা
৯/ দল হৰিণ ১ টা
১০/ হ'ক বেজ্জাৰ ২ টা

(ঘ) বর্ত্তমান চৰকাৰে বন্যপ্রাণী সংৰক্ষণ আৰু বন সংৰক্ষণৰ বাবদ খৰচ হোৱা টকাৰ পৰিমাণ তলত দিয়া হ'লঃ—

বন্যপ্রাণী সংৰক্ষণৰ বাবদ ঃ

২০০১ — ২০০২ বর্ষ

প্লেন	৮৪৯.৬৮ লাখ।
নন প্লেন	৭৩৫.৬৫ লাখ।

২০০২ - ২০০৩ বর্ষ

প্লেন	২৭৯.০৬ লাখ।
নন প্লেন	৪২৬.৫৭ লাখ।

বন সংৰক্ষণৰ বাবদ

২০০১-২০০২ চনত	২৩,০০,০০০.০০ লাখ।
২০০২-২০০৩ চনত	২৮,০০,০০০.০০ লাখ।

(৮-১০-২০০২ তাৰিখলৈ)

Mr. Speaker : Short Notice Question No. 12 Hon'ble Member Dr. Zoii Nath Sarma to put.

বিষয় ঃ ২০০২ চনৰ অক্টোবৰৰ অধিবেশনত সোধা তাকৰীয়া সময়ৰ প্রশ্নৰ জাননী।

ডঃ জয়নাথ শর্মাই সুধিছে ঃ

***১২। মাননীয় গৃহ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

(ক) সদ্যহতে অসমত কি কি উগ্রপন্থীৰ সংগঠনে কাম কৰি আছে ?

(খ) অসমত কাম কৰি থকা কোন কোন উগ্রপন্থীৰ কাৰ কিমান সদস্য আছে?

(গ) ISI ৰ কিমান সদস্য অসমত এতিয়ালৈকে গ্রেপ্তাৰ হৈছে? ক'ত ক'ত হৈছে?

(ঘ) কিমান উগ্রপন্থী ২০০১ চনৰ মে মাহৰ পৰা বর্ত্তমানলৈ গ্রেপ্তাৰ হৈছে? বা আৰক্ষী, সেনা আৰু অর্ধ সামৰিক বাহিনীৰ গুলীত মৃত্যু হৈছে?

শ্রী তৰুণ গগৈ (মুখ্যমন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) সদ্যহতে অসমত সক্রিয় হৈ থকা উগ্রপন্থী সংগঠনকেইটা হ'ল— (১) আলফা (২) এন, ডি, এফ, বি (৩) ডি, এইচ, ডি (৪) ইউ, পি, ডি, এচ (৫) এন, এচ, চি, এন (৬) মালটা (৭) হৰকত-উল-মুজাহিদীন।

(খ) উগ্রপন্থীৰ সংগঠনসমূহৰ সদস্যা সংখ্যা কিমান নির্দিষ্টকৈ কোৱা সম্ভৱপৰ নহয়।

(গ) অসমত এতিয়ালৈকে ৪ (চাৰি) জন ISI ৰ সদস্য গ্রেপ্তাৰ হৈছে। উক্ত চাৰিজনেই গুৱাহাটীৰ আৰক্ষীৰ হাতত গ্রেপ্তাৰ হৈছে।

(ঘ) ২০০১ চনৰ মে' মাহৰ পৰা বর্ত্তমানলৈকে (ছেপ্টেম্বৰ ২০০২) সর্ব্বমুঠ - ১১৪৬ জন উগ্রপন্থী আৰক্ষীৰ হাতত গ্রেপ্তাৰ হৈছে। আনহাতে আৰক্ষী, সেনা আৰু অর্ধ সামৰিক বাহিনীৰ লগত হোৱা সংঘর্ষত মুঠ ৪৫৪ জন উগ্রপন্থীৰ মৃত্যু হৈছে।

Mr. Speaker : Short Notice Question No. 13 Hon'ble Member Dr. Zoii Nath Sarma to put.

বিষয় ঃ তাকৰীয়া সময়ৰ প্রশ্ন।

ডঃ জয়নাথ শর্মাই সুধিছে ঃ

*১৩। মাননীয় বন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বন বিভাগৰ অধীনত অসমত কিমান এলেকা 'বনভূমি' (Forest Land বা Reserve Forest) আছে?

(খ) উক্ত বনভূমিৰ ক'ত কিমান বেদখল হৈ আছে?

(গ) কোন কোন জিলাত গ্রাম্য উন্নয়নৰ পৰা বা PMGY ৰ অধীনত বনানী কৰণৰ বাবে বন বিভাগে কিমান টকাৰ আঁচনি লৈছে?

শ্রীপ্রদ্যুৎ বৰদলৈ (বন বিভাগৰ ৰাজ্যিক মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) বন বিভাগৰ অধীনত Reserve Forest ২০২৭১ বর্গ কিঃ মিঃ আছে।

(খ) আনুমানিক প্রায় ২,৫৪,৭৭১ হেক্টৰ সংৰক্ষিত বনৰ মাটিত বেদখল হৈ আছে।

(গ) বনানীকৰণৰ বাবে EAS/JGSY ৰ অন্তর্গত জিলা ভিত্তিক আঁচনি গাইগুটীয়াভাবে জিলা পৰিষদৰ অধীনত লোৱা হয়।

(UNSTARRED QUESTIONS AND ANSWERS)

Sub : Misappropriation of Pension money of Teachers.

Shri Mission Ranjan Das asked :

*** 201. Will the Minister of Education be pleased to state :**

(a) What action have been initiated against officials involved in embezzlement of Rs. 40 lakhs (approx) pension money, gratuity money etc. of retired primary schools teachers, in Deputy Inspector of School's Office in Karimganj District?

(b) What is the period of disrepency and name of officials holding the charge of D.I. during that period and action initiated in this regard?

(c) Whether responsibilities have been fixed against all involved officials and process of recovery has been stated?

Shri Pankaj Bora (Minister of Education) Replied :

(a) (I)An FIR has been lodged at the P.S., Karimganj against the delinquent Govt. servant.

(II) Shri Arun Biswas, UDA, D.I. Office Karimganj has been placed unde Suspension and departmental proceeding against him has been initiated.

(b) Name of the Officials holding the charges of the D.I. of Schools since 1996 as shown below :–

1) **Shri V.L. Jouthe (Now retired)**
2) **Shri Prafulla Deb (I/C D.I.)**
3) **Shri Kabir Uddin Ahmed (I/C D.I.)**

4) Shri Arun Ch. Das (I/C D.I.)
5) Shri A.K. Tapadar (I/C D.I.)
6) Shri Arun Ch. Das (I/C D.I.)
7) Shri M. Haque, ACS (EAC from 21-8-01)
8) Shri Arun Biswas U.D.A.

(c) The matter is under investigation of Police Authority and departmental enquiry is under process.

বিষয় ঃ সংখ্যালঘু উন্নয়ন পৰিষদ, সংখ্যালঘু উন্নয়ন আৰু বিত্তীয় নিগমৰ বিলোপ সাধন।

শ্ৰী দিলদাৰ বেজ্জাই সুধিছে ঃ

*** ২০২। মাননীয় সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

অসম সংখ্যালঘু উন্নয়ণ পৰিষদ, ভাষিক সংখ্যালঘু উন্নয়ণ পৰিষদ আৰু অসম সংখ্যালঘু উন্নয়ন আৰু বিত্তীয় নিগম এই কেইটা নিকায় তুলি দিয়াৰ বিষয়ে চৰকাৰে সিদ্ধান্ত লোৱাটো সঁচানে?

শ্ৰী ওৱাজেদ আলী চৌধুৰী (সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

অসমত "সংখ্যালঘু উন্নয়ন পৰিষদ" আৰু "সংখ্যালঘু উন্নয়ন আৰু বিত্তীয় নিগম" নামেৰে দুটা প্ৰতিষ্ঠানে কাম কৰি আছে। কিন্তু ভাষিক সংখ্যালঘু উন্নয়ন পৰিষদ বুলি কোনো প্ৰতিষ্ঠান বৰ্ত্তমানে নাই।

বৰ্ত্তমানে চলি থকা উপৰোক্ত প্ৰতিষ্ঠান দুটি তুলি দিয়া সম্পৰ্কে এই বিভাগ অবগত নহয়।

Sub : Functioning of D.T.W.s under Patharkandi Irrigation Sub-Division.

Shri Moni Lal Gowala asked :

*** 203. Will the Minister of Irrigation be pleased to state :**

(a) Whether the Govt. knows that two numbers of D.T.Ws were installed at Shibergool and Lowairpowa under Patharkandi Irrigation Sub-Division of Karimganj Division in the years between 1987-89?

(b) If so, whether the said schemes are functioning?

(c) If not, the reasons thereof?

(d) Will the Govt. take steps to make them function?

(e) If so, by when?

Shri Ismail Hussian (Minister Irrigation) Replied :

(a) Yes.

(b) Not functioning at present.

(c) Due to defects in transformers installed by A.S.E.B. and non-completion of canal system, stilling tank etc.

(d) Yes.

(e) On receipt of fund from Asian Development Bank to which proposal has been submitted.

বিষয় ঃ খালী হৈ থকা শিক্ষক পদ পূৰণ।

শ্ৰী মদন কলিতাই সুধিছে ঃ

*** ২০৪। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) ২০০১ চনত বৰ্ত্তমান চৰকাৰে কাৰ্যভাৰ লোৱাৰ পিছত বিশ্ববিদ্যালয়, মহাবিদ্যালয়, উচ্চতৰ মাধ্যমিক, উচ্চ মাধ্যমিক, মজলীয়া বিদ্যালয়, প্ৰাথমিক বিদ্যালয়, প্ৰাক-প্ৰাথমিক বিদ্যালয় আদিত খালী হৈ থকাপদসমূহ পূৰণৰ ব্যৱস্থা লৈছেনে? যদি লোৱা নাই কেতিয়ালৈকে লব?

(খ) ছাত্র সমাজ তথা জাতিটোৰ কল্যাণৰ কথা বিবেচনা কৰি অতি শীঘ্রে খৰতকীয়া ব্যৱস্থা কৰি খালী পদসমূহ পূৰণ কৰি কল্যাণ সাধিবনে?

শ্রী পংকজ বৰা (শিক্ষা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) বিশ্ববিদ্যালয় আৰু ঘাটী মঞ্জুৰীপ্রাপ্ত মহাবিদ্যালয়সমূহৰ শিক্ষক নিযুক্তিৰ ক্ষেত্রত চৰকাৰ জড়িত নহয়।-

চৰকাৰী মহাবিদ্যালয়সমূহৰ শিক্ষক নিযুক্তি ক্ষেত্রত ব্যৱস্থা লোৱা হৈছে।

উচ্চতৰ মাধ্যমিক, উচ্চ মাধ্যমিক, মজলীয়া বিদ্যালয়, প্রাথমিক বিদ্যালয় আৰু প্রাক-প্রাথমিক বিদ্যালয় আদিত খালী হৈ থকা পদ সমূহও পূৰণ কৰাৰ বাবে বিবেচনা কৰি থকা হৈছে।

(খ) বিষয়টো অতি গুৰুত্ব সহকাৰে বিবেচনা কৰি থকা হৈছে।

বিষয় ঃ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল ঘোষণা।

শ্রী বিদ্যা সিং ইংলেংয়ে সুধিছে ঃ

* ২০৫। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ২০০২ চনৰ উচ্চ মাধ্যমিক প্রৱেশিকা পৰীক্ষাৰ ফলাফল ঘোষণা কৰাৰ পিছত ছেৱাই ২১ জুলাই তাৰিখে পুনৰ সেই পৰীক্ষাৰ ফলাফল পুনৰীক্ষণ কৰি আকৌ ফলাফল ঘোষণা কৰা কথাটো সঁচানে?

(খ) আগৰ ফলাফলত কিমান গৰাকী ছাত্র-ছাত্রীৰ ক্ষতি সাধন হৈছিল?

(গ) এই সংক্রান্তত বিভাগীয় কর্তৃপক্ষৰ ওপৰত কি ব্যৱস্থা গ্রহণ কৰা হৈছে?

(ঘ) এই কালছোৱাত বর্ডৰ সচিব আৰু সভাপতি কোন কোন আছিল আৰু তেওঁলোকৰ ওপৰত কি কার্য্য ব্যৱস্থা গ্রহণ কৰিছে?

শ্রী পংকজ বৰা (শিক্ষা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) সঁচা।

(খ) ২১ জুলাইৰ পুনৰীক্ষণৰ দ্বাৰা ২৪১ গৰাকী প্রার্থীক ন্যায় প্রদান কৰা হৈছে।

(গ) পুনৰীক্ষণ ব্যৱস্থা পৰিষদৰ বিধিসন্মত। ইয়াৰ বাবে বিভাগীয় কৰ্ত্তৃপক্ষৰ ওপৰত ব্যৱস্থা লোৱাৰ প্ৰশ্ন নুঠে।

(ঘ) এই কালছোৱাত পৰিষদৰ অধ্যক্ষ হ'ল অধ্যাপক শ্ৰী দীননাথ বৰ্মন আৰু সচিব শ্ৰী ভুবনচন্দ্ৰ কোঁৱৰ।

পৰিষদৰ নিয়ম ভঙ্গ নকৰিলে তেওঁলোকৰ ওপৰত কাৰ্য্য ব্যৱস্থা লোৱাৰ প্ৰশ্ন নুঠে।

Sub : Conducting Audit of R.K. Nagar College in the Karimganj District.

Shri Ratish Ranjan Choudhury asked :

*** 206. Will the Minister of Education be pleased to state :**

(a) In response to the unstarred question No. 800 dt. 10-4-02 it was informed that arrangement for audit on accounts of R.K. Nagar College was made for, the period from 1-4-93 to 31-3-2001, whether Audit has been done by the Asstt. Director of Audit (local Audit fund), Karimganj?

(b) If so, is there any misappropriation/irregularities of fund found during audit?

(c) What are the nature of misappropriation/irregularities state briefly?

(d) What action has been taken against the persons involved in such irregularities?

(e) What is the total fund received during 1998 August, 2002 by the College authority for construction of different buildings?

(place statement mentioning amount of fund and source from which fund was released).

Shri Pankaj Bora (Minister, Education) replied :

(a) Yes, Audit is in progress by the Local Fund Audit, Karimganj.

(b) After receipt of Audit report the matter will come to light.

(c) It is not possible to say at this stage as the audit is going on.

(d) No action has been taken against any person as the audit is not yet completed.

(e) Rs. 6,49,100.00 only. Statement given below :–

Sl. No.	Source	Year	Rupees
1.	Director of Secondary Education,	1985	20000.00
2.	Assam –do–	1990	20000.00
3.	D.P.I. Assam	1985	50000.00
4.	–do–	1990	50000.00
5.	S.C. Welfare Board, Assam	1999	1,00000.00
6.	M.P. (Deb) fund, Karimganj	2000 2002	1,50000.00
7.	U.G.C.	2001	2,59100.00
		Total	**6,49,100.00**

বিষয় ঃ ৰাণী Industrial Estate ৰ উন্নীতিকৰণ।

শ্রী হেমন্ত তালুকদাৰে, সুধিছে ঃ

*২০৭। মাননীয় উদ্যোগ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) পশ্চিম গুৱাহাটীৰ অন্তর্গত ৰাণী Industrial Estate খনক উন্নত কৰিবৰ বাবে চৰকাৰে কিবা ব্যৱস্থা হাতত লৈছেনে?

(খ) যদি লৈছে, কেতিয়া কার্য্যকৰী হব?

শ্রী ভুৱনেশ্বৰ কলিতা (উদ্যোগ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ৰাণী ঔদ্যোগিক ক্ষেত্রৰ (Industrial Area) পৰিচালনাৰ দায়িত্ব ইতিমধ্যে অসম উদ্যোগীক আন্তঃগাথনি উন্নয়ন নিগমক অর্পণ কৰা হৈছে। নিগমে যোৱা বিত্তীয় বছৰত (২০০১-০২) মুঠ = ১,০০,৩৯৬=০০ টকা ব্যয়ৰে নতুন ৰাস্তা বনোৱাৰ কাম সম্পূর্ণ কৰিছে। নতুনকৈ আৰু কিছু দিছে ৰাস্তাৰ নির্মাণ/মেৰামতিৰ বাবে ব্যৱস্থা লোৱা হৈছে।

(খ) এই বিত্তীয় বছৰটোৰ ভিতৰত এই ৰাস্তা নির্মাণ অথবা মেৰামতিৰ কাম সম্পূর্ণ হোৱাৰ আশা আছে।

বিষয় ঃ পেঞ্চন দিয়াৰ ব্যৱস্থা।

ডঃ ইদ্রিছ আলীয়ে সুধিছে ঃ

***২০৮। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

(ক) ঘাটি মঞ্জুৰীপ্রাপ্ত কলেজসমূহৰ শিক্ষক-কর্মচাৰীসকলক পেঞ্চন দিয়াৰ বাবে চৰকাৰে কিবা আঁচনি লৈছে নেকি?

(খ) যদি লৈছে, এই ব্যৱস্থা কেতিয়াৰ পৰা কার্য্যকৰী হব?

(গ) বর্ত্তমান চৰকাৰে বিদ্যালয়সমূহৰ বাবে আচবাব পত্র (Furniture) ক্রয় কৰিছে নেকি?

(ঘ) যদি কৰিছে, কোন কোন সংস্থাৰ পৰা আৰু কেতিয়াৰ পৰা এই বস্তুবিলাক বিতৰণ কৰা হব তাৰ বিতং তথ্য দাঙি ধৰিব?

শ্রী পংকজ বৰা (শিক্ষা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) হয় লোৱা লৈছে।

(খ) এই বিষয়ে Board of Management for Control Maintenance and Operation of Pension Fund য়ে সিদ্ধান্ত লব।

(গ) উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বাবে কোনো আচবাব পত্র

(Furniture) ক্রয় কৰা হোৱা নাই। প্ৰাথমিক বিদ্যালয়ৰ ক্ষেত্ৰত কিছু আচবাব পত্ৰ ক্রয় কৰা হৈছে।

(ঘ) ASIDC ৰ পৰা ক্রয় কৰা হৈছে। উক্ত অনুষ্ঠানে সামগ্ৰী সমূহ যোগান ধৰাৰ পিছত স্কুল সমূহৰ উপ পৰিদৰ্শক আৰু খণ্ড প্ৰাথমিক বিষয়া সকলক বিতৰণ কৰাৰ দায়িত্ব অৰ্পণ কৰা হৈছে।

বিষয় ঃ অনুষ্ঠানিক শিক্ষা বিভাগ।

শ্ৰী দিনেশ চন্দ্ৰ সৰকাৰে সুধিছে ঃ

*** ২০৯। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) অনানুষ্ঠানিক শিক্ষা বিভাগৰ বিভিন্ন স্তৰৰ কৰ্মচাৰীসকলক দীৰ্ঘদিনৰ পৰা কোনো দৰ্মহা দিয়া হোৱা নাই। তেওঁলোকক কোনো কামত লগোৱাও নাই, বিভিন্ন বিভাগত সংযোজন কৰাও নাই আৰু কামৰ পৰা অব্যাহতি দিয়াও নাই এই কথাত চৰকাৰ অৱগতনে?

(খ) যদি অৱগত হয়, এনে এক বৃহৎ সংখ্যক কৰ্মচাৰীক ওলোমাই ৰখাৰ কাৰণ কি?

(গ) চৰকাৰে স্পষ্ট কৰিবনে যে, তেওঁলোকৰ দৰ্মহা কেতিয়া পৰিশোধ কৰা হ'ব?

শ্ৰী পংকজ বৰা (শিক্ষা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, ৭৯ জন প্ৰকল্প বিষয়াক সংযোজন (adjust) কৰা হৈছে আৰু ৫২ জন কৰ্ম্মচাৰীক সংযোজনৰ ব্যৱস্থা কৰি থকা হৈছে। অনানুষ্ঠানিক শিক্ষা সঞ্চালকৰ কাৰ্য্যালয়ৰ ৭ জন, জিলা/প্ৰকল্প কাৰ্য্যালয়ৰ ৭৬ জন, সৰ্বমুঠ ৮৩ জন বিষয়া কৰ্মচাৰীৰ পদ সাধাৰণীকৰণ (Normalisation) ৰ বাবে বিভাগীয় সমিতিৰ অনুমোদন সাপেক্ষে প্ৰয়োজনীয় ধনসহ বিত্ত বিভাগৰ অনুমোদনৰ বাবে অপেক্ষা কৰা হৈছে। সংযোজন আৰু সাধাৰণীকৰণ প্ৰক্ৰিয়া চলি থকা হেতু তেওঁলোকক অব্যাহতি দিয়াৰ কথা উঠা নাই।

(খ) অনানুষ্ঠানিক শিক্ষাৰ বিষয়া কৰ্ম্মচাৰী সকলক শিক্ষা বিভাগৰ বিভিন্ন

সঞ্চালকালয়ত সংযোজনৰ (Adjustment) আৰু সাধাৰণীকৰণ (Normalisation) কৰাৰ বাবে ব্যৱস্থা লৈ থকা হৈছে।

(গ) সংযোগজন (Adjustment) আৰু সাধাৰণীকৰণৰ (Normalisation) সাপেক্ষে তেওঁলোকে নিয়মীয়াকৈ দৰমহা পাৰ। ৰৈ থকা দৰমহা খিনিৰ বাবে আৱশ্যকীয় ধন বাজেটৰ জৰিয়তে ব্যৱস্থা কৰি মোকলাই দিব পৰা যাব।

বিষয় ঃ Managing Committee

শ্রী ৰামেশ্বৰ তেলিয়ে সুধিছে ঃ

* ২১০। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) হাইস্কুলসমূহৰ Managing Committee ৰ Chairman বাজহুৱা মিটিঙৰ দ্বাৰা নিৰ্ব্বাচন কৰা হয় আৰু উক্ত নাম মঞ্জুৰীৰ বাবে ওপৰলৈ পঠোৱা হয় যদিও তিনিচুকীয়া জিলাৰ নাওহলিয়া হিন্দী হাইস্কুল/কঠালগুৰি হায়াৰ চেকেণ্ডাৰী স্কুলৰ ক্ষেত্রত এনে নিয়ম পালন কৰা নাই চৰকাৰ এই বিষয়টো অৱগতনে?

(খ) যদি অৱগত হয়, কিয় এইটো কৰা হৈছে?

শ্রী পংকজ বৰা (শিক্ষা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) অৱগত নহয়। প্রশ্নত উল্লেখ কৰাৰ দৰে উক্ত স্কুল তিনিচুকীয়া জিলাত নহয়। ডিব্রুগড় জিলাৰ বিদ্যালয় পৰিদর্শকৰ ৩/১০/২০০২ তাৰিখৰ পত্র মর্ম্মে জনা যায় যে উক্ত জিলাৰ নাওহলিয়া হিন্দী উচ্চ মাধ্যমিক আৰু কঠালগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ দুয়োখনৰে পৰিচালনা সমিতিৰ সভাপতিৰ নাম বিদ্যালয় দুখনৰ প্রধানজনে বিদ্যালয় পৰিদর্শকৰ ওচৰত দাখিল কৰে। বিদ্যালয় পৰিদর্শকে ডিব্রুগড় জিলাৰ অন্য অন্য বিদ্যালয় সমূহৰ তালিকাৰ সৈতে শিক্ষা সঞ্চালকৰ কার্য্যালয়ত ৯/৪/২০০২ তাৰিখে দাখিল কৰে। শিক্ষা সঞ্চালকে দুয়োখন বিদ্যালয়ৰে সভাপতিৰ অনুমোদন জনায়।

(খ) প্রশ্ন নুঠে।

বিষয় ঃ শ্রী দেৱকান্ত গোহাঁইৰ অৱসৰকালীন সুবিধা।

শ্রী মেম্বৰ গগৈয়ে সুধিছে ঃ

* ২১১। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) শ্রী দেৱকান্ত গোহাঁই, অধ্যক্ষ বি, টি কলেজ তিতাবৰৰ পৰা ১৯৯৭ চনৰ ছেপ্টেম্বৰ মাহতে অৱসৰ লোৱাৰ পিছত তেখেতে কোন মাহৰ কোন চনত Retirement Benefit যেনে Gratuity, Provident Fund পালে?

(খ) শ্রী গোহাঁইয়ে আজি পৰীক্ষিত Fixation Benefit পোৱা নাই আৰু কি কাৰণে পোৱা নাই আৰু ৫ বছৰে কিয় Fixation কৰিব পৰা নাই?

শ্রী প্রংকজ ববা (শিক্ষা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) শ্রী দেৱকান্ত গোহাঁই তিতাবৰ বি, টি কলেজৰ অধ্যক্ষ হিচাপে নহয়, ডায়েট (DIET), তিতাবৰ অধ্যক্ষ হিচাপেহে ৩০।৯।৯৭ ইং তাৰিখে অৱসৰ গ্রহণ কৰে। অৱসৰ লোৱাৰ পিছত শ্রী গোঁহায়ে নিম্নোলিখিত Retirement benefit সমূহ পায় ঃ—

(১) সাধাৰণ ভবিষ্য নিধি (GPF) বাবদ ১৯৯৮ ইং চনত জানুৱাৰী মাহত ৯৩,৯৭০/- টকা,

(২) সমূহীয়া বীমা আঁচনিৰ (GIS) বাবদ ১৯৯৮ ইং চনত জানুৱাৰী মাহত ২৪,১৭২/- টকা,

(৩) অব্যৱহৃত আর্জিত ছুটী (Unitilised earned leave) ৰ পৰিবর্ত্তে ১৯৯৯ ইং চনত আগষ্ট মাহত ১৩,৩২৯/- টকা,

(৪) পূর্বে নিয়োজিত জনসংখ্যা শিক্ষা কোষৰ (P.E.Cell) বেতনৰ ওপৰত নির্ধাৰিত (Project Officer) বেতনৰ ওপৰত নির্ধাৰিত পেঞ্চনৰ বাবত মাহে ৪,৮৫৮/- টকাকৈ ইং ১।১০।৯৭ তাৰিখৰ পৰা মুঠ ১,৮১,৭২২/— টকা ২০০০ ইং চনৰ আগষ্ট মাহত পায়।

(খ) শ্রী গোহাঁইৰ Pay fixation বিষয়টো বর্ত্তমান বিত্ত বিভাগৰ অনুমোদনৰ বাবে বিবেচনাধীন হৈ আছে।

Sub : Plywood Industries.

Shri Rajendra Prasad Singh asked :

*** 212. Will the Minister of Industries be pleased to state :**

(a) Is it a fact that as per supreme court guide line Govt. has given permission to a few numbers of plywood industries to re-open but due to some complex rules it has not been possible to re-open the industries?

(b) Will the Govt. take step to simplify those complex rules?

Shri Bhubaneswar Kalita (Minister of Industries) replied :

(a) Yes, it is a fact that a few number of plywood Mills have been given permission to re-open. But it is not a fact that some other Mills have not been able to re-open due to some complex rules.

(b) The Govt. is not aware about any complexity of the rules. However, Govt. Would take steps if any-such specific proposal is submitted.

বিষয় ঃ বনাঞ্চলৰ বেদখল মুক্তকৰণৰ বাবে উচ্চতম ন্যায়ালয়ৰ বায়।

শ্রীপ্রণৱ কলিতাই সুধিছে ঃ

*২১৩। মাননীয় বন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) শেহতীয়াভাবে বনাঞ্চল বেদখল মুক্ত কৰাৰ কাৰণে উচ্চতম ন্যায়ালয়ৰ বায়টোৰ সবিশেষ বাজহুৱাভাবে ঘোষণা কৰিবনে ? (তথা সদনৰ মেজত দিব)

(খ) বনাঞ্চলৰ পৰা উচ্ছেদ কৰা ব্যক্তিসকলৰ পুনৰ সংস্থাপনৰ কিৰা ব্যৱস্থা হাতত লৈছে নেকি ?

শ্রীপ্রদ্যুৎ বৰদলৈ মাননীয় (বন বিভাগৰ বাজ্যিক (স্বতন্ত্র) মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) হয়। (ন্যায়ালয়ৰ বায়ৰ প্রতিলিপি সদনৰ মেজত দিয়া হ'ল) (See Annexure–VI)

(খ) সংৰক্ষিত বনাঞ্চলৰ বেদখলকাৰীৰ পুনৰ সংস্থাপনৰ ব্যৱস্থা নাই।

বিষয় ঃ শিক্ষকৰ পদ খালী।

শ্রীপবিত্র ডেকাই সুধিছে ঃ

*২১৪। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনৰ উচ্চতৰ মাধ্যমিক, উচ্চ মাধ্যমিক, এম, ই, এম, ভি আৰু এল, পি স্কুলসমূহত অৱসৰৰ যোগেদি খালী হোৱা কিমান শিক্ষকৰ পদ খালী হৈ আছে?

(খ) এই পদসমূহ দীৰ্ঘ দিন খালী হৈ থকাৰ ফলত শিক্ষানুষ্ঠানসমূহত শিক্ষা দানত বহুত অসুবিধা হোৱা কথাটো চৰকাৰ জ্ঞাত নে?

(গ) যদি জ্ঞাত, এনে অসুবিধা দূৰ কৰাৰ বাবে চৰকাৰে উক্ত খালী পদসমূহ পূৰণৰ ব্যৱস্থা লবনে? যদি লব, কেতিয়া লব?

শ্রীপঙ্কজ বৰা (শিক্ষা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ৰাজ্যখনৰ উচ্চতৰ মাধ্যমিক, উচ্চ মাধ্যমিক, এম, ই, এম ভি. আৰু এল পি স্কুলসমূহত অৱসৰৰ যোগেদি খালী হোৱা শিক্ষকৰ পদ যথাক্রমে ১১১৫, ২১৬৫ আৰু ৩৫৮২।

(খ) জ্ঞাত।

(গ) অনতি পলমে ব্যৱস্থা লোৱা হ'ব।

শ্রীপানীৰাম ৰাভাহি সুধিছে ঃ

বিষয় ঃ যুগ্ম উদ্যোগ।

*২১৫। মাননীয় উদ্যোগ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমত বর্ত্তমান কিমানটা যুগ্ম উদ্যোগ আছে?

(খ) AASL উদ্যোগটো বন্ধ হৈ আছে নেকি?

(গ) যদি আছে, কেতিয়ালৈ পুনৰ কার্য্যক্ষম কৰিব?

শ্রীভুবনেশ্বৰ কলিতা (উদ্যোগ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) অসম চৰকাৰৰ উদ্যোগ বিভাগে এতিয়ালৈকে ৩১ টা উদ্যোগ যুগ্ম বুলি অধিসূচনা জাৰি কৰিছে।

(খ) হয়।

(গ) কার্য্যক্ষম কৰিবৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ২০০৩ চনৰ জানুৱাৰী মাহত বাণিজ্যিক উৎপাদন আৰম্ভ কৰিব পৰা হব বুলি আশা কৰা হৈছে।

Sub : Vacant post of Teacher.

Shri Sarbananda Choudhury asked :

216 will the Minister of Education be pleased to state :

(a) Whether it is a fact that a considerable number of posts of teachers are lying vacant in many Higher Secondary, High School, M.E. and L. P. Schools of the state?

(b) If so, what steps have been taken to fill up these vacancies?

(c) What steps have been taken to provincialise a considerable number of M. E. as well as High Schools which deserve to be provincialised soon?

(d) What steps have been taken for cretion of new posts for the academic interest of the Colleges which inspite of their limited resources, have been completed to bear heavy financial burden of making payment to a considerable number of teachers appointed against non-sanctioned posts?

(e) What necessary measures have been taken to appoint full fledged principals in all the Deficit colleges of Assam in place of incharge Principal?

Sri Pankaj Bora (Minister of Education) replied :

(a) Yes

(b) It is under consideration of the Gevernment.

(c) Government is yet to take decision.

(d) It is under consideration of the Government.

(e) Subjudiced.

:: :: :: ::

বিষয় ঃ AIBP আঁচনিৰ ধন অনুমোদন

শ্রীখলিলুৰ ৰহমানে সুধিছে ঃ

২১৭। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) যমুনা জলসিঞ্চন প্রকল্পৰ অধীনত AIBP আঁচনিৰ কাৰিকৰী মঞ্জুৰী আৰু প্রশাসনিক অনুমোদন কিমান?

(খ) ঠিকাদাৰৰ বিলৰ হিচাপ অনুযায়ী প্রকৃত বিত্তীয় দায়বদ্ধতা কিমান?

(গ) বর্ত্তমানলৈকে উক্ত প্রকল্পৰ AIBP ৰ কিমান ধন বিভাগৰ পৰা আদায় কৰা হৈছে আৰু কোন কোন ঠিকাদাৰে কি কি কামৰ বাবদ কিমান টকাৰ বিল পাবলগীয়া আছে নামসহ জনাবনে?

(ঘ) যমুনা প্রকল্পৰ অধীনত নির্মাণ হোৱা যমুনা মথাউৰিৰ ঠিকাদাৰৰ পাবলগীয়া ধন আদায় দিয়াৰ কিবা ব্যৱস্থা লোৱা হৈছে নে? যদি হোৱা নাই, কিয়?

শ্রীইছমাইল হুছেইন (জলসিঞ্চন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) (১) প্রশাসনিক অনুমোদন ঃ— ৬০.২০ কোটি

(২) এতিয়ালৈকে ৩.২৫ কোটি টকাৰ কাৰিকৰী অনুমোদন দিয়া হৈছে।

(খ) ৩.২৫ কোটি।

(গ) (১) বর্ত্তমানলৈকে AIBP শিতানত এই প্রকল্পটোৰ কামৰ বাবদ মুঠ ৩৭.৫০ লাখ টকা বিভাগৰ পৰা মোকলাই দিয়া হৈছে।

(২) ঠিকাদাৰসকলৰ নাম, কামৰ বিৱৰণ আৰু পাব লগা টকাৰ

তালিকা (ক) লগত সংলগ্ন কৰা হ'ল। (See Annexure VIII)

(ঘ) ব্যৱস্থা ল'ব পৰা হোৱা নাই। কাৰণ নির্দিষ্ট শিতানত (4702 C.O) ধনৰ আৱণ্টন পোৱা হোৱা নাই।

Sub : Rowta College

Shri Khagendra Basumatary asked :

218. will the Minister of Education be pleased to State :

(a) Whether Govt. aware of the representation submitted by the questioner for giving concurrance to 1st year Higher Secondary class (Arts) of Rowta Jr. College established in 1993?

(b) If so, what steps have been taken so far in this regards?

Sri Pankaj Bora (Minister of Education) replied :

(a) The Assam Higher Secondary Education Council has already accorded permission to the Rowta Jr. College to start 1st year H. S. classes. Steps have been taken for according Govt. concurrance.

(b) Inspection report has been called for from the concerned Inspector of Schools to consider for Govt. concurrance.

:: :: :: ::

বিষয় ঃ প্লেনটেশ্বনৰ আঁচনিৰ ধন।

শ্রীবিদ্যাসিং ইংলেংয়ে সুধিছে ঃ

২১৯। মাননীয় বন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ১৯৯৬ চনৰ পৰা বর্ত্তমানলৈকে প্লেনটেশ্বনৰ নামত বন বিভাগক কেন্দ্রীয় চৰকাৰে কিমান টকা দিছে?

(খ) এই ধন প্লেনটেশ্বনৰ নামত ক'ত কেতিয়া খৰচ হৈছে?

(গ) এনে প্লেনটেশ্বন কৰি কিমান পুলি, কিমানখন বননি বন বিভাগে কৰিছে?

(সেয়ে বননিৰ নামবোৰ খৰচ সহ জনাব)

শ্রীপ্রদ্যুৎ বৰদলৈ (বন বিভাগৰ ৰাজ্যিক (স্বতন্ত্র) মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) বন বিভাগৰ প্রাদেশিক শাখাই NTFP Bamboo Plantation Project ৰ নামত ২০০০-২০০১ চনত ২৬,৬৬,৯৬৫.০০ টকা আৰু ২০০১-২০০২ চনত ৭,৫৯,৮৯০.০০ টকা কেন্দ্রীয় চৰকাৰৰ পৰা পাইছে।

(খ) ২০০০-২০০১ চনত পোৱা ২৬,৬৬,৯৬৫.০০ টকা প্রাদেশিক শাখাৰ অসমৰ আটাইকেইটা বন সংমণ্ডলত ৯১২.১৬ হেক্টৰ মাটিত Advance Work কৰাত খৰচ কৰা হৈছিল। তদুপৰি ২০০১-২০০২ চনত পোৱা ৭,৫৯,৮৯০.০০ টকা প্রশ্ন 'গ'ৰ উত্তৰত উল্লেখ কৰা ঠাইসমূহত ২৫৫ হেক্টৰ মাটিত বাঁহ ৰোপণ কৰাত খৰচ কৰা হৈছিল।

(গ) বিশদ তালিকা সংলগ্ন কৰা হ'ল। (See Annexure VIII)

বিষয় ঃ সীমান্ত অঞ্চলত কাঁটা তাঁৰৰ ব্যৱস্থা।

শ্রীগিৰীন্দ্র কুমাৰ বৰুৱাই সুধিছে ঃ

২২০। মাননীয় অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসম চুক্তি অনুসৰি ভাৰত-বাংলাদেশ সীমান্তৰ ৰাজ্যখনক চুই যোৱাৰ কিমান অংশত কাঁটা তাঁৰৰ ব্যৱস্থা কৰা হ'ল?

(খ) কিমান অংশত পথ নির্মাণ কৰা হ'ল?

(গ) অসম্পূর্ণ অংশ কেতিয়া সম্পূর্ণ কৰিব পৰা যাব?

শ্রীপংকজ বৰা (অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ১৪৯.৩০ কিঃ মিঃ

(খ) ১৪৮.৩৮ কিঃ মিঃ

(গ) ২০০৪ চনৰ মার্চ মাহৰ ভিতৰত ভাৰত চৰকাৰৰ অনুমোদন সাপেক্ষে সম্পূর্ণ কৰা থিৰাং কৰা হৈছে।

বিষয় ঃ জলসিঞ্চন আঁচনিৰ ধন আদায়।

শ্রীবসন্ত দাসে সুধিছে ঃ

২২১। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) দৰং জিলাৰ Irrigation Division ৰ under ত যোৱা বছৰটোত বিভিন্ন আঁচনিত কিমান ধন খৰচ কৰা হ'ল?

(খ) উক্ত আঁচনিসমূহত ঠিকাদাৰসকলে কাম নকৰাকৈ বিল লোৱাটো সঁচানে?

(গ) উক্ত আঁচনিসমূহৰ ঠিকাদাৰৰ নাম আঁচনি সহিতে আৰু টকাৰ পৰিমাণৰ লগত লিখিতভাৱে সদনত দাখিল কৰিবনে?

শ্রীইছমাইল হুছেইন (জলসিঞ্চন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) দৰং জিলাৰ বিভিন্ন Irrigation Division ৰ under ত যোৱা বছৰটোত বিভিন্ন আঁচনিত মুঠ ৬১৯.০১ লাখ টকা খৰচ কৰা হৈছে। (তালিকা 'ক' সংলগ্ন কৰা হ'ল) (See Annexure IX)

(খ) উক্ত আঁচনিসমূহত ঠিকাদাৰসকলে কাম নকৰাকৈ বিল পোৱাটো সঁচা নহয়।

(গ) উক্ত আঁচনিসমূহত কাম কৰা ঠিকাদাৰসকলৰ নাম আৰু আদায় দিয়া টকাৰ পৰিমাণ আঁচনি সহিতে তালিকা সন্নিবিষ্ট কৰা হ'ল। (তালিকা 'খ' সংলগ্ন কৰা হ'ল)। (See Annexure IX)

বিষয় ঃ শিক্ষক নিযুক্তি।

ডঃ তাৰাপ্রসাদ দাসে সুধিছে ঃ

২২২। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমৰ মাধ্যমিক স্কুলসমূহত শিক্ষক নিযুক্তি কেতিয়া দিব?

(খ) বহুত স্কুলত হিন্দী, সংস্কৃত আৰু বিজ্ঞানৰ শিক্ষকৰ পদ খালী হৈ থকাত বিদ্যালয়সমূহত পাঠদানত অসুবিধায়ে দেখা দিয়া সম্পর্কত চৰকাৰ অৱগত নে?

(গ) এই পদসমূহ কেতিয়া পূৰণ কৰা হ'ব?

শ্রীপংকজ বৰা (শিক্ষা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) অসমৰ মাধ্যমিক স্কুলসমূহত শিক্ষক নিযুক্তিৰ ক্ষেত্রত এতিয়ালৈকে সিদ্ধান্ত লোৱা হোৱা নাই।

(খ) হিন্দী, সংস্কৃত আৰু বিজ্ঞান শিক্ষকৰ পদ খালী হৈ থকা বিদ্যালয়সমূহত পাঠদানত অসুবিধা দেখা দিয়া সম্পর্কত কোনো কোনো বিদ্যালয়ৰ পৰা খবৰ পোৱা গৈছে।

(গ) বিহিত ব্যৱস্থা লৈ থকা হৈছে।

বিষয় ঃ স্থায়ী অধ্যক্ষ নিযুক্তি।

শ্রীগুণীন হাজৰিকাই সুধিছে ঃ

২২৩। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমৰ চৰকাৰী সাহায্যপ্রাপ্ত কিমান কলেজত কিমানজন স্থায়ী অধ্যক্ষ নিযুক্ত নোহোৱাকৈ আছে?

(খ) অধ্যক্ষ নির্বাচনত তালিকা চৰকাৰে নির্বাচন কমিটীক দিয়া দায়িত্বৰ সম্পাদন হ'লনে?

(গ) যদি হ'ল, এই তালিকা কেতিয়া প্রকাশ হ'ব?

(ঘ) তালিকা প্রকাশ হ'লে কিমান দিনৰ ভিতৰত পৰিচালনা সমিতিক অধ্যক্ষ নিযুক্তিৰ দায়িত্ব পালন কৰিবলৈ নির্দেশ দিব?

শ্রীপংকজ বৰা (শিক্ষা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ৮৫ জন।

(খ) হোৱা নাই।

(গ) প্রশ্ন নুঠে।

(ঘ) প্রকাশ হোৱাৰ লগে লগেই সংশ্লিষ্ট কলেজ কর্তৃপক্ষক নির্দেশ দিয়া হ'ব।

বিষয় ঃ সামাজিক বনানীকৰণৰ নামত ধন মুকলি।

শ্রীহেমেন্দ্র নাথ ব্রহ্মই সুধিছে ঃ

২২৪। মাননীয় বন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) কোকৰাঝাৰ জিলাত সামাজিক বনানীকৰণৰ নামত ২০০০-২০০২ চনত কিমান ধন ধার্য কৰা হৈছিল আৰু কিমান ধন আজিলৈকে

মোকলাই দিয়া হ'ল?

(খ) কিমান আঁচনিৰ সম্পূৰ্ণতাৱে ৰূপায়ণ কৰা হ'ল?
(সদনৰ মেজত তালিকা দাখিল কৰিব)

(গ) গোসাইগাঁও মহকুমা আৰু কোকৰাঝাৰ মহকুমাৰ অন্তৰ্গত কিমান আঁচনি ৰূপায়ণ কৰা হ'ল?

(ঘ) এই আঁচনিসমূহ ৰূপায়ণ কৰোতে কিমান ধন খৰচ কৰা হ'ল?
(সকলো আঁচনিৰ কাৰণে সুকীয়াকৈ ধন ধাৰ্য্য কৰাৰ এখন তালিকা সদনৰ মেজত দাখিল কৰিব)।

শ্ৰীপ্ৰদ্যুৎ বৰদলৈ (বন বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) কোকৰাঝাৰ জিলাত সামাজিক বনানীকৰণৰ নামত ২০০০-২০০২ চনত ধাৰ্য কৰা ধন আৰু মোকলাই দিয়া ধনৰ তালিকা তলত দেখুৱা হ'ল ঃ

(লাখৰ হিচাপত)

ক্ৰমিক নং	আঁচনিসমূহ	২০০০-২০০১		২০০১-২০০২	
		ধাৰ্য কৰা ধন	মোকলাই ধন	ধাৰ্য কৰা ধন	মোকলাই দিয়া ধন
১।	সামাজিক বনানীকৰণ (সাধাৰণ)	৩৫.৭৮	২৭.৬৩	২৩.৮৯	২৭.০১
২।	অনুসূচীত জনজাতি	২১.৫৭	২১.৭৬	২৪.৬৪	২১.৯১
৩।	অনুসূচীত জনজাতি	২.৫৬	১.৯৯	২.১৭	১.৯১
৪।	আঞ্চলিত ভিত্তিত ইন্ধন আৰু পশু খাদ্য বৃক্ষৰোপণ	১৪.৫০	১৬.৮৮	৮.৯১	৮.৭৪
	মুঠ	৬৯.৪১	৬৮.২৬	৫৯.৬১	৫৯.৫৭

(খ) উক্ত বছৰ দুটাত কোকৰাঝাৰ জিলাৰ সামাজিক বনানীকৰণৰ অধীনত মুঠ চাৰিখন আঁচনি সম্পূৰ্ণতাৰে ৰূপায়ণ কৰা হৈছে। যেনে ঃ
(সদনৰ মেজত তালিকা দাখিল কৰিব)

১। সামাজিক বনানীকৰণ (সাধাৰণ) আঁচনি
২। অনুসূচিত জনজাতি আঁচনি
৩। অনুসূচিত জাতি আঁচনি
৪। আঞ্চলিক ভিত্তিত ইন্ধন আৰু পশুখাদ্য বৃক্ষৰোপণ আঁচনি।

(গ) গোসাইগাঁও আৰু কোকৰাঝাৰ মহকুমাৰ অন্তৰ্গত (খ)ত দেখুৱা উপৰোক্ত আঁচনিকেইখন সম্পূৰ্ণতাকৈ ৰূপায়ণ কৰা হৈছে। আঁচনি আৰু মহকুমা ভিত্তিত কৰা কামবোৰ হেক্টৰৰ হিচাপত হোৱা বৃক্ষৰোপণ আৰু বনানীকৰণ তালিকা তলত উল্লেখ কৰা হ'ল ঃ

হেক্টৰ ভিত্তিত

ক্ৰমিক নং	আঁচনিসমূহ	২০০০-২০০১ কোকৰাঝাৰ মহকুমা	২০০০-২০০১ গোসাইগাঁও মহকুমা	২০০১-২০০২ কোকৰাঝাৰ মহকুমা	২০০১-২০০২ গোসাইগাঁও মহকুমা
১।	সামাজিক বনানীকৰণ (সাধাৰণ)	নাই	নাই	২৫	২৫
২।	অনুসূচিত জনজাতি	৫০	নাই	৫	১২৫
৩।	অনুসূচিত জাতি	নাই	৭	নাই	নাই
৪।	আঞ্চলিক ভিত্তিত ইন্ধন আৰু পশু খাদ্য বৃক্ষৰোপণ	১২৫	১২৫	১০০	১০০
	মুঠ	১৭৫	১৩২	১৩০	২৫০

(ঘ) কোকৰাঝাৰ সামাজিক বনানীকৰণৰ অধীনত ২০০০-২০০১ আৰু ২০০১-২০০২ চনত মুঠতে চাৰিখন ওপৰত উল্লিখিত আঁচনি অন্তৰ্গত কৰা হৈছিল। সেই হিচাপত আঁচনি অনুযায়ী মুঠ ধাৰ্য কৰা ধন আৰু ইয়াৰ বিপৰীতে মুঠ-খৰচ হোৱা ধনৰ তালিকা তলত বিশ্লেষণ কৰি দিয়া হ'ল ঃ

(লাখৰ হিচাপত)

ক্ৰমিক নং	আঁচনিসমূহ	২০০০-২০০১		২০০১-২০০২	
		ধাৰ্য কৰা ধন	খৰচ হোৱা ধন	ধাৰ্য কৰা ধন	খৰচ হোৱা ধন
১।	সামাজিক বনানীকৰণ (সাধাৰণ)	৩০.৭৮	২৭.৬৩	২৩.৮৯	২৭.০১
২।	অনুসূচিত জনজাতি	২১.৫৭	২১.৭৬	২৪.৬৪	২১.৯১
৩।	অনুসূচিত জাতি	২.৫৬	১.৯৯	২.১৭	১.৯১
৪।	আঞ্চলিক ভিত্তিত ইন্ধন আৰু পশু খাদ্য বৃক্ষৰোপণ	১৪.৫০	১৬.৮৮	৮.৯১	৮.৭৪
	মুঠ	৬৯.৪১	৬৮.২৬	৫৯.৬১	৫৯.৫৭

বিষয় ঃ আঁচনি ৰূপায়ণ।

ডঃ ইদ্ৰিছ আলীয়ে সুধিছে ঃ

২২৫। মাননীয় সংখ্যালঘু আৰু চৰ অঞ্চল উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

সংখ্যালঘুসকলৰ উন্নয়নৰ বাবে স্থাপিত তিনিখন নিগম আৰু নিকায় সমূহে জনমেৰে পৰা চলিত বৰ্ষলৈ কি কি আঁচনি ৰূপায়ণ কৰিছে তাৰ বিতং তথ্য দাঙি ধৰিবনে?

শ্রীওৱাজেদ আলী চৌধুৰী (সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগৰ মন্ত্রি)য়ে উত্তৰ দিছে ঃ

অসমৰ সংখ্যালঘু সম্প্রদায়ৰ লোকসকলৰ উন্নয়নৰ বাবে "অসম সংখ্যালঘু উন্নয়ন আৰু বিত্তীয় নিগম পৰিসীমিত" নামৰ এখনহে নিগম স্থাপন কৰা হৈছে। নিগমখনৰ জন্মলগ্নৰ পৰা বৰ্ত্তমান বৰ্ষলৈকে (১৯৯৯ৰ পৰা ২০০২) হ্রস্বম্যাদী ঋণ বিতৰণ আঁচনি গ্রহণ কৰি সৰ্ব্বমুঠ ৫৯৯ জন হিতাধিকাৰীৰ মাজত ঋণ বিতৰণ কৰা হৈছে। এই ঋণবিলাক নিৰনুৰাসকলক আত্মনির্ভৰশীল হ'বৰ কাৰণে যথাযোগ্য স্বনিয়োজন আঁচনিৰ বিপৰীতেহে দিয়া হয়।

Sub : Wild Life Sanctuary

Shri Rajendra Prasad Singh asked :

226. Will the Minister of Forest (Independent) be pleased to State :

(a) Is the Govt. aware taht nearly 3 year's ago Borajan Forest was declared as Wild Life Sanctuary but nothing has been done in this regard?

(b) If so, what steps has been taken in this regards?

Shri Pradyut Bordoloi (Minister of State Forest (Independent)) replied :

(a) Padumani Bhorjan- Bhorjan Sanctuary has been declared as Wild Life sanctuary combining the Padumani R. F. Bhorjan R. F. in Tinsukia District.

(b) Action have been taken to strongthen the Wild Life Sanctuary by consolidating the boundaries by fixing boundary Pillars croation of Nursorios for plantation and intensifying

patrolling for proparation of illegalities in the areas.

:: :: ::

বিষয় ঃ লেপেটকটা গেছ ক্রেকাৰ প্রকল্পৰ নির্মাণ।

শ্রীসর্বানন্দ সোণোৱালে সুধিছে ঃ

229। মাননীয় উদ্যোগ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসম চুক্তি মর্মে স্থাপিত হ'ব লগা ডিব্রুগড় লেপেটাকটা গেছ ক্রেকাৰ প্রকল্পৰ নির্মাণৰ ক্ষেত্রত শেহতীয়া চৰকাৰী পদক্ষেপ কি?

(খ) অসম চুক্তি মর্মে অশোক পেপাৰ মিল পুনৰ কার্য্যক্ষম কৰাৰ ক্ষেত্রত চৰকাৰে কি ভূমিকা লৈছে?

(গ) অসমৰ ক্ষুদ্র চাহ খেতিয়কসকলৰ সুৰক্ষাৰ কাৰণে চৰকাৰে কি কি ভূমিকা লৈছে?

(ঘ) হিন্দুস্থান লিবাৰ্চৰ জৰিয়তে ডুমডুমাত স্থাপন কৰা কচমেটিক উদ্যোগটোত কিমান সংখ্যক থলুৱা নিবনুৱাৰ নিযুক্তি হৈছে আৰু ইয়াৰ পৰা প্রতি বছৰে বিক্রীকৰৰ বাবে কিমান ৰাজহ পাইছে?

শ্রীভুৱনেশ্বৰ কলিতা (উদ্যোগ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ৰিলায়েন্স ইণ্ডাষ্ট্রিজ লিমিটেডে অসমত গেছ ক্রেকাৰ প্রকল্পটো কেঁচা মালৰ চুক্তি আৰু মাটি অধিগ্রহণৰ কাম সম্পন্ন হোৱাৰ ৪৪ মাহৰ ভিতৰত সম্পূর্ণ কৰিব পাৰিব বুলি জনাইছে। ইতিমধ্যে Oil India ৰ লগত ১৯-১০-২০০০ তাৰিখে কেঁচা মালৰ চুক্তি স্বাক্ষৰ কৰা হৈছে O. N. G. C-ৰ লগত কেঁচা মালৰ চুক্তি সম্পন্ন কৰাৰ বাবে যাৱতীয় অমীমাংসিত বিষয়বোৰৰ ক্ষেত্রত দুই পক্ষই একমতত উপনীত হৈছে আৰু এই চুক্তি স্বাক্ষৰৰ বাবে প্রস্তুত হৈ আছে। যিহেতু O. N. G. C. Ltd. ৰে প্রতিশ্রুতিবদ্ধ ১.৩৫ মিলিয়ন ঘন মিটাৰ প্রতিদিন গেছ যোগান ধৰিব নোৱাৰাৰ বাবে ঘাটি গেছৰ চাহিদা পূৰণৰ বাবে LPG যোগান ধৰিবলৈ IOC ক সন্মত কৰা হৈছে। এই ক্ষেত্রত ভাৰত চৰকাৰে ৫-৮-২০০২ তাৰিখৰ Review Meeting ৰ সিদ্ধান্ত মর্মে RAPL আৰু OICক অতি সোনকালে LPG যোগান চুক্তি স্বাক্ষৰৰ বাবে অসম চৰকাৰে ইতিমধ্যে

কেন্দ্রীয় চৰকাৰ আৰু RILৰ লগত গেছ ক্রেকাৰৰ যাৱতীয় আনুষংগিক বিষয়বোৰ অতি শীঘ্রে সম্পন্ন কৰাৰ বাবে সময়ে সময়ে তাগিদা দি আহিছে।

(খ) ব্যক্তিগত খণ্ডৰ জৰিয়তে অশোক পেপাৰ মিলটোক কার্য্যক্ষম কৰিবৰ বাবে যাৱতীয় ব্যৱস্থা হাতত লৈছে। অতি সোনকালে উৎপাদন হ'ব বুলি আশা কৰা হৈছে।

(গ) অসম চৰকাৰে ক্ষুদ্র চাহ খেতিয়কসকলৰ অভাৱ-অভিযোগবোৰ স্থানীয়ভাৱে সমাধান কৰিবলৈ জিলা ভিত্তিত একোখন মনিটৰিং কমিটী গঠন কৰি দিছে। ক্ষুদ্র চাহ খেতিয়কসকলক সমবায় সমিতি গঠন কৰিবলৈ চৰকাৰে আহ্বান জনাইছে। যোৱা বছৰত ৫০ জন ক্ষুদ্র খেতিয়ক অসম কৃষি বিশ্ববিদ্যালয়ৰ জৰিয়তে প্রশিক্ষণ দিয়াৰ ব্যৱস্থা কৰি দিয়া হৈছে। ক্ষুদ্র চাহ খেতিয়কসকলক বিভিন্ন সহায়-সহযোগৰ বাবে সমবায় ভিত্তিত কলঘৰ স্থাপন কৰিবলৈ অসম চৰকাৰে চাহ বোর্ডৰ লগত যোগাযোগ কৰি আছে।

(ঘ) মুঠ নিযুক্তি ৪১৪ জন। তাৰে ৪৮৩ জন থলুৱা ব্যক্তি। এইটো নতুন উদ্যোগ হোৱাৰ বাবে সদ্যহতে কোনো বিক্রীকৰ (SALES TAX) দিব নালাগে।

বিষয় ঃ বনৰীয়া হাতী।

শ্রীৰঞ্জিত দত্তই সুধিছে ঃ

২২৮। মাননীয় বন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বিহালী সমষ্টিৰ অন্তর্গত সোণাবাৰী, লাহৰিজান, ডেকাপথাৰ, মোনাবাৰী বস্তি, বাঘমাৰী আদি অঞ্চলত ১ টা বনৰীয়া হাতীয়ে আজি প্রায় ৬ মাহ ধৰি বহুতো লোকৰ ঘৰ-দুৱাৰ ধ্বংস আৰু ৫ জন লোকক মাৰি পেলোৱাটো চৰকাৰৰ অৱগত নে?

(খ) যদি অৱগত, তেন্তে চৰকাৰে সেই বনৰীয়া হাতীটোৰ ক্ষেত্রত কি ব্যৱস্থা হাতত লৈছে?

(গ) বন বিভাগে এই হাতীটো খেদাই পঠোৱাত আৰু বাইজৰ সম্পত্তি আৰু

জীৱন ৰক্ষা কৰাত সম্পূৰ্ণ যে ব্যৰ্থ হৈছে, এই বিষয়ে সাধাৰণ ৰাইজৰ মাজত ধাৰণা হৈছে, সেই বিষয়ে চৰকাৰ অৱগত নে?

(ঘ) ক্ষতিগ্ৰস্ত হোৱা লোকসকলক ঘৰ-দুৱাৰ মেৰামতি কৰিবৰ বাবে চৰকাৰে সাহায্য দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিছে নেকি?

শ্ৰীপ্ৰদ্যুৎ বৰদলৈ (বন বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয়, অৱগত।

(খ) বিহালী সমষ্টিৰ অন্তৰ্গত এলেকাসমূহত স্থানীয় ৰাইজৰ সহযোগত বন কৰ্মচাৰীয়ে পহৰা দিয়া ব্যৱস্থা কৰা হৈছে। এই পহৰাদাৰী দলসমূহৰ দ্বাৰা হাতীবোৰ জুই, ফটকা আৰু বন্দুক আদিৰে হাবিলৈ খেদি পঠোৱাৰ ব্যৱস্থা কৰা হয়।

(গ) প্ৰশ্ন নুঠে।

(ঘ) বৰ্ত্তমান তেনে ব্যৱস্থা নাই।

বিষয় ঃ প্ৰশিক্ষণপ্ৰাপ্ত প্ৰশিক্ষাৰ্থীৰ নিযুক্তি।

শ্ৰীৰাজু চাহুয়ে সুধিছে ঃ

২২৯। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) জিলা শিক্ষা ও প্ৰশিক্ষণ প্ৰতিষ্ঠানত প্ৰশিক্ষিত ৰাজ্যিক শিক্ষা আৰু গৱেষণা পৰিষদৰ অধীনত দুবছৰীয়া প্ৰাক-নিযুক্তিকালীন প্ৰশিক্ষাৰ্থীসকলে প্ৰশিক্ষণ সমাপ্ত কৰাৰ পক্ষত নিযুক্তিৰ ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা লৈছে?

(খ) নিযুক্তিৰ ক্ষেত্ৰত এই অৰ্হতাৰ ভিত্তিত কোনো মূল্যায়ন আছেনে?

(গ) উজনি অসমৰ এক লেখত্ব লবলগীয়া অনুষ্ঠান হিচাপে চাবুৱা সমষ্টিৰ অন্তৰ্গত ডিব্ৰুগড় জিলাৰ শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানটি প্ৰশিক্ষাৰ্থীৰ উপযোগীকৈ পুনৰ নিৰ্মাণ তথা মেৰামতি কৰিবলৈ কি ব্যৱস্থা লোৱা হৈছে?

শ্ৰীপংকজ বৰা (শিক্ষা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) উক্ত প্ৰশিক্ষণেৰে প্ৰশিক্ষণ প্ৰাপ্তপ্ৰাৰ্থীক নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ হ'লে গুৰুত্বসহকাৰে বিবেচনা কৰা হ'ব।

(খ) শিক্ষক বাছনি পদ্ধতি প্রস্তুত কৰোতে এই অৰ্হতাৰ মূল্য বিবেচনা কৰা হ'ব।

(গ) অসম্পূৰ্ণ হৈ থকা নিৰ্মাণৰ কামখিনি সম্পূৰ্ণ কৰিবলৈ ব্যৱস্থা লোৱা হ'ব।

Sub : Report of Enquiry Committee

Shri Bimolangshu Roy asked :

230. Will the Minister of Education be pleased to State :

(a) Is it a fact that enquiry Committee constituted by the Govt. for REC, Silchar has submitted its report long back but no action has been taken on the report?

(b) Who is presently managing the affairs of REC? Whether any B. O. G. is in existence?

(c) What is the present status of REC? Has it been transformed N. I. T.?

(d) If so, under what terms and conditions?

(e) How many teachers are there in REC at present? Has any teacher left the institution in course of last one year?

(f) If so, how many?

(g) Has any appointment made in R. E. C. in last two years? if so please furnish the names and procedure adopted?

Shri Pankaj Bora (Education Minister) replied :

(a) yes

(b) Consequent upon the transformation of the REC, Silchar to NIT (National Institute of Technology) with the status of a Deemed.

(c) University col (Retd) J. S. Virk is managing the affairs as Director, B. O. G. on the strength of the MOA (Memo-

randum of Association) and the Rules there of.

(d) As per the terms and conditions of the MOA of NIT and the Rules thereof.

(e) There are 60 teachers in the Institute at present.

(f) 3 teachers have left the Institution during last one year at their own for better career prospects.

(g) Yes, They were :-

1. Mrs. Devajani Bhowmik, Lecturer.
2. Mrs. Ujala Baruah, Lecturer

Standard norms and procedure were followed while appointing these lecturers.

বিষয় ঃ বাজেটবিহীন প্রবক্তাৰ পদ।

শ্রীপ্রণৱ কলিতাই সুধিছে ঃ

২৩১। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বিদ্যালয়ৰ চিনাকি পত্রত ফটো সংলগ্ন কৰাৰ ব্যৱস্থা হাতত ল'বনে?

(খ) বহু বছৰ ধৰি মহাবিদ্যালয়সমূহত কাম কৰি থকা বাজেটবিহীন প্রবক্তা সকলৰ (Non-Sanctioned) পদসমূহ Sanction কৰাৰ ব্যৱস্থা হাতত লৈছে নেকি?

(গ) এজন শিক্ষকে দুটা শিক্ষানুষ্ঠানত চাকৰি কৰাৰ ব্যৱস্থা বদ কৰাৰ কিবা কার্যপন্থা লৈছে নেকি?

শ্রীপংকজ বৰা (শিক্ষা বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) এই সম্পর্কে এতিয়ালৈকে কোনো ব্যৱস্থা হাতত লোৱা নাই।

(খ) প্রয়োজনীয় পুঁজিৰ অভাৱত ব্যৱস্থা হাতত ল'ব পৰা নাই।

(গ) প্রয়োজন সাপেক্ষে ব্যৱস্থা লোৱা হৈছে।

বিষয় ঃ চৰ উন্নয়নৰ আঁচনি

শ্রীপবিন্দ্র ডেকাই সুধিছে ঃ

২৩২। মাননীয় সংখ্যালঘু আৰু চৰ উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

(ক) ৰাজ্যখনৰ চৰ (Char) সমূহ উন্নয়নৰ বাবে চলিত বছৰত চৰকাৰে কি কি আঁচনি গ্রহণ কৰিছে?

(খ) এনে গৃহীত আঁচনিসমূহৰ ৰূপায়ণৰ বাবে কিমান টকা চলিত বিত্তীয় বছৰত ধার্য্য কৰা হৈছে?

(গ) এনেকৈ ধার্য্য কৰা টকাসমূহৰ কিমান টকা বর্ত্তমানলৈ খৰচ কৰা হৈছে?

শ্রীওৱাজেদ আলী চৌধুৰী (সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ৰাজ্যখনৰ চৰসমূহৰ উন্নয়নৰ বাবে গ্রহণ কৰা আঁচনিসমূহ ঃ কৃষি, বিশুদ্ধ খোৱাপানী, পশুপালন, কুটীৰ শিল্প, শিক্ষা আৰু আর্থ-সামাজিক জৰীপ।

(খ) চলিত বিত্তীয় বছৰত (২০০২-২০০৩) গৃহীত আঁচনিসমূহৰ ৰূপায়ণৰ বাবে ৩০.০০ লাখ টকা ধার্য্য কৰা হৈছে।

(গ) ধার্য্য কৰা ধন মোকলাই দিয়াৰ ব্যৱস্থা হাতত লোৱা হৈছে।

Sub : Payment of Salary

Shri Moni Lal Gowala asked :

230. Will the Minister of Education be pleased to State :

(a) Whether the Govt. knows that certain number of Grade-IV employees were appointed in the year 1991-1992 as additional Grade-IV in the H. E. & H. S. Schools but have not been getting salaries.

(b) If so, what steps are taken by the Govt. to pay salaries of those working Grade-IV employees?

Shri Pankaj Bora (Minister of Education, Assam) replied :

(a) There is no information that Grade-IV employees appointed during the year 1991-92 are not getting their salaries.

(b) Does not arise.

বিষয় ঃ পক্ষী অভয়াৰণ্য।

শ্রীহেমন্ত তালুকদাৰে সুধিছে ঃ

২৩৪। মাননীয় বন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) পশ্চিম গুৱাহাটী সমষ্টিৰ আজাৰাৰ সহস্রাধিক মাছমৰীয়া পৰিয়ালে মাছ মাৰি জীৱিকা নির্বাহৰ একমাত্র উৎস বিচাপে ব্যৱহাৰ কৰি অহা দ্বিপৰ বিলখন তাৰ নিচেই ওচৰত থকা লোকপ্রিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্রীয় বিমান বন্দৰ আৰু উত্তৰ-পূব সীমান্ত ৰেলৱেৰ ৰেল চলাচল কৰা কোলাহলপূর্ণ পৰিবেশত কি ভিত্তিত পক্ষী অভয়াৰণ্য হিচাপে প্রস্তাৱ কৰিছে?

(খ) যদি পক্ষী অভয়াৰণ্য হিচাপে বিলখনক প্রস্তাৱ কৰা হয়, তেনেহ'লে শ শ বছৰ ধৰি বিলখনত জীৱিকা নির্বাহৰ উৎস হিচাপে ব্যৱহাৰ কৰি অহা হাজাৰ হাজাৰ পৰিয়ালক জীৱিকাৰ অন্য পথ দিয়াৰ ব্যৱস্থা কৰিবনে?

শ্রীপ্রদ্যুৎ বৰদলৈ (বন বিভাগৰ ৰাজ্যিক (স্বতন্ত্র) মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) দ্বিপৰ বিল পৰিপার্শ্ব (Ecological) প্রাণীকুল (Faural) উদ্ভিদ (Floral) ভৌগোলিক আৰু ভূ আকৃতিৰ ফালৰ পৰা আৰু প্রাকৃতিক জলাশয় হিচাপে গুৰুত্বপূর্ণ, সেয়েহে ৰাজ্য চৰকাৰে বিলখনক অভয়াৰণ্য হিচাপে গঢ় দিবলৈ ১৯৭২ চনৰ বন্যপ্রাণী (সংৰক্ষণ) বিধিমতে প্রাৰম্ভিক জাননী জাৰি কৰিছে।

(খ) বিলখনৰ দাঁতি কাষৰীয়া লোকসকলৰ সম্পর্কে এজন Collector নিয়োগ কৰি বিতং তদন্ত কৰা হ'ব আৰু Collectorৰ প্রতিবেদনৰ ভিত্তিত ব্যৱস্থা লোৱা হ'ব।

বিষয় ঃ অপাৰেচন ব্লেক বোর্ডৰ সা-সুবিধা।

শ্রীৰামেশ্বৰ তেলিয়ে সুধিছে ঃ

২৩৫। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

মজলীয়া বিদ্যালয়সমূহত অপাৰেচন ব্লেক বোর্ডৰ অধীনত দিয়া সা-সুবিধাসমূহ দিয়া হোৱা নাই। ইয়াৰ ব্যৱস্থা কেতিয়া কৰা হ'ব?

শ্রীপংকজ বৰা (শিক্ষা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

অপাৰেচন ব্লেক বোর্ডৰ অধীনত ৭ কোটি ৫০ লাখ টকা মজলীয়া বিদ্যালয়সমূহত (১৯৯৯-২০০০ আৰু ২০০০-২০০১ চনৰ) সা-সুবিধা দিয়াৰ বাবে মোকলাই দিয়া হৈছিল। চলিত বছৰতো ১৯ কোটি ৪২ লাখ টকা বাজেটত ধার্য্য কৰা হৈছে অপাৰেচন ব্লেক বোর্ডৰ অধীনত।

বিষয় ঃ কর্মৰত শিক্ষক-শিক্ষয়িত্রী।

শ্রীখলিলুৰ ৰহমান চৌধুৰীয়ে সুধিছে ঃ

২৩৬। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) নগাঁও/মৰিগাঁও জিলাৰ প্রাথমিক শিক্ষা বিষয়াৰ কার্যালয়ৰ অধীনত তলত উল্লিখিত ৯ (ন) গৰাকী শিক্ষক/ শিক্ষিকাই বর্ত্তমান কোন কোন বিদ্যালয়ত কর্মৰত অৱস্থাত আছে?

১) শ্রীমতী ৰূপা সেনগুপ্তা
২) শ্রীলক্ষী ৰাণী দাস
৩) শ্রীস্বপন দে
৪) শ্রীসন্তোষ মিশ্র
৫) শ্রীমতী কাজুৰী পাল
৬) শ্রীৰঞ্জু দাস
৭) শ্রীজয়া পাল
৮) শ্রীমনীষ ভট্টাচার্য
৯) শ্রীমতী চঞ্চলা দাস

(খ) উক্ত প্রাথমিক শিক্ষক/শিক্ষয়িত্রীসকলক অসমৰ কোন কোন

জিলাত কোন কোন চনত শিক্ষক নিযুক্তি বর্ডৰ দ্বাৰা, কোন কোন খালী হোৱা পদৰ বিপৰীতে নিযুক্তিৰ অনুমোদন জনোৱা হৈছিল?

(অনুগ্রহ কৰি বিতং তথ্যসহ সদনৰ মেজত দাখিল কৰিব)

শ্রীপংকজ বৰা (শিক্ষা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ১) শ্রীমতী ৰূপা সেনগুপ্তা— দৰংগী বস্তি এল, পি স্কুল

২) শ্রীলক্ষী ৰাণী দাস— চামপথাৰ এল, পি স্কুল

৩) শ্রীস্বপন দে— পূৰ লামডিং আনন্দ নগৰ এল, পি স্কুল

৪) শ্রীসন্তোষ মিশ্র— জোপোকা বিদ্যামন্দিৰ এল, পি

৫) শ্রীমতী কাজুৰী পাল— তথ্য পোৱা নাই

৬) শ্রীৰঞ্জু দাস— লখামকা মজিৰি এল, পি (হোজাই)

৭) শ্রীজয়া পাল— কালীৰাণী এল, পি (হোজাই)

৮) শ্রীমনীষ ভট্টাচার্য— উত্তৰ হোজাই এল, পি স্কুল

৯) শ্রীমতী চঞ্চলা দাস— ৩ নং নভেগাঁৱৰী চৰকাৰী এল, পি স্কুল

(খ) তথ্য সংলগ্ন কৰা হ'ল। (See Annexure-X)

বিষয় ঃ ৰাজ্যিক চিৰিয়াখানাৰ কর্মচাৰী।

শ্রীবসন্ত দাসে সুধিছে ঃ

২৩৭। মাননীয় বন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৰাজ্যিক চিৰিয়াখানাত বর্ত্তমান বিষয়া আৰু কর্মচাৰী সংখ্যা কিমান? এওঁলোকক দর্মহা দিওঁতে প্রতি মাহে কিমান টকা খৰচ হয়?

(খ) চিৰিয়াখানাখন উন্নয়নৰ বাবে ৰাজ্য চৰকাৰে কিবা আঁচনি হাতত লৈছে নেকি?

(গ) বর্ত্তমান চিৰিয়াখানাত থকা জীৱ-জন্তু হ্রাস পোৱাৰ লগতে দর্শকক আকর্ষিত কৰিব পৰা অৱস্থালৈ উন্নীত কৰণৰ ব্যৱস্থা ল'ব নেকি?

(ঘ) চিৰিয়াখানাৰ ব্যক্তিগতভাবে লীজত দিয়া ব্যৱস্থা কৰিছে নেকি? যদি কৰিছে কেনে পদ্ধতিত দিব বিচাৰিছে?

শ্রীপ্রদ্যুৎ বৰদলৈ (বন বিভাগৰ ৰাজ্যিক (স্বতন্ত্র) মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ৰাজ্যিক চিৰিয়াখানাত বর্ত্তমান বিষয়া আৰু কর্মচাৰী সংখ্যা হ'ল ১৪৩ জন। এওঁলোকক দর্মহা দিয়াত প্রতি মাহে খৰচ হয় মুঠ ৮,৮৯,০২৬.০০ টকা।

(খ) হয়, লোৰা হৈছে।

(গ) হয়, লোৰা হ'ব।

(ঘ) এনে কোনো ব্যৱস্থা হাতত লোৰা হোৰা নাই।

বিষয় ঃ কুটীৰ শিল্পৰ বিক্রী কৰ ৰেহাই।

ডাঃ তাৰাপ্রসাদ দাসে সুধিছে ঃ

২৩৮। মাননীয় উদ্যোগ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ভাৰতবর্ষৰ অন্যান্য ৰাজ্যত কুটীৰ শিল্পজাত সামগ্রীৰ ওপৰত বিক্রীকৰ আৰোপিত নথকা ধৰণে অসমৰ ঐতিহ্যময় সর্থেবাৰীৰ হাতে বনোৰা কাঁহ-পিতলৰ সামগ্রীৰ ওপৰত বিক্রীকৰ সম্পূর্ণ ৰূপে ৰেহাইৰ ঘোষণা কৰি কুটীৰ শিল্পটোক পুনৰ জীৱিত কৰাৰ ব্যৱস্থা গ্রহণৰ কথা বর্ত্তমানৰ চৰকাৰখনে কৰিছে নেকি?

(খ) সর্থেবাৰীৰ কাঁহ শিল্পটোক জীয়াই ৰখাৰ বাবে কেন্দ্রীয় চৰকাৰৰ লগতে অসম চৰকাৰৰ পৰাও ৰাজ সাহায্য প্রদানৰ জৰিয়তে কাঁহ শিল্পটোৰ প্রয়োজনীয় কেঁচা মাল যোগান ধৰাৰ কিবা আঁচনি গ্রহণ কৰিছে নেকি?

(গ) কাঁহ শিল্পটোক আধুনিকৰণৰ কিবা আঁচনি বর্ত্তমানৰ চৰকাৰখনে গ্রহণ কৰিছে নেকি?

শ্রীভুৱনেশ্বৰ কলিতা (উদ্যোগ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) হাতে বনোৰা কাঁহ-পিতলৰ সামগ্রীৰ ওপৰত বিক্রীকৰ ৰেহাই দিয়া আছে। কুটীৰ শিল্পতো সজীৱতা প্রদান কৰিবৰ কাৰণে জার্মান প্রশিক্ষকৰ তত্ত্বাৱধানত ৫৪ গৰাকী শিল্পীক প্রশিক্ষণ দিয়া হৈছে আৰু ভাৰত

চৰকাৰৰ হস্ত-শিল্প মন্ত্ৰণালয়ৰ জৰিয়তে সহায়তা আগবঢ়োৱা হৈছে।

(খ) কেঁচা মাল যোগান ধৰাৰ ক্ষেত্ৰত অসম চৰকাৰৰ কোনো আঁচনি নাই।

(গ) হয়, কৰা হৈছে। আধুনিক প্ৰযুক্তিবিদ্যা প্ৰয়োগ কৰি কাঁহ শিল্পৰ আধুনিকীকৰণৰ ক্ষেত্ৰত যোৱা ২০০০-০১ চনত জাৰ্মান প্ৰশিক্ষকৰ তত্ত্বাৱধানত ৫৪ গৰাকী শিল্পীক প্ৰশিক্ষণ দিয়া হৈছে।

বিষয় ঃ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক/শিক্ষয়িত্ৰী।

শ্ৰী হেমেন্দ্ৰ নাথ ব্ৰহ্মাই সুধিছে ঃ

২৩৯। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্তমানে গোটেই অসমৰ হাইস্কুলসমূহত কিমানজন ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক আৰু প্ৰধান শিক্ষয়িত্ৰী আছে?

(খ) ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক/শিক্ষয়িত্ৰীক নিয়মীয়াকৰণৰ কিবা ব্যৱস্থা হাতত লৈছে নেকি?

(গ) যদি লোৱা হৈছে, তেন্তে কেতিয়া কৰা হব?

শ্ৰী পংকজ বৰা (শিক্ষা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ১৭৭৬ জন ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক/শিক্ষয়িত্ৰী আছে।

(খ) বিষয়টো উচ্চ ন্যায়ালয়ৰ গোচৰৰ লগত জড়িত হোৱা বাবে ব্যৱস্থা লৈ থকা হৈছে যদিও সঠিক তাৰিখ দিব পৰা নাই।

বিষয় ঃ চাহ কোম্পানীৰ মুখ্য কাৰ্যালয় স্থানান্তৰকৰণ।

শ্ৰী সৰ্বানন্দ সণোৱালে সুধিছে ঃ

২৪০। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) অসমৰ চাহ কোম্পানীসমূহৰ মুখ্য কাৰ্যালয় কলিকতাৰ পৰা অসমলৈ স্থানান্তৰ দাবীৰ সন্দৰ্ভত অসম চৰকাৰে কি ভূমিকা লৈছে?

(খ) বৰ্তমান অসমত চাহ উদ্যোগৰ অৱস্থাৰ সন্দৰ্ভত ৰাজ্য চৰকাৰে দৃষ্টি ৰাখিছেনে? যদি ৰাখিছে, চাহ উদ্যোগৰ উন্নতিৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে কি ভূমিকা লৈছে?

(গ) ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় বজাৰত অসমৰ চাহৰ চাহিদা বৃদ্ধিৰ ক্ষেত্ৰত ৰাজ্য

চৰকাৰে কি ব্যৱস্থা লৈছে?

শ্রী ভূৱনেশ্বৰ কলিতা (উদ্যোগ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) চাহ কোম্পানীসমূহৰ মুখ্য কার্যালয়সমূহ অসমলৈ স্থানান্তৰ কৰাৰ বাবে চেষ্টা চলাই থকা হৈছে। ইয়াৰ বাবে ৩০ এপ্রিল, ০২ তাৰিখৰ এখন সভাত তৎকালে ব্যৱস্থা লবলৈ আহ্বান জনাইছিল আৰু যোৱা ৯ আগষ্ট ২০০২ তাৰিখে তেখেতসকলে কি ব্যৱস্থ গ্রহণ কৰিছে সেই বিষয়ে জনাবলৈ কোৱা হৈছে। যিহেতুকে চাহ কোম্পানীসমূহ ব্যক্তিগত খণ্ডত সেই বাবে চৰকাৰৰ ফালৰ পৰা মুখ্য কার্যালয় স্থানান্তৰ কৰাৰ বাবে বাধ্যতামূলক ভাবে নির্দেশ দিব নোৱাৰি।

(খ) হয়, বর্তমান চাহ উদ্যোগৰ অৱস্থাৰ সম্পর্কত ৰাজ্য চৰকাৰে দৃষ্টি ৰাখিছে। চাহ উদ্যোগ প্রধানতঃ ব্যক্তিগত খণ্ডত Assam Tea Corporation ৰ অধীনত বাগান সমূহৰ ক্ষেত্রত অসম চৰকাৰে দ্বিবিনিয়োজন ঘটাই পুনৰ জীৱিত কৰণৰ বাবে চেষ্টা চলাই আছে।

(গ) অসমৰ চাহৰ চাহিদা বৃদ্ধিৰ ক্ষেত্রত ৰাজ্য চৰকাৰে কেন্দ্রীয় চৰকাৰ আৰু ভাৰতীয় চাহ বোর্ডৰ লগত সঘনে যোগাযোগ ৰক্ষা কৰি আছে। ভাৰতৰ ঘৰুৱা বজাৰত চাহৰ চাহিদা বৃদ্ধি হোৱা নাই। বিশ্ব বজাৰত চাহৰ মূল্য হ্রাস, কেনিয়া আৰু শ্রীলংকাৰ চাহ ৰপ্তানিৰ ক্ষেত্রত ভাৰতীয় চাহতকৈ বহুখিনি আগবঢ়া আৰু অসমৰ চাহৰ মানদণ্ড হ্রাস হোৱাৰ বাবে এই সমস্যা সমূহৰ উদ্ভৱ হৈছে। যিহেতুকে এইটো এটা আন্তঃৰাষ্ট্রীয় সমস্যা আৰু সেয়েহে ভাৰত চৰকাৰে তথা চাহ বোর্ডে এই সংক্রান্তত জৰুৰীকালীন ভাবে কিছুমান আঁচনি হাতত লৈছে।

বিষয় ঃ বিকল জলসিঞ্চন আঁচনি।

শ্রী ৰঞ্জিত দত্তই সুধিছে ঃ

২৪১। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বিহালি সমষ্টিৰ অন্তর্গত জলসিঞ্চন বিভাগৰ অধীনত থকা নকোনীয়া D. T. W. জলসিঞ্চন আঁচনিটো আজি ১০ বছৰ ধৰি বিকল হৈ আছে। চৰকাৰ অৱগতনে?

(খ) এই জলসিঞ্চন আঁচনিটো কার্যক্ষম কৰি তুলিবৰ বাবে চৰকাৰে কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নেকি?

শ্ৰী ইছমাইল হুছেইন (জলসিঞ্চন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) অৱগত।

(খ) আঁচনিখন কার্যক্ষম কৰি তুলিবলৈ ব্যৱস্থা হাতত লোৱা হ'ব। এই আঁচনিখন কার্যক্ষন কৰিবলৈ প্ৰায় ৮.০৬ লাখ টকাৰ প্ৰয়োজন। বিভিন্ন কেন্দ্ৰীয় পুঁজিৰ সাহার্য্যৰে এই আঁচনিটো কার্যক্ষম কৰিবলৈ চেষ্টা কৰা হৈছে।

বিষয় ঃ উচ্চ শিক্ষা অনুষ্ঠানৰ আঁচনি।

শ্ৰী গুণীন হাজৰিকাই সুধিছে ঃ

২৪২। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনৰ উচ্চ শিক্ষাৰ গুণগত পৰিবর্তনত ৰাজ্য চৰকাৰৰ আঁচনি কি?

(খ) ৰাজ্যখনৰ কিমান মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ে NAAC (নাক)ৰ পৰা স্বীকৃতিৰ বাবে আবেদন কৰিছে? এই ক্ষেত্ৰত ৰাজ্য চৰকাৰে কেনে ধৰণৰ ভূমিকা গ্ৰহণ কৰিছে?

(গ) উচ্চতৰ মাধ্যমিক শাখা কলেজ সমূহৰ পৰা পর্যায়ক্ৰমে বিচ্ছিন্ন কৰিবলৈ চৰকাৰে ব্যৱস্থা লবনে?

(ঘ) ৰাজ্যৰ উচ্চ মাধ্যমিকৰ পৰা বিশ্ববিদ্যালয়ৰ স্নাতক পর্যায়ৰ ফলাফল ঘোষণা নির্দিষ্ট সময় সূচীত কৰিবলৈ ৰাজ্য চৰকাৰে ব'র্ড, কাউন্সিল আৰু বিশ্ববিদ্যালয়ৰ লগত সহযোগিতা আগবঢ়োৱাৰ কেনে ব্যৱস্থা লব?

শ্ৰী পংকজ বৰা (শিক্ষা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ৰাজ্যৰ উচ্চ শিক্ষাৰ গুণগত পরিবর্তনৰ ক্ষেত্ৰত বিশ্ববিদ্যালয় অনুদান আয়োগে (UGC) সময়ে সময়ে নির্দেশনা দিয়ে। উক্ত নির্দেশনাৰ ওপৰত ভিত্তি কৰি ৰাজ্যৰ বিশ্ববিদ্যালয়সমূহে যাৱতীয় ব্যৱস্থা লয়। ৰাজ্য চৰকাৰেও এই ক্ষেত্ৰত যাৱতীয় নির্দেশনা দিছে।

(খ) তথ্য বিচৰা হৈছে। এই ক্ষেৰ্ত্ৰত ৰাজ্যচৰকাৰে যাৱতীয় নির্দেশনা আৰু উপদেশ দিয়া হৈছে।

(গ) নতুনকৈ স্থাপন হোৱা মহাবিদ্যালয়ৰ ক্ষেত্ৰত ব্যৱস্থা হৈছে।

(ঘ) ফলাফল নির্দিষ্ট সময়ত ঘোষণা কৰাৰ বাবে চৰকাৰে সদায় সহযোগীতা আগবঢ়াই আহিছে।

Sub : Supply of Desk, Bench and Black Board.

Shri Bimolangshu Roy asked :

243 Will the Minister of Education be pleasod to state.

(a) Has the Govt. supplied any Desk, Bench and Black Board in Scjools under Darva Siksha Avijan?

(b) If so, who supplied those articles & for what amount?

(c) Is the Govt. aware that quality of articles supplied are far below the apprived standard?

(d) If so, what steps Govt. had so far taken in this regard?

Shri Pankaj Bora (Minister of Education) replied :

(a) 'No'

(b) Does not arise

(c) Does not arise

(d) Does not arise

বিষয় ঃ উদ্যোগ স্থাপন।

শ্রী প্রণৱ কলিতাই সুধিছে ঃ

২৪৪। মাননীয় উদ্যোগৰ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বর্তমানৰ চৰকাৰৰ কার্যকালত অসমত কিমানটা উদ্যোগ স্থাপন হ'ল?

(খ) ভৱিষ্যতে উদ্যোগ স্থাপনৰ কিবা আঁচনি লোৱা হৈছে নেকি?

শ্রী ভুৱনেশ্বৰ কলিতা (উদ্যোগ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) বর্তমান চৰকাৰৰ কার্যকালত অর্থাৎ ২০০১ চনৰ মে' মাহৰ পৰা ২০০২ চনৰ আগষ্ট মাহলৈ অসমত ২৯৯৫ টা উদ্যোগ স্থাপন কৰা হয়।

(খ) চলিত বিত্তীয় বর্ষত ৩০০০ টা ক্ষুদ্র উদ্যোগ স্থাপন কৰাৰ বাবে লক্ষ্য স্থিৰ কৰা হৈছে।।

উদ্যোগ স্থাপন কৰাটো আৰু ইয়াৰ উন্নতি কৰণৰ যতন কৰাটো উদ্যোগ বিভাগৰ অহৰহ প্ৰচেষ্টা চলি আছে। অসমৰ নতুন উদ্যোগ নীতিৰ খছৰা ইতিমধ্যে প্ৰস্তুত কৰি তোলা হৈছে। বৰ্তমান চৰকাৰে উদ্যোগ নিজাকৈ স্থাপন নকৰি উদ্যোগৰ বাবে আন্তঃগাঠনি প্ৰস্তুত কৰাৰ ওপৰত গুৰুত্ব দিছে।

বিষয় ঃ উদ্যোগ স্থাপন।

শ্ৰী পবীন্দ্ৰ ডেকাই সুধিছে ঃ

২৪৫। মাননীয় উদ্যোগৰ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনত নতুন উদ্যোগ স্থাপনৰ বাবে চৰকাৰে কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নেকি?

(খ) যদি কৰিছে, কেনেকুৱা ব্যৱস্থা গ্ৰহণ কৰিছে?

(গ) ৰাজ্যখনত ইতিমধ্যে স্থাপিত উদ্যোগ সমূহলৈ চৰকাৰে কি কি সুবিধা আগবঢ়াই আছে?

শ্ৰী ভুৱনেশ্বৰ কলিতা (উদ্যোগ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, কৰিছে।

(খ) বিনিয়োগৰ কাৰণে আলোচনা/সভা আদিৰ আয়োজন কৰা হৈছে। সময়ে সময়ে অসমৰ বাহিৰত আলোচনা চক্ৰ আয়োজন কৰি North East Industrial Policy আৰু অসমত উদ্যোগীত নীতিৰ আধাৰত আগবঢ়োৱা সা-সুবিধা প্ৰচাৰ কৰা হৈছে। নতুন উদ্যোগনীতি ২০০২ প্ৰস্তুত কৰি থকা হৈছে।

(গ) নতুন উদ্যোগ স্থাপন কৰিবলৈ আৰু পুৰণা উদ্যোগ সম্প্ৰসাৰণ/আধুনিকৰণ কৰিবলৈ উদ্যোগ বিভাগে ১৯৯৭ চনৰ উদ্যোগনীতি অনুসৰি উদগনীমূলক আঁচনি আগবঢ়াইছে আৰু

আঁচনিখ সুবিধাসমূহ জিলা উদ্যোগ কেন্দ্রৰ জৰিয়তে দিয়াৰ ব্যৱস্থা কৰা হৈছে।

তদুপৰি ভাৰত চৰকাৰৰ উত্তৰ পূব উদ্যোগ নীতি ১৯৯৭ চনৰ ব্যৱস্থা অনুসৰিও নতুন উদ্যোগলৈ পৰিবহণ বাজ-সাহার্য্যকে ধৰি অন্যান্য সুবিধা আগবঢ়োৱা হৈছে।

বিষয় ঃ বনাঞ্চলৰ মাটি কালি।

ডঃ ইদ্রিছ আলীয়ে সুধিছে ঃ

২৪৬। মাননীয় বন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমৰ বনাঞ্চলসমূহ মুঠ কিমান হেক্টৰ মাটিত বিয়পি আছে?

(খ) বন বিষয়াসকলে চৰ অঞ্চলত থিতাপি লোৱা গঢ়া খহনীয়াত আক্রান্ত লোকসকলক অবৈধভাবে উদ্ধেচ কার্য চলোৱাটো সঁচানে?

(গ) যদি সঁচা, চৰকাৰৰ ফালৰ পৰা ইয়াৰ কি ব্যৱস্থা লোৱা হৈছে?

শ্রীপ্রদ্যুৎ বৰদলৈ(বন বিভাগৰ ৰাজ্যিক স্বতন্ত্র মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) অসমৰ মুঠ বনাঞ্চল ২০২৭১ বর্গ কিঃ মিঃ বিয়পি আছে।

(খ) সঁচা নহয়। বনাঞ্চলত অবৈধভাৱে দখল কৰি থকা মানুহবোৰকহে বনাঞ্চলৰ পৰা উচ্ছেদ কৰা হৈছে।

(গ) প্রশ্ন নুঠে।

Sub : Man Killed by wild elephant

Shri Manilal Gowala asked :

247. Will the Minister of Forest (In- depepdent) be pleasod to state.

(a) Whether the Govt. Know about the Killing of man and depredation caused by the will elephants in patharkandi constituancy area under karimganj District?

(b) If so, the number of persons killed so far and demages of houses caused may be furnished with name

& address etc.

(c) What actoin the Govt. Has taken for payment of compenbation?

(d) What action the Govt. Proposes to contains the wild elephants to save life and property of citizens.

Shri Pradyut Bordoloi (Ministers of State Forest In Depertment) replied:

(a) Yes.

(b) A list of person killed by the wild elephants and number of houses damsges by the wild elephants during the year 2001-2002 and 2002-2003 (por the financial year-wise) is annexed at Annexure-I (See Annexure-XI)

(c) There is a provosion for payment of ex-gratia grant to the next of kin of the deceasod persons on receipt of postmortern report/police report from the legal claiment.

(d) To prevent the depredation in the affected areas, the forest staff along with the help of the villagers to scare away the wild elephants from the depredation areas using crackors, gune etc. Koonkie elepmhants are also engaged to drive away the wild elephants from the depredation area.

বিষয় ঃ উচ্ছেদিত হোৱা লোক।

শ্রীহেমন্ত তালুকদাৰে সুধিছে ঃ

২৪৮। মাননীয় বন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) পশ্চিম গুৱাহাটী সমষ্টিৰ অন্তর্গত বনাঞ্চলসমূহ বেদখলকাৰী ৰ পৰা মুক্ত কৰিবলৈ বন বিভাগেই সঠিক সীমা নির্ধাৰণ নকৰাকৈ বনাঞ্চলৰ গাতে

লাগি থকা ম্যাদী পট্টাৰ মাটিত বাস কৰা লোক সকলক কি ভিত্তিত উচ্ছেদ কৰিলে?

(খ) উচ্ছেদিত হোৱা লোকসকলৰ সংস্থাপনৰ কিবা কৰিছেনে?

(গ) বনবিভাগৰ উচ্চপদস্থ বিষয়া, কর্মচাৰী আৰু বন সুৰক্ষা বাহিনী থকা সত্ত্বেও বনাঞ্চলসমূহ কেনেকৈ বেদখল হ'বলৈ পালে?

শ্রীপ্রদুৎ বৰদলৈ (বন বিভাগৰ ৰাজ্যিক মন্ত্রী স্বতন্ত্র)য়ে উত্তৰ দিছে ঃ

(ক) কোনো এখন বনাঞ্চল সংৰক্ষিত কৰাৰ সময়ত ইয়াৰ সম্পূর্ণতাৰ সীমা নির্ধাৰণ কৰি দিয়া হয়। সেই মর্মে বন বিভাগৰ সংৰক্ষিত বনাঞ্চলৰ সীমাৰ ভিতৰত বেদখলকাৰীকহে উচ্ছেদ কৰিছে। বনাঞ্চলৰ বাহিৰৰ কোনো ম্যাদী পট্টা পোৱা লোকক উচ্ছেদ কৰা নাই।

(খ) উচ্ছেদিত হোৱা লোকসকলক সংস্থাপনৰ ব্যৱস্থা বন বিভাগৰ হাতত নাই।

(গ) বন বিভাগত থকা বন সুৰক্ষা বাহিনীৰ সংখ্য চাহিদা অনুযায়ী পর্যাপ্ত নহয়। তদুপৰি একাংশ বেদখলকাৰীক বনাঞ্চলৰ পৰা বাৰম্বাৰ উচ্ছেদ কৰি থাকিলেও তেওঁলোকে পুনৰ বেদখল কৰি বহি থাকে।

বিষয় ঃ শিক্ষক পদ নৰীকৰণ।

শ্রীৰামেশ্বৰ তেলিয়ে সুধিছে ঃ

২৪৯। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ১৯৯০ চনৰ ৩১ মার্চৰ আগতে অসমভিত্তিত নিযুক্তিপ্রাপ্ত ৯২৪৭ টা শিক্ষক পদ নর্মেলাইজ কৰা হ'ল যদিও আজি ১২ বছৰে উক্ত পদসমূহৰ নবীকৰণ কৰা নহ'ল, চৰকাৰে ইয়াৰ কি ব্যৱস্থা লৈছে?

(খ) তিনিচুকীয়া মহকুমাৰ ১৯৯১ চনত প্রাদেশীকৰণ কৰা প্রাথমিক বিদ্যালয়ৰ প্রতিষ্ঠাপক প্রধান শিক্ষকৰ বেতন কোনো কাৰণ নোহোৱাকৈ ২০০১ চনৰ জুন মাহৰ পৰা বন্ধ কৰি ৰাখিছে, এই বিষয়ত চৰকাৰ অৱগতনে, যদি হয়, কিয় এনে কৰা হৈছে।

শ্রীপংকজ ববা (শিক্ষা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ১৯৯০ চনৰ ৩১ মার্চৰ আগতে নিযুক্তিপ্রাপ্ত প্রাথমিক বিদ্যালয়ৰ

নৰমেলাইজ শিক্ষকসকলৰ নবীকৰণ ২০০২-২০০৩ বিত্তীয় বৰ্ষলৈ জিলা প্ৰাথমিক শিক্ষা বিষয়াসকললৈ পঠোৱা হৈছে।

(খ) হয়। নিয়মীয়া বেতনক্ৰমত প্ৰথম প্ৰতিষ্ঠাপক (1st founder) শিক্ষকসকলৰ পদসমূহ সৃষ্টি নোহোৱাৰ বাবে।

বিষয় ঃ ছাত্ৰ-ছাত্ৰীৰ দুপৰীয়াৰ আহাৰ।

শ্ৰী খলিলুৰ ৰহমান চৌধুৰীয়ে সুধিছে ঃ

২৫০। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ দুপৰীয়াৰ আহাৰৰ বাবদ প্ৰতি মাহে কিমান চাউলৰ প্ৰয়োজন হয় আৰু উক্তবাবদ কিমান টকা খৰচ হয়?

(খ) উক্ত চাউল প্ৰথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বৰ্ত্তমান সংখ্যা অনুপাতে দিয়া হয়নে, যদি হয়, প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে কিমান কিলোগ্ৰাম চাউল প্ৰতি মাহে দিয়া হয়।

(গ) হোজাই মহকুমাত কিমানখন প্ৰাথমিক বিদ্যালয়ত দুপৰীয়াৰ আহাৰ দিয়া হয়, বিদ্যালয়ৰ নাম, ছাত্ৰ-ছাত্ৰীৰ সংখ্যা, বিদ্যালয়ৰ নামৰ বিপৰীতে চাউলৰ পৰিমাণৰ সেতে বিতং তথ্য সদনক অৱগত কৰাবনে?

শ্ৰী পংকজ বৰা (শিক্ষা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) অসমৰ প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক দুপৰীয়া আহাৰৰ বাবদ প্ৰতি মাহে ৯৭, ০২, ৭৮৬ কেজি চাউলৰ প্ৰয়োজন হয়। উক্ত বাবদ টকাৰ খৰচৰ হিচাপৰ তথ্য বিচাৰ হৈছে।

(খ) উক্ত চাউল প্ৰাথমিক বিদ্যালয়ৰ চলিত বছৰৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা অনুপাতে দিয়া হয়। প্ৰতিজন ছাত্ৰ-ছাত্ৰীক মাহে ৩(তিনি) কিলোগ্ৰামকৈ চাউল দিয়া হয়।

(গ) তথ্য বিচৰা হৈছে।

Mr. Speaker :- Now Question hour is over.

* শ্রী গোপী নাথ দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, এম, এল,এ ডেভেলপমেণ্ট ফাণ্ডত বর্তমানে মাত্র ২০ লাখ টকা দিছে, এই ২০ লাখ টকাৰে মাননীয় সদস্যসকলে তেওঁলোকৰ সমষ্টিত ৰস্তা-ঘাট, স্কুল-কলেজ ইত্যাদি বিভিন্ন অনুষ্ঠান- প্রতিষ্ঠানৰ বাবদ হোৱা বৰ্ধিত খৰচ পূৰণ কৰিব পৰা হোৱা নাই। সমষ্টিৰ উন্নয়নৰ কাৰণে যথেষ্ট টকা-পইচা দৰকাৰ গতিকে বর্তমানৰ যিটো ২০ লাখ টকা এম, এল, এ ফাণ্ডত আমাৰ মাননীয় সদস্য সকলক দিয়া হৈছে এইটো কম হৈছে আৰু সেই কাৰণেই মাননীয় অধ্যক্ষ মহোদয়ে আপোনাৰ জৰিয়তে মাননীয় বিভাগীয় মন্ত্রী মহোদয়ক এই ২০ লাখ টকাটো ৫০ লাখ টকালৈ বৃদ্ধি কৰিবলৈ অনুৰোধ জনালো।

শ্রীদিলীপ কুমাৰ শইকীয়া ঃ চাৰ আপুনি ৰুলিং দিব লাগে

মাননীয় আধ্যক্ষ ঃ চৰকাৰে এইটো বিবেচনা কৰি চাব।

শ্রীহিমন্ত বিশ্ব শর্মা (বাজ্যিক মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয় এই বিষয়ে ইতিমধ্যে মাননীয় সদস্য শ্রীপবীন্দ্র ডেকা ডাঙৰীয়াই সদনত প্রস্তাৱ উত্থাপন কৰিছিল আৰু এই বিষয়ে বিভাগীয়ভাৱে বিবেচনা কৰি থকা হৈছে। পঞ্চায়তীৰাজ ব্যৱস্থা হোৱাৰ লগে লগে মাননীয় বিধায়কসকলৰ বহুতো সুবিধা হ্রাস পাইছে, আগতে বিভিন্ন শিতানত উন্নয়নৰ কামত বিধায়ক সকলৰ সমষ্টিত কাম কৰাৰ কাৰণে সুবিধা আছিল। কিন্তু এতিয়া সেই সুবিধা বিলাক কমি

---

* Speech not corrected

আহিছে কিন্তু মাননীয় বিধায়কসকলৰ নিজ সমষ্টিৰ উন্নয়নৰ বেলিকা যথেষ্ট দায়বদ্ধতা আছে, সেই কাৰণে এই বিষয়টো পৰীক্ষা কৰা হৈছে। আমাৰ আন এটা ডাঙৰ অসুবিধা হৈছে আমাৰ যিটো আন-টাইড ফাণ্ড এইটো অতি সীমিত আৰু সীমিত পুঁজিৰ পৰা বিধায়কসকলক এম, এল, এ ডেভেলপমেণ্টৰ টকা দিব লগা হৈছে। গতিকেই আনঠাইত ফাণ্ডৰ টকাও বা পুঁজিটো বৃদ্ধি কৰিব লাগিব। ইতিমধ্যে বার্ষিক পৰিকল্পনা প্রস্তুত হৈ গৈছে। গতিকে এই বিত্তিয় বছৰত সেইটো সম্ভৱ হৈ নুঠিল। কিন্তু অহা বিত্তিয় বছৰত মাননীয় বিধায়ক সকলক সকাহ দিয়াৰ কাৰণে আনঠাইত ফাণ্ডটো বঢ়াই দিয়াৰ সম্পর্কত এই বিষয়টো যথেষ্ট গুৰুত্ব সহকাৰে বিবেচনা কৰা হ'ব।

শ্রীচন্দন কুমাৰ সৰকাৰ ঃ বিৰোধী দল শাসক দল সকলো দলৰ মাননীয় সদস্য সকলে এই বিষয়টোৰ যাতে সমর্থন কৰে তাৰ কাৰণে অনুৰোধ জনাইছো।

মাননীয় অধ্যক্ষ ঃ এইটো বিবেচনা কৰি চাব।

* **শ্রীগিৰীন্দ্র কুমাৰ বৰুৱা ঃ** এই সম্পর্কত আমি এটা প্রস্তাৱ লব লাগে।

মাননীয় অধ্যক্ষ ঃ মাননীয় মুখ্য মন্ত্রী মহোদয়ৰ লগত আলোচনা কৰি গোটেই বিষয়টো চালি জাৰি চাই বিবেচনা কৰিব বুলি বিভাগীয় মন্ত্রীক অনুৰোধ জনোৱা হৈছে।

* **শ্রীহিতেন্দ্রনাথ গোস্বামী ঃ** পইণ্ট অব অর্ডাৰ ৰাজ্যিক গৃহ মন্ত্রীয়ে কালি উত্তৰ দিছে আৰু তেখেতে কৈছিল মৌচুমী গোহাই নামৰ মহিলা গৰাকী

* Speech not corrected

আঘাতপ্রাপ্ত হৈ ১২ বজাত ৰিলিজ নিজে নিজে লৈ আহিছে। ৰাজ্যিক গৃহমন্ত্রীক ভুল তথ্য যোগান ধৰিছে। মেডিকেল কলেজত দিচচার্জ ৰিপোর্টত চিটি স্কেন আনিব লগা হৈছে। চিটি স্কেন কৰিব নোৱাৰে ২ হাজাৰ টকা লাগে। ড্ৰিগড়লৈ যাবলৈ বিচাৰিছে। নিউৰলজিকেলৰ লগত যোগাযোগ কৰিছে। যি ভুল তথ্য দিছে তেওঁৰ ওপৰত বিহিত ব্যৱস্থা লব লাগে। এইটো সমস্যা সমাধান কৰা নাই।

* **শ্রীপবিত্র ডেকা** ঃ এই বিলাক কি ঘটনা ঘটিছে। তাত হাস্পাতালত আঘাতপ্রাপ্ত হৈ পৰি আছে। কি পৰিস্থিতিত গুলী চালনা কৰিব লগা হ'ল আৰু কেন্দুৰা গেচ দিব লগা হ'ল এই সম্পর্কত বিবৃতি দিবলৈ অনুৰোধ জনাইছো।

মাননীয় অধ্যক্ষ ঃ মাননীয় সদস্যসকলক এটা কথা জনাই থওঁ ১১ বজাত আৰাৰ শেষ কৰিব লাগিব। তাৰ পিছত চেঞ্চন মচন আলোচনা। মাননীয় সদস্যসকলক অনুৰোধ কৰিব বিচাৰিছো যিমান পৰা যায় চমু কৰিব।

* **শ্রীপবিত্র ডেকা** ঃ বিষয়টো জৰুৰী কিবা এটা কওক।

* **শ্রীভৰত চন্দ্র নৰহ** ঃ (সংসদীয় পৰিক্রমা মন্ত্রী ঃ ৰলত নাই।

* **শ্রীপবিত্র ডেকা** ঃ মুখ্য মন্ত্রীয়ে কিবা এটা কওঁক।

* **শ্রীবৃন্দাবন গোস্বামী** ঃ বিষয়টো উৎথাপন কৰিছে। ৰুলৰ অসুবিধা হৈছে। এইটো অতি গুৰুত্বপূর্ণ বিষয়। এই বিষয়টো যাতে আলোচনা কৰিব পাৰি।

---

* Speech not corrected

Mr. Speaker.: I have received as many as 19 Zero Hour Notice for today in the mane of The following Honourable Members: Shri Chandan Kumar Sarker, Sarbananda Sonwal, Jagadish Bhuyan, Dilip kumar saikia, Sarbananda Choudhury, Utpal Dutta, Dr. Idris Ali, Gunin Hazarika, Pranab Kalita, Remeswar Teli, Prafulla Kumar Mahanta Hitendra Nath Goswami, Girindra kumar Barua, Brindaban Goawami, Bhupen Roy, Smti. Pramila Rani Brahma.As per rules I have secleted three notices for diccussion Now I request the menber shri Sarbananda Sonowal to raise his Zero Hour Motion which was published in Dainik Asom dt 7,10 02 uada the under "চাই উদ্যোগৰ সংকট সংসদী দলৰ অসম ভ্ৰমণ"

* শ্ৰীসৰ্বানন্দ সোণোৱাল ঃ অধ্যক্ষ মহোদয়, যোৱাকালি দৈনিক অসম বাতৰি কাকতত প্ৰকাশ পাইছিল চাহ উদ্যোগৰ সংকট সংসদী দলৰ অসম ভ্ৰমন । এই বিষয়টো অতি গুৰুতৰপুৰ্ণ বিষয় আৰু আলোচনাৰ কাৰণে আনিছো । অসমৰ চাহ উদ্যোগৰ কথা অসমৰ প্ৰতিজন মানুহে জানে । চাহ উদ্যোগৰ বৰঙণি, বিশ্ব মানচিত্ৰত যোৱা ডেৰশ বছৰে কি ভূমিকা পালন কৰি আহিছে তাক সকলোৱে জানে। এই উদ্যোগসমুহে ৰাজ্যখনৰ ৪০ শতাংশ মানুহৰ দুবেলা দুমুঠিৰ বাবে উপাৰ্জনৰ পথ নিশ্চিত ভাবে প্ৰদান কৰি আহিছে। এই উদ্যোগটোৰ লগত লাখ লাখ চাহ শ্ৰমিক জড়িত হৈ আছে। এই উদ্যোগৰ বাবে অসমৰ ৫০ শতাংশ অসমৰ বিভিন্ন ঠাইত চহৰ বিলাক গঢ়ি উঠিছে। এই চাহ উদ্যোগৰ বিশেষ ভূমিকা আৰু ৰৰঙণি আছে। আৰ্থ সামাজিক দিশত চাহ উদ্যোগ শক্তিশালী ভূমিকা পালন কৰি আহিছে। বিশ্বৰ মানচিত্ৰত চাহ উদ্যোগৰ

---

* Speech not corrected

জড়িয়তে চাহ উদ্যোগ জড়িত হৈ আছে। উন্নত মানদণ্ডৰ চাহ উৎপাদন কৰাৰ কাৰণে অসমৰ বিশেষ স্থান আছে।এই উদ্যোগটোক অৱহেলা কৰি আহিছে। এই উদ্যোগটোৰ জৰিয়ত সমগ্ৰ অসমখনত বেপাৰ বাণিজ্য, উদ্যোগৰ ক্ষেত্ৰত অসম সক্ষম হৈছে। চৰকাৰৰ ৰাজহৰ ভঁৰাল টনকিয়াল কৰাত বিশেষ বিশেষ বৰঙণি আগবঢ়াইছে। গতিকে আজি যদি চাহ উদ্যোগৰ ক্ষেত্ৰত কিবা সংকট হয় তেতিয়াহলে নিশ্চিত ভাবে আমাৰ ৰাজ্যখনৰেই সংকট হ'ব। অসমত বসবাস কৰা প্ৰতিজন মানুহে ইয়াৰ পৰা জীয়াতু ভুগিব লাগিব। সেয়েহে এই উদ্যোগ জীয়াই ৰখাৰ ক্ষেত্ৰত আমি নিৰাপত্তা প্ৰদান কৰিব লাগিব। এইটো ক্ষেত্ৰত আমাৰ দায়িত্ব প্ৰথম আৰু প্ৰধান বুলি গণ্য কৰা উচিত। ৰাজ্য চৰকাৰৰ ফালৰ পৰা এই উদ্যোগৰ ক্ষেত্ৰত যোৱা ৫৫ বছৰ ধৰি যেনে ধৰণে দায়িত্ব লব লাগিছিল তেনেধৰণে লোৱা পৰিলক্ষিত নহ'ল। মই ভাবো চাহ শ্ৰমিক আৰু চাহ উদ্যোগৰ বিষয়টো মূল বিষয় হোৱা উচিত। আজি এই উদ্যোগৰ অৱস্থা এনেকুৱা হ'ব নালাগে। এইটো প্ৰথম বিষয় আৰু মুখ্য বিষয় হিচাপে গণ্য কৰা উচিত। আজি এই উদ্যোগে অসমৰ ৰাজহৰ ক্ষেত্ৰত এটা উল্লেখযোগ্য বৰঙণি আগবঢ়াই আহিছে। জাতীয় সংস্কৃতিৰ ক্ষেত্ৰতো চাহ জনগোষ্ঠীৰ লোকসকলৰ লগত এটা পোনপটীয়া সম্বন্ধ আছে। অসমৰ জাতীয় সংস্কৃতিৰ লগতে চাহ জনগোষ্ঠীৰ এই লোক সংস্কৃতিয়ে বিশ্বৰ মানচিত্ৰত প্ৰদৰ্শন হৈছে। সেই কাৰণেই মই ৰাজ্যখনৰ বৃহত্তৰ স্বাৰ্থত এই চাহ উদ্যোগৰ ক্ষেত্ৰত বিশেষ ভাবে গুৰুত্ব প্ৰদান কৰিবলৈ ৰাজ্য চৰকাৰক আহ্বান জনাইছো। এই উদ্যোগৰ ক্ষেত্ৰত আজি বহু সমস্যা আহি পৰিছে। সেয়েহে আজিৰ তাৰিখত ৰাজ্য চৰকাৰে এই উদ্যোগৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ ভিত্তিত প্ৰথম স্থান দিব লাগে। আমি চাহ উদ্যোগৰ সম্পৰ্কত বাতৰি কাকতত বিভিন্ন বাতৰি প্ৰকাশ হোৱা দেখিবলৈ পাইছো। চাহ শ্ৰমিক সকলে কেওঁলোকৰ প্ৰাপ্য দৰমহা আদায়ৰ ক্ষেত্ৰত, বোনাচ আদি আদায়ৰ ক্ষেত্ৰত মূৰ

ঘমাব লগীয়া হৈছে। চাহ উদ্যোগ আৰু চাহ শ্রমিক সকলৰ সকলৰ প্রতি লক্ষ্য ৰাখি কেন্দ্রীয় চৰকাৰৰ ফালৰ পৰা কেইবাখনো আইন প্রণয়ণ কৰা হৈছে। চাহ শ্রমিক সকলে উন্নত ভাৱে জীৱন যাপন কৰাৰ কাৰণে বহুতো আইন প্রণয়ন কৰা হৈছে যদিও চাহ বাগানৰ মালিক পক্ষই সেই আইন বিলাক কার্যকৰী নকৰাৰ কাৰণে চাহ শ্রমিকসকলে কষ্ট ভোগ কৰিবলগীয়া হৈছে। তেওঁলোকে বোনাচ আদি প্রাপ্য সা-সুবিধা আদায়ৰ কাৰণে আন্দোলন কৰিবলগীয়াও হৈছে। এই উদ্যোগটো অধিক মন্ত্রীয়ে উত্তৰ পূর্ব্বাঞ্চলৰ বিভিন্ন ৰাজ্য ভ্রমণ কৰোতে তেওঁলোকে কিছুমান পেকেজৰ কথা ঘোষণা কৰিছিল। সেই সময়ৰ মাননীয় প্রধান মন্ত্রী ভি, পি, সিং. দেৱ গৌড়া, আই, কে গুজৰাল আৰু বর্তমান প্রধান মন্ত্রী অটল বিহাৰী বাজপেয়ী ডাঙৰিয়াই উত্তৰ পূর্ব্বাঞ্চলৰ উন্নয়নৰ কাৰণে বহুতো ইকোনোমিক পেকেজ ঘোষণাক কৰিছিল যদিও চাহ শ্রমিক আৰু চাহ উদ্যোগৰ ক্ষেত্রত কোনো পেগেজ ঘোষনা কৰা নাছিল । এতিয়াও উত্তৰ পুবৰাঞ্চলৰ চাহ উদ্যোগৰ কাৰণে বিশেষ চাহ মন্ত্রাণালয় গঠন কৰা নহল । আজি যদি চাহ মন্ত্রণালয় গঠন কৰা গলেহেঁতেন তেতিয়াহ'লে বৈজ্ঞানিক দৃষ্টিভঙ্গীৰে কেনে ধৰণে এই উদ্যোগটো বিশ্বৰমান চিত্রত শক্তিশালী কৰি তুলিব পাৰি এই কথাটো লক্ষ্য কৰিব পৰা গলহেঁতেন। আমাৰ অসম চৰকাৰৰ মাননীয় মুখ্যমন্ত্রী ডাঙৰীয়াই এই উদ্যোগৰ সম্পর্কত আগতে বহুতো গুৰুত্বপূর্ণ বিবৃতি প্রকাশ কৰিছে। মই বিশ্বাস ৰাখিছো অসম চৰকাৰে এইটো ক্ষেত্রত গুৰুত্ব দিব আৰু গোটেই বস্তুটো চোৱা চিতা কৰিব আৰু বিশ্বৰ দৰবাৰত এই চাহ উদ্যোগটোৱে যাতে এটা উল্লেখযোগ্য ভূমিকা পালন কৰিব পাৰে তাৰ কাৰণে ব্যৱস্থা লব।

*** শ্রীতৰুণ গগৈ (মুখ্যমন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সোণোৱাল ডাঙৰীয়াই

---

* Speech not corrected

যিটো কথা কৈছে আমাৰ অসমখন মেইনলি টি ইণ্ডাষ্ট্ৰীৰ ওপৰত নিৰ্ভৰ কৰে এইটো ঠিক। মই মুখ্যমন্ত্ৰী হেয়েই প্ৰথমেই কলিকতালৈ গৈ যিসকল টি ইণ্ডাষ্ট্ৰিয়েলিষ্ট আছে, যিসকল কেপ্টেইন অৰ দি টি ইণ্ডাষ্ট্ৰীজ তেখেতসকলক মই নিজে কৈছিলো tea garden is facing a crises কাৰণ অসমৰ ইকোনমি নিৰ্ভৰ কৰে টি ইণ্ডাষ্ট্ৰীৰ ওপৰত। তোমালোকৰ কালি প্ৰফিট হবও পাৰে নহবও পাৰে। তেতিয়াও তেওঁলোকে চিৰিয়াচলি লোৱা নাছিল। তেওঁলোকে ভাবিছিল এইটো চাইকেল। এনেকুৱা আগতেও হয়। ভাবিছিল এই বছৰ ইমপ্ৰোভ হ'ব। মই মুখ্যমন্ত্ৰী হেয়েই কলিকতাত গৈ তেওঁলোকক কিছুমান কথা কৈছিলো। মই ইয়াৰ দুবছৰমান আগৰ পৰাই এই কথাবিলাক কৈ আছো। কাৰণ Iam more worried than you ক্ৰাইচিচ কি কাৰণে ফেচ কৰিছে। কথাটো হৈছে এতিয়াও শ্ৰীলঙ্কাৰ পৰা টি আহিছে। তেওঁলোকে নিউ প্ৰডাকচন কৰিছে। কেনিয়াৰ পৰা টি আহিছে, ইন্দোনেচিয়াৰ পৰা টি আহিছে, চীনৰ পৰা টি আহিছে। তেওঁলোকৰ পাৰ হেক্টৰ প্ৰড়াকচন আমাতকৈ বেছি। তেওঁলোকৰ কোৱালিটি বেছি ভাল আৰু তেওঁলোক কষ্ট অৰ প্ৰডাকচন কম। সেই হিচাপে আমাৰ ইণ্ডাষ্ট্ৰীৰ যিসকল কেপ্টেইনচ আছিল তেওঁলোকেই হওক বা গবৰ্ণমেণ্টই হওক এইটো ৰিয়েলাইজ কৰা নাছিল। তেওঁলোকে ৰিপ্লেণ্টেচন কৰা নাই, তেওলোকে আজি নিউ কলং মেথডত কৰা নাই, নিউ চাইনটিফিক মেথডত কৰা নাই। নিউ ৰিচার্জ কৰা নাই ,ফলত গোটেই ইণ্ডাষ্ট্ৰীটো আজি লাহে লাহে এনেকুৱা অৱস্থাত পৰিণত হৈছে। মই নাম নকও, যিসকলে টি ইণ্ডাষ্ট্ৰী খুব ভালকৈ চলাই আছিল দুবছৰমান আগতে মই তেওঁলোকক কৈছিলো আপোনালোকৰ বিপদ হ'ব। তেতিয়া তেওঁলোকে কৈছিল টি ইণ্ডাষ্ট্ৰী খুব ভাল চলিছে। কিন্তু তেওঁলোকে পিছত কৈছে যে আমাৰ বিপদ হৈছে। মই এতিয়া কোৱা নাই, দুবছৰ আগতে ডাঙৰ ডাঙৰ টি ইণ্ডাষ্ট্ৰীয়েলিষ্টসকলক এই কথা কৈছিলো। তেওঁলোকে এই সম্পৰ্কত ষ্টাদি কৰা নাই। বেলেগ বেলেগ

কাউণ্ট্রিত নিউ ৰিচার্চ হৈছে, নিউ চিন্তা চর্চা হৈছে। চো—আমাৰ গৱর্ণমেণ্টৰ গাতো দোষ আছে। আমাৰ যিসকল টি ইণ্ডাষ্ট্রীয়েলিষ্ট আছিল বা যিসকল মালিক আছিল তেওঁলোকৰ লগতো মই এবাৰ নহয়, দুবাৰ নহয় তিনিবাৰ মিটিং কৰিছো। ইনিচিয়েলী তেওঁলোকে এইটো চাইকেল বুলি ভাবিছিল। এইবাৰ ইমপ্রোভ হ'ব। মই কৈছো যেতিয়ালৈকে পাঁৰ হেক্টৰ প্রডাকচন নেবাঢ়ে তেতিয়ালৈকে ইমপ্রোভ নহয়। তাৰ ২৫ হেক্টৰ আমাৰ ইয়াত ৮ হেক্টৰ, কৰবাত ১২০০ হেক্টৰো হ'ব পাৰে। এতিয়াও দুই চাৰি খনমান বাগান ভাল চলাইছে। মই নাই চলা বুলি কোৱা নাই। এতিয়াও অসমৰ সৰু সৰু বাগান আছে সেই বাগানৰ মালিকসকলে কেতিয়াবা ভালেই চলাইছে কি কাৰণে তেওঁলোকে ভালকৈ চলাইছে? তেওঁলোকে চলোৱা কাৰণটো হ'ল তেওঁলোকৰ কোৱালিটি বেটাৰ, ৰিপ্লেণ্টেচন কৰিছে, তেওঁলোকে পাঁৰ হেক্টৰ বেছি প্রডাকচন কৰিছে। দুই-চাৰিখন চাহ বাগানৰ বাহিৰে আজি প্রায়বিলাক বাগানৰেই অৱস্থা বেয়াৰ ফাললৈ গৈছে। এই কাৰণেই মই এই গোচেই ইণ্ডাষ্ট্রীটোৰ সম্পর্কত নিজেই চেণ্ট্রেল গৱর্ণমেণ্টৰ প্রাইম মিনিষ্টাৰক কৈ আহিছোঁ। আমাৰ ৰাজ্যৰখনে এগ্রিকালচাৰ টেক্স পাইছে ১১৫ কোটি টকা। এতিয়ালৈকে আমি ১৫ কোটি টকা পাইছো। চাওক, কি অৱস্থা হৈছে। আজি আমাৰ এই অৱস্থা হৈছে আৰু লাহে লাহে আমি কিহলৈ আহিছো মই ফাইনেন্স মিনিষ্টাৰ হিচাপে এভৰি মিটিঙত কৈছো ক্রাইচিচটো ক'ত হৈছে। এই ক্রাইচিচটো ক'ত আছে। মই কেন্দ্রীয় চৰকাৰৰ লগত মিটিং কৰিছো, কেন্দ্রীয় চৰকাৰৰ এডিচনেল চেক্রেটাৰীৰ লগতো আলোচনা কৰিছো, কমার্চ মিনিষ্ট্রিৰ লগতো আলোচনা কৰিছো আৰু টি বর্ডোৰ লগতো এই সম্পর্কত কথা পাতিছো। ৰিপ্লেণ্টেচন যদি নকৰে তেতিয়াহলে প্রডাকচন কেনেকৈ বেছি হ'ব? তাৰ কাৰণে এতিয়া গৱর্ণমেণ্ট অৰ ইণ্ডিয়াৰ ব্যৱস্থা কমার্চ মিনিষ্ট্রিৰ ফালৰ পৰা মড়ার্ণাইজেচনৰ কাৰণে, মার্কেটিঙৰ কাৰণে ব্যৱস্থা

কৰিছে। আমাৰ ইয়াত মার্কেটিং কৰা নাই। শ্রীলংকা এখন সৰু দেশ মার্কেটিঙত তেওঁলোক বহুত আগুৱাটি গৈছে। marketing is more important আজি কোকো কোলাই কিয় দেখুৱাই কৰি থাকে। কিন্তু সেই মোনোপলি নাই। হয়, এসময়ত আমাৰ টি মোনোপলি হৈ আছিল। কিন্তু আজি কম্পিটিচন হৈ আছে। এই কম্পিটিউচনৰ লগত টি ইণ্ডাষ্ট্রী যাব লাগিব গবর্ণমেণ্টো যাব লাগিব। মই এইটো এবাৰ নহয় দুবাৰ নহয় কেইবাবাৰো ৰিয়েলাইজ কৰিছো। এতিয়াও লাহে লাহে ৰিয়েলাইজ কৰিছো। সেই কাৰণে গবর্ণমেণ্ট অৰ ইণ্ডিয়াই এই ক্ষেত্ৰত কি মিজাৰ লৈছে। ৰিপ্লেণ্টেচন যদি নকৰে, ৰিচার্চ যদি নকৰে, পাৰ হেক্টৰ যদি প্রডাকচন বঢ়োৱা নহয়, কোষ্টটো যদি কমোৱা নহয়, মার্কেটিং যদি কৰা নাযায় তেতিয়াহলে আমাৰ টি ইণ্ডাষ্ট্রীটো ভাল নহ'ব। মই আমাৰ টি ইণ্ডাষ্ট্রীয়েলিষ্টসকলক কৈছো। আমাৰ বহুখিনি কন্সিচন হৈ গ'ল। আমাৰ টি কিনিবই। এই কমপ্লেক্সটো এতিয়া গুচি যাব লাগিব। এই ক্ষেত্ৰৰ আমাৰ গবর্ণমেণ্ট সজাগ, মই নিজেও সজাগ। এই বিষয়ে ৰেষ্টবেংগল গবর্ণমেণ্টৰ লগতো কথা পাতিছো। সেই কাৰণে এইটো নহয় যে অসম গবর্ণমেণ্ট সজাগ নহয়। আমি ভেৰি এলার্ট কাৰণেই আমাৰ ফিউচাৰ ডিপেণ্ড কৰিছে এই টি ইণ্ডাষ্ট্রীৰ ওপৰত।

Mr. Speaker : I now call upon Hon'ble member shri Chandan Kumar Sakar to raise his Zero Hour mation which was published in "Asomiya Pratidin dt. 6.10.02 under the caption " ৰঙিয়া ৰেল ডিভিজনৰ বিৰুদ্ধে ষড়যন্ত্ৰ- আলিপুৰদুৱাৰত বিক্ষোভৰ প্রস্তুতি"।

* শ্রীচন্দন কুমাৰ সৰকাৰ ঃ মাননীয় অধ্যক্ষ মহোদয়, ২০০২ চনৰ ৬ অক্টোবৰ তাৰিখে প্রতিদিন বাতৰি কাকতত প্রকাশিত "ৰঙিয়া ৰেল ডিভিজনৰ

---

* Speech not corrected

বিৰুদ্ধে ষড়ন্ত্ৰ আলিপুৰ দুৱাৰত বিক্ষোভৰ প্ৰস্তুতি শীৰ্ষক" বাতৰিটোৰ প্ৰতি মই আমাৰ চৰকাৰৰ প্ৰতি আপোনাৰ জৰিয়তে দৃষ্টিগোচৰ কৰিব বিচাৰিছো। মই নাম নকও, পশ্চিমবঙ্গৰ কেইবাজনো মন্ত্ৰী আৰু এম, এল, এ এই ক্ষেত্ৰত জড়িত আছে। কেন্দ্ৰীয় চৰকাৰে ৰঙিয়াত ৰেলডিভিজন হোৱাৰ কাৰণে প্ৰস্তুতি চলাইছে আৰু ১২০০ মান কৰ্মচাৰী ইয়াত আহিবৰ কাৰণে নটিচ দিছে। কিন্তু পশ্চিমবঙ্গ চৰকাৰে এনেকুৱা ভাৱে ষড়যন্ত্ৰত নামিছে যে ৰেল ডিভিজন ৰঙিয়াত হ'বলৈ কেতিয়াও নিদিয়ে। এই ক্ষেত্ৰত মই মাননীয় অধ্যক্ষ মহোদয় আপোনাৰ জৰিয়তে সদনৰ দৃষ্টি আকৰ্ষণ কৰিছো আৰু মাননীয় মুখ্যমন্ত্ৰীৰো দৃষ্টি আকৰ্ষণ কৰিছো ৰঙিয়াত ৰেলডিভিজন স্থাপনত যদি পশ্চিমবঙ্গ চৰকাৰ বা অন্য কোনোবাই বিধি-পথালি দিয়ে তাক সজোৰে ওফৰাই দিয়াৰ ব্যৱস্থা কৰি ৰঙিয়াত ৰেলডিভিজন স্থাপন কৰে।

* **শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা ৬ তাৰিখৰ অসমীয়া প্ৰতিদিনত যিটো বাতৰি প্ৰকাশ পাইছে, এই বিষয়টোত অসম তথা সমগ্ৰ উত্তৰ-পূৰ্ব্বাঞ্চলৰ উন্নয়নৰ বিষয়টো ইয়াৰ লগত জড়িত হৈ আছে। ৰঙিয়াত ৰেল ডিভিজন স্থাপনৰ বিষয়টোত যোৱা চৰকাৰৰ কেবিনেট মন্ত্ৰী শ্ৰীথানেশ্বৰ বড়ো ডাঙৰীয়াই বহুত চেষ্টা কৰিছিল। তেখেতে কেবাবাৰো নতুন দিল্লীলৈ গৈ কেন্দ্ৰীয় চৰকাৰৰ ৰেল মন্ত্ৰী আৰু উচ্চ পৰ্যায়ৰ ৰেল বিষয়াৰ লগতো আলোচনা তথা মিটিং কৰিছিল। তেতিয়া কেন্দ্ৰীয় চৰকাৰৰ ৰেল মন্ত্ৰীয়ে ৰঙিয়াত নতুনকৈ ৰেলডিভিজন স্থাপন হ'ব বুলিও কমিটমেণ্ট দিছিল। এতিয়া বাতৰিত প্ৰকাশ পাইছে যে ৰঙিয়াত ৰেল ডিভিজন স্থাপনৰ বিৰুদ্ধে আলিপুৰদুৱাৰত বিক্ষোভ হৈছে—ইয়াৰ মাজত পশ্চিমবঙ্গ চৰকাৰৰ ষড়যন্ত্ৰৰ কথাও প্ৰকাশ পাইছে। অধ্যক্ষ মহোদয়, ৰঙিয়াত ৰেল ডিভিজন স্থাপন হলে অসমৰ কিছু

---

* Speech not corrected

নিবনুৱাই চাকৰি পাব, অসমৰ আৰ্থিক অৱস্থা কিছু পৰিমাণে হলেও উন্নত হ'ব, যাতায়াতৰ সুবিধা হ'ব—লগতে অন্যান্য সা সুবিধাও বৃদ্ধি পাব। অসমৰ উন্নয়নৰ স্বাৰ্থৰ লগত জড়িত এই বিষয়টোত চৰকাৰে কঠোৰ দৃষ্টিভঙ্গী গ্ৰহণ কৰিব লাগিব। ৰঙিয়াত ৰেল ডিভিজন স্থাপনত কোনোবাই বাধা দিয়াৰ চেষ্টা কৰিলে, অসম চৰকাৰে তাৰ ওপৰত কঠোৰ ব্যৱস্থা গ্ৰহণ কৰি সেই ষড়যন্ত্ৰ বিফল কৰি ৰঙিয়াত ৰেল ডিভিজন স্থাপনৰ বাবে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ গ্ৰহণ কৰিব লাগিব। ইয়াৰ কাৰণে মই চৰকাৰক আনুৰোধ জনাইছো।

* **শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী ঃ** মাননীয় আধ্যক্ষ মহোদয়, ৰঙিয়াত ৰেল ডিভিজন স্থাপনৰ ক্ষেত্ৰত যাতে কোনেও হকাবধা দিব নোৱাৰে, তাৰ বাবে চৰকাৰে কঠোৰ আৰু দৃঢ় পদক্ষেপ গ্ৰহণ কৰি ৰঙিয়াত যাতে সোনকালেই ৰেল ডিভিজন স্থাপন কৰা হয় তাৰ ব্যৱস্থা কৰিব লাগে।

* **শ্ৰী ভুৱনেশ্বৰ কলিতা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰঙিয়াত ৰেল ডিভিজন স্থাপনৰ এই দাবীটো অসমৰ ৰাইজে, ৰঙিয়াৰ ৰাইজে তিনিটা দশক জুৰি কৰি অহা দাবী। এইটো এটা অতি গুৰুত্বপূৰ্ণ দাবী কৰি যোৱা তিনিটা দশত জুৰি অসমৰ ৰাইজে এই দাবী ৰেলৱেৰ ওচৰত উত্থাপন আহিছে। আৰু এই দাবীৰ পৰিপ্ৰেক্ষিততে ৰেলেৱে মন্ত্ৰালয়ে ৰঙিয়াত এটা নতুনকৈ ৰেল ডিভিজন স্থাপন কৰা হ'ব বুলি সিদ্ধান্ত গ্ৰহণ কৰিছে। এতিয়া ৰঙিয়াত ৰেল ডিভিজন স্থাপনৰ বিৰুদ্ধে আলিপুৰদুৱাৰত বিক্ষোভ চলিছে, পশ্চিমবঙ্গ চৰকাৰে ইয়াৰ বিৰুদ্ধে ষৰযন্ত্ৰ চলাইছে বুলি বাতৰি প্ৰকাশ পাইছে। এই ষড়যন্ত্ৰ অসমৰ ৰাইজে, চৰকাৰে কঠোৰভাবে বন্ধ কৰিব। এই ষড়যন্ত্ৰ ওফৰাই দিব ৰঙিয়াৰ ৰাইজে। এই দাবী

---

* Speech not corrected

অসমৰ ৰাইজে যোৱা তিনিটা দশক জুৰি কৰি আহিছে। ইয়াৰ পৰিপ্রেক্ষিতত ১৯৯৫ চনত তেতিয়া ৰাজ্যিক ৰেল মন্ত্রী শ্রীসুৰেশ কামাল্ডিয়ে ৰঙিয়াত এই নতুন ৰেলৰে ডিভিজনৰ আধাৰশিলা স্থাপন কৰে। লগতে ৰেল ডিভিজনৰ কাম অতি সোনকালে সম্পূর্ণ কৰা হ'ব বুলিও মন্ত্রীজনে আশ্বাস দিছিল। পিছৰ সময়ছোৱাত বিভিন্ন অনুসন্ধান, বিভিন্ন খুটিনাটি দূৰ কৰাৰ ব্যৱস্থা চলি থাকিল। মাজতে বহুত সময় পাৰ হৈ গ'ল। ২০০১ চনত আমাৰ কংগ্রেছ চৰকাৰ শাসনলৈ আহিল। আমাৰ মুখ্যমন্ত্রীয়ে কেন্দ্রীয় চৰকাৰৰ ৰেলৰে বিভাগৰ মন্ত্রী শ্রীনীতিশ কুমাৰৰ লগত ৰঙিয়াত ৰেল ডিভিজন স্থাপন কৰাৰ সম্পর্কত কেইবালানিও আলোচনাত মিলিত হয়। অসমৰ ৰাইজৰ যোৱা তিনি দশক জোৱা এই দাবীৰ বিষয়ে তেখেতক অৱগত কৰিলে, যুক্তি সহকাৰে তেখেতক বুজালে আৰু অতি সোনকালেই ৰঙিয়াত এটা ৰেল ডিভিজন স্থাপন কৰিবলৈ অনুৰোধ জনালে। অৱশেষত কেন্দ্রীয় ৰেল মন্ত্রীয়ে ৰঙিয়াত এটা ৰেল ডিভিজন স্থাপন কৰা হব বুলি ঘোষণা কৰিলে। লগতে এই ডিভিজন অহা ২০০৩ চনৰ ১ এপ্রিল তাৰিখৰ পৰা কার্যকৰী কৰা হ'ব বুলি ঘোষণা কৰিলে। ইয়াৰ কাম আৰম্ভ কৰা হ'ব উক্ত তাৰিখৰ পৰা। আমাৰ চৰকাৰেও ইতিমধ্যে ৰেলৰেক এই ডিভিজন স্থাপনৰ কাৰণে প্রয়োজনীয় মাটি দিয়াৰ ব্যৱস্থা কৰিছে ৰেলৰে মাটি অধিগ্রহণ কৰিব। অহা ২০০৩ চনৰ ১ এপ্রিল তাৰিখৰ পৰা ৰঙিয়াত নতুন ৰেল ডিভিজনৰ বাবে, অস্থায়ীভাবে কাম চলোৱাৰ কাৰণে যদি অস্থায়ী ঘৰ-দুৱাৰ লাগে তাৰ বাবেও আমাৰ চৰকাৰে ব্যৱস্থা কৰি দিব বুলি ৰেলেৰেৰ লগত যোগাযোগ কৰিছে। সেয়ে মই কব খুজিছো যে ২০০৩ চনৰ ১ এপ্রিল তাৰিখৰ পৰা ৰঙিয়াত নতুন ৰেল ডিভিজনৰ কাম আৰম্ভ হ'ব। পশ্চিমবঙ্গ চৰকাৰ বা আনে ইয়াত প্রতিবন্ধকৰ সৃষ্টি কৰিলে

তাক চৰকাৰে দৃঢ়ভাবে ওফৰাব।

Mr. Speaker :- Now I call upon the Honble Members Shri Chandan Kumar Sarshar, Paniram Rabha, Sri Ajit Singh, Sri Basanta Das, Sri Rana Goswami, Sri Hemanta Talukdar and Sri Gopinath Das to raise their zero Hour Motion Which was published in the 'khabar' and 'Aji' dtd. 5. 10, 2002 under the caption respectively-

"একাংশ কংগ্রেছ বিধায়কে এতিয়া আই এছ আইৰ এজেন্টৰ ৰূপত কাম কৰিছে— বি, জে, পি। সন্ত্রাসবাদৰ পথ লবলৈ উচটাইছে সংখ্যালঘু বিধায়কে "

* **শ্রীচন্দন কুমাৰ সৰকাৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আজি এটা অতি গুৰুত্বপূর্ণ বিষয় আপোনাৰ জৰিয়তে সদনৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছোঁ। যোৱা ৬ তাৰিখৰ খবৰ কাকতত এটা বাতৰি প্রকাশ পাইছে যে একাংশ কংগ্রেছ বিধায়কে এতিয়া আই এছ আইৰ এজেণ্টৰ লগত কাম কৰিছে। সংখ্যালঘুৰ বিধায়কে সন্ত্রাসবাদৰ পথ লবলৈ উচটাইছে। আৰু এটা বাতৰি পঢ়ি মই সদনৰ সময়ৰ নষ্ট কৰিব বিচৰা নাই। হেড লাইনটো দেখি অত্যন্ত দুখ লগা কথা যে বিধান সভা চলি আছে এই অৱস্থাত আমাৰ সদনত নাম নজনা এজনৰ বাতৰি লৈ হুলস্থূল লাগিছে। মাননীয় সদস্য সকলক নাম নকওঁ যি সকল ডিফেণ্ড দিবলৈ মন্ত্রী নাই বাহিৰা ভিত্তিত কবলৈ গৈছে যে একাংশ শাসক দলৰ মুছলমান বিধায়ক আই ,এছ, আই আৰু উগ্রপন্থীৰ লগত জড়িত

(সদনত হুলস্থূল লাগে)

অসমৰ এমূৰৰ পৰা কন্যাকুমাৰীলৈকে বাতৰি পৰিবেশন কৰি বিশৃংখলতাৰ সৃষ্টি কৰিছে। আজি মই কংগ্রেছ, বিধায়ক আৰু মোৰ

---

* Speech not corrected

ল'ৰা উগ্রপন্থীয়ে লৈ গ'ল। মুছলমান শব্দটো ব্যৱহাৰ কৰি শাসক দলত বিশৃংখলতাৰ সৃষ্টি কৰিবৰ বাবে ব্যৱস্থা কৰিছে।

অধ্যক্ষ মহোদয়, মই অপোনাৰ জৰিয়তে মুখ্য মন্ত্রী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে ইয়াৰ ব্যৱস্থা চৰকাৰে লব লাগে।

(সদনৰ আকৌ হাহাকাৰ লাগে)

এনে ধৰণৰ প্রচাৰে বিভেদত বীজ ৰোপণ কৰি আছে। আমি আজি ইয়াত জাতি-ধর্ম-বর্ণ নির্বেশেষে কাম কৰি আছোঁ, এবচলুট মেজৰিটি লৈ আমি বিধান সভাত আছোঁ। আমাৰ চৰকাৰখনৰ কোনেও এনে ধৰণৰ ঠেক মনোবৃত্তি লৈ কাম কৰা নাই। যোৱা ৬ টা বছৰে মই কংগ্রেছ দলৰ চৰকাৰৰ বিধায়ক হৈ আছোঁ। আজি আমাৰ ইয়াত যি কেইজন বি, জে, পি দলৰ বিধায়ক ইয়াত আছে তেখেতসকলক আমি কেতিয়াবা বেয়া ব্যৱহাৰ কৰিছোঁ নে কি? সংখ্যালঘুৱেই হওক বা সংখ্যা গৰিষ্ঠই হওক কোনো বিধায়কেই উগ্রপন্থীৰ লগত জড়িত নহয়, আমি ইয়াৰ গৰিহনা দিছোঁ।

(সদনত পুনৰ হাহাকাৰ)

গণ্ডগোল।

Mr. Speaker :- It is on the paper. Minister will make a statcment

* **শ্রীৰিপুন বৰা-(মন্ত্রী) ঃ** তেখেতে কৈছে যে কংগ্রেছৰ কোনো বিধায়কেই উগ্রপন্থীৰ লগত জড়িত নাই।

* **শ্রীঅঞ্জন দত্ত-(মন্ত্রী) ঃ** তেখেতে স্বীকাৰ কৰিছে যে কংগ্রেছৰ প্রশংসা কৰিয়েই হওক কোনো সংখ্যা গৰিষ্ঠ উগ্রপন্থীৰ লগত জড়িত নাই।

* **শ্রীবিমলাংশু বয় ঃ** মই যেতিয়া নিজে নাই আনৰ কথা মই নকওঁ।

* **শ্রীৰকিবুল হুছেইন (ৰাজ্যিক মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক শ্রীচন্দন সৰকাৰ ডাঙৰীয়া প্রমুখ্যে যি কেইজন, সদস্যই

---

* Speech not corrected

আজি সদনৰ পূৰ্ণকালীন ঘণ্টাত যিটো বিষয় উত্থাপন কৰিছে ময়ো আজি দুদিনমানৰ আগতে এনে এটা বিষয় উত্থাপন কৰাৰ কথা দুদিনমানৰ আগতে কৈছিলো যে অপ্ৰিয় কথাই বিভ্ৰান্তিৰ সৃষ্টি কৰে। আৰু সিদিনা মাননীয় সদস্যই কৈছিল যে আমি সকলোৱে মিলিজুলি এটা পথ দিব লাগে। বিধান সভা চলি থকা অৱস্থাত এনে এটা বিষয় উত্থাপন কৰিছে, এই বিষয়ে বিভিন্ন সময়ত ধৰ্ম নিৰপেক্ষভাৱে বিভিন্ন মতভেদ হোৱাটো স্বাভাৱিক। আমাৰ মতে এইটো বন্ধ কৰি কোনে কি কৈ ভাল পায় কি কথা শুনি ভাল পায় এই কথাটোৰ ওপৰত বহুত কথা নিৰ্ভৰ কৰে।

গতিকে ইয়াত নাম কব নোৱৰা এজন ব্যক্তিৰ ওপৰত এই কথাটো আনিছে।

* **ডাঃ ইদ্ৰিছ আলি** ঃ মাননীয় অধ্যক্ষ মহোদয়, ইছলাম ধৰ্মৰ এটা সুকীয়া মৰ্যাদা আছে মাননীয় সাংসদ গৰাকীয়ে এই ধৰণৰ বিবৃতি দি বিবাদ সৃষ্টি কৰাৰহে ব্যৱস্থা কৰিছে। ইছলামৰ ভিতৰত নৰীয়া আদি লোক সকলক ইতিমধ্যে অ, বি, চি ঘোষনা কৰা হৈছে। ইছলাম ধৰ্মত উচ্চ নীচ ভেদাভেদ একো নাই। সৰু ডাঙৰ সকলোৱে মছজিদৰ ভিতৰত সকলোৱে নামাজ পঢ়ে। সৰু-ডাঙৰ সকলোৱে মাজত বিয়া চলে। ইছলাম ধৰ্মজ্ঞান থাকিলে সকলোৱে মছজিদৰ ইমানম হ'ব পাৰে ইয়াৰ দ্বাৰা আমাকসম্প্ৰতি বিঘ্নিত কৰিব বিছৰা হৈছে।

* **শ্ৰী ৰকিবুল হুছেইন (ৰাজ্যিক গৃহ মন্ত্ৰী)** ঃ বিভিন্ন অঞ্চলত সশস্ত্ৰ প্ৰশিক্ষিত যুৱক-যুবতীসকলক প্ৰৰোচিত কৰা বুলি কৰা অভিযোগটো মনে সজা আৰু সম্পূৰ্ণ অসত্য। আই, এছ, আই এজেণ্ট হিচাপে কাম কৰা অভিযোগটো সম্পূৰ্ণ অসত্য ভিত্তিহীন।

---

* Speech not corrected

* ডাঃ অৰ্ধেন্দু কুমাৰ দে (মন্ত্রী) ঃ সাংসদগৰাকীৰ বিৰুদ্ধে আমি কোনো ব্যৱস্থা বা ব্রীজ অৱ প্রিভিলেজ আনিব নোৱাৰো। কিন্তু আধ্যক্ষ মহোদয় আপুনি আপোনাৰ ৰুলিংঙত এই কথাটো কব পাৰে আৰু আমি লোকসভাৰ অধ্যক্ষক এই সাংসদগৰাকীয়ে অধ্যক্ষক হকে-বিহকে ভিত্তিহীন মন্তব্য দিয়ে, কালি আমি লোক সভাৰ আধ্যক্ষক তেওঁৰ বিৰুদ্ধে ব্যৱস্থা লব লাগে বুলি জনাব পাৰো।

মাননীয় অধ্যক্ষ ঃ মাননীয় মন্ত্রী মহোদয়ে উত্তৰ দানৰ সময়ত অভিযোগ ভিত্তীহীন আৰু উদ্দেশ্যপ্রণোদিত বুলি কোৱাৰ পাচত মোৰ বোধেৰে কৰিবলগীয়া একো নাই।

(হাহাকাৰ)

* ডাঃ অৰ্ধেন্দু কুমাৰ দে (মন্ত্রী) ঃ এই সাংসদগৰাকীয়ে ইৰেচপোনচিবল বক্তৃতা দিয়ে বুলি লোকসভাৰ অধ্যক্ষক আমি জনাব পাৰো।

* ডঃ নজৰুল ইছলাম ঃ এওঁলোকে গুজৰাটৰ নিচিনা পৰিৱেশ সৃষ্টি কৰি বি, জে. পিৰ দখললৈ নিয়াৰ সৃষ্টি কৰিছে।

* ডাঃ অৰ্ধেন্দু কুমাৰ দে (মন্ত্রী) ঃ হিন্দু ল'ৰা-ছোৱালীয়ে, মাইনৰিটিক আক্রমণ কৰিছে বা মাইনৰিটিয়ে হিন্দুক আক্রমণ কৰিছে এইবিলাক হ'ল বিজেপিৰ শ্লোগান। বি,জে, পিৰ মন্ত্রী আহি যেতিয়া হোজাইতে মিটিং কৰিছিল তেতিয়া এচ, পি, অ চিৰ সম্মুখতে তেওঁলোকে গুজৰাট বনাই দিম বুলি কৈছে।

(হাহাকাৰ)

মাননীয় অধ্যক্ষ ঃ মন্ত্রীগৰাকীয়ে বিপ্লাই দিয়াৰ পাছত কবলগীয়া একো নাথাকে। আপুনি জেষ্ঠ সদস্য আপুনি জানে দেখোন।

---

* Speech not corrected

Mr. Speaker :- Now item No. 2 Sri Ali Akbar Miah to call attention of the Minister. Agricalture under Rule 54 of the Rules of procedure & Conduct of Business in Assam Legislative Assembly to the news item appearing in the ' Pratidin'dt.20th Sept. ....2002 under caption," কৃষি বিভাগৰ কেলেংকাৰী ঠিকাদাৰৰ হাতত পথাৰ পৰিচালনা সমিতিৰ চেক বেংকত ধৰা পৰিল জালিয়াতি।"

মাননীয় সদস্যই বিষয়টো অকল উথাপনহে কৰিব।

* **শ্রী আলি আকবৰ মিঞা ঃ** অধ্যক্ষ মহোদয়, বিষয়টো অতি গুৰুত্বপূর্ণ আছিল। সময় যিহেতু তাকৰ মই দুটামান কথা উৎথাপনহে কৰিম। আজি কৃষি বিভাগ বুলিয়ে নহয় সকলোবিলাক বিভাগতে দুর্নীতিৰ কেলেংকাৰী আছেই । কিন্তু কথা হ'ল দুনীতিৰ কথা গাই থাকিলে বা শুনি থাকিলে নহ'ব। তাৰ ব্যৱস্থা কৰিব লাগিব অসমৰ ৰাইজৰ স্বার্থৰ প্রমাণিত বিষয়বিলাকৰ ওপৰত ব্যৱস্থা লোৱা দর্কাৰ। আমাৰ ধুবুৰী জিলাৰ যিবিলাক চেলো টিউবেল দিছিল সেই বিলাক এজেণ্টবিলাকে বাংলাদেশত বিক্রীকৰিছে। ইয়াৰ লগত জৰিত বিষয়া লগতে মধ্যেভাগী লোকৰসকলো উপযুক্ত লোকৰ নিদি বাহিৰা লোক বা বাংলা দেশত বিক্রী কৰিছে। যিবিলাক এজেণ্টক মেচিনবিলাক দিয়া হৈছিল তেওঁলোকে সেই ঠাইত দিয়া নাই থোৱো এনকুৱাৰী কৰিলে ধৰা পৰিব যাব নামত চোলো দিছিল তেওঁৰ ঘৰত আছে নে নাই। আনহাতে ধুবুৰীত এনে ঘটনা

---

* Speech not corrected

ঘটিছে—এজনৰ চেক আনৰ নামত দিছে, গতিকে এই বিলাক অনুসন্ধান কৰিব লাগে, জেইয়ে কৰিলে নে কোনে কৰিলে, এই বিলাকৰ এটা প্ৰতিবেদন শীঘ্ৰে দিব বুলি আশা কৰিলো।

* ডাঃ অৰ্ধেন্দু কুমাৰ দে (কৃষিমন্ত্ৰী) ঃ মাননীয় সদস্যগৰাকীয়ে ৰুল ৫৪ত কিছুমান স্পষ্টিকৰণ বিছাৰিছে। প্ৰথমটো হ'ল এজন এফ, এম, চিৰ চেক্রেটৰী।

মাননীয় সদস্যগৰাকীয়ে যিটো বিষয়ৰ ওপৰত ৰুল ৫৪ত স্পষ্টীকৰণ বিচাৰিছে সেইটো হ'ল এখন চেক এফ, এম, চিৰ সম্পাদক জনৰ নামত কাৰ্যবাহী অভিয়ন্তাই দিছিল সেই চেক খনত অভাৰ লেপিং হোৱা কাৰণে বেংকে সন্দেহ কৰি চেকখন পেমেণ্ট নকৰিলে। কাৰ্যবাহি অভিজন্তাই সেই কাৰণে এফ, এম, চি লৈ যাবলগীয়া বাকী চেক বিলাকো বন্ধ কৰিবলৈ বেংকক নিৰ্দেশ দিলে। দ্বিতীয়টো কথা হ'ল কিছুমান পামচেট বাংলা দেশলে গুচি যোৱা বুলি আমি অভিযোগ নোপোৱা নহয়। আমি প্ৰতিটো মহকুমাতে একোটা টাচফোৰ্চ গঠন কৰি দিছো। এই টাচফোৰ্চবিলাকে পামচেট বিলাক ঠিক মতে বিতৰণ হৈছে নে নাই অনুসন্ধান কৰিছিল আৰু তাৰ বিপোৰ্ট বিলাক আমি পাইছো আৰু স্কীনিং কৰি আছোঁ। ইয়াৰ লগত জড়িত কোনোবা বিষয়া কৰ্মচাৰীয়ে যদি কিবা ক্ৰাইম কৰিছে তেওঁৰ বিৰুদ্ধে ব্যৱস্থা লোৱা হ'ব।

---

* Speech not corrected

Mr. Speaker :- Item no 3.

Now, Shri Pabindra Deka to draw the attention of the Hon'ble Chief Minister, by raising the matter under Rule 301 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to the news item appering in the ' Dainik Asom' dated 13th September, 2002 under the caption" "ৰাজ্য চৰকাৰৰ মতে প্ৰব্ৰজন অব্যাহত সীমান্তৰ ৰাইজৰ দ্বাৰা অনুপ্ৰৱেশ ৰোধৰ ব্যৱস্থা"।

* **শ্ৰীপবিন্দ্ৰ ডেকা ঃ** অধ্যক্ষ মহোদয়, ৰুল ৩০১ মতে মই এটা গুৰুত্বপূৰ্ণ বিষয় "ৰাজ্য চৰকাৰৰ মতে প্ৰব্ৰজন অব্যাহত সীমান্ত ৰাইজৰ দ্বাৰা অনুপ্ৰৱেশ ৰোধৰ ব্যৱস্থা" শীৰ্ষক বাতৰিটোৰ মই সদনৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। অধ্যক্ষ মহোদয় সদনৰ ভিতৰে বাহিৰে এইটো এটা বহু চৰ্চ্চিত বিষয় যে বাংলাদেশী অনুপ্ৰৱেশ হৈ আছে। সেইটো অসম চৰকাৰেও স্বীকাৰ কৰিছে কিছুদিন আগতে ৰাজ্যপাল মহোদয়ে কৈছে। ইয়াক কেনেকৈ ৰোধ কৰিব পৰা যায় তাৰ চিন্তা চৰ্চ্চা চৰকাৰে কৰিছে। অনুপ্ৰবেশ ৰোধ কৰিবৰ কাৰণে চৰকাৰে ১৪ কোটি টকা খৰচ কৰিব বিচাৰিছে। অধ্যক্ষ মহোদয়, বৃহত্তৰ জাতি গঠনৰ যিটো প্ৰক্ৰিয়া অব্যাহত থকা দূৰৰ কথা ব্যহত হ'ব ধৰিছে। মই ৰাজনৈতিক স্বাৰ্থৰ উদ্দেশ্য এই কথা খিনি কোৱা নাই অসম চুক্তি হৈছিল, সেই চুক্তি মতেও অনুপ্ৰৱেশ ৰোধ কৰা সম্ভৱপৰ হৈ উঠা নাই বিষয়টো আমি আৰু পুনৰ বিবেচনা কৰিবলগীয়া হৈছে। এই দৰে অনুপ্ৰবেশ হৈ থাকিলে এদিন অসম অসম হৈ নাথাকিব। আমি সেই পৰিস্থিতিলৈ আহি আছো। অসমৰ ভূমিপুত্ৰ সকলে আজি কি কৰিছে? বড়োই আজি সুকীয়া ৰাজ্য বিচাৰিছে। পাঠশালাত আজি মহিলাসকলে ৰাস্তাত ওলাই আহিছে। ১৯৫২ চনত প্ৰথমে গোৰেশ্বৰ অঞ্চলত অনুপ্ৰৱেশ ৰোধ কৰিবলৈ প্ৰচেষ্টা হাতত লোৱা হৈছিল। তেতিয়া প্ৰচাৰ কৰা হৈছিল যে বড়ো সকলক মাৰিছো। আজিও অনুপ্ৰৱেশ চলি আছে এই দৰে

---

* Speech not corrected

অনুপ্রৱেশ চলি থাকিলে জাতি গঠন অব্যাহত নাথাকে আৰু অসমীয়া মানুহক হয় একুৰিয়াম নহ'লে মিউজিয়ামত চাব লাগিব। গতিকে ইয়াক কেনেকৈ ৰোধ কৰিব পাৰি মই চৰকাৰৰ পৰা জানিব বিচাৰিছো।

* শ্রীৰকিবুল হুছেইন (ৰাজ্যিক গৃহমন্ত্রী) ঃ অসম বাংলাদেশ আন্তঃর্জাতিক সীমান্তৰ সিপাৰৰ পৰা আৰু অবৈধ বাংলাদেশী অনুপ্রৱেশকাৰী বন্ধ কৰাৰ বাবে চিনাক্তকৰণ আৰু বহিস্কৰণৰ কাৰণে ১৬খন অবৈধ অনুপ্রৱেশকাৰী চিনাক্তকৰণ ট্রাইবুনেল আৰু ১১খন বিদেশী বহিষ্কৰণ ট্রাইবুনেল গঠিত হয়। এই ট্রাইবুনেল সমূহে বর্তমানেও কাম চলাই আছে।

ভাৰত চৰকাৰ অসম চৰকাৰ, আৰু সদৌ অসম ছাত্র সন্থাৰ মাজত সময়ে সময়ে অসম চুক্তিৰ আধাৰত ত্রিপাক্ষিক আলোচনা হৈ থাকে। এই আলোচনাত সীমান্ত ৰাস্তা নির্মাণ, কাইটীয়া তাঁৰৰ বেৰ নির্মাণৰ অগ্রগতিৰ খতিয়ান লৈ থকা হয়।

আপোনালোকক অৱগত যে অসম বাংলাদেশ আন্তর্জাতিক সীমান্তৰ দৈর্ঘ্য ২৬৭ কিঃ মিঃ। এই কামখিনি সম্পূর্ণ কৰাৰ বাবে অসম চৰকাৰৰ গড়কাপ্তানী বিভাগে, কেন্দ্রীয় গড়কাপ্তানী বিভাগৰ লগত প্রায়ে অগ্রগতিৰ সম্পর্কত আলোচনা কৰি থাকে। ৰাস্তা হ'লে কেন্দ্রীয় গড়কাপ্তানী বিভাগক আৰু কাঁইতিয়া তাৰৰ বেৰ সম্পূর্ণ হ'লে সীমান্ত সুৰক্ষা বাহিনীক গতাই দিয়া হয়।

ইয়াৰ উপৰিও কেন্দ্রীয় চৰকাৰৰ গ্রুপ অফ মিনিষ্টাৰচৰ অনুমোদন ক্রমে সীমান্তৰ অবৈধ অনুপ্রৱেশকাৰী ৰোধ আৰু অন্যান্য ব্যৱস্থা গ্রহণৰ বাবেও আলোচনা হৈছে।

সমস্যাৰ গুৰুত্ব আৰু বিভিন্ন কামকাজৰ খতিয়ান দ্বিপাক্ষিক আলোচনাতো আলোচিত হয়। এই দ্বিপাক্ষিক আলোচনাতো সদৌ অসম ছাত্রসন্থা আৰু অসম চৰকাৰৰ বিভিন্ন বিভাগ থাকে। আনকি যোৱা ১৯/৭/২০০২ তাৰিখে সদৌ অসম ছাত্র সন্থা, সীমান্ত

---

* Speech not corrected

সুৰক্ষা বাহিনী, অসম আৰক্ষী আৰু চৰকাৰৰ মাজত এই অবৈধ অনুপ্ৰবেশকাৰী চিহ্নিতকৰণ, বহিষ্কৰণ কাঁটাতাঁৰৰ বেৰ নিৰ্মাণৰ অগ্ৰগতি সম্পৰ্কেও আলোচনা হয়।

ভাৰত চৰকাৰৰ নীতি অনুসৰি মাত্ৰ সীমান্ত সুৰক্ষা বাহিনীৰ সীমান্ত পহৰা দিব পাৰে। বৰ্তমানে তেওঁলোকে ১৫৯ টা পহৰা চকী, পেট্ৰল চকী আৰু ৬ টা পাছপৰ্ট পৰীক্ষণ চকী চাই আছে। যিহেতু বৰ্ত্তমানে সীমান্ত সুৰক্ষা বাহিনীৰ ইটো পহৰা চকীৰ পৰা সিটো পহৰা চকীলৈ দুত্ব প্ৰায় ৬ কিঃ মিঃ পৰা ৮ কিঃ মিঃ হোৱাৰ কাৰণে অবৈধ প্ৰব্ৰজনকাৰীয়ে কিছু সুবিধা পায়। পৰীক্ষাণ নিৰীক্ষণৰ পিছত এই পহৰা চকী ২ কিঃ মিঃৰপৰা ৩ কিঃ মিঃত স্থাপনৰ বাবে কেন্দ্ৰীয় চৰকাৰক অনুৰোধ কৰা হৈছে।

১৯৯৯ চনৰ শেহৰ ফালে ত্ৰিপাক্ষিক আলোচনাৰ সিদ্ধান্ত মৰ্মে দ্বিতীয় শাৰীত সীমান্ত সুৰক্ষা আঁচনি (Second live of Difence) এখন গ্ৰহণ কৰা হৈছে। বৰ্তমানে থকা অবৈধ বিদেশী অনুপ্ৰবেশকাৰী (PIF :-Prevantion of Inbitration of Forigners) বাহিনীৰ আৰক্ষীক, সীমান্ত সুৰক্ষা বাহিনীৰ (BSF) সহায়ক গোট হিচাপে কিছুমান নিৰ্দ্দিষ্ট চকী স্থাপন কৰি মোতায়ন কৰা হ'ব। বৰ্ত্তমানে প্ৰাৰম্ভিক কাম আৰম্ভ হৈ গৈছে।

ইয়াৰ বাবে ইতিমধ্যে ধুবুৰী, কাছাৰ আৰু কৰিমগঞ্জ জিলাত ২৮ টা চকী আৰু ৩ টা টেকনিকেল হেডকোৱাৰ্টৰৰ স্থান নিৰ্ধাৰণ কৰা হৈছে। ইয়াৰে ১১ টা চকী স্থাপনৰ বাবে টকা মোকোলাই দিয়া হৈছে। বৰ্ত্তমানে ৬টা চকী নিৰ্মান কাম যথেষ্ট আগবাঢ়িছে। যাৱতীয় আহিলা পাতিৰ পুজিৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি থকা হৈছে।

৭। ইয়াৰ উপৰিও কৰিমঞ্জ আৰু ধুবুৰী জিলাত সীমান্ত সুৰক্ষা বাহিনীৰ লগত একেলগে বুজাপৰাৰ ভিত্তিত অসম আৰক্ষী

বাহিনীকো কিছুদিনৰ পৰা মোতায়েন কৰা হৈছে। যাতে চিনাক্তকৰণত সুবিধা হয়।

৮। নদীয়েদি অবৈধ প্ৰব্ৰজন হোৱালৈ চাই অলপতে উপায়ুক্তক সেই সীমামূৰীয়া ঠাইত চলাচল কৰা নাওঁসমূহক পঞ্জীয়ন কৰিবলৈ নিৰ্দ্দেশ দিয়া হৈছে।

বিদেশী বহিষ্কাৰণ ট্ৰাবুনেলৰ অগ্ৰগতি ঃ (জুন মাহলৈ ২০০২ চন)

.....

মুঠ অনুসন্ধান কৰা হয়	৫১৭১১৩
মুঠ অনুসন্ধান সম্পূৰ্ণ কৰা হয়	৫১৬৬৫৫
মুঠ গোচৰ ট্ৰাইবুনেললৈ প্ৰেৰণ হয়	৩৯০৪৯
মুঠ গোচৰ নিষ্পত্তি হয়	২৬১৯৪
মুঠ লোকক বিদেশী বুলি ৰায় দিয়া হয়	২৭২০১
মুঠ লোকে বিদেশী ৰেজিষ্টেচন অফিচত নাম ভৰ্ত্তি কৰিছে -	১১৪৬৪
মুঠ লোকক বহিষ্কৰণৰ জাননী দিয়া হৈছে -	১১৪১১

অবৈধ প্ৰব্ৰজনকাৰী চিনাক্তকৰণ ট্ৰাইবুনেলঃ

জুন মাহলৈ - ২০০২ চন

.....

মুঠ গোচৰৰ অনুসন্ধান কৰা হয় -	৩৫৫০৬২
মুঠ গোচৰ অনুসন্ধান কৰি সম্পূৰ্ণ কৰা হয়	৩৪৮৫৪৫
মুঠ গোচৰ ট্ৰাইবুনেললৈ প্ৰেৰণ কৰা হয় -	৫৪৩০৬
মুঠ গোচৰ নিষ্পত্তি হয় -	১৯৪৯৯
মুঠ গোচৰত অবৈধ চিনাক্ত হয় -	১০৭৮৪

ৰাস্তাঘাট আৰু কাঁটা তাঁৰৰ বেৰ নিৰ্মাণৰ অগ্ৰগতি ঃ

.....

ভাৰত-বাংলাদেশ সীমান্তৰ অসম খণ্ডৰ কাঁটা তাঁৰৰ বেৰ আৰু সীমান্ত পথ নিৰ্মাণৰ কাম গড়কাপ্তানী সীমান্ত পথ বিভাগে চোৱা-চিতা কৰে। প্ৰথম পৰ্যায়ৰ (1st phase) কামৰ বিৱৰণ এনে ধৰণৰ ঃ

অনুমোদিত দৈৰ্ঘ্য	সম্পূৰ্ণ কৰা দৈৰ্ঘ
.....	.....
পথ ১৫৩'৫০৭ কিঃ মিঃ	১৪৮'৩৮১ কিঃ মিঃ
সংযোগী পথ২৮'৫০০ কিঃ মিঃ	২৭'৬৮৪ কিঃ মিঃ
কাঁইটীয়া তাঁৰৰ বেৰ১৫২'৫২২কিঃমিঃ	১৪৯'২৯৪ কিঃ মিঃ
দলং ৪৩৬১'৪০ কিঃ মিঃ	৪৩৬১'৪০ কিঃ মিঃ
সংযোগী পথৰ ওপৰৰ১৩৬'০০ মিঃ	১৩৬'০০ মিঃ
দলং (৩খন)	(৩খন)

দ্বিতীয় পৰ্যায় (2nd Plase)

অনুমোদিত দৈৰ্ঘ্য	সম্পূৰ্ণ কৰা দৈৰ্ঘ্য
.....	.....
বান্ধ আৰু পথ৭৭'৫০ কিঃ মিঃ	২৮'৮০কিঃমিঃ১২কিঃ মিঃ
কাঁইটীয়া তাঁৰৰ বেৰ ৮০'৫০কিঃমিঃ	১'০১৭ কিঃ মিঃ
দলং ৩০০ মিঃ	—

প্ৰথম পৰ্যায়ৰ বাকী থকা কামখিনি এই বিত্তীয় বছৰত সম্পূৰ্ণ কৰাৰ দিহা কৰা হৈছে। দ্বিতীয় পৰ্যায়ৰ পথৰ কাম আৰু আগবঢ়াবলৈ পৰিকল্পনা কৰা হৈছে।

প্ৰকাশিত উন্নয়ন মূলক আঁচনি ঃ

.....

(১৩ ছেপ্টেম্বৰৰ ২০০২ চনৰ সংখ্যাত)

প্রকাশিত হোৱা 'দৈনিক অসম, 'কাকতৰ ১৯৯৯ চনত কেন্দ্রৰ পৰা সীমান্ত উন্নয়নৰ বাবে ১৪ কোটি টকা পোৱাৰ উল্লেখ কৰিছে। সেয়ে মাননীয় সদনক অবগত কৰিব বিচাৰিছো যে চৰকাৰে সীমান্ত উন্নয়নৰ বাবে ১৯৯৯ চনৰ পৰা এতিয়ালৈ কেন্দ্রৰ পৰা পোৱা ধনৰ পৰিমাণ হ'ল

পোৱা হয়		বিভিন্ন আঁচনি ৰূপায়নৰ বিপৰীতে খৰচ হয়
১৯৯৯-২০০০ চন	৭.২০ কৌটি	৫,৭৯,৩৫,০০০.০০
২০০০-২০০১ চন	৭.৪৮ কৌটি	১,৩৫,৬৬,০০০.০০
২০০১-২০০২ চন	৭.৪৮কৌটি	১,৫৪,০৫,০০০.০০
মুঠ	২২,১৬,০০০০০	মুঠ ৮,৬৯,০৬,০০০০০

আঁচনি সমূহৰ কাম বিভিন্ন পর্যায়ত আগবাঢ়ি আছে। আঁচনি ৰূপায়ণৰ অগ্রগতি চাইহে ধন মোকোলাই দিয়া হয়। বর্ত্তমানে লবলগীয়া আঁচনি সমুহৰ যাতে বেছি ফলপ্রসূ হয় আৰু স্থানীয় ৰাইজৰ সহায় হয় সেই দিশলৈ লক্ষ্য ৰাখি যোৱা ১৯/৭/২০০২ চনৰ BSF, Assam Police অসম চৰকাৰৰ মাজত হোৱা আলোচনাত- ভাৰত বাংলাদেশ সীমান্তত থকা ধুবুৰী, কৰিমগঞ্জ আৰু কাছাৰ জিলাৰ উপায়ুক্তক উন্নয়নমূলক আঁচনি নির্ব্বাচন কৰাৰ

সময়ত BSF কো জড়িত কৰি নির্দেশ দিয়া হৈছে। আঁচনি সমূহ সঠিকভাৱে ৰূপায়ণ হ'লে সীমান্তত বসবাস কৰা লোকসকলৰ যথেষ্ট সা-সুবিধা হ'ব বুলি আমাৰ বিশ্বাস।

সীমান্ত অঞ্চল উন্নয়ন বিভাগৰ জৰিয়তে লোৱা আঁচনি এনে ধৰণৰঃ

.....

ঃ সীমান্ত অঞ্চলৰ ৰাস্তাঘাট নির্মাণ

ঃ খোৱাপানী যোগান আঁচনি

ঃ জলসিঞ্চন আঁচনি

ঃ মথাউৰি নির্মাণ

ঃ সীমান্ত অঞ্চল শিক্ষা অষ্ঠান নির্মাণ আৰু মেৰামতি

ঃ বানপানীৰ সময়ত বানৰ কবলৰ পৰা মানুহ, পোহনীয়া জীৱজন্তু ৰক্ষার্থে ওখ ভেটি নির্মাণ (Raised Plant For in)

ঃ প্রাথমিক চিকিৎসা কেন্দ্র

ঃ পশুচিকিৎসা কেন্দ্র

ঃ পহৰা চকী নির্মাণ

ঃ আন্তর্জাতিক সীমান্ত পর্যবেক্ষণৰ বাবে (Spead Boat) যোগান ধৰা ইত্যাদি আঁচনি গ্রহণ কৰা হয়।

মাননীয় অধ্যক্ষ মহোদয় ঃ যোৱা ৩-১০-২০০২ তাৰিখে সদনত মাননীয় সদস্যসকল ক্রমে শ্রীবৃন্দাবন গোস্বামী, শ্রীবিমলাংশু ৰয়, শ্রীমতী প্রমিলা ব্রহ্ম আৰু শ্রীধৰম সিং টেৰনে যুটীয়াভাৱে সভা স্থগিত প্রস্তাৱ এটা উত্থাপন কৰিছিল। প্রস্তাৱটো আছিল - " The House do now adjourn to discuss the serious situation arising out of the failure of the State Government in dealing firmly with I. S. I, All-Quida and Other fundamentalist organisation inspite of repeated warnings issused by the Central Government as disclosed by the Union Minister of State Law. Coal etc. Shri Rabi Sanker Prasad in Guwahati at a Press Conference on 1-10-2002"

প্রস্তাৱটো সদনত আলোচনাৰ গ্রহণযোগ্যতা সম্পর্কে প্রস্তাৱ উত্থাপনকাৰী মাননীয় সদস্যকেইগৰাকীয়ে আৰু প্রস্তাৱটোৰ বিপক্ষে সংসদীয় পৰিক্রমা বিভাগৰ মাননীয় মন্ত্রীগৰাকীয়ে বক্তব্য আগবঢ়াইছিল।

প্রস্তাৱটোৰ স্বাক্ষৰকাৰী মাননীয় সদস্য শ্রীবৃন্দাবন গোস্বামীয়ে আলোচনাৰ বাবে গ্রহণ যোগ্যতাৰ সপক্ষে বক্তব্য দাঙি ধৰি কয় যে, ৰাজহুৱা স্বার্থৰ খাতিৰত প্রস্তাৱটো গুৰুত্বপূর্ণ আৰু ঘটনাটো অতি সাম্প্রতিককালত ঘটা। বিষয়টো ৰাষ্ট্রৰ নিৰাপত্তা, সার্বভৌমতা আৰু দেশৰ স্বাধীনতাৰ ক্ষেত্রতো গুৰুত্বপূর্ণ বুলি মন্তব্য কৰি তেখেতে সদনত আলোচনাৰ বাবে গ্রহণ কৰাৰ সপক্ষে যুক্তি দাঙি ধৰে।

আন এগৰাকী স্বাক্ষৰকাৰী মাননীয় সদস্য শ্রীবিমলাংশু ৰয়ে প্রস্তাৱটো আলোচনাযোগ্য বুলি বক্তব্য আগবঢ়াই কয় যে, সদনৰ সদস্যসকলৰ ৰাইজৰ প্রতি দায়বদ্ধতা আছে আৰু এই দায়বদ্ধতা পালনৰ বাবে ৰাজহুৱা গুৰুত্ব স্বার্থৰ লগত জড়িত বিষয়টো সদনৰ মজিয়াত আলোচনা হ'ব লাগে। বিষয়টোত দেশৰ অখণ্ডতাৰ ওপৰত ৰাজ্য চৰকাৰে আপোচ কৰা বুলি কেন্দ্রীয় মন্ত্রীয়ে সংবাদ মেলত প্রকাশ কৰিছে আৰু সেই কথা বাতৰি কাকতত প্রকাশ পাইছে বুলিও তেখেতে কয়।

আন এগৰাকী মাননীয় সদস্যা শ্রীমতী প্রমীলা ৰাণী ব্রহ্মই প্রস্তাৱটো সদনত আলোচনাৰ বাবে লব লাগেবুলি তেখেতৰ বক্তব্যত দাবী জনায়।

তেনেদৰে প্রস্তাৱটোৰ আন এগৰাকী স্বাক্ষৰকাৰী মাননীয় সদস্য শ্রীধৰম সিং টেৰণেও বিষয়টো সদনত আলোচনা হ'ব লাগে বুলি বক্তব্য দাঙি ধৰে।

মাননীয় সদস্যকেইগৰাকীৰ বক্তব্য শুনাৰ পিছত মাননীয় সংসদীয় পৰিক্রমা বিভাগৰ মন্ত্রী শ্রীভৰত চন্দ্র নৰহ ডাঙৰীয়াই সভাস্থগিত প্রস্তাৱটো আলোচনাৰ বাবে গ্রহণযোগ্য নহয় বুলি যুক্তি দাঙি ধৰি তেখেতৰ বক্তব্যৰ সমর্থনত Practice and Procedure of Parliament by Kaul and Shakdherৰ কিতাপৰ পৃষ্ঠা ৪১৭ ৰ পৰা উদ্ধৃতি দি কয় যে সদনত উত্থাপিত হোৱাৰ পূর্বেই সভাস্থগিত প্রস্তাৱৰ বিষয় বাতৰি কাকতত প্রকাশ পাব নোৱাৰে। কিন্তু এই ক্ষেত্রত প্রস্তাৱটোৰ বিষয়ে বাতৰি কাকতত প্রকাশ পাইছে। তদুপৰি

মাননীয় মন্ত্রীগৰাকীয়ে একেখন কিতাপৰে ৪২০ পৃষ্ঠাৰ পৰা এইদৰে উদ্ধৃতি দাঙি ধৰে- If an adjournment motion is to be moved on the basis of statement by any Minister at must set out either the statement in full or atleast give a substance of the statement otherwise it could not be definite matter for discussion for which the House should be adjourned" ইয়াৰোপৰি তেখেতে একেখন কিতাপৰে ৪২ৰ পৃষ্ঠাৰ পৰা উদ্ধৃতি দি কয় যে " matter must be urgent. A matter to be urgent must have arisen suddenly in the nature of emergency"

সভাস্থগিত প্রস্তাৱটোত কেন্দ্রীয় মন্ত্রীগৰাকীৰ সংবাদ মেলৰ বক্তব্যৰ পূর্ণ পাঠ অথবা সাৰাংশ দিয়া হোৱা নাই আৰু যিটো বিষয়ৰ ওপৰত প্রস্তাৱটো অনা হেছে সেইটো অতি সাম্প্রতিক কালত ঘটা তথা জৰুৰীকালীনভাৱে হঠাতে উদ্ভৱ হোৱাও নাই গতিকে এইটো সভাস্থগিত প্রস্তাৱৰ আলোচনাৰ বিষয় হ'ব নোৱাৰে বুলি মন্ত্রীগৰাকীয়ে যুক্তি দর্শায়। তদুপৰি এনেবোৰ বিষয় আলোচনা কৰিবলৈ বিধান সভাৰ প্রক্রিয়া আৰু কার্য পৰিচালনাৰ নিয়মাৱলীৰ অধীনত ৫০, ৫৪ বা ৩০১ নিয়মৰ অধীনতো আলোচনাৰ সুযোগ আছিল বুলি তেখেতে যুক্তি দাঙি ধৰে।

বিষয়টো সন্দর্ভত গৃহ বিভাগৰ মাননীয় ৰাজ্যিক মন্ত্রী শ্রীৰকিবুল হুছেইন ডাঙৰীয়াই চৰকাৰৰ হৈ এটা দীঘলীয়া বিবৃত্তি দাঙি ধৰি, বর্তমান চৰকাৰে শাসনভাৱলোৱাৰ পিছত মৌলবাদ সমর্থন কৰা

ইছলামিক সন্ত্রাসবাদী সংগঠনসমূহৰ বিৰুদ্ধে যথেষ্ট কঠোৰ ব্যৱস্থা লোৱা হৈছে আৰু আগলৈকো কঠোৰতম ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি চৰকাৰৰ দৃঢ়তাৰ কথা তেখেতে দোহাৰে।

মাননীয় মন্ত্ৰীগৰাকীয়ে বৰ্তমান চৰকাৰৰ শাসন কালত মৌলবাদী সন্ত্রাসবাদী কাৰ্যকলাপ দমনৰ বাবে চৰকাৰে গ্ৰহণ কৰা কাৰ্য ব্যৱস্থাৰ বিতং বিৱৰণ সদনত তথ্য সহকাৰে ডাঙি ধৰে। মন্ত্ৰীগৰাকীয়ে স্পষ্ট কৰি দিয়ে যে, ৰাজ্যখনত সম্প্ৰতিক কালত ইছলামিক মৌলবাদী সংগঠনৰ দ্বাৰা বিশেষ উল্লেখযোগ্য সন্ত্রাসমূলক ঘটনা সংঘটিত হোৱাৰ উদাহৰণ নাই।

সভাস্থগিত প্ৰস্তৱটোৰ সমৰ্থনত প্ৰস্তাৱৰ স্বাক্ষৰকাৰী মাননীয় সদস্যসকলৰ বক্তব্য আৰু প্ৰস্তাৱটো সদনত আলোচনাৰ বাবে গ্ৰহণযোগ্য নহয় বুলি যুক্তি দাঙি ধৰা সংসদী পৰিক্ৰমা বিভাগৰ মাননীয় মন্ত্ৰী শ্ৰীভৰত চন্দ্ৰ নৰহ ডাঙৰীয়াৰ বক্তব্য শুনিলো। চৰকাৰৰ পক্ষৰ পৰাও গৃহ বিভাগৰ মাননীয় ৰাজ্যিৰ মন্ত্ৰী শ্ৰীহুছেইন ডাঙৰীয়াৰ বক্তব্যও শুনিলো।

সভাস্থগিত প্ৰস্তাৱৰ বিষয়বস্তুটোত অসমৰ ৰাইজৰ নিৰাপত্তাৰ প্ৰশ্ন জড়িত হৈ থকাৰ কথা প্ৰকাশ পাইছে। আমি একমত যে. সন্ত্রাসবাদী শক্তিসমূহৰ বিৰুদ্ধে চৰকাৰে কঠোৰ হাতেৰে ব্যৱস্থা লৈ ৰাইজৰ, দেশৰ নিৰাপত্তা আৰু অখণ্ডতা সুনিশ্চিত কৰাত এক বিশেষ দায়িত্ব আছে।

সন্ত্রাসবাদী কাৰ্যকলাপত আজি আমাৰ দেশেই কেৱল নহয় সমগ্ৰ বিশ্ব ত্ৰস্তমান ই আমাৰ ইয়াতেই উদ্ভৱ হোৱা এটা অকলশৰীয়া ঘটনা নহয়। ৰাজ্যচৰকাৰে এই বিষয়ত উপযুক্ত ব্যৱস্থা লোৱাৰ কথা মাননীয় গৃহ বিভাগৰ ৰাজ্যিক মন্ত্ৰী ডাঙৰীয়াৰ বক্তব্যত

পৰিষ্কাৰ হৈছেই। মই আশা কৰো যে, ভৱিষ্যতেও চৰকাৰে এই শক্তিসমূহৰ বিৰুদ্ধে দৃঢ় আৰু উপযুক্ত পদক্ষেপ গ্ৰহণ কৰি বৰ্ত্তমানৰ দৰেই ৰাইজৰ নিৰাপত্তা সুনিশ্চিত কৰিব।

প্ৰস্তাৱটোৰ গ্ৰহণযোগ্যতাৰ ওপৰত আলোচনা কৰোতে বিষয়টোৰ ওপৰত ইতিমধ্যে বিতং আলোচনা হৈছেই, চৰকাৰৰ পক্ষৰ পৰাও বক্তব্য দাঙি ধৰা হৈছে। সেয়েহে বিষয়টোৰ ওপৰত পুনৰ সদনৰ সময় ব্যয় কৰি আলোচনা কৰাৰ থল আছে বুলি মই বিবেচনা নকৰো। তদুপৰি কোনো এটা বিশেষ অতি জৰুৰী তাৎক্ষণিক ঘটনাৰ ওপৰত সভাস্থগিত প্ৰস্তাৱটো অনা নাই....এগৰাকী কেন্দ্ৰীয় মন্ত্ৰীৰ সংবাদ মেলৰ মন্তব্যৰ ওপৰত ভিত্তি কৰিহে অনা হৈছিল। প্ৰস্তাৱটোৰ উত্থাপনত খুঁত্ৰে নথকা নহয়। সেয়েহে মই বিৰোধী পক্ষৰ মাননীয় সদস্যকেইগৰাকীয়ে উত্থাপন কৰা সভাস্থগিত প্ৰস্তাৱটো সদনত আলোচনাৰ বাবে গ্ৰহণযোগ্য নহয় বুলি প্ৰস্তাৱটো অগ্ৰাহ্য কৰিলোঁ।

* শ্ৰীপ্ৰবিন্দ্ৰ ডেকা ঃ অধ্যক্ষ মহোদয় এই প্ৰস্তাৱটো মইও উত্থাপন কৰিছিলো, কিন্তু মোৰ নামটো নুঠিল।

মাননীয় অধ্যক্ষ ঃ আপুনিও আছিল হয়, আপোনাৰ নামটো সন্নিবিষ্ট কৰা হ'ব। এতিয়া প্ৰথমে মাননীয় সদস্য শ্ৰীবৃন্দাবন গোস্বামীদেৱে কওঁক। আপুনি একেলগে কৰিব নে বেলেগ বেলেগ বিভাগ হিচাপে কব।

* শ্ৰীবৃন্দাবন গোস্বামী ঃ একেলগে কলেই ভাল হ'ব নেকি?

(ভইচ ঃ বেলেগ বেলেগকৈ কলে সুবিধা হ'ব)

মাননীয় অধ্যক্ষ ঃ ঠিক আছে তেন্তে বেলেগ বেলেগ বিভাগ হিচাপে কওঁক।

---

* Speech not corrected

মাননীয় অধ্যক্ষ ঃ চেঞ্চৰ মোচন আধা ঘণ্টা দিয়া হৈছে যদিও এতিয়া কিছু সময় গ'ল গতিকে মাননীয় সদস্য সকলে যিমান পাৰে চমুকৈ কব। Now Item No. 4.discussion on the cansure motion. Hon'ble Members are aware that there is a censure Motion against the Hon'ble Minister-in -charge of PWD and the Hon'ble Minister-in charge of Health.

The Business Advisory committee has allotted time of 1 Hour 15 Minutes each for discussion on the Two Departments.

I request the Hon. Menbers to raise the discussion and to complete the same within the time limit as allotted by the Business Advisory committee.

I now, take up the discussion on the Health Department first.

Shri Brindaban Goswami : Mr. Speaker sir. under Rule 133 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly. We propose to move the the following motion censuring the Minister-in-charge. Health in the ensuing Assembly session

Motion: " That the House do censure, both the Minister-in-charge, PW.D and Minister-in -charge Health of the Government of Assam for the lacklustre and directionless performance as attitude towards the public grievances which has resulted in total anarchy and frustration in the PWD and Health departments of the State"

মাননীয় অধ্যক্ষ মহোদয়, মই যিমান পাৰো চমুকৈ কম।

মাননীয় অধ্যক্ষ মহোদয়, সময় সীমাৰ ওপৰত ভিত্তি কৰি মই কম সময়ৰ ভিতৰত বক্তব্য ৰাখিম। এই চেংচন মোচনটো এই কাৰণেই আনিবলগীয়া হৈছে– আমাৰ ৰাজ্যখনৰ দুটা বিভাগ অতি স্পৰ্শকাতৰ। এই সমস্যাবোৰ সমাধানৰ বিপৰীতে জনসাধাৰণে বিভিন্ন ধৰণে ব্যাপক ক্ষোভ প্ৰকাশ কৰিছে। সেই কাৰণে আমি বিধান সভাত কেইজনমান বিষয়া আৰু মন্ত্ৰী মহোদয়ৰ দৃষ্টি গোচৰ কৰিব বিচাৰিছো।

মাননীয় অধ্যক্ষ ডাঙৰীয়া, বৰ্ত্তমান চৰকাৰখনে বিশেষকৈ ঔষধ ক্ৰয় কৰা ক্ষেত্ৰত নীতি নিয়মৰ মাজেদি কাম কৰা নাই। এইটো হৈছে ৰাইজৰ অভিযোগ। ঔষধ ক্ৰয় কৰাৰ আগতে নিবিদা আহ্বান কৰিব লাগে। সেই কাম বিলাক কৰা নাই। আমাৰ বিধান সভাৰ সদস্য কেইজনমান আগতে ডাক্তৰ আছিল। তেখেত সকলে Jetromicine এই দৰবটো ৮৫ টকাত ক্ৰয় কৰিছে। দৰবৰ নামত এক কোটি টকাৰ ঔষধ ক্ৰয় কৰা প্ৰয়োজন আছিল নেকি? যি সময়ত আমি বিভিন্ন ঠাইত (Jetromicine market price 7.490 Nimosole 100 mg, Rs. 169/ market price 23/, generll market price Rs. 11/) এনেকুৱা হৈছে আই দ্ৰব কিনাৰ নামত ৫০ লাখ টকা খৰচ কৰাৰ যুক্তি যুক্তিতা আছে নেকি? ৰোগীৰ প্ৰতি লক্ষ্য ৰাখি বস্তুবোৰ ক্ৰয় আছে নে বেমাৰীৰ স্বাৰ্থৰ প্ৰতি ক্ৰয় কৰিছে। দৰবৰ নাম বিলাক কোৱাত মোৰ ভুল হ'ব পাৰে। মাৰ্কেটত মুকলি বজাৰত তাতোকৈ কম। যিটো বস্তুৰ দাম ৬ টকা তেখেত সকলে ক্ৰয় ক্ৰয় কৰে ১৬ টকাত। অভাৰ অল ক্ৰয় কৰে ১১ টকাত। মাননীয় অধ্যক্ষ ডাঙৰীয়া, (Sofitic lotion Rs 300/ market price Rs. 150/ general market price Rs. 65/-) যিটো বস্তু ৩০০.০০ টকাত ক্ৰয় কৰিছে সেই বস্তুটো মুকলি বজাৰত লৈছে ১৫০.০০ টকাত। এনেকুৱা বহুতো উদাহৰণ মোৰ হাতত আছে। সময়ৰ নাটনি চমুকৈ কৈছো। যিহেতু সময় সীমা বান্ধি দিছে। মাননীয় অধ্যক্ষ মহোদয় ঔষধ ক্ৰয় কৰা অৱশ্যে

এতিয়া বন্ধ কৰিছে। যিটো ঔষধ দিয়া হয় তাত ৩০০ মিলি লিটাৰ লাগে বুলি কৈছো। এইটো আচলতে মানুহৰ কাৰণে নহয় জন্তুৰ কাৰণেহে। বিভিন্ন ঠাইৰ পৰা অভিযোগ অহাৰ কাৰণে এই ঔষধটো বন্ধ কৰি দিয়া হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, পি এম, জি এচ ওৱাইত কেন্দ্রীয় চৰকাৰে যথেষ্ট টকা দিছে যিখিনি কাম অসম্পূৰ্ণ হৈ আছে সেইখিনি সম্পূৰ্ণ কৰিবৰ কাৰণে। অৱশ্যে কাম হৈছে। Call deposite Rs.9 corores 11 Lakhs যিখিনি টকা দিছে সেইখিনি টকা সদ্ ব্যৱহাৰ হ'ব লাগে। ২০০২-২০০৩ চনৰ কাৰণে যিখিনি টকা সদ্ ব্যৱহাৰ হ'ব লাগে। পি ডব্লিউ ডিক ৯ কোটি টকা দিছে। বাকী ৩ কোটি টকা ব্যৱহাৰ হৈছে নে নাই ? গাইড লাইনমতে কামবিলাক হৈছে নে নাই? ৯ কোটি ১১ লাখ টকাৰ কাম সুচাৰুৰূপে কৰা হোৱা নাই কাৰণে আমি বিৰোধিতা কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, এইডচ ৰ কাৰণে বিশ্ব বেংকে যথেষ্ট ধন দিছে। চি,পি ঠাকুৰে এইখন চিঠি দিছে। প্রকল্প সঞ্চালক আই এ এচ হ'ব লাগে। চি পি ঠাকুৰেকৈছে যে নাগালেগুত মজুৰী আৰু অসমত প্রকল্প সঞ্চালক হিচাপে এজন আই এ এচ বিষয়াক দায়িত্ব দিব লাগে । এইখন চিঠি আমাক দিছে। (চিঠিখন দেখুৱায়)

মাননীয় অধ্যক্ষ মহোদয়, এই বিধান সভাতে আলোচনা হৈছে বি বৰুৱা কেঞ্চাৰ ইঞ্চটিউটৰ বিষয়ে ১৯৯১ চনৰ পৰা ১৯৯৫ ঠিকেই অছিল এই প্রতিষ্ঠানটোত এতিয়াও অধ্যক্ষ নাই। ডাঃ গাজী আহমেদক এসময়ত দিয়া হৈছিল। তেখেত ৰিটায়াৰ কৰাৰ পিছত এতিয়া সেই পদটো খালি হৈ পৰি আছে। আজিলৈকে কাকো দিব পৰা নাই। এতিয়া আমাৰ দায়িত্ব কিমান। উত্তৰ পূৰ্ব্বাঞ্চলৰ এটা এমমাত্র অনুষ্ঠান। ইয়াৰ ৰুলচত লিখা আছে 'অভাৰ কণ্ট্রল'। মই ক'বলৈ গৈছো যে তাত মানুহ দিব লাগে। 'অভাৰ অল কণ্ট্রল' আমাৰ । আমাৰ ইয়াত কিমান 'চফিছটিকেটেড যন্ত্র পাতি কিনা হৈছে। কিন্তু মেনেজমেণ্টৰ অভাবত সেইবিলাক

ভালকৈ ৰাখিব পৰা নাই. ইয়াৰ এটা ব্যৱস্থা কৰিব লাগে। কাৰাবাৰ ইণ্টাৰেষ্টৰ কাৰণে ৰখি থাকিব নেলাগে। ডাইৰেক্টৰ সোনকালে লোৱাৰ ব্যৱস্থা কৰিব লাগে। এই বিলাক বৰ্ত্তমান চৰকাৰৰ বিৰুদ্ধে ভৰ্ৎসনা প্ৰস্তাৱ নানি কৰিম কি। সেয়ে বিৰোধী পক্ষৰ দলপতি হিচাপে ৰাইজৰ ভালৰ কাৰণে ভৰ্ৎসনা প্ৰস্তাৱ আনিবলৈ বাধ্য হৈছো।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ এই সদনতে কিমান বাৰ আলোচনা কৰা হ'ল 'পালচ ভিটামিন' ৰ বিষয়ে। উক্ত 'ইউনেচক' ৰ পৰা আৰম্ভ কৰি কত তৰ্ক বিতৰ্ক চলিব। কিন্তু একো ব্যৱস্থা লোৱা নহ'ল— কঠোৰ ব্যৱস্থা লব লাগিছিল। আজি ৰাজ্যখনৰ চাৰিওফালে হাহাকাৰ, কাগজে-পত্ৰে যিমানবিলাক কথা ওলাইছে সেইবিলাক আপোনালোকে পঢ়িছে। ওমৰাংচুৰ দৰে ভিতৰুৱা ঠাই আছে সেইবিলাক কথা কাকতত নোলাই তাত ডাক্তৰ নাই নার্চ নাই। সেইবিলাক কথা চাব লাগে। বাতৰি কাকতৰ হেডলাইনত আছে- নার্চসকলে বহুমাহ ধৰি দৰমহা পোৱা নাই. ১৩ লক্ষ টকা হংসৰাজে লুটিলে। ৩ মাহে দৰমহা পোৱা নাই ইত্যাদি ইত্যাদি আপোনালোকে কাকতত পঢ়িছে। আনকি যোৱা বানপানীৰ সময়ত যি বিলাক দৰৱ বিতৰণ কৰা গল সেই দৰৱ বিলাকৰ ম্যাদ কেতিয়াবাই শেষ হৈ গৈছে। আন্তঃ গাঁথনিটো যদি ঠিক নহয় তেতিয়া সুফল পোৱা নাযায়। বহুত চফিচটিকেটেড মেচিন কিনা হ'ল, এক্স-ৰে মেচিন দিয়া হ'ল, এম্বুলেঞ্চ কিনা হ'ল আৰু এই বিলাক ভাগে ভাগে দিয়াও হ'ল কিন্তু মেনেজমেণ্টৰ অভাৱত লাহে লাহে নষ্ট হৈ গৈছে। ৰাইজৰ প্ৰতিনিধি হোৱা কাৰণে জনসাধাৰণৰ হে মনোভাৱৰ কথা উল্লেখ কৰিছো। গেষ্ট্রোএণ্টাৰাইটিছ্ ডায়েৰিয়া হ'ল— ৰূপহী, কন্দলীত মানুহ মৰিছে। চৰকাৰৰ জঠৰতা ভাঙি সক্ৰিয়তা হোৱা দেখা নাই। মাননীয় মন্ত্ৰী মহোদয়ে এইবোৰৰ দায়িত্ব লব লাগে। সেই কাৰণে মই মুকলিকৈ এই কথাবিলাক কৈছো। মাননীয় মন্ত্ৰী মহোদয়ে এইবিলাকৰ দায়িত্ব লওঁক। চৰকাৰৰ

পি এম জি ওৱাই স্ক্রিমৰ টকা ব্যয় নকৰাকৈ ইউটিলাইজেশ্যন চার্টিফিকেট দিছে আৰু বিভিন্ন প্ৰকাৰে ধনবিলাক সৰকাইছে তেওঁলোকক জগৰীয়া কৰক। নার্চিংহোমবিলাকৰ কথাটো চাব লাগে। এই বিলাকে মই মাননীয় মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিছো আৰু ভৰ্ৎসনা প্ৰস্তাৱটোৰ সপক্ষে দাবী উত্থাপন কৰিছো।

Mr. Speaker : Now Hon'ble Member Shri Karendra Basumatary to speak

* **শ্ৰীকৰেন্দ্ৰ বসুমতাৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই আজি এই ভৰ্ৎসনা প্ৰস্তাৱটোৰ সমৰ্থনত দুয়াষাৰ কবলৈ ওলাইছো। মাননীয় বিৰোধী দলৰ দলপতি গোস্বামী ডাঙৰীয়াই তথ্যসহকাৰে ভৰ্ৎসনা প্ৰস্তাৱৰ ওপৰত বক্তৃতা ৰাখিছে। মই স্বাস্থ্য বিভাগৰ ক্ষেত্ৰত ভৰ্ৎসনা প্ৰস্তাৱৰ সমৰ্থনত কবলৈ ওলাইছো। প্ৰথমতে মই কবলৈ গৈছো যে স্বাস্থ্য বিভাগে যোৱা বছৰ ২৬৪০ জন ডাক্তৰ নিযুক্তি দিছে। নিযুক্তি পত্ৰ দিয়াৰ পিছত পষ্টিং কৰা নাই। আমাৰ বহুত পি, এইচ, ই চি. এইচ, চি ষ্ট্ৰেট ডিচপেনচাৰী চিভিল হাস্পতালত ডাক্তৰৰ পদ খালি হৈ আছে, কিন্তু তাত ডাক্তৰ পষ্টিং কৰা নাই। স্বাস্থ্য বিভাগে ডাক্তৰ নিযুক্তি দিয়াৰ পিছত পষ্টিঙৰ ক্ষেত্ৰত কৰ্মৰত অৱস্থাত ৰাখিব পৰা নাই। এইখিনিয়ে স্বাস্থ্য বিভাগৰ আটাইতকৈ ডাঙৰ দুৰ্বল দিশ। অধ্যক্ষ মহোদয়, মোৰ সমষ্টিত ডাক্তৰ নিযুক্তি দিয়াৰ বাবে মই নিজে বহুবাৰ লিখিলো। যুটীয়া সঞ্চালকেও লিখিলে, সচিবেও লিখিলে কিন্তু আজিলৈ ডাক্তৰ তালৈ যোৱা নাই। সেই কাৰণে মই কব বিচাৰিছো যে যিবোৰ কৰ্মচাৰী নিযুক্তি পোৱাৰ পিছত অনুশাসন মানি নচলে বা চলা নাই সেই বিলাকক চাকৰিৰ পৰা অব্যাহতি দিয়াৰ ব্যৱস্থা কৰিব লাগে। অধ্যক্ষ মহোদয়, আজি এটা অতি গুৰুত্বপূৰ্ণ খবৰ 'প্ৰতিদিন' কাকতত

---

* Speech not corrected

ওলাইছে। বাতৰিটো হৈছে—'মুখ্যমন্ত্রীৰ অনুমোদিত ফাইলো উপ-সচিপে গাপ দিছে।—স্বাস্থ্য বিভাগৰ সঞ্চালকক লৈ নতুন অভিসন্ধি বৰ্ত্তমান স্বাস্থ্য বিভাগত অস্থায়ীভাবে ভাৰপ্রাপ্ত সঞ্চালক এজন চকীত বহি আছে। তেখেতৰ সময় কেতিয়াবাই উকলি গল। স্থায়ী সঞ্চালক এজনক নিযুক্তি দিয়াৰ বাবে গুৱাহাটী উচ্চ ন্যায়ালয়ে ১৩ জুনত এটা ৰায় দিছিল যে তিনিমাহৰ ভিতৰত এজনৰ স্থায়ী সঞ্চালক নিযুক্তি দিব লাগে। মাননীয় গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ৰায়ো এতিয়া চৰকাৰী ধোৱা চাঙত। এই নিযুক্তিৰ ফাইলটো স্বাস্থ্য বিভাগৰ উপ-সচিব শ্রী এ, কে বৰুৱা নামৰ বিষয়াজনে গাপ দি ৰাখিছিল। যোৱা আগষ্ট মাহৰ শেষৰ ফালে আদালতৰ ৰায় সংক্রান্তীয় ফাইলটো স্বাস্থ্য মন্ত্রী মহোদয়ে চক্রান্তকাৰী বিষয়া-আমোলাৰ কবলৰ পৰা উদ্ধাৰ কৰি স্বাস্থ্য সেৱা সঞ্চালকৰ বাছনি প্রক্রিয়াৰ সন্দর্ভত মুখ্য মন্ত্রীৰ অনুমোদনৰ বাবে যোৱা ২৭আগষ্টত নতুন দিল্লীলৈ প্রেৰণ কৰে। মুখ্যমন্ত্রীৰ অনুমোদনসহ সংশ্লিষ্ট ফাইলটো ১৩ ছেপ্টেম্বৰত ঘূৰি অহাৰ দিনাই স্বাস্থ্য বিভাগৰ প্রধান সচিবলৈ প্রেৰণ কৰা হয়। ইতিমধ্যে বাছনি পৰীক্ষাৰ সময়সীমা ১৩ ছেপ্টেম্বৰত পাৰ হৈ যায়। অধ্যক্ষ মহোদয়, সদ্যহতে এই গৰাকী উপ-সচিবেই যোৱা ১৮ ছেপ্টেম্বৰত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ চৰকাৰী অধিবক্তালৈ প্রেৰিত পত্রৰ জৰিয়তে সঞ্চালক নিয়োগ প্রক্রিয়াৰ বাবে আৰু তিনি মাহৰ সময় সীমা বৃদ্ধিৰ অনুমোদন লবলৈ অনুৰোধ জনাইছে। অধ্যক্ষ মহোদয়ে এনে বিভাগৰ সংশ্লিষ্ট বিষয়াই বিধি পথালি দি আহিছে। যাৰ ফলত আজি স্বাস্থ্য বিভাগত এজন পূৰ্ণাঙ্গ সঞ্চালক নাই। অধ্যক্ষ মহোদয়, যোৱা বছৰ নবেম্বৰ মাহত অসম লোকসেৱা আয়োগৰ জৰিয়তে এগৰাকী স্থায়ী সঞ্চালক বাছনি কৰিবলৈ সাক্ষাৎকাৰ অনুষ্ঠিত কৰিছিল যদিও ফলাফল ঘোষণাত অনিয়ম হোৱাৰ অভিযোগ

দৰ্শাই ডাঃ মুহিকান্ত হাজৰিকা আৰু ডাঃ আনন্দ নাৰ্জাৰীয়ে ৰাজ্যৰ স্বাস্থ্য বিভাগ আৰু লোকসেৱা আয়োগৰ বিৰুদ্ধে গুৱাহাটী উচ্চ ন্যায়ালয়ত প্রত্যাহ্বান জনাই দুটা সুকীয়া গোচৰ ৰুজু কৰে। অধ্যক্ষ মহোদয়, ডাঃ নাৰ্জাৰী এজন জ্যেষ্ঠ বিষয়া আছিল। এতিয়া মই কব বিচাৰিছো যে যেতিয়াই কোনো এজন জনজাতীয় লোকে পদোন্নতি পোৱাৰ সময় হয় তেতিয়াই এনে ধৰণৰ বিধি- পথালি আহি পৰে। সেয়েহে অধ্যক্ষ মহোদয়, স্বাস্থ্য বিভাগত এজন স্থায়ী সঞ্চালক অতি শীঘ্রে নিযুক্তি দিয়াৰ বাবে মই স্বাস্থ্য মন্ত্রী মহোদয়ক অনুৰোধ জনালো। ইয়াৰোপৰি আমাৰ বিভিন্ন অঞ্চলত আজি ডাক্তৰ নাই। মোৰ সমষ্টিৰ মাছখোৱা টাউন হাস্পতালত যিজন ডাক্তৰ আছিল সেইজনৰ ৰাতি শুই থাকোতেই মৃত্যু হয়। কিন্তু তাত আজিলৈকে কোনো ডাক্তৰ নিযুক্তি দিয়া হোৱা নাই। ডিমাকুছিতো ডাক্তৰ নাই। অধ্যক্ষ মহোদয়, আমাৰ ৰৌতা চাৰিআলিত যিখন মিনি পি, এইচ, চি আছে সেইখন আপগ্রেট কৰিব লাগে। মছলপুৰ পি, এচ, চি, চি, এই, চি, আদিতো ডাক্তৰ নাই। তদুপৰি যিবিলাক চাব চেণ্টাৰ আছে সেইবোৰৰ বিল্ডিং নথকাৰ বাবে চাব চেণ্টাৰ চলাব পৰা নাই। সেয়েহে পি, এম, জি ওৱাইৰ আঁচনিৰ জৰিয়তে কেন্দ্রীয় চৰকাৰৰ পৰা টকা আনি এই চাব চেণ্টাৰৰ বিল্ডিংবোৰ নির্মাণ কৰিব লাগে। অধ্যক্ষ মহোদয়, আমাৰ স্বাস্থ্য মন্ত্রী বর্মন ডাঙৰীয়াই বহুবাৰ স্বাস্থ্য মন্ত্রী হ'ল, কিন্তু আজিলৈকে তেওঁ স্বাস্থ্য বিভাগত কোনো নতুনত্ব আনিব নোৱাৰিলে। উদাহৰণস্বৰূপে গুৱাহাটী মেডিকেল কলেজখনলৈকে চাওঁক। তাত মৰাশ ৰখাৰ বাবে যিটো সর্গ লাগে সেইটো তাত নাই। গতিকে জি, এম, চি খনকেই মর্গ বুলি কলেও ভুল কৰা নহব। মই এবাৰ জি, এম, চিত থাকিবলগীয়া হৈছিল। সেই সময়ত মোক এম, এল, এ কাৰণেই নেকি মোক কিন্তু ভাল সা-সুবিধা দিছিল। তাত

ৰুমবোৰ ইমান গোন্ধাই আছিল যে পিছত গম পালো যে তাত নিগনি, চিকা আদি বহু দিনৰ পৰা মৰি আছে। এই হাস্পতালখন চলাবলৈ তাত বিষয়া কৰ্মচাৰীৰ অভাৱ নাই যদিও কোনেও সেইবোৰ চাফ- চিকুণকৈ ৰখাৰ বাবে চিন্তা নকৰে।

মাননীয় অধ্যক্ষ মহোদয় কেবল সু-চিকিৎসা প্ৰদানেই শেষ কথা নহয়। এই চিকিৎসা ব্যৱস্থাৰ লগত জড়িত যিবিলাক হাস্পতাল বা চিকিৎসালয় আছে সেই চিকিৎসালয়সমূহৰ বিভিন্ন আচ-বাব, ঘৰ-দুৱাৰ পৰিষ্কাৰকৈ ৰখাটোৱো চিকিৎসা বিভাগৰ দায়িত্ব। আপোনালেকে নিশ্চয় জানে বা বহুতে দেখিছে যি সকলে চিকিৎসাৰ কাৰণে বাহিৰলৈ গেছে, দিল্লীৰ এইমচত যিবিলাক লেটৰিণ আছে সেইবিলাক ইমান পৰিষ্কাৰকৈ ৰাখিছে যে তাত ভাত খাব পাৰি, কৰিডৰবিলাক আৰু অন্যান্য ৰুম গোটেই চৌহদ পৰিষ্কাৰকৈ ৰখা হয়। কিন্তু অসমৰ মানুহবিলাক উনস্পাইট হৈছে, অসমৰ বিভিন্ন জিলাৰ পৰা গুৱাহাটীলৈ চিকিৎসাৰ কাৰণে আহে। অসমৰ প্ৰায় ৩০০/৪০০ খনমান স্কুলৰ জৰিয়তে আমাৰ ল'ৰা-ছোৱালীবিলাকক শিক্ষা দান কৰা হৈছে, সেইদৰে চৰকাৰী কলেজ হিচাপে কটন কলেজ, ডিফু কলেজ ইত্যাদি ছাত্ৰ-ছাত্ৰীসকলক উচ্চ শিক্ষা দিয়া হৈছে। তদুপৰি ডিব্ৰুগড়, গুৱাহাটী আৰু শিলচৰত চিকিৎসা শিক্ষা প্ৰদান কৰা হৈছে, গতিকে এই অনুষ্ঠানবিলাকৰ জৰিয়তে আমাৰ ইয়তো যাতে এপলো টাইপৰ চিকিৎসা, ইণ্টাৰনেশ্যনেল লেভেল বা নেশন্যেল লেভেলৰ চিকিৎসা যাতে ৰাইজক দিব পৰা হয় তেনে ধৰণৰ ব্যৱস্থা কৰিব লাগে। আমাৰ ইয়াতো যদি তেনে ব্যৱস্থা থাকিলেহেঁতেন আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয় দিল্লীলৈ চিকিৎসাৰ বাবে যাব লগা নহ'লহেঁতেন। সেই কাৰণেই আজি এই যি ভৰ্ৎসনা প্ৰস্তাৱ আনিছে। এই প্ৰস্তাৱৰ জৰিয়তে আক্ষেপ কৰিছো যে আমাৰ ৰাজ্যখনত চিকিৎসা ব্যৱস্থাৰ

যিখিনি উন্নতি হ'ব লাগিছিল প্রয়োজন অনুসাৰে সিমানখিনি হোৱা নাই। গতিকে বিৰাধী দলৰ লগত আলোচনা কৰি বিশেষ কমিটী গঠন কৰি দিব লাগে যাতে এই কমিটীয়ে ৰাজ্যখনত চিকিৎসাৰ ক্ষেত্রত বা ৰাজ্যখনত স্বাস্থ্য সেৱা অধিক উন্নত কৰি সাধাৰণ ৰাইজে চিকিৎসাৰ সুবিধা পাব পৰাকৈ ৰাষ্ট্রীয় সেৱা পর্যায়লৈ আনিব পাৰে, ভৰ্ৎসনা প্রস্তাৱৰ ওপৰত ইমানবোৰ কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* **শ্রীইদ্রিছ আলি** ঃ মাননীয় অধ্যক্ষ মহোদয়, বিৰোধী পক্ষৰ ফালৰ পৰা ফিটো চেনচন মোশ্যন বা ভৰ্ৎসনা প্রস্তাৱ আনিছে সেই প্রস্তাৱটো মই বিৰোধিতা কৰিছো। মাননীয় বিৰোধী পক্ষৰ সদস্য গোস্বামী ডাঙৰীয়াই এক কোটি ৰা ৫০ লাখ টকাৰ মেডিচিন কিনা বুলি আপত্তি কৰিছে, কিন্তু মেডিচিন যদি কিনা নহয় তেতিয়াহলে বেমাৰীৰ কাৰণে হাস্পতালবিলাকলৈ মেডিচিন কৰ পৰা চাপলাই কৰিব? এতিয়া দেখা যায় মেডিচিন কিনিলেও জগৰ লাগে আৰু নিকিনিলে কব কিয় মেডিচিন কিনা নাই, বেমাৰীয়ে মেডিচিনৰ অভাবত ভুগিছে। মেডিচিনৰ কাৰণে টেণ্ডাৰ দিয়াতো আপত্তি আকৌ মেডিচিন কিনাৰ কাৰণে টেণ্ডাৰ নিদিলে ক'ব স্বাস্থ্য বিভাগে মেডিচিন কিনাৰ ক্ষেত্রত মইমতালি কৰিছে। টেণ্ডাৰ দিলে ক'ব কন্ট্রাক্টৰৰ স্বার্থত টেণ্ডাৰ দিছে। এতিয়া দেখা যায় স্বাস্থ্যমন্ত্রীৰ দুয়োফালে বিপদ। ১৯৯৫ চনৰ পৰা টেণ্ডাৰ হোৱা নাছিল, তেতিয়া কি ব্যৱস্থা কৰিছিল? কিন্তু আমাৰ চৰকাৰ অহাৰ পাছত আমাৰ স্বাস্থ্যমন্ত্রীয়ে আমাৰ হাস্পতালবিলাকৰ কাৰণে মেডিচিন কিনিবলৈ বা ঔষধ ক্রয় কৰিবলৈ টেণ্ডাৰ দিলে কিন্তু হাইকোর্টে বন্ধ কৰি যোৱাৰ কাৰণে টেণ্ডাৰ দিব পৰা হোৱা নাছিল। এতিয়া হাইকোর্টৰ পৰা টেণ্ডাৰ লৈ মেডিচিন ক্রয় কৰাৰ কাৰণে টেণ্ডাৰ

---

* Speech not corrected

দিছে। কোটি কোটি টকা খৰচ কৰি ডাক্তৰ সকলক কিয় ৰাখিছে, মানুহৰ বেমাৰ হবই, যোৱা বানপানীৰ সময়ত অজস্ৰ লোকে বেমাৰত পৰিছে। আমি জানো বা আপোনালোকেও গম পাইছে আমাৰ স্বাস্থ্যমন্ত্রী মহোদয়ে নিজেই ইনিচিটিভ লৈ হাস্পিতালবিলাকত বেমাৰীয়ে ঔষধ-পাতি পাইছে নে নাই। ডাক্তৰ-নার্চসকলে ঠিক মতে ডিউটি দিছে নে নাই, এই সমস্ত কথাবিলাক চোৱা-চিতা কৰিছে আৰু যদি কোনোবাই কামত গাফিলতি কৰিছে তেওঁ তৎক্ষণাৎ সাৱধান কৰি দিছে। মোৰ সমষ্টিলৈকে স্বাস্থ্যমন্ত্রী গৈছে আৰু তাত ঔষধ-পাতি দিয়া আৰু ডাক্তৰ আহিছে নে নাই আৰু বেমাৰীৰ খবৰ লৈছে যদি কোনোবাই থিক মতে কৰা নাই তেওঁলোকক গালি দিছে। স্বাস্থ্যমন্ত্রীয়ে কোনো ধৰণৰ অবহেলা কৰা নাই। আমি জনাত স্বাস্থ্য মন্ত্রীয়ে দায়িত্বভাৰ লোৱাৰ পাছতে অসমৰ যিবিলাক হস্পিতালত ইমান দিনে ডাক্তৰ নাছিল বা অহা নাছিল তাত অনতিপলমে ডাক্তৰ দিয়াৰ ব্যৱস্থা কৰিছে, ৩৩২ জন নতুন ডাক্তৰক নিযুক্তি দিছে, তেখেতৰ সদিচ্ছা নথকা হ'লে এই কামবিলাক নহ'লহেঁতেন। খৰাবাৰী পি, এইচ, চিত পোষ্ট আছিল কিন্তু ডাক্তৰ এজন আছিল, বিগত অগপ শাসনত মই তেতিয়া বিধায়ক নাছিলো। কেবাবাৰো অনুৰোধ কৰা সত্বেও সেই হাস্পতালখনত ৫ বছৰে একেবাৰে কাম কৰি থকা হাজৰিকা নামৰ এজন ডাক্তৰক ট্রেন্সফাৰ কৰিব দিলো কিন্তু তেওঁক ট্রেন্সফাৰ নকৰিলে। এইবাৰ যেতিয়া মই বিধায়ক হ'লো আমাৰ স্বাস্থ্যমন্ত্রীক অনুৰোধ কৰাৰ পাচত ততালিকে তেওঁক ট্রেন্সফাৰ কৰিলে আৰু সেই হাজৰিকা বোলাজনৰ ঠাইত এজন নতুন ডাক্তৰ পোষ্টিং দিলে, এতিয়া আমাৰ তাত ৩ জন ডাক্তৰ আছে। আনকি এই তিনজন ডাক্তৰে সুবিধাকৈ থাকিব পৰাকৈ কোৱাটাৰৰ সুবিধা কৰি দিছিল। অগপৰ আমোলৰ পৰা কোনো ডাক্তৰৰ প্রমোশ্যন

হোৱা নাই কিন্তু স্বাস্থ্য মন্ত্রীয়ে আসাম হেল্‌থ চার্ভিচৰ ৰুল এমেনমেণ্ট কৰি হলেও এই ডাক্তৰসকলক প্ৰমোশ্যেন দিয়াৰ ব্যৱস্থা কৰিছে।

গতিকেই যিজন স্বাস্থ্যমন্ত্রীয়ে স্বাস্থ্যসেৱাৰ ক্ষেত্ৰত যিখিনি ইনিচিয়েটিভ আগবঢ়াই আহিছে তালে চাই তেখেতৰ ওপৰত অনা ভৰ্ৎসনা প্ৰস্তাৱটো উঠাই ল'ব লাগে। অসমৰ যিবিলাক ফার্মাচিষ্ট ট্ৰেইনিং চেণ্টাৰ আছে সেইবিলাকত তিনি বছৰ ধৰি ট্ৰেইনিঙৰ ব্যৱস্থা হোৱা নাই, মাননীয় স্বাস্থ্যমন্ত্রীয়ে দায়িত্বভাৰ লোৱাৰ পাছত ইণ্টাৰভিউবিলাকত ট্ৰেইনিঙৰ ব্যৱস্থা হৈছে আৰু ইতিমধ্যে ছাত্ৰ-ছাত্রীসকলক ট্ৰেইনিং দিয়া আৰম্ভ কৰা হৈছে। এই খিনিতে মই এটা কথা অৱগত কৰিব বিচাৰিছো। সেইটো আগতে এফ, আৰ, ইউ ৰ ব্যৱস্থা নাছিল কিন্তু স্বাস্থ্য মন্ত্রীৰ সক্রিয় চেষ্টাত নগাও জিলাৰ জখলাবন্ধা, হোজাই আৰু ঢিঙত এই এফ আৰ, ইউ খোলা হৈছে আৰু ফেইজদ ওৱেইত বাকীবিলাক জিলাতো এই ইউনিট খোলা হ'ব। এই ইউনিট বিলাকৰ পৰা আমাৰ গঞা ৰাইজে যথেষ্ট সুবিধা পাব। তদুপৰি চি, এইচ ইউনিট আৰম্ভ কৰা হৈছে তাৰ দ্বাৰা আমাৰ দুখীয়া ৰাইজে যথেষ্ট সকাহ পাব আৰু প্ৰয়োজনীয় চিকিৎসা সেৱা লাভ কৰিব পাৰিব?

মাননীয়, অধ্যক্ষ মহোদয়, এতিয়া আমাৰ গাওঁ অঞ্চলৰ দুখীয়া লোকসকল সাধাৰণ এটি অসুখৰ কাৰণে চহৰলৈ যাব নলগাত পৰিছে। আৰু আমাৰ চৰকাৰ অহাৰ পৰা অসমত ১৫ টা ব্লাড বেংক খোলাৰ ব্যৱস্থা কৰা হৈছে। আৰু নতুনকৈ চাৰিটা ব্লাড বেংকৰ ব্যৱস্থা কৰিছে। এটা কথা দেখা যায় বিধান সভাত আইন প্ৰণয়ন হয় কিন্তু কিছুমান কার্যকৰী নহয়। আমাৰ চৰকাৰে কার্যকৰী কৰিবলৈ ব্যৱস্থা লৈছে। আগৰ চৰকাৰ বিলাকেও বহুতো আইন প্ৰণয়ন কৰি কার্যকৰী কৰিব পৰা নাই। গতিকে আমাৰ

চৰকাৰৰ স্বাস্থ্যমন্ত্রী মহোদয়ে এয়া কার্যকৰী কৰাৰ প্রচেষ্টা চলোৱাত লাজ পাই বিৰোধী দলপতি গোস্বামী ডাঙৰীয়াই ভৰ্ৎসনা প্রস্তাব আনিছে। মাননীয় অধ্যক্ষ মহোদয়, লেপ্রচীৰ ক্ষেত্রতো আমাৰ চৰকাৰে ভাল কাম কৰিছে। ২০০১ চনত -০.৮৩, ২০০২ চনত ০.৭৮ লৈ নামিছে। মাননীয় অধ্যক্ষ মহোদয়, ৰিজনেল টেষ্ট লেবৰেটৰিৰ ক্ষেত্রত স্বাস্থ্যমন্ত্রী মহোদয়ে ব্যৱস্থা লৈছে। কেন্দ্রীয় চৰকাৰৰ লগত যোগাযোগ কৰি টেষ্ট লেবৰেটৰিৰ সম্পর্কে ব্যৱস্থা লৈছে। অসমৰ বহুতো দুখীয়া মানুহৰ এই ক্ষেত্রত উপযুক্ত চিকিৎসা হ'ব। পি এম জি, পিম এইচবৰাই আঁচনি ভাল কাম হৈছে। মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিৰোদী দলৰ সদস্যসকলকো জনাওঁ যে এই আঁচনি সমূহৰ ভাল কাম আমাৰ চৰকাৰৰ স্বাস্থ্যমন্ত্রী মহোদয়ে কৰিচে গতিকে মই ভৰ্ৎসনা প্রস্তাবৰ বিৰোধীতা কৰো। স্বাস্থ্যমন্ত্রী মহোদয়ৰ নেতৃত্বত এই আঁচনিসমূহৰ সদব্যৱহাৰ হৈছে। মাননীয় অধ্যক্ষ মহোদয়, গোস্বামী ডাঙৰীয়াই ভৰ্ৎসনা প্রস্তাবটো আনি কিছুমান পৰামর্শ আনিছে তাৰ কাৰণে মই তেওঁক ধন্যবাদ জনাইছো। ময়ো কেইটামান পৰামর্শ আগৰঢ়াব বিচাৰিছো। হাস্পতালবিলাকত ৩, ৪ জনকৈ ডাঃ গৈছে। আমাৰ স্বাস্থ্যমন্ত্রী মহোদয়ে এটা ব্যৱস্থা লৈছে ট্রেনসফাৰৰ ক্ষেত্রত। এতিয়া ট্রেনচফাৰৰ কাৰণে স্বাস্থ্য বিভাগলৈ দিছপুৰ আহিব নেলাগে। এতিয়াৰ পৰা জইন ডাইৰেক্টৰেই বদলি কৰিব পাৰিব। এইটো এটা ভাল পদক্ষেপ হৈছে। এতিয়া প্রচেচটো দীঘলীয়া নহয় । মাননীয় অধ্যক্ষ মহোদয়, এইটো ভাল কাম হৈছে। মই চৰ অঞ্চলৰ কাৰণে কবলৈ ওলাইছো। আমাৰ চৰ অঞ্চলত বহুতো দুখীয়া মানুহ আছে যি বিলাকে সুচিকিৎসা নেপায়। এই চৰ অঞ্চল সমূহৰ যেনেকুৱা ঠাইত অৱস্থিত সেই বিলাকত এনেই হাস্পতাল বনাব নোৱাৰি তাত জাহাজত কিছুমান ভাম্যমান ডিচপেনচৰিৰ ব্যৱস্থা কৰিলে ভাল হয়।

তেতিয়াহলে দুখীয়া চৰ অঞ্চলৰ ৰাইজে সকাহ পাব। দ্বিতীয়তে মই মানুহ ইঘটনে মাৰিলে পষ্টেমৰ্টনৰ ব্যলস্থাৰ কথা কবলৈ ওলাইছে। অঘটনে মৰা মানুহৰ পষ্টমৰ্টনৰ বাবে ৩০, ৪০ কিলোমিটাৰ দুৰৰ চহৰলৈ যাব লাগে। তাৰ ফলত ডেড্‌বডি কিছুমান গেলিগৈ বেয়া অৱস্থাৰ সৃষ্টি হয়। বিশেষকৈ চৰ চঞ্চল বিলাকত কম আয়সতে চিভিল হস্পিতালত পষ্টমৰ্টনৰ সুব্যৱস্থা কৰিবলৈ আপোনাৰ জৰিয়তে পৰামৰ্শ দিলো। সদৌ শেষত স্বাস্থ্য মন্ত্রীক চিকিৎসাৰ সদৌ শেষত স্বাস্থ্য মন্ত্রীক চিকিৎসাৰ সুবিধাৰ কাৰণে মিনি পি এচ ই গঠন কৰি দিলে অসমৰ দুখীয়া ৰাইজ বিশেষকৈ চৰ অঞ্চলৰ ৰাইজ উপকৃত হ'ব। মাননীয় গোস্বামী ডাঙৰীয়াৰ পৰামৰ্শ বাবে মই তেওঁক পুনৰ ধন্যবাদ জনাই লগতে এই কেইটা পৰামৰ্শ আগবঢ়াৰ বাবে অধক্ষ্য মহোদয়ে মোক ইয়াত সময় দিয়াৰ বাবে ধন্যবাদ জনাই লগতে ভৰ্ৎসনা প্রস্তাৱৰ বিৰোধিতা কৰি সামৰণি মাৰিলো।

* **শ্রীবিমলাংশু ৰয় ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি বিধান সভাত এই ভৰ্ৎসনা প্রস্তাৱটো অনাৰ কাৰণে মই দুখ পাইছো। আজি এই চৰকাৰত যি গৰাকী স্বাস্থ্য মন্ত্রী আছে তেখেত এগৰাকী প্রাক্তন মুখ্যমন্ত্রী, এজন প্রবীণ ডাক্তৰ আৰু এগৰাকী দক্ষ স্বাস্থ্য মন্ত্রী। তথাপিও আমি বাধ্য হৈ যিহেতু আমি ৰাইজৰ স্বার্থত দায়বদ্ধ সেই কাৰণেই এই ভৰ্ৎসনা প্রস্তাৱটো আনিব লগা হৈছে আৰু তাৰ মাধ্যমেৰে আমি কিছু কথা আলোচনা কৰিবলৈ সুবিধা পাম।

অধ্যক্ষ মহোদয়, মই বেছি কথা নকওঁ, যিখিনি কথা আগৰ বক্তা কেইগৰাকীয়ে উল্লেখ কৰা নাই তাৰ দুই এটা কথা মই চৰকাৰৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো। প্রথম কথা হ'ল আমাৰ স্বাস্থ্য বিভাগটোত ৰাজ্যখনৰ সনসাধাৰণৰ স্বাস্থ্য ব্যৱস্থা সম্পর্কে

---

* Speech not corrected

যি ধৰণে ব্যৱস্থা লব লাগিছিল তেনে ধৰণে লোৱা নাই। আমাৰ তিনিওখন মেডিকেল কলেজতে কি ব্যৱস্থা চলি আছে সেইটো আমি সকলোৱে জানো। এই তিনিওখন মেডিকেল কলেজতে ছাত্ৰ-ছাত্ৰী সকলে বি, জি, পঢ়াৰ সুবিধা আছে। যদিও দুই এটা বিভাগৰ বাহিৰে বাকী বিলাকত এম, চি আই, ৰ ৰিকগিচন নাই। তাৰ ফলত ৰিকগনিচন নোহোৱা বিষয়বোৰত পি, জি, কৰি পাছ কৰিলেও তেওঁলোকে চাকৰি নাপায় বা তেওঁলোকে ৰোগী চিকিৎসা কৰিব নোৱাৰে। কোনোবাই চিকিৎসা কৰিলেও আজিকালি কনজিউমাৰ ফৰামে ধৰে। গতিকে এইটো বৰ পৰিতাপৰ কথা। এই ক্ষেত্ৰত চৰকাৰে ৰিক গৰ্নিচৰ কাৰণে আবেদন কৰিবলৈ এটা ৰিষয়ত এক লাখকৈ টকা জমা দিব লাগে যদিও সেইটো দিব নোৱৰা কাৰণে এই অৱস্থা হৈছে। গতিকে এই ক্ষেত্ৰত চৰকাৰে সোনকালে ব্যৱস্থা গ্ৰহণ কৰিব বুলি আশা কৰিলো। এইৰোৰ চাৰ্ভিচ মেটাৰ This is a serious lapse on the part of the Government and also a serious lapse of the Health department On that account Government sould be alternative

দ্বিতীয়তে 8/১০/২০০২ তাৰিখে মাননীয় সদস্য পৰিমল শুক্লবৈদৰ এটা প্ৰশ্ন দিছিল আৰু সেই প্ৰশ্নটো মন্ত্ৰী মহোদয়ে উত্তৰো দিছে। এই ক্ষেত্ৰত মই এটা কথা কওঁ যে আমাৰ বহুতো ডাক্তৰৰ ক্ষেত্ৰত এনে ধৰণৰ ঘটনা হোৱাৰ ফলত এম, চি, আই, ৰ পৰা যেতিয়া ইনচ্পেকচন আহিছিল তেতিয়া তেনে এজন ডাক্তৰ ততাতৈয়াকৈ শিলচৰলৈ যায় আৰু ইন্পেকচন শেষ হোৱাৰ লগে লগে তেওঁ পুনৰ ডিব্ৰুগড়লৈ গুচি যায়। এনে ধৰণে মিঠা কথা কৈ স্বাস্থ্য বিভাগৰ কাম চলি আছে। এনে ধৰণে চলি থাকিলে ছাত্ৰ-ছাত্ৰী সকলৰ অৱস্থা কি হ'ব? মোৰ এটা আনষ্টাৰড্ কুৱেচনত

মন্ত্রী মহোজয়ে স্বীকাৰ কৰিছে। Unstarred question No 105 It is a fact the doctors are transferred from Guwahati Medical College in connection wi Mc I inspcetion. এইটো বৰ চিৰিয়াচ মেটাৰ The will left the station as soon as inspcetion is overpartially out of 28 doctors who have joined at silchar Medical College M C I inspection doctors are still working there Few og the left the college by Sllibmtting Application এনেকুৱা এটা অৱস্থাত মন্ত্রী মহোদয়ে তাত ৰাইজৰ আগত কৈছিল যে ডাক্তৰ সকল এনে ধৰণে গুছি গ'লে তেওঁলোকক চাচ্‌পেক কৰা হ'ব।

* **ডাঃ ভূমিধৰ বর্মন (স্বাস্থ্য মন্ত্রী) ঃ** অধ্যক্ষ মহোদয়, মাননীয় সদস্যগৰাকীয়ে শিলচৰ মেডিকেল কলেজৰ অৱস্থা আগতকৈ ভাল হৈছেনে নাই সেই বিষয়ে ক'লে মই ভাল পাম।

* **শ্রীবিমলাংশু ৰয় ঃ** আপোনালোকে ৫০ বছৰে কি কৰিলে সেই বিষয়ে কওঁক। প্রদ্যুৎ বৰদলৈ ডাঙৰীয়াই যিখিনি কথা কৈছে সেইখিনি আমি ভাল পাইছো। এ, জি, পিয়ে বেয়া কাম কৰিলে বুলি কংগ্রেছেও কৰিব নেকি। মাননীয় মন্ত্রী গৌতম ৰয়ৰ তৎপৰতা কাৰণে শিলচৰ মেডিকেল কলেজখনৰ অৱস্থা আগতকৈ কিছু ভাল হৈছে। সেইটো আমি স্বীকাৰ কৰো। মন্ত্রী নীলমণি সেন ডেকাই দৰমহা প্রথম সপ্তাহাতে দিব পৰা কথাটো কৈছে। আমিও ভাল পাইছো। কিন্তু স্বাস্থ্য মন্ত্রীয়ে আকৌ কৈছে যে আমাৰ বিভাগৰ টকা বিলাক আৰ, ডি ত থকা কাৰণে কাম বিলাক কৰিব পৰা নাই। ২০০১/ ২০০২/ চনত নেচনেল টি, বি. কণ্ট্রোল প্রগ্রেম, নেচনেল এড্‌চ কণ্ট্রোল আদিৰ কাৰণে ভাৰত চৰকাৰে ১৩০ কোটি টকা দিছে। কিন্তু আচলতে এই টকাবোৰ প্রপাৰলি ইউটিলাইজ কৰা হোৱা নাই।

---

* Speech not corrected

মই দুটামান কথা কৈয়ে মোৰ বক্তব্য শেষ কৰিব বিচাৰিছো। মেডিকেল কলেজৰ ষ্টুডেণ্টসকলৰ কথাটো চিৰিয়াচলি চিন্তা কৰিব লাগে। জি, এন, এম সকলে তিনি বছৰ আৰু এ, এল. এম সকলে দুই বছৰ পঢ়ি পৰীক্ষাত পাছ কৰি বহি আছে। কিন্তু আজি কোনো মেডিকেল কলেজ হাস্পতালত জি, এন, এম আৰু এ-এন এম নিযুক্তি দিয়া হোৱা নাই। এই ক্ষেত্ৰত কোনো ইনফ্ৰাষ্ট্ৰীকচাৰ মেডিকেল কলেজসমূহত নথকা কাৰণে অসুবিধা হেছে। নগাওঁ, কাৰ্বি আংলং আদি ঠাইত পানীত আৰ্চেনিক পাইছে। এই ক্ষেত্ৰত হেল্‌থ ডিপাৰ্টমেণ্ট যেনে ধৰণে দায়িত্ব লব লাগিছিল তেনেকৈ লোৱা নাই। চাব চেণ্টাৰ বিলাকত থকা ফিমেল হেল্‌থ এচিচষ্টেণ্ট বিলাকত মাহিলি ৫০ টকাৰহে দৰমহা দিয়া হয়। এই ৫০ টকাৰে তেওঁলোকে কেনেকৈ চলিব? এই কথাটোও মাননীয় স্বাস্থ্য, মন্ত্ৰীয়ে চিৰিয়াচলি চিন্তা কৰিব লাগে। স্বাস্থ্যসেৱাৰ ক্ষেত্ৰত চৰকাৰৰ ফালৰ পৰা যিখিনি যতন লব লাগে সেইখিনি লোৱা নাই। মই স্বাস্থ্য কেন্দ্ৰ বিলাকত প্ৰপাৰলি ধন ইউটিলাইজ কৰাৰ কাৰণে চৰকাৰক অনুৰোধ জনাইছো। সিদিনাখন কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰীগৰাকী অসমলৈ আহি স্বাস্থ্যকেন্দ্ৰবিলাক উপযুক্তভাবে গঢ়ি তুলিব লাগে বুলি কৈছিল। তাৰ কাৰণে বহুত টকা লাগিব। কিন্তু সেই টকা কেন্দ্ৰীয় চৰকাৰৰ ফালৰ পৰা দিব পৰা যাব বুলি তেওঁ কৈছে। বি, বৰুৱা কেনচাৰ ইনষ্টিটিউটৰ কথাও মাননীয় কেন্দ্ৰীয় মন্ত্ৰী ডাঙৰীয়াই কৈ গৈছে। আমি কৈছো এই বিলাক ক্ষেত্ৰত চেণ্ট্ৰেল গবৰ্ণমেণ্টে আমাৰ টকা দিব লাগে। আমি স্বাস্থ্যসেৱা আঁচনিৰ উন্নয়ৰ লগতে অন্যান্য আঁচনিৰ উন্নয়নৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ পৰা টকা অনাৰ কাৰণে যতন কৰি আছো। স্বাস্থ্য বিভাগৰ আঁচনি বা অন্যান্য বিভাগৰ আঁচনিৰ ক্ষেত্ৰত আমি কোঃঅপাৰেচনৰ ক্ষেত্ৰত সাজু হৈ আছো। টকাৰিলাক প্ৰপাৰলি

ইউটিলাইজ কৰিব লাগে আৰু ৰেভিনিউ ডেপজিত কৰি ৰাখিব নেলাগে। বিত্তীয় সম্পৰ্কত কি হৈ আছে সেই সম্পৰ্কত মই মাননীয় মুখ্যমন্ত্রীৰ পৰা জানিব বিচাৰিছো।

Mr. Speaker : Now, Hon'ble Member Shri Paniram Rabha to speak.

* শ্রীপানীৰাম ৰাভা ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ আজিৰ এই বিধান সভাত স্বাস্থ্য বিভাগৰ ওপৰত বিৰোধী দলে ভৰ্ৎসনা প্রস্তাৱ আনিছে। কিন্তু এই প্রস্তাৱটোৰ ক্ষেত্রত তেখেতসকলে যেনে ধৰণে ভৰ্ৎসনা কৰিব লাগিছিল তেনেধৰণে ভৰ্ৎসানা কৰা নাই। কাৰণ ভৰ্ৎসনা কৰাৰ কাৰণে তেখেতসকলৰ হাতত যথেষ্ট তথ্য পাতি মজুত নাই। কেৱল ভৰ্ৎসনা প্রস্তাৱ আনিব লাগে কাৰণেই তেওঁলোকে ভৎর্সনা প্রস্তাৱ আনিছে। কাৰণ বিধান সভাত চিঞৰ বাখৰ নকৰিলে বাৰ্তাৰি কাকতত নাম নোলাব আৰু সমষ্টিৰ মানুহেও গুৰুত্ব নিদিব। তেখেতসকলে যি যুক্তিৰে আমাৰ মাননীয় স্বাথ্যমন্ত্রী ডাঙৰীয়াক ব্যাতিব্যস্ত কৰি তুলিব লাগিছিল সেই যুক্তিৰে ব্যাতিব্যস্ত কৰিব পাৰা নাই। আমাৰ ১২৬ গৰাকী বিধায়কৰ ভিতৰত আটাইতকৈ ডাইনেমিক হৈছে বয়োজেষ্ঠ স্বাস্থ্য মন্ত্রী গৰাকী। এই গৰাকী মাননীয় স্বাস্থ্য মন্ত্রীয়ে স্বাস্থ্য বিভাগটো আগবঢ়াই নিবৰ কাৰণে যিমান পৰিশ্রম কৰিছে তাৰ কাৰণে সমালোচনা কৰিবলৈ সবিধা পোৱা নাই। এই গৰাকী মাননীয় স্বাস্থ্য মন্ত্রীয়ে একেদিনাই শিলচৰত মিটিং কৰি শিলচৰৰ পৰা গুৱাহাটীলৈ ঘূৰি আহিছিল আৰু ধুবুৰীত মিটিং কৰি ধুবুৰীৰ পৰা গুৱাহাটীলৈ ঘূৰি আহিছিল। ইমান পৰিশ্রম কৰা মন্ত্রী এজনৰ বিৰুদ্ধে ভৰ্ৎসনা প্রস্তাৱ অনাটো আচলতে যুক্তিসঙ্গত হ'ব নোৱাৰে আৰু এই প্রস্তাৱটো অনাৰ কাৰণে লাজ পাব লাগিছিল। এতিয়া আমি কব বিচাৰিছো অসমত দুবছৰমান আগতে মেলেৰীয়া ৰোগত বহুতো

* Speech not corrected

মানুহৰ মৃত্যু হৈছিল। কিন্তু আমাৰ চৰকাৰে কাৰ্যভাৰ লোৱাৰ পিছতেই মেলেৰীয়াত মৃত্যু হোৱা লোকৰ সংখ্যা কমি আহিছে। মেলেৰীয়া বেমাৰটো এপ্ৰিল মাহৰ শেষৰ পৰা আৰম্ভ হয়। আমাৰ মাননীয় স্বাস্থ্য মন্ত্ৰী গৰাকীয়ে মাৰ্চ মাহৰ পৰাই এই ডি, ডি. টি চটিওৱা কাৰণে ব্যৱস্থা কৰিলে। মাৰ্চ মাহৰ পৰাই এই ডি, ডি, টি চটিয়াই দিয়াৰ ফলত লাহে লাহে মহবিলাক নাইকিয়া হ'বলৈ ধৰিলে আৰু মেলেৰীয়া বেমাৰ কমকৈ হ'বলৈ ধৰিলে। এইটো আমাৰ স্বাস্থ্য মন্ত্ৰীৰ কৃতকাৰ্যতা বুলিয়েই কব পাৰি। আৰ, চি, এইচ প্ৰজেক্টৰ জৰিয়তে চি, এইচ, চি. বিলাক উন্নত কৰি তুলিবৰ কাৰণে তেখেতে কেন্দ্ৰীয় চৰকাৰৰ পৰা ধন আনিছে আৰু সেই আৰ, চি এইচ, প্ৰজেক্টৰ ১০ লাখকৈ টকা এই চি, এইচ চি বিলাক সুন্দৰ ভাৱে গঢ়ি তোলাৰ কাৰণে দিয়া হৈছে। তাৰ ফলত ৩০খন বিছনাযুক্ত হস্পিতাল বা সমষ্টি বা গাৱঁৰ হাস্পতালবিলাক ক্ৰমান্বয়ে ভাল হ'বলৈ ধৰিছে। এই হাস্পতাল ভাল হোৱাৰ কাৰণে আমাৰ ৰাইজৰ উপকাৰত আহিছে। ঠিক তেনেকৈ অন্যান্য গ্ৰাম্য চিকিৎসা সেৱাৰ ক্ষেত্ৰতো চৰকাৰে যথেষ্ট গুৰুত্ব দিয়া দেখা গৈছে। অসমৰ তিনি চাৰিটা বিভাগ শিক্ষা বিভাগ, স্বাস্থ্য বিভাগ, গৱৰকাষ্টানী বিভাগ আৰুবাজহ বিভাগ এই বিভাগ কেইটাৰ কৰ্মচাৰী প্ৰত্যেকখন গাৱঁতেই জড়িত হৈ আছে। স্বাস্থ্য বিভাগৰ চাব চেণ্টাৰ প্ৰত্যেকখন গাৱঁতেই আছে। এই চাব চেণ্টাৰ বিলাকৰ ঘৰ আদি নিৰ্মাণ কৰি উন্নত কৰি তুলিবৰ কাৰণে টকা দিয়া হৈছে। তাত একোজনী এ, এন . এম থকাৰ কাৰণে কোৱাৰ্টাৰৰ ব্যৱস্থা কৰি দিয়া হৈছে। ইয়াৰ কাৰণে ৰাইজে সুবিধা পাইছে। ঠিক তেনেকৈ নেচনেল মেটানিটি বেনিফিট্ স্কীম। মাতৃ সকলক সাহায্য কৰা এই আঁচনিটো হৈছে কেন্দ্ৰীয় চৰকাৰৰ আঁচনি মাতৃ মঙ্গল সাহায্য আঁচনি আছিল যদিও যোৱা চৰকাৰৰ দিনত এই আঁচনিটো কাৰ্যকৰী কৰা হোৱা

নাছিল। পৰা টকা আহে যদিও কোনো মাতৃকেই এই টকাৰে সাহায্য দিয়াৰ ব্যৱস্থা কৰা হোৱা নাছিল। কিন্তু আমাৰ চৰকাৰে সুসন্তান জন্ম দিয়াৰ কাৰণে আৰু মাতৃসকলৰ স্বাস্থ্য ৰক্ষাৰ কাৰণে সা-সুবিধা আগবঢ়ায়। ছাৰ, এইটোতো বেয়া কথা হোৱা নাই। আমাৰ চৰকাৰে অনুদান আগবঢ়ালে সমালোচনা কৰিব নে নোৱাৰে, নিশ্চয় নোৱাৰে। এতিয়া কোৱা হৈছে ডাক্তৰ নাযায়। ডাক্তক বিলাকে চৰকাৰ কিয়, ভগৱান, আল্লাকো ভয় নকৰে। মাননীয় এজন সদস্যই কৈছে ডাক্তৰ বিলাক গাৱলৈ নগলে চাচপেণ্ড কৰিলে কি লাভ হ'ব, একো লাভ নহয়। চাচপেণ্ট কৰা সময়খিনি ফ্রিলী নাচিং হোমত কাম কৰিব পাৰিব। তাৰ সলনি আমাৰ চৰকাৰে ৫ বছৰ যদি গাওঁত চাকৰি নকৰে তেতিয়াহ'লে প্রমোচন বন্ধ কৰাৰ ব্যৱস্থা কৰা হৈছে। প্রমোচন নাপালে তেওলোকৰ প্রমোচন বন্ধ কৰাৰ ব্যৱস্থা কৰা হৈছে। ডাক্তৰ নোহোৱা কথাটো আমি সকলোৱে উপলদ্ধি কৰা উচিত। তথাপি ইয়াৰ মাজতো আমাৰ মাননীয় স্বাস্থ্য মন্ত্রীয়ে ৩০০/৪০০ মান ডাক্তৰ নিযুক্তি দিছে। চাৰৰ সমষ্টিৰ ভুটানৰ ওচৰৰ উত্তৰকুছি সুৱনখাটা এলেকাত চিকিৎসাৰ অভাৱত বহুত মানুহ মৰিছে। তাত বেমাৰ চাবলৈ ডাক্তৰে ভয় কৰে। কিন্তু মাননীয় স্বাস্থ্য মন্ত্রীয়ে নতুনকৈ নিযুক্তি দিয়া ডাক্তৰ সকলৰ ভিতৰতেই কোনোবা ডাক্তৰে সেই অঞ্চলত কাম কৰিবলৈ যোৱাৰ কাৰণে লে অঞ্চলৰ মানুহখিনি যথেষ্ট উপকৃত হৈছে। সেই ডাক্তৰ নোহোৱা ঠাইখিনিত ডাক্তৰ দিয়াৰ কাৰণে আমি যথেষ্ট সুখী হৈছো। অৱশ্যে এইটো কথা ঠিক যে প্রত্যেকখন ঠাইকেই সমান ভাবে আগবঢ়াই নিয়াটো সম্ভৱপৰ নহয়। কাৰণ এই ক্ষেত্রত যিমান টকা লাগে সেই পৰিমানৰ টকা চেণ্ট্রেল গবর্ণমেণ্ট বা টেষ্ট গবর্ণমেণ্টৰ পৰা পোৱা নাযায়। তথাপিতো আমাৰ মাননীয় স্বাস্থ্য মন্ত্রী গৰাকীয়ে স্বাস্থ্যসেৱা উন্নত কৰি তুলিবৰ

কাৰণে স্বাস্থ্য বিভাগটোৰ কাম কাজ আগবঢ়াই নিয়াৰ কাৰণে চেষ্টা কৰিছে। আমাৰ ১২৬ জন বিধায়কেই স্বাস্থ্যসেৱাৰ ক্ষেত্ৰত জড়িত হৈ আছে। কাৰণে ১২৬ টা সমষ্টিত যি স্বাস্থ্যসেৱা পৰিচালনা সমিতি গঠণ কৰা হৈছে সেই সমিতিৰ সভাপতি বিধায়ক পতা হৈছে। তাতকৈ কি ডাঙৰ কাম লাগে? দোষ কৰিছে আমাৰ সভাপতি সকলে কৰিছে, তাৰ বাবে আমাৰ মন্ত্ৰী ডাঙৰীয়াই জগৰীয়া নহয়। স্বাস্থ্য বিভাগ ভাল কৰাৰ দায়িত্ব মন্ত্ৰী আৰু বিধায়ক সকলক দিয়া হৈছে। সেই কাৰণে চাৰ, আমাৰ স্বাস্থ্য বিভাগৰ ওপৰত ভৰ্ৎসনা প্ৰস্তাৱ আনি তেওঁলোকে নিজেই লজ্জিত হৈছে। আমাৰ নতুন চৰকাৰখনে স্বাস্থ্য শিতানত পৰিৱৰ্ত্তন অনাৰ কাৰণে প্ৰচেষ্টা চলাই আহিছে। তেখেতক ধন্যবাদ জনাইছো আৰু বিৰোধী সকলৰ কোনো ধৰাৰ সমালোচানালৈ ভয় নকৰি আগবাঢ়ি যাব।

মাননীয় অধ্যক্ষ ঃ মন্ত্ৰী মহোদয়ক উত্তৰ দিবলৈ কৈছোঁ

*** ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰথমে মাননীয় সদস্য জনক ভৰ্ৎসনা প্ৰস্তাৱ অনাৰ কাৰণে ধন্যবাদ জনাইছোঁ।

*** শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ** অধ্যক্ষ মহোদয়, যোৱা ১০ আগষ্টৰ আচাম ট্ৰিউবিউন কাকতত যি বাতৰিৰ ওলাই চৰকাৰৰ ফালৰ পৰা তাৰ কোনো স্পষ্টিকৰণ দিয়া নাই আৰু সেই ঔষধ এতিয়াও চলাই আহিছে, মাননীয় মন্ত্ৰী মহোদয় নিজেও ডাঃ মানুহ তেখেতে জানে যে তেনে ঔষধ গৰ্ভৱতী মহিলাক দিয়া হয়।

*** ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, মই এই ক্ষেত্ৰত মাননীয় সদস্য এ, জি, পিৰ দলপতি গোস্বামী ডাঙৰীয়াই কেইটামান কথা অনাত ভালেই পাইছোঁ জেনচন ভায়েলেট এক কোটি টকাৰ কিনা বুলি

---

* Speech not corrected

তেখেতে কৈছে এক কোটি টকা নহয় ৩ লাখ ৯০ হেজাৰ টকাৰ হে কিনা হৈছে। এই তথ্য গোস্বামী ডাঙৰীয়াই কৰ পৰা পাইছে নাজানো। হয়তো কোনোবা ইণ্টাৰেষ্টেড মানুহ আছে আৰু তেওঁলোকৰ পৰা পাইছে। ২য়তে তেখেতে কৈছে ৫০ লাখ টকাৰ আই দ্রপ কিনা হৈছে। জেনচন ভায়লেট বাৰিষা বানপানীত যিসকল কৃষক-বনুৱাই বোকাপানী গচকি ফুৰে তেওঁলোকৰ ভৰি পানীয়ে খায় আৰু ভৰিৰ আঙুলিবোৰৰ মাজত পানীয়ে খোৱা বেমাৰ হৈ নখ পর্য্যন্ত বেয়া হৈ যায়। সেই বেমাৰৰ কাৰণে এইটো বৰ দৰকাৰী ঔষধ। গোস্বামী ডাঙৰীয়াই আন ডাক্টৰক সুধি চাব তেতিয়া গম পাব এই ঔষধটো দৰকাৰী হয় নে নহয়। তাৰ পিচত তেখেতে বেছি দামত এই ঔষধবোৰ লোৱা বুলি কৈছে। এই ক্ষেত্রত মই কওঁ যে আপোনালোকে চাওক ১৯৯৫ চনত টেণ্ডাৰ কল কৰিছিল, কিন্তু তেখেত সকলৰ দিনত নহ'ল। মাত্র ১৯৯৯ চনত চর্ট টেণ্ডাৰ কল কৰিছিল। গতিকে মই এইবাৰ টেণ্ডাৰ কল কৰিছোঁ, অৱশ্যে কোনোবাই কোনোবাই হাইকর্ট কৰাত কিছুদিন বন্ধ হৈ থাকিল।

অধ্যক্ষ মহোদয়, আপুনি নিশ্চয় আমাক প্রসংসা কৰিব লাগিব। ১৯৯৪ চনত বিধান সভাত কথাবোৰ কোৱা হৈছিল তেতিয়া তেখেতসকলে বলে পৰা নাছিল। কিন্তু এতিয়া আমি ডাঙৰ ডাঙৰ কোম্পানীবিলাক যেনে সভাই, ডাষ্ট ৰেড্ডি এইবিলাকৰ নাম থকা ভাল কোম্পানীৰ ফার্মৰ পৰা কম দামতে আমি ঔষধ কিনিছো, এইটো জানো ভাল কাম নহয়? লগতে এইটোও কওঁ যে এইবাৰ যিবিলাক ঔষধ কিনা হৈছে সেই বিলাক এস্পার্ট কমিটীয়ে ঠিক কৰা, এক্সপার্ট কমিটীয়ে ঠিক কৰাৰ পিচতহে মেডিকেল কলেজলৈ গৈছে। এইটো জানো ভাল কাম হোৱা হাই কর্টলৈ যোৱাৰ নিমিত্তে কিছু পলম হয়। পি, এম, জিৰ টকা খৰচ

কৰাৰ কথা কোৱা হৈছে। কিন্তু আপুনি জানে আৰু মাননীয় সদস্য সকলেও জানে যে আগৰ চৰকাৰৰ দিনত পি, এম, জি ওৱাইৰ ধনেৰে তেখেত সকলে বেছিকৈ ঔষধ কিনিছিল তাৰে শতকৰা ৪০ ভাগ খৰছ হোৱাই নাই। এতিয়া সেই কোম্পানিবিলাকক টকা আমি দিব লাগে বুলি কৈছো। সেই সময়ত যিটো টকা আছিল সেইটোহে আমি দিব পাৰিম, একচেচটো কেনেকৈ দিম? দ্বিতীয়তে তেখেত সকল কোৰ্টলৈ গল। কৰ্টোক কিছু টকা দিব দিছে আৰু সেই কাৰণে কিছু টকা আমি ৰাখিছোঁ। বেছিকৈ কিয় কিনিছিল? যিখিনি কিনিছিল তাৰ দাম তেখেতসকলে দিব লাগিছিল। কেচটো কৰ্টত আছে। সোনকালে নিস্পত্তি হ'ব।

মাননীয় অধ্যক্ষ মহোদয়, মই এই চেগতে এটা গোহাৰী ৰাখিব খুজিছে। আমি এখন কমিটী কৰিছোঁ আৰু তাৰ সভাপতি স্থানীয় বিধায়ক সকলক দিয়া হৈছে।

(ধ্বনি ঃ আমি পোৱা নাই)

* ডাঃ ভূমিধৰ বৰ্মন (মন্ত্রী) ঃ অধ্যক্ষ মহোদয়, বিধান সভা আৰম্ভ হোৱাৰ দিনাই প্রত্যেকজন সদস্যৰ টেবুলত একোখনকৈ নটিশ খোৱা হৈছে, চাৰ।

অধ্যক্ষ মহোদয়, ইয়াত কোনো মাননীয় সদস্যই নটিফিকেচন কপি নাই পোৱা বুলি ক'লে নহব, মই ইয়াৰ কপি সকলো সদ্যকে দিছো। এই নোটিফিকেচন ওলাইছিল। ১২/২/০২ তাৰিখেই। ইয়াত কোনো পার্টিৰ কথা নাই। সকলোকে দিয়া হৈছে। এতিয়া এখন হস্পিটেল কমিটি কৰি দিয়া হৈছে— সেই কমিটিয়ে আমাক ৰিপোর্ট দিব কোনোবা ডাক্তৰ হস্পিটেললৈ আহিছেনে নাই। পাৰা মেডিকেল ষ্টাফ হস্পিটেললৈ আহিছেনে নাই, কোন প্রেজেণ্ট আছে, কোন এবচেণ্ট আছে সেইবোৰ তথ্য কমিটিয়ে জনাব লাগিব।

---

* Speech not corrected

* **শ্রীজগদীশ ভূঞা (মন্ত্রী)** ঃ অধ্যক্ষ মহোদয়, আমি এই কমিটি গঠণৰ বিষয়েও একো জনা নাই, আগৰ নোটিফিকেচনো পোনা নাই, বোধকৰো মন্ত্রী ডাঙৰীয়াৰ ফাইলতে আছে।

* **ডাঃ ভূমিধৰ বর্মন (স্বাস্থ্য মন্ত্রী)** ঃ অধ্যক্ষ মহোদয়, ঔষধ যোগানৰ ক্ষেত্রত কিছু অভিযোগ আনিছে দুই-এজন মাননীয় সদস্যই চর্ট চাপ্লাই হৈছে বুলি। এই অভিযোগ কিছু ক্ষেত্রত সঁচা। কেতিয়াবা এনে হয় যে বিভাগে যদি ৫ লাখ টকাৰ ঔষধ যোগাৰ ধৰিবলৈ কোনো কোম্পানীক দিয়ে তেন্তে সেই কোম্পানীয়ে ৩ লাখ টকাৰ ঔষধ দিয়ে-চর্ট চাপ্লাই কৰে। এইবোৰ এতিয়া আমি দূৰ কৰাৰ ব্যৱস্থা কৰিছো। এতিয়া ঔষধ কিনাৰ কাৰণে দায়িত্ব জিলাৰ যুটীয়া স্বাস্থ্য সঞ্চালকক দিয়া হৈছে। ঔষধ যোগানৰ ক্ষেএত জিলাত একোখন কমিটি কৰা হৈছে - ঔষধ চাপ্লাই দিয়া চালানৰ কবি জিলাৰ উপায়ুক্তই পৰীক্ষা কৰিব। এই কমিটিয়ে চাব কি কি ঔষধৰ প্রয়োজন, কিমান পৰিমানৰ প্রয়োজন, কিমান যোগান ধৰা হৈছে। এই কমিটিৰ সভাপতি জিলাৰ উপায়ুক্ত, সদস্য সচিব হ'ব যুটীয় স্বাস্থ্য সঞ্চালক, ইয়াত সদস্য হিচাপে চিফ মেডিকেল আৰু অতিৰিক্ত চিফ মেডিকেল এণ্ড হেলথ অফিচাৰ সদস্য থাকিব আৰু সদস্য কৰা হৈছে জিলাৰ দ্রাগচ্ ইনচপেষ্টৰ এই জনে ঔষধৰ গুণাগুন,দিন উকলি যোৱা ইত্যাদি দিশবোৰ চাব পৰিব। চর্ট চাপ্লাই যাতে হ'ব নোৱাৰে সেই কথাওঁ চাব। বেয়া ঔষধ যাতে দিব নোৱাৰে ইত্যাদি কথাবোৰ চাব। এইবোৰ ব্যৱস্থাঅমাৰ চৰকাৰে গ্রহণ কৰিছে— এতিয়া আপোনালোকে কওক এইবোৰ ব্যৱস্থা ভাল হৈছেনে বেয়া হৈছে? (সদনত হাঁহিৰ ৰোল)। আমাৰ মাননীয় সদস্য শ্রীপ্রদান বৰুৱাৰ সমষ্টিত বানপানীৰ সময়ত যি ঔষধ যোগান ধৰা হৈছিল সেই ঔষধ আমাৰ চৰকাৰে যোগান ধৰা নাছিল কেন্দ্রীয় চৰকাৰেহে যোগান ধৰিছিল।

---

* Speech not corrected

* **শ্রীদিলীপ কুমাৰ শইকীয়া** ঃ অধ্যক্ষ মহোদয়, শ্রীপ্রদান বৰুৱাৰ সমষ্টি চিলাপথাৰত যি ঔষধ যোগান ধৰা হৈছিল- তাত নট টু বি চাপ্লাই বুলি লিখা আছিল যদিও বিতৰণ কৰা হ'ল। মাননীয় মন্ত্রী শ্রীৰিপুণ বৰা ডাঙৰীয়াই এই কথা স্বীকাৰ কৰিছিল। এচাম ট্রিবিইনটো এই ৰিপোর্ট প্রকাশ পাইছিল- কিন্তু চৰকাৰে উত্তৰ নিদিলে। ধেমাজীৰ উপায়ুক্তও অনুসন্ধান কৰিছিল।

* **শ্রীসর্ব্বানন্দ সোণোৱাল** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে সদনত বিবৃতি দিছে যে কেন্দ্রীয় চৰকাৰে বেয়া ঔষধ যোগান ধৰিছে বুলি।

* **ডাঃ ভূমিধৰ বর্মন (স্বাস্থ্য মন্ত্রী)** ঃ মই বেয়া বুলি কোৱা নাই। ডেট পাৰ হৈ যোৱা বুলিহে কৈছো।

* **শ্রী ৰিপুণ বৰা (ৰাজ্যিক মন্ত্রী স্বতন্ত্র গ্রাম্য উন্নয়ন)** ঃ মাননীয় অধ্যক্ষ মহোদয়, শ্রাদিলীপ শইকীয়া ডাঙৰীয়াই যিটো কথা উল্লেখ কৰিছে সেই সম্পর্কত কব খোজো যে মই স্বাস্থ্য সঞ্চালক, যুটীয়া স্বাস্থ্য সঞ্চালকৰ লগত যোগাযোগ কৰি এটা ৰিপোর্ট দিছিলো। চিলাপথাৰৰ ৰেলৱে কেম্পত এগৰাকী এ, এন, এমৰ সামান্য ভুলৰ বাবেই এইটো হ'বলৈ পালে লগে লগেই এই ঔষধ যোগান বন্ধ কৰা হ'ল।

মাননীয় অধ্যক্ষ ঃ এতিয়া মাননীয় বিভাগীয় মন্ত্রী উত্তৰ দি আছে, তেখেতক শেষ কৰিবলৈ দিয়ক।

* **ডাঃ ভূমিধৰ বর্মন (স্বাস্থ্য মন্ত্রী)** ঃ মাননীয় সদস্য শ্রীবৃন্দাবন গোস্বামী ডাঙৰীয়াই কৈছে যে স্বাস্থ্য কেন্দ্রৰ ৰব নোৱাৰাৰ ক্ষেত্রত আসোৱাহ হৈছে বুলি -কিন্তু এই কাম আমাৰ আগৰ চৰকাৰৰ দিনতেই কৰা হৈছিল-তেখেতে বিশ্বাস নকৰিলে নথিপত্র চাব পাৰে। মাননীয় সদস্য শ্রীকৰেন্দ্র বসুমতাৰী ডাঙৰীয়াই ডাক্তৰ, নার্চ আদিৰ অভাবৰ কথা কৈছে। অধ্যক্ষ মহোদয় এই অভিযোগ কিছু সঁচা। আমি অলপতে ৩০০ ডাক্তৰ নিযুক্তি দিছিলো- কিন্তু সকলোৱে কামত

* Speech not corrected

যোগদান নকৰিলে। গাওঁ অঞ্চলত কাম কৰিবলৈ কোনো যাব নোখোজে। মই আজি মাননীয় সদস্য সকলক অনুৰোধ জনাইছো তেখেত সকলে ডাক্তৰ আনি দিয়ক মই কালিলৈ নিযুক্তি পত্ৰ উলিয়াই দিম। এতিয়া আমি ডাক্তৰ পোৱা নাই। আমি ছেষ্টা কৰি আছো। এতিয়া প্ৰতিজন ডাক্তৰে ৫ ৩ ২ মুঠ ১০ বছৰ গাওঁত কাম কৰিব লাগিব। প্ৰয়োজনবোধে বেছি থকা ঠাইৰ পৰা নোহোৱা ঠাইলৈ ডাক্তৰ দিব পাৰিব। কৰবাত যদি তিনি জন আছে তাৰ পৰা আনিব দিছো। আজি বানপানী ক্ষেত্ৰত এটা কথা কব বিচাৰিছো অসমত বোধকৰো এইবাৰৰ নিচিনা বানপানী হোৱা নাই। তাৰ বাবে ধন্যবাদ কিয় নিদিয়ে ভাল কৰিলে ভাল বুলি কওঁক আৰু বেয়া কৰিলে বেয়া বুলি কওঁক। আজি খবৰৰ কাগজত লিখিছে মন্ত্ৰীয়ে হয় বুলি কয়। মই এজন পুৰণা মন্ত্ৰী বা বিধায়ক। ভাল কাম বিৰোধী হলেও আমি সদায় সন্মান কৰি আহিছো। তেখেতে সকলে আমাৰ সহযোগ কৰিব লাগে। আজি মোবাইলৰ টিম আমাৰ দিনত কৰিছো আপোনালোকে শুনি সুখ পাব। আপোনালোকে যিবিলাক হাজাৰ মোবাইল হিচাবে কিনিছিল আজিও পৰি আছে। আমাৰ চৰ এৰিয়াৰ বিধায়ক গোপী দাসে নিশ্চয় দেখিছে ছয় গাওঁত এতিয়াও এখন জাহাজ পৰি আছে। আমাৰ দিনত বিধায়ক সকলে নিশ্চয় সুবিধা পাব। আৰু দি আছো। আমি এই বিলাক দিবলৈ লৈছো যাতে তেওঁলোকে সুবিধা পায়। মাননীয় সদস্য সকলে জি, এম, চিৰ কথা কৈছে। এতিয়া জি, এম, চি আই. চি, ইউ হৈছে। যিটো কোনো দিনেই হোৱা নাছিল। জি,এম, চি ৮ হাজাৰ টকা খৰচ কৰি চিকিৎসা কৰিব লাগিছিল। আজি ২.৫০ হাজাৰতেই কৰিব পাৰিব। চি, টি, স্কেন আনাৰ দিনটেই হৈছে।

(হাহাকাৰ) অন্তত ভালক ভাল বুলি কওঁক। এতিয়া আমি হস্পিতাল বিলাকত চোচাইটি কৰিছো। আমাৰ টকা পইচা খিনি ইয়াতে জমা থাকিব। আমাৰ বহুত টকা বিত্ত বিভাগত পৰি আছে

* Speech not corrected

অবশ্যে এতিয়া দিম বুলি কৈছে। এতিয়াহাস্পাতাল চোচাইটি কৰিছো যেতিয়া তাৰে পইচা তাতে খৰছ কৰিম।

* শ্রীকালিৰঞ্জন দে (মন্ত্রী) ঃ বিত্ত বিভাগে কিমান টকা নিদিয়াকৈ আছে।

* ডাঃ ভুমিধৰ বর্মন (মন্ত্রী) ঃ মাননীয় সদস্য বসুমতাৰী ডাঙৰীয়াই ডি, এইচচ, এচৰ নির্বাচন সম্পর্কে কৈছে। আগতে আমি জেষ্টতা ভিত্তিত দিছিলো হাই কোর্ট হোৱাৰ কাৰণে পলম হ'ল। এতিয়া আমি দিয়াৰ ব্যৱস্থা কৰিছে। জুড়িচিয়েলৰ ডেট হ'ব লাগে তেওঁলোকে কৰিব।

* শ্রীকবেন্দ্র বসুমতাৰী ঃ এইটো চিনিয়ৰিটি ভিত্তিত হ'ব নেকি?

* ডাঃ ভুমিধৰ বর্মন (মন্ত্রী) ঃ নহয়, বিজ্ঞাপন দিয়া হ'ব। আৰু এ, পি, এচ চিএ তাৰ তালিকা তৈয়াৰ কৰিব।

* শ্রীচন্দন চৰকাৰ ঃ মাননীয় সদস্য ভূঞা ডাঙৰীয়াই বিধায়ক সকলৰ মাজত কিমান টকা দিয়া হৈছে তাৰ নোটিফিকেচন ফাইলত থকা বুলি কৈছে আমাৰ বিধান সভা চলি আছে কালিৰ ভিতৰতে নটিফিকেচন দিব পাৰে নেকি?

* ডাঃ ভুমিধৰ বর্মন (মন্ত্রী) ঃ কপি এটা মই অধ্যক্ষক দিছো। মাননীয় সদস্য সকলে ব্লাড বেংকৰ কথা কৈছে। ১৯৬৮ চনৰ পৰা যোৱা এ, জি পিৰ ৫ বছৰ পর্যন্ত মাত্র ৮টা হে ব্লাড বেংক আছিল। এতিয়া আমি ২৩ খন জিলাৰ ভিতৰত ৩১ মার্চৰ ভিতৰত ২৩ টা ব্লাড বেংক কৰিম। (হাঁহাকাৰ) (ভেইচ- ধেমাজী হ'ব নে?) ধেমাজীতো হ'ব। মাননীয় সদস্য রিমলাংগু দ্বায় ডাঙৰীয়াই ঠায়ে ঠায়ে জি, এন, এম নাই বুলি কৈছে। হয় মই স্বীকাৰ কৰো। নোহোৱাটো মই নোহোৱা বুলি কম থকাটো থকা বুলি কম। কেন্দ্রীয় চৰকাৰৰ সহযোগত হলেও আজি শিলচৰ মেডিকেল কলেজৰ চেহেৰা বদলি গৈছে। আগতে তাত জুনিয়ৰ শিক্ষক নাছিল। এতিয়া তাৰ ব্যৱস্থা কৰা হৈছে। আমি এতিয়া সকলো কেডাৰৰে পদ স্থানীয় ভাৰে বিজ্ঞাপন কৰি শিলচৰত পূৰণ কৰা ব্যৱস্থা কৰিম।

* শ্রীদিলীপ কুমাৰ শইকীয়া(মন্ত্রী) ঃ ইন্দিয়ান মেডিকেল কাউঞ্চিলক দেখুৱাবৰ

---

* Speech not corrected

কাৰণে এইখন মেডিকেল কলেজৰ পৰা সিখন মেডিকেল কলেজলৈ শিক্ষক এতিয়াও বদলি কৰিয়েই আছে।

* **ডাঃ ভুমিধৰ বর্মন (মন্ত্রী) ঃ** শিলচৰ মেডিকেল কলেজত ২৮ টা জুনিয়ৰ শিক্ষকৰ পদ খালি আছিল কিন্তু আমি এতিয়াই তাক পূৰণ কৰিছো। (হাঁহাকাৰ) তেখেতসকলে কৰি থৈ যোৱা বেয়া কামৰ শতকৰা ৩০ ভাগ হ'লে আমি কাৰেকচন কৰিছো আৰু মই সদনৰ আশ্বাস দিছো ৩১ মার্চৰ ভিতৰতে বেয়া পৰিবেশৰ শতকৰা ৫০ ভাগ কাৰেকচন কৰিম। কিন্তু আমাৰ অলপ সময় লাগিব।

অধ্যক্ষ মহোদয়, মাননীয় সদস্য ৰাভা ডাঙৰীয়াই গর্ভৱতী মহিলাৰ কথা কৈছে আমি মেটাৰণিতি বেনিফিট আঁচনি প্রয়োগ কৰিছো। গর্ভৱতী মহিলাৰ মৃত্যু বৰণ আগতকৈ বহুত কমিছে, যোৱা বছৰৰ তুলনাত এইবাৰ বহুত কমি গৈছে। আমাৰ চৰকাৰ ক্ষমতালৈ অহাৰ পাছত এম, আৰ আৰু আই এম আৰ, মেচাৰণিটি বেনিফিট আঁচনি কার্যকৰী কৰিছো আৰু সেই অনুপাতে টকাও খৰছ কৰিছো। আমাৰ দিনতে শিলচৰ মেডিকেল কলেজত পিজিত ৩৫ চিত বঢ়োৱাৰ চেষ্টা কৰা হৈথে তাৰ কাৰণে আই, এম চিত টকা জমা দিয়া হৈছে। তিনিখন মেডিকেল কলেজত পিজি চিটৰ সংখ্যা বঢ়োৱাৰ চেষ্টা অব্যাহত আছে, তাৰ কাৰণে আই এম. চিৰ পৰা পৰিদর্শক আহিছে। আমি দেশৰ স্বার্থত দল উপদলৰ কথা ভবা নাই কেন্দ্রীয় মন্ত্রী বিজেপি লগৰ হলেও আমি তেখেতক মাতি আনি ভর্ৎসনা কৰিছো আৰু তেখেতৰ আপ্লুত হৈ হাত দাঙি কৈ গৈছে গুৱাহাটী মেডিকেল কলেজ আপগ্রেদ কৰা হ'ব বুলি তাৰ কাৰণে আমাৰ ক্রেডিট নিদিব নেকি? আজি বিজেপি দলে মোৰ বিৰুদ্ধে ভর্ৎসনা প্রস্তাৰ আনিছে। কিন্তু সেই দলৰে কেন্দ্রীয় স্বাস্থ্য মন্ত্রী মাননীয় শ্রীশত্রুঘ্ন সিং ডাঙৰীয়াই মোৰ বিষয়ে কি কৈছে টেপ ৰেকর্ড শুনিলে ভাল পাম গ্রাগ লেবটাৰীৰ সংখ্যা যথেষ্ঠ বাঢ়িছে গতিকে ভাল কাম কৰিলে ধন্যবাদ দিব লাগে,

আপোনালোকে ভাল কাম কৰিলেও ধন্যবাদ। (হাঁহাকাৰ) বিজেপি দলৰ মাননীয় সদস্য সকল দিল্লীলৈ যাওঁক টকা আনক তাৰ কাৰণে তেখেত সকলক ধন্যবাদ দিম।

* শ্রীবৃন্দাবন গোস্বামী (মন্ত্রী) ঃ অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে সদনত তথ্য দাঙি ধৰিছে যিখিনি তথ্য দাঙি ধৰিছে সেইবিলাক আমাৰ দিনত আৰম্ভ কৰা আই চিইউ গুৱাহাটীত কৰিবৰ কাৰণে অসম চুক্তিৰ আধাৰত তেতিয়াই ২.২৫ কোটি টকা আৱণ্টন কৰা হৈছিল। চিটি স্কেন আগৰ চৰকাৰৰ দিনতে হৈছিল মন্ত্রী মহোদয়ে উল্লেখ কৰা সকলোবিলাক আঁচনিয়ে আগৰ চৰকাৰৰ দিনতেই আৰম্ভ কৰা হৈছিল, নৌকা বাহিনী আগৰচৰকাৰে, ৪০টা এক্সৰে মেচিন আগৰ চৰকাৰৰ দিনতে অনা হৈছিল। এনেকুৱা বহুত আঁচনি আগৰ চৰকাৰৰ দিনৰ।

* শ্রীহেমন্ত বিশ্ব শর্মা(মন্ত্রী) ঃ ৱৰ্ল্ড বেংক আৰু এৰিয়াচপ প্রজেক্ট কংগ্রেজ চৰকাৰে আনিছে। (হাঁহাকাৰ)

* শ্রীগোপী নাথ দাস ঃ গাও অঞ্চলৰ যিবিলাক স্বাস্থ্য কেন্দ্র সেইবিলাক ভঙিচিঙি গৈছিল সেইবিলাক এতিয়া মেৰামতি কৰা হৈছে, এই কথাটো স্বীকাৰ কৰিব লাগিব।

* ডাঃ ভূমিধৰ বর্মন (মন্ত্রী) ঃ আমি ২৪০ টা পিজৰ চিট ভিজার্ভ কৰিছো, গাওঁলৈ চিকিৎসক যোৱাৰ ব্যৱস্থা কৰিছো, বিধায়ক সকলক আমি আৰু সুবিধা দিম। গতিকে ভৰ্ৎসনা প্রস্তাৱটো উঠাই লবলৈ মাননীয় সদস্য সকলক অনুৰোধ কৰিলো যাতে আৰু বেছি ভাল কাম কৰিব পাৰো।

Mr.Spesker :- Now I would like to request to start discussion on P.W.D

* শ্রীবৃন্দাবন গোস্বামী ঃ মাননীয় অধ্যক্ষ মহোদয়, গড়কাপ্তানী বিভাগৰ এই গুৰুত্বপূর্ণ বিষয়টোৰ লগত আমি আটায়ে জৰিত। গতিকে এই বিষয়টো আলোচনা কৰা অতি দৰ্কাৰ। মাননীয় বিধায়কসকলে এই

---

* Speech not corrected

ভৎর্সনা প্রস্তাৱটো সপক্ষে নিশ্চয় যুক্তি ডাঙি ধৰিব। এই বিষয়টোৰ ওপৰত ভিত্তি কৰি আজি চৰকাৰক অপদার্থ বুলি কোৱা হৈছে। অন্যৰ কথাই নকও গুৱাহাটী বাট পথ সমূহ ইমানেই বেয়া যাৰ কাৰণে বিৰোধী পক্ষকো ৰাইজে সমালোচনা কৰিছে। বিধান সভাৰ মজিয়াত এই কথা বিলাক দাঙি নধৰিলে ৰাইজৰ সন্মূখত আমি ভৎর্সনা সন্মুখীন হ'ম। বাতৰি কাকত সমূহে চৰকাৰৰ এই অপদার্থৰ কথা উদঙাই দিছে। গতিকে আমি বিৰোধী পক্ষ হিচাবে আমি তাত নিৰবতা অৱলম্বন কৰিব নোৱাৰো। আমি ভৎর্সনা প্রস্তাৱ এই কাৰণেই জানবলগীয়া হৈছে। বাতৰি কাকতত লিখিছে যে, চৰকাৰৰ অকর্মণ্যনা আৰু বিৰোধীৰ নিৰবতা। আমি আজি ভৎর্সনা প্রস্তাৱটো এই কাৰণেই আমিছো, আপোনালোকক অলপ সোঁৱৰাই দিবলৈ। আমাৰ এই প্রস্তাৱটোৰ প্রতি শাসকীয় দলৰ বিধায়ক সকলৰো মসর্থন আছে, কিন্তু তেখেতসকলে শাসকায় দলৰ বিধায়ক হোৱাৰ কাৰণে চৰকাৰ পক্ষক মনর্থন কৰিব লাগিব, সেই কাৰণে তেখেতসকলে উপায় নোহোৱাত পৰি এই প্রস্তাৱৰ বিৰোধিতা কৰিবলগীয়া হৈছে। শাসক দলৰ বিধায়ক সকলে ভিতৰি ভিতৰি গুজৰি গুমৰি আছে, কাৰণ তেওঁলোকে নিজেও ভুক্তভোগী। সেই কাৰণে মই কৈছো যে ৰাজ্যখনৰ বৃহত্তৰ স্বার্থৰ খাতিৰত আপোনালোকে এই ভৎর্সনা প্রস্তাৱটোৰ প্রতি সমর্থন জনাব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, আজি ৰাজ্যখনৰ ৰাস্তা-ঘাট বিলাকৰ যি অৱস্থা সেইটো সকলোৱেই স্বীকাৰ কৰিব। কিছুদিন আগতে মির্জা অঞ্চলত পথৰ দুৰঅৱস্থাৰ বাবে ৰাইজে পথ অৱৰোধ কৰি পুলিচৰ গুলি খাব লগীয়া হৈছে। পেপাৰত কিখিছে মই পঢ়ি দিছো " মির্জাত ৰাজিৰ পথ অৱৰোধ, ৰাইজলৈ গুলি" " জনজাতি অধু'সিত অঞ্চলত দৈনিক যাতায়তৰ দুৰৱস্থা চাইকেলেই যাতায়তৰ

সাৰথি" যাতায়তৰ অসুবিধাৰ বাবে ৰোগীৰ ৰাস্তাটে মৃত্যু" নাওঁকটা- গোৰেশ্বৰ পথ যাতায়তৰ অনুপযোগী নাগৰিকৰ বিধায়কৰ নেতৃত্বত পথ অৱৰোধ, আৰু লিখিছে "মন্ত্রী বিধায়ক ভোটহে বিচাৰি আহে তাৰাবাৰীলৈ।" আৰু বহুত আছে, মই জাপ জাপ আনিব পাৰিলেহেতেন। এতিয়া অধ্যক্ষ মহোদয় চাওঁক, ৰাজ্যখনৰ পথৰ কি জৰাজীর্ণ অৱস্থা। মন্ত্রী মহোদয়ে কৈছিল যে সেইটোৰ মেৰামতিৰ দায়িত্ব বি, আৰ, পি এলক দিয়া আছে, কিন্তু আজিলৈকে কোনো কাম হোৱা নাই।

* **শ্রীৰিপুন বৰা (মন্ত্রী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, পথ অৱৰোধ আমিও কৰিছিলো। কিন্তু কেন্দ্রীয় চৰকাৰে পথ মেৰামতিৰ বাবে টকা নিদিয়াৰ বাবে হে কৰিছিলো।

* **শ্রীবৃন্দাবন গোস্বামী (মন্ত্রী)** ঃ আপোনালোকৰ চৰকাৰে দায়িত্বভাৰলোৱাৰ পিচত ৰাস্তা-ঘাট বিলাকৃত অলপ চকু দিয়া হ'লে আজিৰ অৱস্থা নহলহেঁতেন। আপোনালোকে একো কামেই নকৰিলে। এতিয়া ৰাস্তাবিলাকৰ যি অৱস্থা আমাৰ মন্ত্রী বিধায়ক সকলে পূজাৰ আগে আগে ঘৰলৈ যাওঁতে গম পাব। তেখেতসকলে সেই একে ৰাস্তাৰে যাব লাগিব। অধ্যক্ষ মহোদয়, আপুনিও ঘৰলৈ যাব আপুনিও গম পাব ৰাস্তাৰ কি অৱস্থা। আপোনালোকৰ চৰকাৰে দায়িত্ব ভাৰ লৈ যিবিলাক কৈছিলে, সেইমতে কাম কৰা হলে আপোনালোকক সমালোচনা নকৰিলেহেঁতেন। আপোলালোকে 'ৰাবাৰাইজ' ৰাস্তাৰ কথা কৈছিল, নতুন টেকন্‌লোজিৰ কথা কৈছিল। কিন্তু আজিৰ তাৰিখত কি হৈছে। আপোনালোকৰ নিৰ্ব্বাচনী ইস্তাহাৰ, ইকনমিক এজেন্ডা আদিত যি বিলাক কথা কৈছিলে, সেইবিলাক কি হ'ল। আমাৰ দল শাসনত থাকোতে আপোনালোকে আমাৰ সমালোচনা কৰিছিল। আজি আমি বিৰোধী দলত গতিকে আমিও

---

* Speech not corrected

আপোনালোকক সোঁৱৰাই দিব লাগিব। এটা কথা ঠিকে যে আমাৰ গণপৰিষদৰ শাসন কালত আমাৰ ভাতৃসম মন্ত্রী নগেন শর্ম্মা ডাঙৰীয়াই পথ আৰু দলঙৰ ক্ষেত্রত বহুখিনি কাম কৰি থৈ গৈছে। তেখেতে পিচে বেছি সময় নাপালে। আৰু অলপ সময় পোৱা হ'লে তেখেতে বহুখিনি কৰিব পাৰিলেহেঁতেন। মোৰ এটা কথা মনত আছে ৯৮ চন মানত হ'ব মৰিগাৱৰ শ্রীলক্ষী মেধি নামৰ মানুহ এজনে তেওঁলৈ এখন চিঠি লিখিছিল, তেওঁৰ মৃত্যুৰ কিছুদিন আগতে। চিঠিৰ উত্তৰত তেওঁ কৈছিল যে মনসা বিলত দলঙৰ কাম শেষ কৰিহে ৰাইজক লগ কৰিম। তাৰ পিচত তেওঁ সেইখন দলঙ সম্পূর্ণ কৰিলে লগতে আৰু ৩৪খন মান দলঙৰ কাম সম্পূর্ণ কৰিলে। আজি এইখন চৰকাৰ আহি কি কৰিছে, আমাৰ চৰকাৰৰ দিনত নগেন শর্ম্মাই অতি কম সময়ৰ ভিতৰত ১১/১২খন মান উৰণীয়া সেতুৰ কাম আৰম্ভ কৰিছিল। এতিয়া সেইখিনি কামকে এই চৰকাৰে কিছু কৰি আছে। কেইদিন মান আগতে ৰাতি কাম চাবলৈ যোৱা দেখিছো এটা অঞ্চল, মই অলপ দুৰৰ পৰা দেখিছিলো কাৰণে মন্ত্রী মহোদয় আছিল নে নাই। এতিয়া আপোনালোকে ৰাস্তা-ঘাত বিলাক মেৰামতি কামত ভালদৰে মনোনিবেশ কৰিবৰ হ'ল। এজিপিৰ দিনত কাম কৰা নাই, দিল্লীয়ে একো নিদিয়ে বুলি কৈ বহি থাকিলে নহ'ব। এতিয়া ৰাস্তা-পদলি দুৰৱস্থাৰ কাৰণে বাতৰিকাকততে এই সম্পর্কত বাতৰি ওলাইছে। এখন বাতৰিকাকততে চাৰি পাঁচটাকৈ ৰাস্তাৰ দুৰৱস্থাৰ বাতৰি দিয়ে। আৰু এটা কথা আমাৰ যিবিলাক ৰাস্তাবিলাক লোডৰ কথাটো চাব লাগে। আমাৰ মাননীয় বিধায়কে কৈছিল যে, আমাৰ ৰাস্তা বিলাকৰ ক্ষমতাৰ তুলনাত বহুত বেছি'লাডৰ' গাড়ীবিলাক চলাব বাবে ৰাস্তাবিলাক সোনকালে নষ্ট হৈ যায়। গতিকে ৰাস্তাত কিমান টনৰ গাড়ী চলে সেইটো চাব লাগিব। আপোনালোকৰ চৰকাৰ

ক্ষমতালৈ আহিয়েই, টকা-পইচাৰ ক্ষত্রত কিছুমান 'ইনচৰেঞ্চ' দিছিল, কিছুমান 'চিছটেমৰ' কথা কৈছিল, এতিয়া সেই 'চিষ্টেম' বিলাক কলৈ গ'ল। কেইদিনমান আগতে বাতৰি কাকতত এটা বাতৰি প্রকাশ হৈছিল ডিব্রুগড় গড়কাপ্তানী বিভাগত, ৪৮ লাখ টকা আত্মাসাৎ কৰিছে। প্রথমতে আমাৰ মন্ত্রী মহোদয়ে বোধ হয় গম পোৱ নাছিলো। পিচত মন্ত্রী মহোদয়ৰ চকুলৈ আহাত বোধ বন্ধ কৰিলে। নহ'লে আৰু কিবাকিবি ওলালেহেঁতেন। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ গড়কাপ্তামী বিভাগৰ অধীনত যিমান কিলোমিটাৰ ৰাস্তা আছে, সেই গোটেই ৰস্তাখিনিৰেই অৱস্থা বেয়া, এইটো দুর্ভাদ্যজনক। মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো আলোচনাৰ বাবে সময় বৰ কম, আৰু কেইবাজনে কব লাগিব আৰু মন্ত্রী মহোদয়েও উত্তৰ দিব লাগিব গতিকে সময় অলপ বঢ়াই দিয়া ভাল হব। আপোনালোকৰ চৰকাৰে কেন্দ্রই পইচা নির্দিয়ে, পুঁজিৰ অভাৱত কাম কৰিব পৰা নাই আদি কথা কৈ আছে, ছটিশগড় ৰাজ্যৰ মুখ্য মন্ত্রীয়ে দিল্লীত গৈ কেন্দ্রীয় চৰকাৰৰ ওচৰত ধর্ণা দিব পাৰে, আপোনালোকে কেন্দ্রৰ ওচৰত পইচাৰ কাৰণে কিয় ধর্ণা দিব নোৱাৰেগৈ। সদনত বিচাৰিলে বিভাগীয় মন্ত্রীয়ে কি কি কাম কৰিলে কিছুমান তথ্যপাতি দিব কিন্তু দেখিব ৰাষ্ট্রীয় বেয়া হৈছে। মই আৰু এটা কথা সদনৰ দৃষ্টিলৈ আনিব বিচাৰিছো, সেইটো হৈছে গুৱাহাটীৰ উৰণীয়া সেতু দুখনৰ নামাকৰণ সম্পর্কে। আপোনলোকে বিৰোধী দলত থকা সময়তেই বিষয়টো আলোচনা হৈছিল। সেই আলোচনাত কেইটামান গুৰুত্বপূর্ণ সিদ্ধান্ত লোৱা হৈছিল, তাৰ ভিতৰত দৌলশাল ৰস্তা, দিশপুৰৰ পৰা হাতীগাৱৰ মাজেৰে এটা ভি, আই, পি ৰোড নির্ম্মাণ আৰু গুৱাহাটীৰ নবনির্ম্মিত দুখন উৰণীয়া সেতুৰ এখন নগেন শর্ম্মাৰ নামেৰে নামাকৰণ কৰা। সেই আলোচনাত ঠিক কৰা হৈছিল যে, গনেশগুৰিৰ

উৰণীয়া সেতুৰ নাম বিষ্ণু ৰাভাৰ নামেৰে আৰু উলুবাৰী উৰণীয়া সেতুৰ নাম নগেন শর্ম্মাৰ নামেৰে নামাকৰণ কৰা হ'ব। এতিয়া এখন বিষ্ণু ৰাভাৰ নামেৰে নামাকৰণ হ'ল আৰু আন খন ভিষ্ণুৰাম মেধিৰ নামেৰে নামাকৰণ কৰা সিদ্ধান্ত লোৱা হল। আমি বৰেণ্য ব্যক্তি সকলক আমাৰ বিতর্কৰ মাজলৈ আনিব খোজা নাই। আৰু তেখেতসকলৰ নামত কৰিলেও আমাৰ আপত্তি কৰিবলগীয়া একো নাই।

তথাপি আমি গড়কাপ্তানী মন্ত্রী মহোদয়ৰ পৰা জানিব বিছাৰিছো আগৰ সিদ্ধান্তটো কিয় সলনি কৰা হ'ল।

মাননীয় অধ্যক্ষ মহোদয়, অসমৰ এজন নামজ্বলা ব্যক্তি জ্যোতিপ্রসাদ আগৰৱালাদেৱৰ নাম চৰকাৰলৈ আহিছে লগতে আৰু বুৰঞ্জী প্রসিদ্ধ ব্যক্তি বিষ্ণুপ্রসাদ ৰাভা দেৱে আৰু বিমলা প্রসাদ চলিহা দেৱে। তেখেত সকলক আমি শ্রদ্ধা কৰো। তেখেত সকলৰ নামত উৰণীয়া সেতু নামাকৰণ কৰাত আমাৰ কোনো দ্বিমত নাই। ৰিধান সভাত বিধায়ক, ৰাজনৈতিক কর্ম্মী, দক্ষ্য ব্যক্তি হিচাবে বিষ্ণুৰাম মেধিৰ নামটো বিবেচনা কৰিব পাৰি। তেখেত আমাৰ দেশৰ এজন ডাঙৰ নেতা আছিল। পুণৰ কৰ চেংচৰ মোচন জনা বাবে এই কথাখিনি কৈছো। কাৰণ আমি বিধান সভাত নীৰৱ হৈ বহি থকা বুলি জনসাধাৰণে আমাক ভর্ৎসনা দিব।

মাননীয় অধ্যক্ষ ঃ মাননীয় সদস্য সকল নীৰৱ হৈ থকা বুলি কোনেও কোৱা নাই।

* **শ্রীপ্রণতি ফুকন,(মন্ত্রী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ডিব্রুগড়ৰ বগীবিল দলং এখনৰ সংক্রান্ত মোৰ নামটো উল্লেখ কৰা হৈছে। এইটো ভুল ভাঙিবৰ বাবে মই কথাটো ক্লিয়েৰ কৰি দিব বিচাৰিছো। বাতৰি কাকতত ওলোৱা কথাটো মিছা বিত্তিত দিছে মই নাজানো। তাত

* Speech not corrected

মোৰ নামটো উল্লেখ কৰা বাবে মই দুখ পাইছো।

* শ্রীবৃন্দাবন গোস্বামী ঃ মাননীয় অধ্যক্ষ মহোদয়, মই তেখেতৰ নাম কোৱা নাই।

* শ্রীপবিন্দ্র ডেকা (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাকো কব দিব লাগিব।

* শ্রীজগদীশ ভূঞা (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, কাম নকৰে কাৰণে কামবিলাক সম্পুর্ণহে নুঠে।

* শ্রীশৰৎ বৰকটকী (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্রী হিচাপে কম মোক ১৫ মিনিট সময় কবলৈ দিব লাগিব।

মাননীয় অধ্যক্ষ ঃ মাননীয় সদস্য শ্রীপবিন্দ্র ডেকাক কবৰ বাবে ৩ মিনিট সময় দিছো।

* শ্রীপবিন্দ্র ডেকা (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, ২৪ হেজাৰ দৈর্ঘৰ ৰাস্তা, ৬০ হেজাৰ দৈর্ঘৰ ৰাস্তা আৰু ৪ হেজাৰ দৈর্ঘৰ ৰাস্তা বেয়া হৈ গৈছে। সেই ৰাস্তাই জন জীৱন বিপন্ন কৰিছে। এইবিলাক কথা মন্ত্রী ডাঙৰীয়াক কলে, আমি চেষ্টা কৰি আছো। ৰাজ্য চৰকাৰৰ বিত্তীয় অৱস্থা বেয়া। ৰাস্তা ঘাট ভাল কৰিব পৰা নাই। ২০০১ চনত দিয়া বিপটটো ২০০২ তনৰ ৩১ মার্চত গৈ ওলাব। তেখেতে কব আমাৰ টকা পইচা নাই কাৰণে আমি কাম কৰিব পৰা নাই। There is mention in the CAG report that Budget provision was very poor. মই কেৱল পি, ডব্লিউ ডি বিভাগৰে কথা কৈছো এনে নহয় বছৰ বছৰ ধৰি বিভিন্ন বিভাগে এই দৰে কৈ পাল মাৰি উত্তৰ দি গৈছে। তাৰ পাচত কৈছো Injudicious Supplimentary provision inadquate budget provision lack of control over expenditure. এইবিলাক কথা মই মাননীয় মন্ত্রী মহোদয়ে দৃষ্টি আকর্ষণ কৰিছো। মার্চ মাহৰ আগতে ৰাতি ৰাতি পেমেণ্ট হৈছিল আজিকালি নহয়।

---

* Speech not corrected

মাননীয় অধ্যক্ষ ঃ মাননীয় সদস্য গৰাকীৰ অঁলপ চমুৰাই কৰলৈ অনুৰোধ কৰিছো।

* **শ্রীপবিন্দ্র ডেকা (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইবিলাক কথা কৈ মই মাননীয় মন্ত্রী মহোদয় দৃষ্টি আকর্ষণ কৰিব বিচাৰিছো। মনত যদি নাই এই বিষয়ে বেছিকৈ গুৰুত্ব দিব বুলি মই কৈছো।

* **শ্রীমতী প্রমিলা ৰাণী ব্রহ্ম ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা বছৰ ২০০১ চনত বি, এ, চি, এলেকাত কাম কৰিবৰ কাৰণে এই বিভাগটোৱে এপইচাও দিয়া নাই। যিহেতু সদনত চেংচৰ মোচন আনিছে সেইকাৰণে মই এই কথাখিনি কৈছো। এইটো সময়ত নিদিয়ে কাৰণ মাননীয় মন্ত্রী মহোদয়ে বিষয়টো জানিছে তথাপি কাম কৰিবলৈ টকা দিয়া নাই।

মাননীয় অধ্যক্ষ ঃ মই আগতে কৈছিলো যে সময় খুব কম। মাননীয় সদস্য সকলে অনুমতি দিলে ১০ মিনিট সময় সদনৰ বাবে বঢ়াব পাৰি।
(সকলো মাননীয় সদস্য/সদস্যাৰ সন্মতি সাপেক্ষে সদন ১০ মিনিটৰ বাবে সময় বঢ়াই দিয়ে)।

* **শ্রীশৰৎ বৰকটকী (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য বৃন্দাবন গোস্বামী দেৱে, বিমলাংশু ৰায় দেৱ আৰু প্রমিলা ৰাণী ব্রহ্ম ডাঙৰীয়াইয়ে যিটো চেংচৰ মোচন আনিছে তাৰ কাৰণে মই তেখেত সকলক ধন্যবাদ জ্ঞাপন কৰিছো। এই পৱিত্র বিধান সভাত যোৱা ৫টা বছৰত হোৱা তেখেত সকলৰ কৃতি কলাপবোৰ কৰলৈ মোক সুবিধা দিছে। গুৱাহাটীৰ ৰাস্তাবোৰ অতি বেয়া বুলি কৈছে। এই খিনিতে মই এটা কথা কব বিচাৰিছো ৰাস্তা ঘাট নির্মানৰ কাৰণে ২০৫২ কোটি টকা বাজেটত ধৰা হৈছিল। তাৰে ৭ (সাত) হেজাৰ কোটি টকা কেৱল গুৱাহাটী মহানগৰীতে ৰাস্তা-ঘাটৰ কাৰণে খৰচ কৰিছে। (During A.G.P. time total Budget provision was

---

* Speech not corrected

14 crores But the Govt,spent almost entire money in Guwahati) ১৪ কোটি টকা ক'ত ক'ত খৰছ কৰিলে, যোৱা ৫ বছৰে কৰা কামখিনি ভাল হৈছে বুলি কব খোজে নেকি?

* শ্রী দিলীপ কুমাৰ শইকীয়া ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে কোৱা কথাখিনিৰ বাবে মই তেখেতক আদৰণি জনাইছো।

* শ্রী শৰৎ বৰকটকী (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই আজি কৰিবলৈ গৈছো ৩১৭ টন স্ক্রেপচ মেচেৰিয়েল আৰু ৰোলাৰ আছে ১ কোটিৰ বেছি টকা কোনোবা নাথ নামৰ এজন কণ্ট্রেকটৰক আপোনালোকৰ দিনতে দিছিল। এতিয়া আপোনাকোকৰ ফালৰ পৰাই অনুসন্ধান কৰাৰ কথা কৈছিল। এই ক্ষেত্রত মই এনকুৱাৰী কৰিম। ইয়াৰ পৰাই মই কবলৈ বিছাৰিছো যে গুৱাহাটীত দলংৰ কথা। ইমান বিলাক টকা খৰচ কৰিলে। এল,ও চিৰ ক্ষেত্রটো বহুত খেলিমেলি। আমি এতিয়া ২ কোটি টকা পাইছো। ৪৪ টা ডিভিজন আছে। ৪/৫ লাখকৈ ভগাই দিছো। আপোনালোকে যি পাইছিল গুৱাহাটীতে খৰচ কৰিলে। আপোনালোকৰ দিনত নার্বাদৰ টকা ক'ত ক'ত খৰচ কৰিলে। তেতিয়া বহু ধৰণৰ অনিয়মৰ কৰি গ'ল। উলুবাৰী দলং, আঠগাৱৰ দলংৰ ক্ষেত্রত এডমিনিষ্ট্রেতিভ এপ্রভেল লোৱা নাছিল। এতিয়া ৭ মাহ লাগি লাগি এপ্রভেল উলিয়াব লগা হৈছে। আপোনালোকৰ দিনত ৩৮ টা ৰাস্তা দিছিল। গুৱাহাটীক বাদ দি ১২৫ টা সমষ্টি আছিল। তাৰ ভিতৰত ৯টা সমষ্টিত হে ৰাস্তা দিলে। আপোনাকোক কিমান প্রমান পোৱা গ'ল। কিন্তু আমি সেইটো কৰা নাই। আমি আটাইকেইটা সমষ্টিতে দিবলৈ যো-জা কৰিছো। আপোনালোকে দিয়া ৰাস্তা কাম মোৰ হাতত আছে। জাগীৰোড-মায়ং-দিশপুৰ পথ, চেঙা ৰৰপেটা ৰাস্তা ইত্যাদি। গোটেই বিলাক পঢ়িলে সময় লাগিব। মুঠতে ৯টা ৰাস্তা দিছিল। আপোনালোকৰ দিনত সকলো সমষ্টিতে কাম কৰা নাই। আমি ১২৫ টা সমষ্টিতে নাবার্দৰ টকা দিছো আমাৰ ৭২ জন এম, এল, এ আমি ৭২টা সমষ্টিতে দি থব পাৰিলোহেঁতেন কিন্তু আমি সেইটো কৰা নাই। আপোনালোকৰ লগত আমাৰ ডিফাৰেঞ্চ সেইখিনিতেই। আজি গুৱাহাটীত আমি ৪৯টা ৰাস্তাৰ বাবে ৪কোটি টকা দিছো। যোৱা

* Speech not corrected

